

# স্বপ্ন বৈজয়ন্তী

ৰমা বেজবৰুৱা

মনোৰমা প্ৰকাশ
যোৰহাট—২
( অসম )

'Swapna-Vaijayanti'—Novel by Sri Roma Bezbaruah,
Jorhat, Published by Sri Romen Choudhury,
Manorama Prakash, Jorhat-2 (Asom)

॥ প্ৰকাশক ॥

শ্ৰীৰমেন চৌধুৰী

'মনোৰমা প্ৰকাশ'

যোৰহাট-২ ( অসম )

●

॥ বেটুপাত ॥

শ্ৰীত্ৰৈলোক্য দত্ত

প্ৰথম প্ৰকাশ :

১৯৭৩

●

॥ ছপাওঁতা ॥

এলায়েড প্ৰিন্টিং ওৱাৰ্কছ

২০৯এ, বিধান সৰণী, কলি-৬

মূল্য : আঠ টকা।

যাৰ আদৰ্শই মোক সৰুৰে পৰা সদায়ে উৎসাহ
আৰু উদ্দীপনা যোগাই আহিছে—
শ্ৰীহেম বৰুৱাৰ হাতত পৰম
শ্ৰদ্ধাৰে অৰ্পণ কৰিলো।

# ॥ আগ কথা ॥

যি উপন্যাসে পাঠকৰ মনত সামান্যকৈ হলেও আলোড়নৰ সৃষ্টি কৰিব নোৱাৰে যাইবা আনন্দ দিব নোৱাৰে, সি উপন্যাসৰ শাৰীত নপৰে বুলি চমাৰচেট্ ম'মে কৈছিল। 'স্বপ্ন-বৈজয়ন্তী'—পাঠক সমাজলৈ আগবঢ়ালো। ই এখন সঙ্গীত-নির্ভৰ উপন্যাস। মোৰ নিচিনা বিশেষ অভিজ্ঞতা নথকা লিখকৰ কাৰণে ই এটা দুৰূহ প্ৰচেষ্টা। এইখিনিতে কৈ থওঁ, সঙ্গীত তথা ৰাগ-ৰাগিনীৰ থিয়ৰিটিকেল দিশলৈ মই যোৱা নাই; যোৱাৰ সাধ্য নাই। ৰাগ-ৰাগিনীৰ কাব্যিক বৰ্ণনাৰ মাজতহে থাকিবলৈ চেষ্টা কৰিছো।

পাঠকে সমালোচনা কৰি খুব বেয়া হোৱা নাই বুলি কলে ময়ো কিছু সফলতা লাভ কৰিছো বুলি ধৰি ল'ম। কাৰণ ম'মে আৰু কৈছিল—"Every reader is his own best critic. for he alone knows what he enjoys and what he does'nt." লগতে অৱশ্যে এইষাৰো কৈছিল—"There is no obligation to read fiction."

এই উপন্যাসখনৰ ভেঁটি ৰচনাত মোক বিশেষভাৱে সহায় কৰিছিল অসমৰ আগশাৰীৰ অন্যতম যন্ত্ৰ-শিল্পী শ্ৰীইন্দ্ৰেশ্বৰ শৰ্ম্মাই। বিভিন্ন ধৰণে দিহা-পৰামৰ্শ দি মোক উদ্‌গনি দিছিল লব্ধ-প্ৰতিষ্ঠ সাহিত্যিক অধ্যাপক শ্ৰীনগেন শইকীয়া, কবি শ্ৰীপঞ্চানন চহৰীয়া, উদীয়মান আৰু উজ্জল সঙ্গীত পৰিচালকদ্বয় জিতু-তপন আৰু বন্ধু শ্ৰীকটিক বৰাই। পাণ্ডুলিপি প্ৰস্তুত কৰাত সহায় কৰিছিল দেৱীচৰণ বৰুৱা কলেজৰ ছাত্ৰী শ্ৰীৰশ্মিমালা দেৱী আৰু ভনীৰ নিচিনা শ্ৰীআনমনা বৰুৱা (জুলি) ই। সকলোৰে ওচৰত মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

আৰু এগৰাকী প্ৰতিভাশালী কণ্ঠ-শিল্পী—যাৰ অহৰহ অনুপ্ৰেৰণা, পৰামৰ্শ আৰু উদ্‌গণি নোপোৱা হলে 'স্বপ্ন-বৈজয়ন্তী' কেতিয়াও সম্পূৰ্ণ নহলহেঁতেন, কৃতজ্ঞভাৱে তেওঁৰ নাম ইয়াত উচ্চাৰণ নকৰিলোৱেই বা।

উদীয়মান ব্যৱসায়ী আৰু সৰবৰহী মনোৰমা প্ৰকাশৰ স্বত্বাধিকাৰী শ্ৰীৰমেন চৌধুৰীক কেনেকৈ কৃতজ্ঞতা জনাম নেজানো। প্ৰকাশন ব্যৱসায়ত যেন তেওঁ জয়-যুক্ত হয় তাকেই কামনা কৰিলো।

যোৰহাট,
জানুৱাৰী, ১৯৭১।

ৰমা বেজবৰুৱা

এগৰাকী গাভৰু মহিলাই যদি মনৰ চাৰিওকাষে অহৰ্নিশে এখন দুৰ্ভেদ্য প্ৰাচীৰ নিৰ্ম্মাণ কৰি থয় আৰু কোনোবাদিনা এটি ৰাজ-ভৰা হাঁহিৰে কয়—'চেতাৰৰ সুৰেৰে কল্পনা ৰাজ্যত বিচৰণ কৰি ফুৰিব পাৰি, কিন্তু বাস্তৱৰ কঠোৰতাত এই সুৰৰ মূৰ্চ্ছনা খান খান হৈ যায় আৰু হ'বলৈ বাধ্য,' তেতিয়া এনে দুৰ্জ্জেয়া নাৰীৰ অন্তৰ-খন জানিবলৈ যেই কোনো পুৰুষ বিশেষকৈ আলোকৰ নিচিনা শিল্পী এজনৰ কৌতূহল আৰু লোভ বঢ়াটো স্বাভাৱিক।

জীৱনৰ বহুতো ঘাত-প্ৰতিঘাটৰ মাজেদি পাৰ হৈ অহা বুদ্ধিমান, বাকপটু আৰু সুৰৰ মায়াজাল সৃষ্টি কৰিব পৰা শিল্পী আলোকে আপ্ৰাণ চেষ্টা আৰু অসাধ্য সাধনা কৰিও শিক্ষয়িত্ৰী আৰাধনা কাকতিৰ কাষ চাপিব পৰা নাই, কঠোৰ ব্যক্তিত্বৰে ভৰা আৰাধনাই বাৰে বাৰে আলোকক বিমুখ কৰি পঠিয়াইছে। শিক্ষয়িত্ৰীৰ গধুৰ ব্যক্তিত্ব, অথচ মুখখন কমনীয় আৰু স্নিগ্ধ। মাকলৈ মনত পৰি যায় আলোকৰ। মাক কিন্তু আৰাধনাৰ দৰে ইমান বেচি ৰুক্ষ নাছিল। আছিল মমতাৰ প্ৰতীক।

পোন্ধৰ বছৰ বয়সত মাকক হঠাতে হেৰুৱাই তেওঁৰ কিশোৰ জীৱনত যি বিপৰ্য্যয়ৰ সৃষ্টি হৈছিল, তাৰ পিচৰে পৰা তেওঁৰ জীৱনত বহুতো ঘটনা ঘটি গ'ল। এই সময়-ছোৱা বেচ দীঘল যদিও প্ৰতিটো কথাই আলোকৰ মনত সমুজ্জ্বল হৈ আছে।....মেট্ৰিক পৰীক্ষা দিয়াৰ পিচত কেইদিনমানৰ ভিতৰতে আলোকৰ কি যে হৈ গ'ল আজি ভাবিলেও আচৰিত যেন লাগে।............

........মাক ঢুকুৱাৰ দিনা আলোকক বুকুত সাৱটি দেউতাকে কন্দা আজিও তেওঁৰ মনত স্বচ্ছ হৈ আছে। দেউতাকে সেইদিনা খুব শোক পাইছিল।....কিন্তু তাৰ কেই মাহ মানৰ পিচতেই আৰম্ভ হোৱা দেউতাকৰ পৰিবৰ্ত্তনে আলোকৰ কিশোৰ মনটোক আচৰিত নকৰাকৈ থকা নাছিল। অন্তৰৰ ক্ষোভ আৰু অভিমান বোৰ মূৰ্ত্ত

হৈ উঠিছিল, যিদিনা দেউতাকে এগৰাকী নতুন মানুহ ঘৰলৈ আনিছিল। সেই মানুহ গৰাকী হেনো আছিল আলোকৰ নতুন মা—মাহী। ইয়াৰ পিচৰ পৰাই ঘৰখনত এটা দ্ৰুত পৰিৱৰ্ত্তনে দেখা দিলে।

সৰুৰে পৰা পঢ়া শুনাত ভাল বুলি নাম থকা আলোকে সংস্কৃতত লেটাৰ পাই প্ৰথম বিভাগত পাচ কৰি কলেজত নাম লগালে।........ মাতৃৰ অপত্য স্নেহৰ পৰা বঞ্চিত হৈ আলোকে কলেজৰ পাঠা-পুথি আৰু লাইব্ৰেৰীৰ মাজত নিজকে সম্পূৰ্ণ আত্ম-নিয়োগ কৰি দেউতাক আৰু নতুন মাকৰ জীৱনৰ পৰা অজানিতে লাহে লাহে ফালৰি কাটি আহিছিল। দেউতাকৰ প্ৰতি পুঞ্জীভূত হৈ থকা ক্ষোভ আৰু বেদনা এইদৰেই লাহে লাহে পমি গৈছিল যদিও অভিমানাহত মনটোক আলোকে মাজে মাজে শান্ত কৰিব পৰা নাছিল। আত্মাভিমানী আলোক শান্ত হৈ গ'লহেঁতেন, যদিহে আই. এ পৰীক্ষা দিয়াৰ পিচতেই নতুন মাকৰ এজনী ছোৱালী জন্ম নহলহেঁতেন। এইজনী হেনো তাৰ ভণীয়েক।

লাহে লাহে এই শিশুৱেই যেতিয়া আঠুকাঢি দেউতাকৰ কোলাত উঠি দেউতাৰ আধাপকা চুলিবোৰ আজুৰিবলৈ ধৰে, তেতিয়া সংস্কৃতত লেটাৰ লৈ ডিগ্ৰী পঢ়া আলোকে হেৰাই যোৱা মাকৰ কোলাত নিজে কেঁচুৱা অৱস্থাত বহি থকা ফটো খনলৈ চাই চকু যোৰ চলচলীয়া কৰে। হাঁহি মুখে থকা মাকৰ এই ফটো খনৰ মাজেদিয়েই যৌৱনৰ দুৱাৰদলিত থিয় দিয়া আলোকে নিজৰ বঞ্চিত মনটো বিশ্লেষণ কৰি চাবলৈ চেষ্টা কৰিছিল। তেতিয়া তোড়ী ৰাগিনী দূৰৰে কথা, আলোকে কোনো ৰাগ ৰাগিনীকে চিনি নেপাইছিল। সঙ্গীতেই আলোকৰ কাৰণে অজ্ঞাত হৈ আছিল। তাহানি সঙ্গীত-প্ৰেমী মাকে আলোকক গান শিকাবৰ কাৰণে যথেষ্ট চেষ্টা কৰিছিল কিন্তু সঙ্গীতৰ প্ৰতি এটা অজ্ঞাত আকৰ্ষণ অনুভৱ কৰিছিল যদিও আলোক তাৰ পৰা আঁতৰি ফুৰিছিল।...... এদিন কিন্তু আলোকে হঠাৎ

সঙ্গীতৰ প্ৰতি আকৃষ্ট হৈ পৰিল। সুৰৰ মধুৰ মূৰ্চ্ছনাই ইমান দিনে সুপ্ত হৈ থকা মনটোক জগাই তুলিলে।

............সেইদিনা নগৰৰ প্ৰৌঢ় সঙ্গীত শিক্ষক চক্ৰৱৰ্ত্তী চাৰ আলোকহঁতৰ ঘৰলৈ আহিছিল। ঘূৰি যাওঁতে গেটৰ মুখত কলেজৰ পৰা উভতি অহা আলোকৰ লগত সাক্ষাত ঘটিল। চাৰক দেখি নমস্কাৰ কৰি আলোকে সুধিলে—"কেনি আহিছিল চাৰ?" গহীন-গম্ভীৰ চক্ৰৱৰ্ত্তী চাৰে আলোকলৈ চাই এটি হাঁহিৰে ক'লে—"তোমালোকৰ ঘৰলৈকে আহিছিলো। বহুতদিনৰ মূৰত তোমাৰ লগত দেখা হ'ল। ভালে আছা?"

"আছো চাৰ।........আমাৰ ঘৰত কিবা দৰ্কাৰ আছিলনেকি চাৰ?"

"এটা প্ৰয়োজনত আহিছিলো। আজি টাউন-হলত এটা সঙ্গীতানুষ্ঠান আছে। অন্যান্য শিল্পীৰ বাহিৰেও এজন গুণী-নামকৰা চেতাৰ শিল্পী আহিছে। তোমাৰ দেউতাৰক ভাবে কাৰ্ড এখন দিবলৈ আহিছিলো। পিচে দেখেতে যাব নোৱাৰিব বুলি ক'লে। তোমাৰ মাৰ থকা হলেতো কথাই নাছিল। গলেই হেঁতেন।....তুমি যাবা নেকি?"

"মোক কৈছে নেকি চাৰ?"

"তোমাকেইতো কৈছো। মোৰ বিশ্বাস, চেতাৰ শুনি তুমি নিশ্চয় ভাল পাবা। যাবা নে?"

"চাৰ মইনো সঙ্গীত কি বুজি পাওঁ? সেই ৰাগ-ৰাগিনী—"

বৃদ্ধ চক্ৰৱৰ্ত্তী চাৰে প্ৰায় ধমকি দিয়াৰ দৰে ক'লে—"কেনেই বুজি নেপাবা? তোমাৰ মাৰ কিমান ডাঙৰ সঙ্গীত-প্ৰেমী আছিল। সেইবোৰ তোমাৰ মনত নাই কিজানি। তথাপিও নিশ্চয় শুনিছা। তেওঁৰেই ল'ৰা হৈ তুমি সঙ্গীত বুজি নেপাওঁ বা ভাল নেপাওঁ বুলি ক'লে মই অন্ততঃ খুব বেয়া পাম। তুমি আজি নিশ্চয় যাব লাগিব। হোৱা এইখন কাৰ্ড লোৱা।"

.......সেইদিনা চাবৰ মুখৰ কথাত আলোকে এটি অজানা ৰহস্য ভেদ কৰাৰ মানসেৰে চেতাৰ শুনিবলৈ গৈছিল টাউন হলত অভিনয়ৰ নায়কক চোৱাৰ দৰে আলোকে চেতাৰ শিল্পী জনক চাইছিল। তাৰ পিচত সুৰৰ যাদুকৰে যেতিয়া গোটেই প্ৰেক্ষা-গৃহ সঙ্গীতৰ মূৰ্চ্ছনাৰে স্বপ্নাৱিষ্ট কৰি তুলিলে, তেতিয়া আলোকে নিজৰ সত্বাটোও পাহৰি পেলালে। নিজক পাহৰিব পৰা এই স্বপ্নাৱিল পৰিৱেশটোত তেওঁ প্ৰথম মনৰ তৃপ্তি অনুভৱ কৰিলে। ইমানদিনে অজানা ৰহস্যৰে যেৰি থকা এই নতুন জগত খনৰ সন্ধান পাই আলোক আপ্লুত হৈ পৰিল। ইয়াৰ বহুত বছৰৰ পিচতো এবাৰ নিজৰ সত্বা পাহৰিব পৰা অন্য এটা পৰিৱেশ আলোকে পাইছিল, কন্যাকুমাৰীত। সেয়া বহুত পিচৰ কথা।

সঙ্গীতৰ নতুন জগতখনত যে পৃথিৱীৰ ইমান আনন্দ লুকাই আছে আলোকে আগতে ভাবিব পৰা নাছিল।...........টাউন হলত চেতাৰ শুনাৰ পিচদিনাই আলোক চক্ৰৱৰ্ত্তী চাৰৰ ওচৰ পাইছিলগৈ আৰু অধৈৰ্য্যৰ সুৰত কৈছিল—

"চাৰ, মইও চেতাৰ শিকিম।"

প্ৰৌঢ় সঙ্গীত শিক্ষক চক্ৰৱৰ্ত্তী চাৰে এই কুৰি বছৰীয়া যুৱকৰ উজ্জ্বল কাতৰ চকু-যুৰিলৈ আচৰিত হৈ চাই গভীৰ স্নেহেৰে ক'লে—"পাৰিবা জানো আলোক? বহুত বছৰৰ কঠোৰ সাধনাৰ পিচতহে এজন প্ৰকৃত শিল্পীৰ সৃষ্টি হয়।........"

"কেলেই নোৱাৰিম চাৰ? পাৰিম।"

"চোৱা আলোক, সঙ্গীত সাধনাৰ কাৰণে আটাইতকৈ প্ৰয়োজনীয় কথা কি জানা? নেৰানেপেৰা চেষ্টা আৰু অসীম ধৈৰ্য্য। ইয়াৰ পিচতো সঙ্গীত শিল্পীয়ে পায় সফলতাতকৈ বিফলতা অধিক আৰু জয়তকৈ পায় পৰাজয়।........সংগ্ৰাম বুইছা আলোক। মোকেই চোৱা, আজিও মই সংগ্ৰাম কৰিয়েই আছো—।"

অধৈৰ্য্য হৈ আলোকে চিঞৰি উঠিল—"মই আপোনাৰ মুখৰ পৰা ইমানবোৰ কথা শুনিবলৈ প্ৰস্তুত হৈ অহা নাছিলো চাৰ, আশাও কৰা নাছিলো। আপুনিয়েই চাৰ, কালি মোক চেতাৰ শুনাবলৈ নিছিল আৰু আজি আপুনিয়েই মোক হতাশ কৰি দিছে।" ক্ষোভৰ স্বৰ আলোকৰ কণ্ঠৰ পৰা নিগৰি পৰিল। চক্ৰৱৰ্ত্তী চাৰে কিছু সময় আলোকৰ শিল্পী সুলভ চকুযুবিলৈ চাই ক'লে—

"তোমাক মই হতাশ কৰি দিয়া নাই আলোক। শিল্পীৰ পৃথিৱীত বাস্তৱৰ খোঁটাখুটি লাগিলে শিল্পৰ অকাল মৃত্যু ঘটে, মই মাত্ৰ তাকেই কব খুজিছিলো। ঠিক আছে,........কোনে জানে, তুমি হয়তো পাৰিবা। কাৰণ তুমি সেই মানবেই সন্তান যি আজীৱন সঙ্গীত ভাল পাইছিল।........

উৎসাহিত হৈ উজ্জ্বল চকুযুবিৰে আলোকে চিঞৰি উঠিছিল—মযো পাৰিবই লাগিব চাৰ। আপুনি মোক চেতাৰ শিকাওঁক।"

আলোকৰ পিঠিত থপৰিয়াই চক্ৰৱৰ্ত্তী চাৰে কৈছিল—"তোমাক এজন প্ৰকৃত গুৰুৰ সন্ধান দিম। ইয়ালৈ নতুনকৈ এজন গুণী শিক্ষক আহিছে। তেওঁৰ ওচৰলৈ তোমাক লৈ যাম। তোমাক হয়তো তেওঁ শিকাব পাৰে।"

ইয়াৰ পিচদিনাই চক্ৰৱৰ্ত্তীচাৰে আলোকক গুৰুৰ ওচৰলৈ লৈ গৈছিল।

....গুৰু গম্ভীৰ সদালাপী বৈদ্যনাথ মিশ্ৰই গভীৰ দৃষ্টিৰে আলোকলৈ চাই সুধিলে—"সঙ্গীত কঠোৰ আৰু কঠিন সাধনা। সাধনাৰ বাহিৰেও লাগিব মনৰ সূক্ষ্ম অনুভূতি আৰু আত্ম মগ্ন ভাব। পাৰিবানে?"

অহংকাৰ প্ৰকাশ কৰি আলোকে কৈছিল—"পাৰিম বুলি নিজৰ ওপৰত বিশ্বাস আছে কাৰণেই মই আপোনাৰ ওচৰলৈ আহিছো।

মোৰ মাৰ সঙ্গীতত ভাল বাপ আছিল আৰু মই কবিতা ভাল পাওঁ। সেয়ে জানো........”

অন্তৰ খোলা হাঁহি এটাৰে বৈ পৰা দাড়ি কোচা মোহাৰি মোহাৰি গুৰুজীয়ে কৈছিল—“বাৰু হব, হব। পৰশি দিনা তুমি আহিবা। তোমাক মই পৰীক্ষা কৰি চাম।”

অৱশেষত গুৰুজীৰ ওচৰত আলোকৰ আন্তৰিকতাই জয়লাভ কৰিলে।

....ইয়াৰ পিচত আলোকৰ ভিতৰত জন্ম হ'ল এক নতুন শিল্পীৰ আৰু আৰম্ভ হ'ল শিল্পৰ সাধনা। চক্ৰবৰ্ত্তী চাৰেই কমদামত এখন চেতাৰ যোগাৰ কৰি দিলে। এই বয়সতেই আলোক এজন ব্যস্ত মানুহ হৈ পৰিল। কলেজৰ ক্লাচ শেষ কৰি আহি লৰালৰিকৈ থানেশ্বৰ কায়ে দিয়া চাহ এটোপা খাই হাতত চেতাৰখন লৈ আলোক লৰ ধৰে বৈদ্যনাথজীৰ ওচৰলৈ। তাত গভীৰ নিষ্ঠা আৰু অধ্যৱসায়েৰে আৰম্ভ হয় সঙ্গীতৰ প্ৰাথমিক জ্ঞান অৰ্জ্জন।

লাহে লাহে আলোকে গম পালে প্ৰকৃতিৰ ঋতুচক্ৰ আৰু সঙ্গীতৰ অঙ্গাঙ্গী সম্পৰ্কৰ কথা। সকল ঋতুৰ বৰ্ণ-সমাবোহেই মহয়, দিন আৰু ৰাতিৰ প্ৰতিটো প্ৰহৰৰ সৈতে সঙ্গতি ৰাখি সৃষ্টি হোৱা সুৰ সংযোজনা। গুৰুজীয়ে কৈছিল, বিশেষ বিশেষ সময় বা পৰিবেশত মানুহে সুখ-আনন্দ, দুখ-বেদনা আদি ৰাগ ৰাগিনীৰ মাধ্যমত প্ৰকাশ কৰে। এই প্ৰাথমিক কথাবিলাকে আলোকক ব্যাকুল কৰি তুলিলে। নজনা ৰহস্য জানিবলৈ অন্তৰখন দৃঢ় প্ৰতিজ্ঞ হৈ পৰিল। একালে কলেজৰ পঢ়া আৰু আনকালে চেতাৰ শিক্ষা—এই উভয় দিশ ৰক্ষা কৰিবৰ বাবে আলোকে অপৰিসীম ধৈৰ্য্য, আন্তৰিক প্ৰচেষ্টা আৰু নিষ্ঠাৰে কঠোৰ শ্ৰম কৰিবলৈ ধৰিলে।

....কিন্তু যিমান ভালকৈ পাচ কৰিম বুলি ভাবিছিল সিমান ভালকৈ আলোকে বি. এ. পাচ কৰিব নোৱাৰিলে। কেই মাহ

মাৰৰ আগতে সংস্কৃতৰ অমার্ট এৰি দিবলৈ বাধ্য হৈছিল।....তথাপিও বৰ স্বস্তি অনুভৱ কৰিলে তেওঁ।

বি. এ. ৰ বিজাল্ট পোৱাৰ পিচত বহুদিনৰ মূৰত সেইদিনা হাতত চেতাৰখন লৈ ওলাই যাব খোজোতে বাবাগুড দেউতাকৰ লগত তেওঁৰ হঠাৎ ভেটা ভেটি হৈ গ'ল। কামৰ পৰা অৱসৰ লৈ এতিয়া অফুৰন্ত ভাবে দ্বিতীয় পক্ষৰ মান-ভঞ্জন কৰি সময় কটোৱা দেউতাক বস্থ বৰুৱাৰ পৰা সাধাৰণতে আলোকে সদায় আঁতৰি আঁতৰি ফুৰে। বস্থ বৰুৱাই বহুত দিনৰ পিচত অকলশৰীয়া ভাবে পুতেকক পাই মৰমৰ সুৰেৰে ক'লে—"তোৰ বিজাল্ট পাইছো সোনা। কিন্তু তোৰ পৰা ইমান বেয়া বিজাল্ট আশা কৰা নাছিলো।" আলোকে একো নেমাতিলে। বৰুৱাই আকৌ সুধিলে—"এতিয়া কি কৰিবি?"

বহুতদিনৰ মূৰত বাপেকৰ এবাৰ মৰমমিহলি মাত শুনাৰ লগে লগে আলোকৰ নৱলব্ধ যৌৱনৰ অভিমান উত্তাল হৈ উঠিব খুজিছিল। কিন্তু নিজকে সংযত কৰি ক'লে—"আক নপঢ়ো বুলি ভাবিছো। পঢ়ি কি হব?"

অভিভাৱকৰ সুৰত বাপেকে সুধিলে—"কি কৰিবি?

আলোকে উত্তৰ দিবলৈ সময়কে নেপালে। তাৰ আগতে স্থূলকায়া মাহীমাক ওলাই আহি ভামোল খোৱা মুখখন বিকৃত কৰি বিদ্ৰূপৰ সুৰত ক'লে—"কেলেই, সেইখন আছে নহয়। সেইখনেই লেখোন খুৱাব।

আগ্নেয়গিৰি উদগীৰণ হব খোজা মনটো অপূৰ্ব্ব কৌশলেৰে নিয়ন্ত্ৰণ কৰি মাহীমাকলৈ চাই—আলোকে মাত্ৰ হাঁহিলে। মাকৰ মৃত্যুৰ পিচত দেউতাক আৰু ঘৰখনৰ পৰা পোৱা দৈনন্দিন অৱজ্ঞা আৰু গুৰুজীৰ ওচৰত পোৱা সঙ্গীত সাধনাৰ ধৈৰ্য্যই আলোকক আজিকালি যেই কোনো কঢ় কথা আৰু আঘাত সহজে আৰু হাঁহিমুখে গ্ৰহণ কৰিবলৈ শিকাইছে। কিন্তু এই সকলোবোৰেই যে

আলোকক লাহে লাহে এটা নতুন মানুহলৈ ৰূপান্তৰিত কৰিছিল, তেওঁ নিজেও নেজানিছিল।

দ্বিতীয় পকৰ মুখৰ ঠাট্টাৰ সুৰত সুৰ মিলাই বহু বকৰাই পুতেকলৈ চাই ক'লে—"এইবিলাক চেতাৰ তেতাৰ কৰি থাকিলেই নহব। সেইবোৰে তোক সুখুৱাব। এম. এ. ত এড্‌মিচন ল।"

...সেই দিনা আলোকে একো নেমাতিলে যদিও শেষত এম. এত নাম লগাবলৈ বাধ্য হ'ল। বিশেষকৈ গুৰু বৈদ্যনাথে বৰকৈ জোৰ দিলে। গুৰু বৈদ্যনাথ মিশ্ৰই কৈছিল—"এইবাৰ এম. এত নাম লগাই পেলোৱা আলোক। অসমীয়া সাহিত্য নাইবা সংস্কৃত এই দুয়োটাৰ ভিতৰত কোনোবা এটাত লোৱা। তুমি পাৰিবা।...."

"কিন্তু গুৰুজী, চেতাৰ? মোক চেতাৰ এৰি দিবলৈ কৈছেনেকি?

ঐকান্তিক অন্তৰৰ শিষ্যলৈ চাই স্নেহেৰে গুৰুজীয়ে কৈছিল—"চেতাৰ এৰিবলৈ মই তোমাক কেতিয়াও কোৱা নাই আলোক। সঙ্গীতৰ মূল কথাখিনি তুমি আয়ত্ব কৰিব পাৰিছা। লাহে লাহে সকলো হৈ আহিব।...তুমি দুয়োটাই পাৰিব লাগিব আলোক, সাহিত্য আৰু সঙ্গীত। তুমি কবি আৰু শিল্পী, তুমি পাৰিবই লাগিব......."

সেইদিনা মনৰ আনন্দত আলোকে বৈদ্যনাথ গুৰুজীক ভৰি চুই এটা সেৱা কৰি পেলাইছিল। আলোকৰ কাৰণে ই এটা ব্যতিক্ৰম আছিল। ইয়াৰ আগতে এবাৰ মাত্ৰ সেৱা কৰিছিল—মাকৰ মৃত্যুত।

....ইয়াৰ পিচৰ কেইবছৰ আলোকৰ জীৱনৰ বাবে এটা নতুন অধ্যায়। তেওঁৰ মনৰ সকলো খিৰিকী খোল খাই গ'ল। এটা যেন নতুন দিগন্ত মুকলি হৈ গ'ল—আলোকক এটা নতুন স্বপ্নই উদ্বাউল কৰি তুলিলে।

এহাতে এম. এ. ক্লাচত সংস্কৃত অধ্যয়ন আৰু আনহাতে গুৰুজীৰ

ওচৰত সঙ্গীতৰ নিত্য নতুন উদ্যমৰ সাধনা। গুৰুজীৰ গভীৰ সংস্কৃত জ্ঞানেও আলোকক খুব বেচি সহায় কৰিছিল। আলোকে খাবলৈ পাহৰিলে আৰু শুবলৈ এৰিলে। ঘৰৰ লগত যি কম সামান্য সম্বন্ধ আছিল, সিও লাহে লাহে নাইকিয়া হবৰ উপক্ৰম হ'ল। পল, দণ্ড, ঘণ্টা, দিন আৰু মাহবোৰ যে ভেতিয়া কেনেকৈ পাৰ হৈ গৈছিল। ভেতিয়া গুৰুজীৰ ওচৰত নিজকে সম্পূৰ্ণৰূপে সমৰ্পন কৰি আলোক মগ্ন হৈ পৰিছিল সঙ্গীতৰ বিভিন্ন ঠাট আৰু বিচিত্ৰ ৰাগ ৰাগিনীৰ জ্ঞান অৰ্জ্জনৰ কাৰণে।

ভেতিয়াই প্ৰথম আলোকে চিনি পালে গুৰু গম্ভীৰ ভৈৰৱক, পৰিচয় ঘটিল বীৰৰস আৰু কোমলভাৰ প্ৰতীক মালকোষ, জ্যোতিষ্মান দীপক, শৃঙ্গাৰ ৰসৰ হিন্দোল, সৰ্বসুন্দৰ শ্ৰী আৰু গুৰু গৰ্জ্জন মেঘৰ লগত। ধীৰে ধীৰে আলোকৰ চেতাৰত প্ৰাণ পালে ভৈৰৱী, ইমন্‌কল্যান, আসাৱৰী, বেহাগ, কানাড়া, মাৰৱা, মোহিনী আৰু জয় জয়ন্তীয়ে। মমতাময়ী তোড়ী, স্নিগ্ধা গৌৰী, শান্তময়ী ললিত, বিজয়া পঞ্চম, মধু মাধৱী, বিলাৱল, সিন্দুৰা আৰু বৈজয়ন্তী।

কেতিয়াবা হাতত চেতাৰখন তুলি লৈ আঙুলিত মিজৰাফ্ পিন্ধি লোৱাৰ লগে লগে বৈদ্যনাথ গুৰুজীয়ে পৰম আগ্ৰহেৰে কাষত বহি লৈ কয়—

"বজোৱা।"

"কি বজাম গুৰুজী?"

"আজি তোমাৰ ইচ্ছা মতেই বজোৱা। শুনো; কি বজাবা?"

"তোড়ী বজাই চাওঁনে গুৰুজী?"

"বজোৱা। বাস্তৱিকতে বৰ সুন্দৰ ৰাগিনী। কিন্তু অলপ কঠিন। সৌবীৰী মূৰ্চ্ছনা।....কিন্তু আলোক! মই এটা কথা মন কৰিছো। তুমি সম্ভৱ এই ৰাগিনীক অলপ বেছি ভাল পোৱা নহয় নে? কাৰণ কি?........"স্নেহ বৎসল সুৰত বৈদ্যনাথজীয়ে সোধে।

চেতাবৰ তাঁৰ কিভালত আঙুলি বুলাই বুলাই আলোকে কৈছিল —"কব নোৱাৰো গুৰুজী, কিন্তু ভাল লাগে। প্ৰথম যেতিয়া আপোনাৰ হাতত তোড়ী শুনিছিলো, তেতিয়া মোৰ এটা মমতাময়ী আৰু পবিত্ৰ মূৰ্ত্তিলৈ মনত পৰিছিল। হঠাৎ মোৰ মালৈ মনত পৰি গৈছিল.......।" গুৰুজীয়ে মমতাৰে আলোকৰ পিঠিত চপৰিয়াই ক'লে "ঠিক আছে আলোক, আৰম্ভ কৰা তোড়ীৰ আলাপ।"

....এই দৰেই পূৰ্ণ উদ্যম আৰু গতিত চলিবলৈ ধৰিলে চেতাৰ সাধনা। সুৰৰ এই নতুন ৰাজ্যত আলোকে বিচাৰি পালে—'গ ধ নি স্বৰ কোমল লগে চঢ়ত গ নি ণ সুহাত। ধ গ বাদী সম্বাদী তেঁ, আসাৱৰী কহাত॥' গদ গদ স্বৰত বৈদ্যনাথজীৰ মুখত ইমন কল্যাণৰ বিষয়ে শুনিলে—'কল্যানো য়মনো বিভাতি সকলৈস্তীব্ৰ স্বৰৈৰ্মনিতৰো। গান্ধাৰঃ কথিতো অত্ৰ বাস্তৱ চ সংবাদী নিবাদঃ স্বৰ॥...."

গুৰুজীৰ মুখত সংস্কৃতৰ মধুৰ উচ্চাৰণ শুনি অভিভূত হৈ আলোকে সোধে—"আপোনাৰ মুখত ৰাগ ৰাগিনীৰ বৰ্ণনাও বৰ সুন্দৰ লাগে গুৰুজী।"

গুৰুৱে প্ৰশান্তি ভৰা হাঁহিৰে কয়—"তুমিও পাৰিবা। সংস্কৃত পঢ়িছা যেতিয়া ৰাগ-ৰাগিনীৰ কাব্যিক বৰ্ণনাৰ মধু তুমি নিজেই আস্বাদন কৰিব পাৰিবা।"

...."আজি কি বজাওঁ গুৰুজী?"

"আজি বজোৱা মালকোষ। তোমাৰ ধ্যানলৈ আনা এটা শান্ত, গম্ভীৰ আৰু বীৰ মূৰ্ত্তি—যাৰ সকলো সৌন্দৰ্য্য মধ্যম স্বৰত নিহিত হৈ আছে। মনত পেলাবলৈ চেষ্টা কৰা।"

"মনত পৰিছে গুৰুজী।"

"বজোৱা—"

এনেকৈয়ে আলোকে ৰাগ-ৰাগিনীৰ আলাপ বিস্তাৰ কৰি সুৰৰ মায়াজাল সৃষ্টি কৰিব পৰা কৌশল দ্ৰুত গতিত আয়ত্ত কৰিবলৈ ধৰিলে। মীড়ৰ কম্পনত ফুটাই তুলিবলৈ চেষ্টা কৰিলে সূক্ষ্ম কোমলতা আৰু ফুটাই তুলিলে নিজৰ অন্তৰৰ কলাসুলভ অনুভূতি। সঙ্গীতৰ লগে লগে সমভাৱে আগবাঢ়ি গ'ল। সংস্কৃত সাহিত্যৰ গভীৰ অধ্যয়ন।

পুথিগত আৰু ব্যৱহাৰিক জ্ঞান, এই দুয়োটাৰ সমন্বয়ত যে ইমান আনন্দ আৰু তৃপ্তি আছে আলোকে আগতে নেজানিছিল। গুৰুজীৰ লগত হোৱা আলোচনাত ৰাগ—ৰাগিনীৰ কাব্যিক সৌন্দৰ্য্য বৰ্ণনাৰ মধুৰতা বেছি প্ৰকট হৈ পৰিল। কেতিয়াবা আপোনভোলা গুৰুজীয়ে শিষ্যক পৰীক্ষা কৰিবৰ কাৰণে হাঁহি হাঁহি সুধিছিল—"আলোক, তোমাৰ সংস্কৃত-সাহিত্যৰ জ্ঞান আজি মই পৰীক্ষা কৰিম। কোৱাচোন পৰিবানে নোৱাৰা ?"

কৌতূহলী আলোকে সুধিছিল—"কি গুৰুজী ?"

তেতিয়া গলগলীয়া স্বৰত বৈদ্যনাথজীয়ে উচ্চাৰণ কৰিছিল,—শুনা

—"গঙ্গাধৰঃ শশীকলা তিলকস্ত্রি নেত্রঃ
সৰ্পৈৰ্বিভূষিততনু্ৰ্গজকৃত্তি বাসাঃ।"

গুৰুজীয়ে শেষ নৌ কৰোতেই তেওঁক বাধা দি সক ল'বাৰ দৰে আলোকে চিঞৰি উঠিছিল—"ৰব, ৰব গুৰুজী, মই কওঁ—

'ভাস্বত্ত্রিশূলকৰ এষ নৃমুণ্ডধাৰী
শুভ্ৰাম্বৰো জয়তি ভৈৰৱ আদি ৰাগঃ।'

পৰম আনন্দিত হৈ সেইদিনা গুৰুজীয়ে আলোকৰ পিঠিত চপৰিয়াই কৈছিল—"চাবাচ্ আলোক তোমাৰ পৰা মই আৰু বহুত বেচি আশা কৰো—।"

গুৰুজীৰ এনে মুক্ত প্ৰশংসাত আলোক লজ্জিত হ'ল—"গুৰুজী। যদি মোৰ সামান্য কিবা হৈছে সি আপোনাৰেই দয়া—আপোনাৰেই কীৰ্ত্তি।"

সঙ্গীত সিন্ধুৰ বিশাল বাৰিধিৰ পৰা এটা সামান্য বিন্দুত আহৰণ কৰিব পৰাটো আলোকৰ পক্ষে কম আনন্দৰ কথা নহয়—কম ভাগ্যৰ কথা নহয়।

কিন্তু বাস্তৱৰ কঢ় আঘাতত সঙ্গীতৰ এই স্বৰ্গীয় আনন্দ আৰু স্বপ্নৰ পাপৰিবোৰ মৰহি যোৱাৰ উপক্ৰম হ'ল। এম. এ. পাচ নকৰালৈকে ঠিক ভাবেই চলি আছিল। এম. এ. পাচ কৰাৰ লগে লগেই শিল্পী জীৱনৰ ছন্দত বাধা পৰিল। বাস্তৱৰ দানৱীয় আঘাতত বান্ধি থোৱা চেতাৰৰ তাঁৰ কিডাল জোকাৰ খাই গ'ল।

........সেইদিনা আবেলি বিচনা খনত বহি আলোকে চেতাৰত বেহাগৰ আলাপ আৰম্ভ কৰিছে। আলোকৰ কোঠাটো পৰিষ্কাৰ পৰিচ্ছন্ন। বেৰত মাত্ৰ দুখন ফটো। এখন মাকৰ আৰু আনখন বৈদ্যনাথ গুৰুজীৰ। গোটেই কোঠাটোৰ বেহাগৰ আলাপে লাহে লাহে এটা মোহময় পাৰিবেশৰ সৃষ্টি কৰিছে। মীড়ৰ কোমলতা বিলাকে যেন কাৰোবাৰ বিক্ষুব্ধ বেদনা কান্দোনৰ ৰূপেৰে প্ৰকাশ কৰিছে।

এনেতে হঠাৎ ঘৰখনৰ বহুতদিনৰ লগুৱা থানেশ্বৰ সোমাই আহিল। আন মানুহ হোৱা হ'লে এনে সময়ত আলোক বিৰক্ত হ'লহেঁতেন। কিন্তু থানেশ্বৰ কাই ব্যতিক্ৰম—তাক কোনো কথা কোৱাৰ উপায় নাই।....থানেশ্বৰ কাই এইখন ঘৰত আজিৰ মানুহ নহয়।

আলোকৰ পাঁচ বছৰ বয়সতে তাক মাকে এইখন ঘৰত ঠাই দিছিল। আলোকৰ মাকে মাতৃস্নেহেৰে থানেশ্বৰকো মৰম কৰিছিল। থানেশ্বৰেও আলোকক মৰম কৰে নিজৰ ভায়েকৰ দৰেই। মাকৰ মৃত্যুৰ পিচত এইখন ঘৰৰ পৰা আলোকে পোৱা অৱহেলা, মাহীমাকৰ কেটেৰা জেঙেঁৰা আৰু আলোকৰ মনৰ দুখৰ কথা মনে মনে থানেশ্বৰে অনুভৱ কৰে আৰু চল পালেই মৰম সনা মাতেৰে তাৰ 'পোনাক' সান্ত্বনা দিবলৈ চেষ্টা কৰে।

থানেশ্বৰক সোমাই অহা দেখি আলোকে এটা হাঁহি মাৰিলে।

"কি হ'ল থানেশ্বৰ কাই ?"

"তোক দেউতাই মাতিছে।"

"কেলেই ? ক'ত আছে ?"

"নিজৰ কোঠাত........"

"আৰু কোন আছে ?"

"মোকৰো কেলেই সোধ পোনা ? কোন আছে নেজান নেকি ?"

আজি বহুতদিনৰ মূৰত দেউতাকৰ কোঠাত আলোকে ভৰি দিলে। আৰামী চকী খনত বহি আছে বস্তু বৰুৱা। এমোকোৰা তামোল মুখত ভৰাই লৈ পালেং খনত থমথম্‌কৈ বহি আছে মাহীমাক। নিৰু বোধকৰো কোনোবা ছোৱালীৰ লগত খেলিবলৈ ওলাই গৈছে। আলোকক দেখি বাপেকে মাত দিলে—"আহ, পোনা বহ।"

কাষৰ চকী এখনত আলোক বহিল। বাপেকে ক'লে—"এম. এ. পাচ কৰাৰ পিছত এতিয়া কি কৰিম বুলি ভাবিছ ?"

ভলৈ মূৰ কৰি আলোকে লাহে লাহে ক'লে—"কলেজত সংস্কৃতৰ এটা লেকচাৰাৰ কাম খালি আছে। তাতে সোমাম বুলি ভাবিছো।

........ইপিনে মিউজিক স্কুল খনতো অলপ খাটি দিবলৈ গুৰুজীয়ে........"

মুখখন বিকৃত কৰি এসময়ৰ প্ৰতাপী হাকিম বস্তু বৰুৱাই চিঞৰি উঠিল—"ডেম্ ইঅ'ৰ গুৰুজী! এই মানুহবোৰৰ কু-সঙ্গই তোক নষ্ট কৰি পেলালে। চংগীত—মিউজিক।। কি পাবি এই বিলাকৰ পৰা ?"

সেই সময়ত বস্তু বৰুৱাই আলোকৰ মুখখনলৈ চোৱা হ'লে দেখিলেহেঁতেন পুতেকৰ মুখখন হিংস্ৰ পশুৰদৰে জ্বলি উঠিছে। কিন্তু তেতিয়া দেউতাকে পূৰ্ণ উদ্যমে কৈ আছে—"আৰু কলেজত পঢ়িবলৈ এই পৃথিৱীত চাবজেক্ট বিচাৰি নেপালি। জলিগৈ সংস্কৃত। এটা ডেড্‌ লেঙ্গুৱেজ।....এতিয়া আকৌ ইয়াতেই পচি মৰিবলৈ

ওলাইছ।....শুন তই যদি কলেজতেই কাম কৰিব খুজিছ—ইয়াত কৰিব নেলাগে। ইউনিভাৰচিটিত চেষ্টা কৰি চা, মই ভূঁঞা'লৈ চিঠি লিখি দিম।....আৰু যদি টিচিং লাইনৰ বাহিৰে আন কামলৈ যাব খোজ তাকো খোলা খুলিকৈ ক।" বস্তু বৰুৱাই কেৰাহিকৈ পুতেকলৈ চালে।

কন্তেক নিস্তব্ধতাৰ পিচত তললৈ মুখ কৰি আলোকে ক'লে—'মোৰ অন্য কামলৈ যাবৰ ইচ্ছা নাই।"

"তেন্তে ইউনিভাৰচিটিলৈকে যা। ভাত চান্স পালে ভাল প্ৰচপেক্ট্ আছে। কিন্তু পলম নকৰিবি। যবতে সোমাই সেইবোৰ মিউজিক ফিউজিক কৰি থাকিলে পেট নভৰে।"

আলোক থিয় হ'ল—"মই ভাৱ চাওঁ বাৰু।"

ইমান সময় বাপেক পুতেকৰ কথোপকথন শুনি থকা মাহীমাকে তামোলৰ পিক্থিৰি গিলি এটা ব্যঙ্গ-বান নিক্ষেপ কৰিলে—"তাৰ মানে বুজা নাই জানো? আপোনাৰ ল'ৰাই এই ঠাই এৰি নাযায়।........।"

"মই নেবাওঁ বুলি কোৱা নাই। ভাবি চাওঁ—বুলিহে কৈছো।"

বাপেকে ক'লে—"ভাবিবলগীয়া কি কথাটো আছে?....এতিয়া তই তোৰ নিজৰ দায়িত্ব লবৰ সময় হ'ল। সদায় মোৰ পেন্সনৰ পইচা আৰু ঘৰ ভাড়া কিটাৰে চলি থাকিব খুজিলে নহব নহয়।"

মাহীয়েকে তাতে যোগ দি ক'লে—"তাৰোপৰি ঘৰ খনত এজনী ছোৱালীও আছে। তাইও লাহে লাহে ডাঙৰ হৈ আহিছে। এতিয়াও ঘৰৰ দায়িত্ব মলৈ কালৰি কাটি ফুৰিলে কেনেকৈ হব?"

"মাহীয়েৰে ঠিকেই কৈছে। ঘৰ-খনৰ ৰেচপন্ চিবিলিটি লোৱাৰ বয়স তোৰ আহিল। গতিকে—"

মাতৃ-বিয়োগৰ পিচত ইমান বছৰে অনাদৰ অৱহেলা দেখুৱাই

আজি হঠাৎ ধৰমৰ পৰকাঠাবে দায়িত্ব জ্ঞান দিয়া দেউতাকলৈ চাই আলোকে ক'লে—"ঘৰ খনৰ প্ৰতি থকা মোৰ দায়িত্বৰ কথা মই বুজো। কিন্তু মই ভাবো, মই ইয়াত থাকিলেহে ঘৰ, নিক আৰু মোৰ নিজৰ প্ৰতি দায়িত্ব পালন কৰিব পাৰিম। নিজৰ ঠাইখনৰ প্ৰতিও মোৰ এটা দায়িত্ব—এটা কৰ্ত্তব্য আছে ....কলেজত সোমাই তাৰ পিচৰ মাহৰ পৰা মই মাহে মাহে টকা দিব পাৰিম .......।"

উপদেশ অগ্ৰাহ্য কৰাৰ খঙত বত্ৰ বৰুৱাহি চিঞৰি উঠিল—"তাৰ মানে তই মোৰ কথা নুশুন? তই এই কলেজতেই থাকিবি? আৰু তোৰ চেতাৰ কেতাৰ লৈয়েই........"

মুখখন বে"কা কৰি বিদ্ৰূপৰ সুৰত মাহীয়েকেও কৈ উঠিল—কেনেকৈনো যায় আপোনাৰ ল'ৰাই এই ঠাই এৰি? ইমান সুখ আৰু ৰাজআৰাম পাব ক'ত? গুৰুজী নে ফুৰুজীৰ ওচৰলৈ যোৱাৰ ছল কৰি সেই শাস্তা, অনিমাইতৰ নিচিনা গাভৰু ছোৱালীৰ লগত চুপতি মাৰিবলৈ কত সুযোগ পাব? তাত কেনেকুৱা চেতাৰ শিক্ষা হয় মই নেজানোনে?"

আলোকৰ মুখটো ছাঁটকৈ ঘূৰাই গ'ল। খঙত তেওঁৰ ওঁঠ দুটা থৰ্ থৰকৈ কঁপি উঠিল—"মাহীদেউ! আপুনি সংযত ভাৱে কথা ক'ব। মোৰ-আগত আপোনালোকে সঙ্গীতক লৈ ঠাট্টামস্কৰা-নকৰিব........"

উচাটু মাৰি আলোক নিজৰ কোঠা পালেহি।....সঙ্গীতৰ লগত ধেমালি, গুৰুজীৰ নামত ঠাট্টা আৰু নিজৰ চৰিত্ৰত কলঙ্ক!! অন্তৰ বহ্নিৰ শিখাবোৰ তেওঁৰ চকুয়ে—মুখে পৰিস্ফুট হৈ উঠিল।... ....লাইটটো জ্বলাই দিয়াৰ লগে লগে গুৰুজীৰ ছবিখন জিলিকি উঠিল। তাৰ পিচত চকুকিটা থৰ হৈ ৰ'ল মাকৰ ফটোখনত। অপমানৰ মৌন জ্বালা, মুক বেদনা আৰু ক্ষোভ আলোকৰ দৃষ্টিত প্ৰকাশ হৈ পৰিল। বোধকৰো আলোকৰ অন্তৰখনে মাকক ক'লে—'মা। তুমি আজি

থকাহলে মোৰ এই অপমান সহ্য কৰিলাহেঁতেন নে ? আশীৰ্ব্বাদ.... কৰিবা মা, মোৰ চেতাবৰ মাজেদিয়েই যেন মই এই পৃথিৱীত জয়ী হ'ব পাৰো।........?

........পিচৰ জীৱনত আলোক জানো সঁচাকৈয়ে জয়ী হ'ব পৰা নাছিল ?

"পোনা দা !"

এই শান্ত-শীতল পৰিৱেশত চক্ খাই উঠিল আলোক। পিচলৈ ঘূৰি চাই দেখে হাতত চাহ জলপান লৈ নিজ। দুৱাৰ দলিত থিয় হৈ মিচিক্ মাচাক্ কৈ হাঁহি আছে থানেশ্বৰ। আচৰিত হৈ আলোকে সুধিলে—"আজি দেখোন তই চাহ আনিলি নিজ ?"

"আজি তায়ে দিয়কচোন, কিনো ডাঙৰ কথাটো হ'ল ?...." চুলি পকি যোৱা আদবয়সীয়া থানেশ্বৰৰ মুখত এটা অনাবিল হাঁহি ফুটি উঠিল। অপত্য স্নেহৰ এটা ভিন্নৰূপ তাৰ মুখত সঞ্চাৰিত হৈ পৰিল। আকৌ ক'লে—"পোনা। সেইজনী তোৰ ভনীয়েৰ নহয় জানো ?....তাইক তই চা বুইছ পোনা। তাই ভাল ছোৱালী হব। সৌ আই দেৱেও তোক সৰগৰ পৰা আশীৰ্ব্বাদ কৰিব।...." মাকৰ ফটো খনলৈ চাই থানেশ্বৰ ঘপহ্ কৈ ওলাই গ'ল।

চঞ্চলা প্ৰকৃতিৰ নিজয়ে ক'লে—"চাহ খোৱা পোনা দা। ঠাণ্ডা হ'ব।........অ' পোনাদা, তুমি কান্দিছিলা নেকি ?"—থানেশ্বৰৰ কথাখিনিয়ে আলোকক ভয়াই তুলিছিল।

থত্‌মত্‌ খাই চকুকিটা মোহাৰি আলোকে ক'লে—"ধেৎ, নাই কন্দা...."

"ইস্ তোমাৰ চকুত পানী দেখিছিলো আৰু' !"

চাহ খাই খাই আলোকে সুধিলে—"তই খালি ?........দেউতা আৰু মাহী খাইনেকি ?"

"উঁহো নাই। ফুৰিবলৈ গ'ল।"

"অ' সেইকাৰণেহে আজি আহিলি মোৰ ওচৰলৈ।

....পঢ়া শুনা পিছে কৰিছু নে নাই ?"

হটুকটাই ফুৰা নিকয়ে কিন্তু পঢ়া শুনাৰ কথাতে নাহিলেই। চেভাৰ খবৰ ওচৰলৈ গৈ ক'লে—

"পোনাদা, তুমি মোক এইখন শিকাবানে ? ......."

অলপ আগতে মনৰ ভিতৰত গোট খোৱা গধুৰ ভাৱ বিলাক লাহে লাহে নাইকিয়া হৈ আহিবলৈ ধৰিছে ; হাঁহি মুখে নিকৰ পিঠিত থপৰিয়াই আলোকে ক'লে—"শিকাম বাৰু। চেলেং পেটেং ভাৱবোৰ এৰি পেলা। চেষ্টা কৰিলে আৰু মোৰ কথা মতে চলিলে তয়ো পাবিবি।"

উৎফুল্ল হৈ নিকয়ে কৈ উঠিল—"তুমি যে ইমান বঢ়িয়া বজোৱা। সিদিনা শান্তা বাইদেউ আৰু অনিমা বাইদেউ আমাৰ ঘৰলৈ আহিছিল নহয় ? তেতিয়া কৈছিল তুমি বোলে খুব ভাল চেভাৰ বজোৱা। আগলৈ হেনো তুমি ডাঙৰ শিল্পী হবা... ।" আলোকৰ মনত যিকন বাষ্প জমা হৈ আছিল, সিও অন্তৰ্হিত হৈ গ'ল। মাহীমাকলৈ পুতৌ জন্মিল।

আলোকে ক'লে—"ধেৎ পাগলী, মই কি বজাওঁ ? মই দেখোন এতিয়াও শিকিয়েই আছো। আমাৰ গুৰুজীয়ে যে বজায়, তই শুনিলে অবাক হৈ যাবি। ইমান মিঠা—ইমান সুন্দৰ—"নিজৰ সমবয়সী বন্ধুক কোৱাৰ দৰে ভনীয়েক নিকক ক'লে।

চেভাৰ খন লাহেকৈ দাঙি নিকয়ে ক'লে—"এবাৰ বজোৱা না পোনাদা। তুমি নো কেনেকৈ বজোৱা চাওঁ।...আজি দেউতা, মা নাই, ভালেই হৈছে। তুমি বজোৱা। মই শুনো আৰু চাওঁ— আহা।"

আলোক ভনীয়েকৰ ওচৰলৈ আহিল। বিচনা খনত বহি চেভাৰ খন হাতত তুলি লৈ তেওঁ ভনীয়েকক মৰমেৰে ক'লে—"তই বুজি পাবি জানো পাগলী ? ইমান ইচ্ছা কৰিছ যেতিয়া, কেনেকৈ বজায়, চা বাৰু।....এয়া দেখিছ নহয় ? চেভাৰখন এনেকৈ লব লাগে।

এইখন হাত এনেকৈ আৰু ইখন হাত এইদৰে লবি। তাৰ পিচত আঙুলিত এইটো পিন্ধি, এইদৰে বজাবি।....চা।"....চেতাৰৰ তাঁৰত আঙুলিৰ পৰশ পৰাৰ লগে লগে কোঠাটো ৰজনুজনাই গ'ল। নিৰুৰ চকুকিটা আনন্দত ভিৰ্‌বিৰাই উঠিল।

নিৰুক দেখুৱাবলৈ টুংটাংকৈ বজাই থাকোতে অজানিতে আলোকে বাগেশ্ৰীৰ আলাপলৈ গুচি গৈছিল। নিৰুক চেতাৰ কেনেকৈ বজায় দেখুৱাবলৈ যাওঁতে কিয় মণলৈ বাগেশ্ৰী আহিল তেওঁ নিজেও বুজি নেপালে। গোটেই কোঠাটোত বিয়পি পৰিল বাগেশ্ৰীৰ মধুৰ কোমলতা....। হঠাৎ এবাৰ নিৰুলৈ চকু পৰাত আচৰিত হৈ আলোকে চেতাৰ বন্ধ কৰিলে। নিৰুৱে গভীৰ টোপনিত লালকাল দিছে। বাগেশ্ৰীয়ে চঞ্চলা নিৰুৰ চকুৰ পটাত যেন সপোন সানি দিছিল। বৰ তৃপ্তিৰে তেওঁ নিৰুলৈ চালে।....থানেশ্বৰ কায়ে ঠিকেই কৈছে! নিৰু ভাল ছোৱালী হব।

........কিন্তু সেই নিৰুয়েই এদিন........

সেউতাকৰ কথা সেমানি স্থানীয় কলেজতেই আলোকে যোগ দিলে। খুড়ত বহু বকৰাই পুতেকক মাণ্ডিবলৈকে এৰিলে। মাহীয়েকেও পোন্ পটীয়াকৈ কথা কোৱা বন্ধ কৰিলে। আগৰে পৰাই মাহীয়েকে তেওঁক ঘৰকৈ মাতবোল নকৰিছিল। দিনেৰাতিয়ে অজানিত খং আৰু অশান্তিত মুখখন ওলোলাই থকা মাহীয়েকে মমতাটোকে আলোকেও মনে প্ৰাণে বাঞ্ছা কৰিছিল। কিন্তু কেতিয়াবা মাহীয়েকৰ মুখৰ পৰা ওলোৱা বোষ আৰু ক্ষোভৰ আওপকীয়া বাক্য-বাণবোৰে আলোকৰ অন্তৰত শেলে বিন্ধাদি বিন্ধিছিল।

প্ৰত্যেক মাহত দৰমহা পোৱাৰ লগে লগে মাহীয়েকক দিবলৈ নিজৰ হাতত আলোকে দুশ টকাকৈ দিছিল আৰু মাজে সময়ে নিজৰ পঢ়া শুনাবো খা-খৰৰ লৈছিল। তথাপিও মাহীমাকৰ ৰুকনিৰ পৰা আলোকে ৰক্ষা পোৱা নাছিল। মাহীমাকৰ এনে ব্যৱহাৰ আলোকে স্বাভাবিক কথা বুলিয়ে গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল।

ঘৰৰ এই অশান্তিৰ বাহিৰে আলোকৰ বাহিৰৰ জগতখন—কলেজ আৰু সঙ্গীতৰ জীৱন বেচ শান্তিপূৰ্ণ। উদ্বেগৰ কোনো অৱকাশ নাই। আলোকৰ কাৰণে ই ডাঙৰ সান্ত্বনা। কলেজত সংস্কৃতৰ ক্লাচ কিটা লৈ তেওঁ যি আনন্দ পায়, তাতোকৈ বেচি তৃপ্তি পায় গুৰুজীৰ ওচৰত বহি কৰা চেতাৰৰ অনুশীলনীত।

........এদিনৰ কথা। সেইদিনা গুৰুজীয়ে কোৱা কথা এষাৰত আলোক ভয়ত উচপ্ খাই উঠিছিল। গুৰুজীৰ অসুস্থতাৰ সময়ত আলোকে এদিন শান্তাক অকলে লগ পাই তেওঁৰ অন্তৰৰ প্ৰথম অনুভূতিৰ কথা প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিল। সেই কথা গুৰুজীয়ে গম পালেনেকি?

....প্ৰায় এমাহমান অসুখত ভুগি থকাৰ পিচত এদিন গুৰুজীয়ে দীঘল গাৰুটোত আউজি আলোক, অনিমা, শান্তা, নিখিল, অৰুন, গৌতম হঁতৰ লগত কথা পাতিছিল। তেতিয়াও তেওঁ বেচ দুৰ্ব্বল। আলোকে কৈছিল—"আপুনিতো এতিয়া বহখিনি ভাল পাইছে

গুৰুজী! আপোনাৰ অসুখৰ সময়ত বোৱা এমাহ এই বিদ্যালয়ৰ গুৰুভাৰ কান্ধ পাতি ললো। এতিয়া মোক অব্যাহতি দিয়ক। মই আজিৰ পৰা আকৌ আপোনাৰ ছাত্ৰ।"

শান্তাইভলৈ চাই গুৰুজীয়ে এটা মধুৰ হাঁহিৰে কৈছিল—"কোৱাচোন শান্তা, আলোকে কি কব খুজিছে।"

লাজকুৰীয়া শান্তাই একো নেমাতিলে। গুৰুজীয়ে আকৌ ক'লে—"তুমি সদায়ে ছাত্ৰ আলোক! এই বিশাল জ্ঞানৰ সাগৰত কোনো কাৰো গুৰু হব নোৱাৰে।........কিন্তু পূৰণি আৰু দায়িত্বশীল ছাত্ৰ হিচাপে তুমিয়ে যদি এই বিদ্যালয়খন চোৱা-চিন্তা নকৰা, তেন্তে কোনে কৰিব? মোৰ শৰীৰৰ অৱস্থা দেখিছাই। এতিয়া মোৰ পক্ষে সকলো দিশে চকু দিয়া টান। মহয় জানো?"

আলোকে লাজ পালে—"সেইটো মই কেতিয়াও অস্বীকাৰ কৰা নাই গুৰুজী। কিন্তু আপোনাৰ অসুখৰ আগৰ পৰাই মন কৰিছো আপুনি যেন এই সঙ্গীত বিদ্যালয়ৰ প্ৰতি লাহে লাহে উদাসীন হৈ পৰিছে। মোৰ ওপৰতে সকলো জাপি দি....।" কথাখিনি ক্ষোভ আৰু অভিমানৰ সুৰত ওলাই আহিল।

আধাপকা দাড়িখিনিত হাত বুলাই বুলাই গুৰুজীয়ে হাঁহিলে; ক'লে—"তোমাক কোনে ক'লে আলোক, মই সঙ্গীত বিদ্যালয়ৰ প্ৰতি উদাসীন হৈ পৰিছো? বেমাৰৰ মাজতো মোৰ কাণ সজাগ হৈ আছিল, জানা? এই বিদ্যালয়েই মোৰ ধ্যান আৰু জ্ঞান। কেনেকৈ মই উদাসীন হম? মই চাইছিলো বুজিছা আলোক। মই কৰবালৈ গ'লে বা মোৰ অবিহনে তোমালোকেনো কেনেকৈ বিদ্যালয় চলোৱা তাকেই চাইছিলো। উদাসীন হৈছো বুলি তোমালোকে অভিযোগ নকৰিবা—"

গুৰুজীৰ এই ধাৰ আৰু শান্ত কথাখিনিত আশ্বস্ত হৈ মনত শান্তি লাভ কৰিব লাগিছিল যদিও আলোকৰ অন্তৰখন অজানিত ভয় আৰু আশঙ্কাত এবাৰ কঁপি উঠিছিল। যদি অসুস্থ অৱস্থাতো গুৰুজীৰ

ইন্দ্ৰিয় সজাগ হৈ আছিল তেন্তে সেইদিনা আলোকে শান্তাক কোৱা কথা খিনি তেওঁ নিশ্চয় শুনিছে। শুনছে যদি আলোকৰ প্ৰতি কি ধাৰণা কৰিছে গুৰুজীয়ে ?

........সেইদিনা গধূলি গুৰুজীৰ কাষৰ কোঠাটোত হাতভ চেতাৰ খন লৈ অকলশৰে আলোক বহিছিল। সেই সময়ত গুৰুজীৰ ওচৰত আছিল শান্তা, অনিমা আৰু কেইজনমান ছাত্ৰ।........এনেয়ে চেতাৰত টুংটাংকৈ আলোকে কিবা এটা বজাই আছিল। তেনেতে ধীৰ -মন্থৰ খোজত পাতল শৰীৰৰ শান্তা সেই কোঠালৈ সোমাই আহিল। আবেলি আৰু গধূলিৰ দোমোজাৰ ক্ষীণ পোহৰত শান্তাক অকলশৰে অহা দেখি আলোকৰ মনটো এনেয়ে ভাল লাগি গৈছিল যদিও এই পাতল নাহিঁ দেহৰ কলেজৰ দ্বিতীয় বাৰ্ষিকত পঢ়া ছোৱালী জনীৰ প্ৰতি তেওঁৰ কোনো বিশেষ দুৰ্ব্বলতা নাছিল। অৱশ্যে এই ক'লা ছোৱালী জনীৰ শান্ত আৰু ধীৰ গতি-বিধি, সংযত আলাপ আৰু সুমিষ্ট ব্যৱহাৰে আজি কিছুদিনৰে পৰা আলোকক লাহে লাহে কৌতুহলী আৰু মোহিত কৰি তুলিছিল। শান্তাৰ গোটেই মুখখনত এটা স্নিগ্ধ-তাৰ প্ৰলেপ। ক'লা উজ্বল চকুযুৰিত সদায় মিহলি হৈ থাকে লাজৰ এটা বিনম্ৰ ভাৱ। চকু দাণ্ডি কাবো মুখলৈ চাব নোৱাৰে।

সেই শান্তাই আজি অকলশৰীয়া আলোকৰ ওচৰলৈ আহি তললৈ মূৰ কৰি ক'লে—"চাৰ, আপুনি অকলে অকলে বজাই আছে—। ....বজাওক চাৰ ! আপোনাৰ চেতাৰৰ মাত শুনিয়েই আহিলো।" গধূলিৰ অস্পষ্ট অন্ধকাৰেহে যেন আজি শান্তাক সবাক কৰি তুলিলে। কিন্তু অকলশৰীয়া কোঠাটোৰ ক্ষীণ অন্ধকাৰৰ মাজত নতুন মানুহ আলোকে সামান্য অস্বস্তি অনুভৱ নকৰাকৈ নেথাকিল। অধ্যাপক-সুলভ কণ্ঠেৰে আলোকে সুধিলে—'গুৰুজীয়ে কি কৰিছে এতিয়া ?"

"শুইছে। অলপ আগতে গাখীৰ খালে। অনিমাইত আছে ওচৰত।....বজাওক চাৰ—"

"কি বজাম কোৱা—"

"আপোনাৰ যি ইচ্ছা।"

"বাৰু শুনিবা।....শুনি কবাচোন মই কি বজাইছো—"

আলোকে আলাপ আৰম্ভ কৰিলে। আলাপে বিস্তাৰ লাভ নৌ কৰোঁতেই শান্তাই বাধা দি উঠিল—কি বজাইছে চাৰ ?"

"নোৱাৰিলা ক'ব ? ....গৌৰী।"

"গৌৰী ? আমি এতিয়ালৈকে পোৱা নাই –"

"ই হৈছে ভৈৰোঁ ঠাটৰ ৰাগিনী। ভৈৰোঁ আৰু আহিৰ ভৈৰোঁ পাইছা নহয় ? শিকাব তোমালোকক গুৰুজীয়ে। এইটো গৌৰী —। মালৱ কৌশিকৰ ৰাগিনী ইয়াৰ ৰে আৰু ধ কোমল।...."

"আজি এইটো নতুন শুনিলো। শুনি ভাল লাগিছিল।"

"আকৌ শুনা বাৰু। বিস্তাৰৰ লগে লগে বেছি ভাল লাগিব।"

ভাৱপিচত গৌৰীয়ে যিমানেই বিস্তাৰ লাভ কৰিছিল, সিমানেই শান্তাৰ ভাল লাগি আহিছিল। প্ৰথম আৰু সৰ্ব্বাঙ্গ সুন্দৰ মূৰ্চ্ছনাত সেইদিনা শান্তা বাৰে বাৰে আনমনা হৈ পৰিছিল। মীড়ৰ মৃদু কম্পনত শান্তাৰ ক'লা চকু যুৰি মাজে মাজে চঞ্চল হৈ পৰা আলোকে দেখিছিল। আলোকেও জানো সেইদিনা গৌৰী ৰাগিণীৰ মাজেদি কল্পনা কৰা নাছিল এজনী শ্যাম-বৰ্ণা তৰুণীৰ কথা ? নিজৰ সুৰৰ মধুৰ মূৰ্চ্ছনাত আলোকে অনুভৱ কৰিছিল এটা অজান পুলকতা। শ্যান্তাৰ তন্ময়তাত বিচাৰি পাইছিল গৌৰীৰ নতুন ৰূপ।

....লাহে লাহে আলাপ শেষ কৰি আলোকে শান্তালৈ চালে। শান্তাও যেন অন্য এখন জগতৰ পৰা ঘূৰি আহিল –।

"বৰ ভাল লাগিল চাৰ, আপোনাৰ হাতত যে খুব সুন্দৰ লাগিছে...."

"মোক লাজ নিদিবা, শান্তা।....গৌৰী বৰ মধুৰ ই সন্ধ্যা ৰাগিণী বুজিছা। এজনী যেন শ্যাম বৰ্ণা গাভৰু। গাভৰুৰ দুয়ো

কাণত মকৰ কুণ্ডল আৰু সেই কুণ্ডল বগাল মুকুলেৰে ভৰা। এই মুকুলৰ মধুৰ গোন্ধত আত্মহাৰা হৈ চৌদিশে ঘূৰি ফুৰিছে ভ্ৰমৰ—মুহুমুহু গুঞ্জনেৰে। ভোমোৰাৰ আমন্ত্ৰিত গাভৰু ৰাগিনীৰ কমনীয় আৰু স্নিগ্ধ মুখখনত যেন ফুটি উঠিছে বিৰক্তিৰ ঝঙ্কাৰ আৰু কেতিয়াবা ফুটি উঠিছে মিনতিভৰা করুণ ক্ৰন্দনৰ মীড়ৰ কোমলতা। ভাৱপিচত একাকাৰ হৈ পৰিছে বিৰক্তি ক্ৰোধ আৰু মিনতি। বিৰক্তি আৰু মিনতিৰ এক অপূৰ্ব্ব মিলনৰ পিচতো কাণৰ কাষত অহৰহ বাজি থাকে মিনতিৰ কোমল সুৰহে....।"

তেতিয়া শান্তাই অপলক দৃষ্টিৰে আলোকৰ মুখলৈ চাই গৌৰীৰ বৰ্ণনা শুনি আছিল। এই উজ্জ্বল, শান্ত চকুযোৰলৈ আলোকেও চাই থাকিল। গৌৰীৰূপী শান্তা। আলোকে এই চকুত বিচাৰিবলৈ চেষ্টা কৰিলে বিৰক্তি আৰু মিনতিৰ সমন্বয়।....হঠাৎ দুয়োৰে চকু এক হৈ যোৱাত দুয়ো থতমত খাই পৰিল ; উপায়হীন হৈ শান্তাই তললৈ মূৰ কৰি দিলে। স্বাভাৱিক হবলৈ চেষ্টা কৰি আলোকে ক'লে—"বুজিলা নহয়, এইয়ে ৰাগিনী গৌৰী !"

শান্ত সমাহিতা হৈ তেতিয়াও শান্তাই তললৈ মূৰ কৰি থাকিল। ওপৰলৈ মূৰ নেদাঙিলে। আলোকে থিয় হৈ ক'লে—"উঠা, বলা গুৰুজীৰ ওচৰলৈ যাওঁ।" কিন্তু উঠে কেনেকৈ শান্তা ? আজি আলোকৰ চকুৰ দৃষ্টিৰ পোহৰে যে শান্তাৰ অন্তৰত বেঙনি পেলাইছে। শান্তা জানো বিৰক্ত হৈছে ? মিনতি ভৰা নয়নেৰে আলোকলৈ চাবলৈও যে শান্তাৰ ভীষণ লাজ লাগিছে।

ঢুক ঢুক অন্তৰেৰে আকৌ আলোকে সুধিলে—"শান্তা, ৰাগিনী গৌৰীক মোৰ খুব ভাল লাগে।"

তললৈ মূৰ কৰিয়ে শান্তাই ক'লে—"এই নতুন ৰাগিনী মোৰো খুব ভাল লাগিল...."

"গাহৰি পাৰানেকি ?"

"কেতিয়াও নোপাৰিবো। সদায়ে মনত থাকিব।"

"আজি মই নতুনকৈ গৌৰীক বিচাৰি পালো।  ....উঠা—বলা।"

সেইদিনাৰ পৰা শান্তাই সহজতে মূৰ দাঙি আলোকলৈ চাব নোৱাৰিলে। আলোকেও শান্তাৰ মুখত বিচাৰিবলৈ ধৰিলে বিৰক্তিৰ ৰেখাৰ আৰু মিনতিৰ মীড়।

---

কিন্তু ইয়াৰ-এৰছৰ মানৰ ভিতৰত কেইটামান ওপৰা-ওপৰি ঘটনাই আলোকৰ স্বাভাৱিক জীৱনৰ সোঁত সলাই দিয়াৰ উপক্ৰম কৰিলে। বসন্ত কালত মানুহে প্ৰলয়ঙ্কৰী বাৰিষাৰ কথা ভাবিব নোৱাৰে। সঙ্গীতৰ কুঞ্জ-কাননত-মৌ বিচৰা আলোকেও বাস্তৱ জীৱনৰ বিপদৰ কথা অকনো ভাবিব পৰা নাছিল।

........দেউতাকৰ আকস্মিক মৃত্যুয়ে আলোকৰ মূৰৰ ওপৰত প্ৰথম বিপৰ্য্যয় নমাই আনিলে। আচৰিত কথা, দেউতাকৰ মৃত্যুত কিন্তু আলোকে কান্দিব নোৱাৰিলে। তাৰ পৰিৱৰ্ত্তে মাহীয়েক আৰু ভনীয়েকৰ কান্দোনৰ মাজত নিজৰ চকুপানী বিচাৰিবলৈ চেষ্টা কৰিলে। শোক, দুখ, ক্ষোভ আৰু বেদনাত মাহীয়েকে যেতিয়া কান্দি কান্দি কাতৰ হৈ পৰিছিল, তেতিয়াই প্ৰথম বাৰৰ বাবে আলোকে উপলব্ধি কৰিছিল গুৰুজীতকৈ দেউতাকো কম আপোন নাছিল। যিমানেই দোষ নেথাকক, এই দেউতাকেইতো তেওঁক জন্ম দিছিল্। ঘৰ খনৰ প্ৰতি কৰ্ত্তব্যৰ অৱহেলাত আলোকৰ মনটো গ্লানিৰে উপচি পৰিল।

........ভনীয়েক নিৰুয়েও হুক্‌হুককৈ কান্দিছিল। আলোকৰ মনটো অনুতাপত দগ্ধ হ'ল। ভনীয়েকৰ প্ৰতি থকা দায়িত্ব আলোকে অকনো পালন কৰা নাই।.. এই ছোৱালীজনীয়েই এদিন আলোকৰ ওচৰত চেতাৰ শিকিম বুলি কৈছিল। এইকিমাহতে যেন নিৰু হঠাৎ বহুত ডাঙৰ হৈ গ'ল।

....আলোকে গোটেই ঘৰখনৰ দায়িত্ব মূৰ পাতি লোৱাৰ পিচত লাহে লাহে শান্তিৰ পৰিবেশ এটা আহিছিল। কিন্তু এই পৰিবেশ স্থায়ী নহল। দেউতাক ঢুকোৱাৰ কেইমাহমানৰ পিচত আকৌ মাহীয়েকৰ নিজা মূৰ্ত্তি প্ৰকাশ হৈ পৰিল। স্বামীৰ মৃত্যুৰ পিচত গোঁসাই ঘৰ আৰু ধৰ্ম্ম-কৰ্ম্ম লৈয়ে মাহীয়েকে দিনবোৰ অতিবাহিত কৰিব বুলি আলোকে আশা কৰিছিল, কিন্তু সেইবোৰলৈ তেওঁ মন নিদি সংসাৰৰ প্ৰত্যেকটো কথাত হেতা ওপৰা লগোৱাত আলোক

বিৰক্ত হ'ল। মাহীয়েকৰ ঘৰৰ আত্মীয় কুটুম্বৰ সঘন আগমনেও আলোকৰ মন অশান্তিময় কৰি তুলিছিল।

আলোক বেচিকৈ বিৰক্ত হৈছিল চুবুৰীৰে জিন্‌টি নামৰ চেঙেলীয়া ডেকা এটাৰ ঘনে ঘনে অহা কাৰ্য্যত। জিন্‌টি যে বেয়া স্বভাৱৰ ল'ৰা এই কথা সকলোৱে জানে। এদিন মাহীয়েকক আলোকে সুধিয়েই পেলালে—"এই ল'ৰাটো সদায়ে কেলেই আহে মাহীদেউ? এনেকৈ সদায় অহা....।

তেতিয়া বিৰক্তি প্ৰকাশ কৰি মাহীয়েকে কৈছিল—"অ' জিন্‌টিৰ কথা কৈছ? ময়ে আহিবলৈ কৈছো। বৰ ভাল ল'ৰা। নিৰুক অলপ পঢ়া দেখুৱাই দিবলৈ কৈছো....।"

"নিৰুৰ নিচিনা ক্লাচ এইটত পঢ়া ছোৱালী জনীক মেট্ৰিক ফেইল এটাই কি পঢ়াব? সি ল'ৰা ভাল নহয় মাহীদেউ—।"

শ্লেষমিশ্ৰিত সুৰেৰে মাহীয়েকে ক'লে—"তই তেনেকৈ কৰি বুলি মই জানো। তই নিজৰ বাহিৰে কাকনো ভাল দেখ, কচোন।"

"নহয় মাহীদেউ, সি বেয়া ল'ৰা বুলি সকলোৱে জানে।....আৰু ভাইৰ কাৰণে যদি মাষ্টৰ লাগিছিল মোক নকলে কেলেই? ময়ে এজন ভাল মাষ্টৰ...."

মাহীয়েকে কথা শেষ কৰিবলৈ নিদিলে।—"সেইটো মই নেজানোনে পোনা? তই ভাইৰ কাৰণে কিমান বেছি ভাব দেখিছো নহয়।···বাপেক মাই যেতিয়া ভাইৰ ভাল বেয়া ময়েই চাব লাগিব···।"

মাহীয়েকৰ এনেকুৱা আঁহফলা কথাত ঘৰৰ গধুৰ দায়িত্ব কান্ধ পাতি ললে যদিও আলোক বহুখিনি উদাসীন হৈ পৰিল।··· ভাল কথা ক'লে মাহীয়েকে সদায় বেয়া শুনে। যেয়ে যি কৰে কৰি থাকক। মাকৰ দোষত এতিয়া ছোৱালীজনী নষ্ট নহলেই ৰক্ষা। থানেশ্বৰ কাইক কৈ থব লাগিব জিন্‌টিৰ ওপৰত চকু ৰাখিবলৈ।

এয়া আলোকৰ ঘৰুৱা অশান্তিৰ কথা।

...বাহ্যিক জগতৰ সংসাৰ খনতো যদি এটা বিন্দুৰ সমানো সুখ থাকিলহেঁতেন। সঙ্গীত বিত্তালয়তো যে আলোকৰ কাৰণে এটা আঘাত বৈ আছিল, তেওঁ নেজানিছিল। কথাষাৰ সামান্য, কিন্তু আলোকৰ কাৰণে সিয়ে ডাঙৰ আছিল। আনৰ কাৰণে আনন্দ দায়ক, কিন্তু তেওঁৰ কাৰণে আছিল মৃত্যু-স্বৰূপ। যৌৱনৰ প্ৰথম অনুভূতিৰ মৃত্যু। তেওঁৰ অন্তৰ খন বিক্তভা আৰু বিক্ষুব্ধ বেদনাৰে ভৰি পৰিল।

দেউতাকৰ মৃত্যুৰ পিচত বহুতদিনৰ মূৰত আলোক গৈছিল সঙ্গীত বিত্তালয়লৈ। অৱশ্যে ইয়াৰ মাজত তেওঁ গুৰুজী, অনিমা, নিখিল আৰু শান্তাহঁতক লগ পাইছিল। দেউতাকৰ মৃত্যুত তেওঁলোক আলোক হঁতৰ ঘৰলৈ গৈছিল। ইয়াৰ পিচত অৱশ্যে তিনি সপ্তাহ মান কাকোৱেই লগ পোৱা নাছিল। এই কেই সপ্তাহৰ ব্যৱধানতেই যে এনেকুৱা এটা ঘটনা ঘটিব আলোকে অকনো কল্পনা কৰিব পৰা নাছিল।

সত্‌ৰঞ্চি খনৰ ওপৰত গাৰু এটাতে আউজি গুৰুজী বহি আছে। মাজতে কেইদিনমান গুৰুজীৰ আকৌ অসুখ হৈছিল। আকৌ ভালাইছে। তেওঁৰ কাষত বহি আছে শান্তা, অনিমা আৰু নিখিল।

........গুৰুজীক নমস্কাৰ এটি কৰি আলোকে ভলৈ মুৰ কৰি থকা শান্তালৈ চাই কাষত থকা চেতাৰখন এনেয়ে হাতত তুলি ললে আৰু তাৰ ওপৰত মৃদুভাৱে আঙুলি বুলাবলৈ ধৰিলে।

আলোকলৈ চাই এটা ক্ষীন অথচ আনন্দৰ হাঁহিৰে গুৰুজীয়ে ক'লে—"আলোক এটা বৰ ভাল খবৰ আছে। তুমি ইমানদিন অহা নাই। তুমি বোধ কৰো গমো নোপোৱা—"

কৌতূহলেৰে আলোকে সুধিলে—' কি গুৰুজী ?"

"শান্তাৰ বিয়া। অহা মাহৰ দুই তাৰিখে। নহয়নে অনিমা ?"

কি ? শান্তাৰ বিয়া ? এটা আঘাতত যেন চেতাৰৰ তাঁৰ ভাল

হঠাৎ ছিগি গ'ল। অন্তৰতম দুৰ্ব্বলতা প্ৰকাশ কৰিবলৈ মৌ পাওঁতেই ইমান হঠাতে ইমান আচম্বিতে এনেকুৱা এটা অভাৱনীয় খবৰ পাব বুলি এক মুহূৰ্ত্তৰ আগতেও আলোকে ভাবিব পৰা নাছিল। আলোকে একো মাত্তিব নোৱাৰিলে। অন্তৰৰ গোপন স্থলত জন্ম দি জীপ্‌ দিব খোজা মমত্ববোধ—স্নেহ যেন কোনোবাই ভাঙি মোহাৰি থৈ গ'ল। আলোকে লগে লগে অনুভৱ কৰিলে গৌৰীৰূপী শান্তাৰ প্ৰতি তেওঁৰ এটা দুৰ্ব্বলতা আছিছিল আৰু নিজৰ অজ্ঞাতে শান্তাক তেওঁ ভাল পাবলৈ আৰম্ভ কৰিছিল।

আনন্দ প্ৰকাশ কৰিবলৈ এটা বৃথা চেষ্টা কৰি আলোকে ক'লে—"বৰ ভাল খবৰ গুৰুজী।"

গুৰুজীয়ে আকৌ ক'লে—"নিশ্চয় ভাল খবৰ। কিন্তু আলোক, এইদৰেই এদিন অনিমাও যাব। তুমিও বোধ কৰো এদিন আঁতৰি যাবা।....। তেওঁৰ কণ্ঠত যেন সম্ভাব্য-বিচ্ছেদৰ করুণ বস।

সেইদিনা সঙ্গীত বিদ্যালয়ত আলোকৰ লেশমানো মন নবহিল। তেওঁৰ আগেদিয়ে গুৰুজীক মাত লগাই তললৈ মুৰ কৰি শান্তা অনিমাৰ লগত ওলাই গ'ল। আলোকক মাত এষাৰ লগাই যোৱাৰ আৱশ্যকতাও অনুভৱ নকৰিলে শান্তাই। শান্তাৰ এই অৱজ্ঞা আলোকৰ অসহ্য লাগিল।

"তুমিও যোৱানেকি ?" গুৰুজীয়ে ক'লে।

"আজি যাওঁ গুৰুজী।"

"তুমি কিন্তু এতিয়া নিয়মিত ভাবে আহি থাকিবা। তোমাৰ অনুপস্থিতিত নিখিলে যি পাৰে কৰিছিল। তুমি নাহিলে মোৰ মস্কিল হ'ব।"

"আহিম গুৰুজী। মোৰ আৰু এতিয়া ঘৰত কোনো জঞ্জাল নাই—।" বিষন্ন চিত্তেৰে আলোক ওলাই আহিল। কিন্তু আলোকে জানো জানিছিল গুৰুজীৰ লগত সেয়েই তেওঁৰ শেষ দেখা আছিল বুলি ?

ভাবাক্রান্ত মন এটাবে আলোকে এখুজি দুখুজিকি ঘৰলৈ উভতি আহোতে অনিমাৰ ঘৰত বৈ থকা শান্তাক ওলাই অহা দেখি তেওঁ আচৰিত হ'ল। তেওঁক লগ পাবলৈকে যে শান্তা বৈ আছিল—আলোকে বুজিলে। মনটো ভাল লাগি গ'ল যদিও আকৌ বিষণ্ণ হৈ পৰিল। শান্তাক অধিক শান্ত-সৌম্য আৰু তেওঁৰ চকুকিটা সেমেকা যেন লাগিল।

শান্তাই ক'লে—"একেলগে যাওঁ চাৰ........"

"আহা"

কোনো কথা বতৰা নোকোৱাকৈয়ে দুয়ো আগ বাঢ়ি যোৱাৰ কিছু সময়ৰ পিছত নিস্তব্ধতা ভঙ্গ কৰি আলোকে ক'লে—"বিয়াৰ পিচতো যেন আমাৰ মিউজিক স্কুললৈ পাহৰি নোযোৱা শান্তা।"

"কেতিয়াও নেপাহঁৰো চাৰ...."

শান্তাৰ ঘৰলৈ বেছিদূৰ নাই। ঘৰৰ ওচৰ পাওঁতে শান্তাই আকৌ কৈ উঠিল—"চাৰ।....গৌৰী ৰাগিনী আপুনিয়েই মোক প্ৰথম শিকাইছিল...."

"আজি সেই কথা কৈ কি লাভ?"

"কাৰণ গৌৰী এদিনৰেই ৰাগিনী নহয়। সদায় মোৰ মনত থাকিব।"

"মনত ৰাখি কি কৰিবা শান্তা?"

"আপুনি জনাৰ প্ৰয়োজন নাই।....আপুনিও যেন সন্ধ্যা-ৰাগিনী গৌৰীক পাহৰি নেযায়। কেতিয়াবা মনত পেলাব চাৰ....।"

"শান্তা! তুমিয়েই আছিলা মোৰ গৌৰী ৰাগিনী। অন্ততঃ মই কল্পনা কৰিবলৈ চেষ্টা কৰিছিলো....।"

"মই জানো চাৰ।"

তাৰ পিচত কোনো কথা নোকোৱাকৈ শান্তা তৎক্ষণাত নিজৰ ঘৰৰ গেট খনৰ ওচৰলৈ ভলমূৰ কৰি গুছি গৈছিল। এবাৰো উভতি চোৱা নাছিল। তাৰপিচত সেই বিবাট ঘৰটোৰ পৰ্টিকত

শান্তা লাহে লাহে নাইকিয়া হৈ গৈছিল—আলোকৰ চকুত শান্তা হেৰাই গ'ল।

এটা নতুন জীৱন আৰম্ভ হ'ল আলোকৰ। অকলে অকলে ৰাগ-ৰাগিনীৰ মাজেদি আলোকে নিজৰ মনৰ কোঁহে কোঁহে সোমাবলৈ প্ৰয়াস কৰিলে। গধূলি হোৱাৰ লগে লগে নিজৰ কোঠাটোত ধূপ কেইডালমান জ্বলাই চেতাৰ খন হাতত তুলি লৈ আলোক এখন কল্প-ৰাজ্যলৈ গুচি যায়—য'ত আছে নিৰ্জনতাৰ বিমল শান্তি।

নিয়মিত ভাৱে সদায় যাব বুলি কোৱা সত্বেও আলোক গুৰুজীৰ ওচৰলৈ নগ'ল। কি হব তালৈ গ'লে? কি আছে আৰু তাত?

আলোকৰ খবৰ লবলৈ এবাৰ নিখিল আৰু গৌতম আহিছিল। গুৰুজীয়ে মাতিছিল বুলি কৈছিল। এদিন গুৰুজীয়ে এখন চিঠিও দি পঠিয়াইছিল। তাত লিখিছিল—'তুমি নহাৰ কাৰণ মই সঠিক ভাৱে বুজিব পৰা নাই। যদি মোৰ অনুমান ভুল হোৱা নাই তেন্তে কওঁ, বিচ্ছেদে মানুহৰ অন্তৰ শূন্য কৰে যদিও শিল্পীৰ ভিতৰখন কোনো দিনে শূন্য হৈ থাকিব নোৱাৰে। তোমাৰ নিচিনা শিল্পীৰ অন্তৰে চেতাৰৰ কোমলতাৰ মাজেদি অধিক মধুৰতা আৰু সজীৱতা আৱিষ্কাৰ কৰিব পাৰিব।....তুমি আহিবা। মোৰ শৰীৰ খুব ভাল নহয়। তুমি জানা, তোমাৰ ওপৰত মোৰ বহুখিনি ভৰষা!....আৰু এটা কথা মনত ৰাখিবা, তোমাৰ সঙ্গীত সাধনা এতিয়াও শেষ হোৱা নাই। গুণী ছাত্ৰৰ প্ৰতিভাৰ অপচয় কোনো গুৰুৱেই কামনা নকৰে।........'

চিঠিখন পাই আলোক ভীষণ লজ্জিত হ'ল। গুৰুজীয়ে নিশ্চয় আলোকক অহঙ্কাৰী আৰু স্বাৰ্থপৰ বুলি ভাবিছে। গুৰুজীৰ ওচৰত অপৰাধৰ অন্ত নাই। যাব লাগিব।....কলেজৰ কাম শেষ হলে এই কিদিনত যাবই লাগিব।

"ঘৰৰ অৱস্থা এতিয়া বহুখিনি স্বাভাৱিক। মাহীয়েকৰ বাক্য

যালো আগতকৈ এতিয়া বহুত কমিল। আজিকালি ওচৰৰ মামঘৰলৈকো যায়—ধৰ্ম্ম-কৰ্ম্মলৈ মতি হৈছে বুলি অনুমান হয়। মাজতে এবাৰ যে ডুবাৰ নিকৰে সৈতে ককায়েকৰ ঘৰলৈও ৰাতি থকাকৈ গৈছিল। যাওক এনেকৈ আপোন মানুহৰ ঘৰলৈ গৈ মাহীয়েকে যদি মনৰ শোক-সন্তাপ পাহৰিব পাৰে, তাত আলোকৰ কি আপত্তি কৰিব লগীয়া আছে"! আলোকৰ প্ৰতি ব্যৱহাৰ মৰমসনা নহলেও আগৰদৰে খুব ৰুক্ষ নহয়। আনকি কেতিয়াবা মাহীয়েকে ঘৰৰ ইটো সিটো কথা সুধি আলোকৰ দিহা পৰামৰ্শও লয়। মাহীয়েকৰ এনে পৰিৱৰ্ত্তনত আচৰিত হয় যদিও আলোকে ভাৱে বিশেষ অৱস্থাত পৰিলে মানুহৰ পৰিৱৰ্ত্তন হোৱা স্বাভাৱিক। মানুহ সদায় একেদৰেই নেথাকে !

........দেউতাক জীয়াই থাকোতে মাহীয়েক অহঙ্কাৰী হৈ পৰিছিল। এতিয়া দেউতাকৰ মৃত্যুৰ পিচৰে পৰা গোটেই ঘৰ খনৰ দায়িত্ব আলোকৰ ওপৰত পৰাত তেওঁৰ গৰ্ব্ব খৰ্ব্ব হৈ গৈছে। তাৰোপৰি ডাঙৰ হৈ অহা নিকৰ ভৱিষ্যত এতিয়া বহুপৰিমাণে আলোকৰ ওপৰত।

অৱশ্যে নিকৰ মোমায়েক দুজনেও বায়েক আৰু নিকৰ প্ৰতি তেওঁলোকৰ কৰ্ত্তব্য নকৰাকৈ থকা নাছিল। ডাঙৰ মোমায়েকৰ অৱস্থা খুব ভাল নহয়। শান্ত আৰু সৰল মানুহজন। কোনোবা এটা অফিচত কাম কৰে। ল'ৰা ছোৱালীও কেবাটাও। ছোৱালী কিজনী অৱশ্যে দেখাত বেয়া নহয়। ডাঙৰ জনী উলিয়াই দিলে। দ্বিতীয় জনীয়ে যোৱাবছৰ বি,এ পৰীক্ষা দিব নোৱাৰিলে। নিকয়ে এইবোৰ কথা প্ৰায়ে আলোকৰ আগত কয়।

মোমায়েকৰ মাজু জীয়েক ললি। ললি বাইদেউৰ বোলে পঢ়া-শুনাতকৈ নাচতহে ৰাপ বেছি। ইমান ধুনীয়া নাচে ললি বাইদেৱে। মনিপুৰী নাচ বোলে খুব ভাল নাচে। অলপ অলপ ভাৰত-নাট্যমো শিকিছিল হেনো। বাইদেউৰ যে মাদ্ৰাজৰ কলাক্ষেত্ৰমলৈ যাবলৈ

ইমাৰ ইচ্ছা আছিল। কিন্তু পইচাৰ অভাৱৰ কাৰণেই নোৱাৰিলো। আনকি এবাৰ বাইদেউ নিজেই চিলঙলৈ গৈ বৃত্তিৰ কাৰণে চেষ্টাও কৰিছিল। কিন্তু একো নহল, এইবোৰ কৰি থাকোতে সেই বছৰ পৰীক্ষাকে দিব নোৱাৰিলে। তেতিয়াৰে পৰা মামীয়েকৰো মন বেয়া।

চকুকিটা নচুৱাই ভৰিকিটা লৰাই নিকয়ে এই বোৰ কথা কৈ যায় অন্যমনস্ক ভাৱে শুনি থকা আলোকে কেতিয়াবা নিকলৈ চায়। এই সৰু ছোৱালী জনীয়ে ইমানবোৰ কথা কৰ জনা হ'লনে? ছোৱালীবোৰৰ মনবোৰ বয়সৰ আগতেই বহুত ডাঙৰ হৈ যায় হবলা।....তাই বহুত কথা জনা হ'ল, বুজা হ'ল—নিক ডাঙৰ হ'ল। চকু দুটা ডাঙৰ আৰু উজ্জ্বল। বুকুখনো আগতকৈ যেন বহুত ডাঙৰ হ'ল।

এটি স্নেহৰ দৃষ্টিৰে আলোকে নিকলৈ চালে। তাইক সোধে—'তই যে মোৰ ওচৰত চেতাৰ শিকিম বুলি কৈছিলি? ক'ভা তোৰ দেখোন মনেই নাই। নিশিক নেকি?"....শৰীৰত নতুন কৈ জাগি উঠা চপলতা আৰু চটুলতাৰে তাই তৎক্ষণাত উত্তৰ দিলে—"নাই পোনাদা, মই চেতাৰ নোৱাৰিম পাই। সেইখন শিকোতে বহুতদিন লাগে বোলে। ইমান গহীন গম্ভীৰ। সেইবোৰ ৰাগ-চাগ মই বুজিও নেপাওঁ।....নাচহে মোৰ ভাল হ'ব বোলে। মোক নাচহে শিকিবলৈ কৈছে।"

"কোনে কৈছে?"

"বুধিন মামাই।"

বুধিন মামা! সেই ডেকা ল'ৰাটো? আজি কিছু দিনৰ পৰা ঘনে ঘনে আহিবলৈ লোৱা চেলচ্ টেক্স ইন্সপেক্টৰ বুধিনক আলোকে সহ্য কৰিব নোৱাৰে। সমবয়সী যদিও বুধিনৰ গতিবিধি আৰু তাৰ হুলস্থুলীয়া কথা বতৰাবোৰ আলোকৰ অকনো ভাল নেলাগে। এই একেটা কাৰণতে আজি কিছুদিনৰ আগতে এই খন ঘৰলৈ ৰবকৈ

আহ-যাহ কৰা বজকৰা ভিটিক সহ্য কৰিব পৰা নাছিল। সি আজি কিছুদিনৰ পৰা কেলেই মহা হৈছে আলোকে নেজানে! ভালেই হৈছে।

কিন্তু বুধিনৰ সঘন আগমনত-আকৌ এটা অজ্ঞাত অস্বস্তি অনুভৱ কৰিছে আলোকে। অৱশ্যে বুধিনৰ নিচিনা ডেকা ল'ৰা এটাৰ গাত দোষ দিবলৈও একো উপায় নাই। ঘৰখনত যৌৱনৰ পুষ্টি লাভ কৰা চঞ্চলা ছোৱালী এজনী নথকা হ'লে আৰু মাহীমাকৰ প্ৰশ্ৰয় নোপোৱা হ'লে নিকৰ সৰু মোমায়েক প্ৰশান্তৰ বন্ধু বুধিনে বন্ধুৰ বায়েকৰ খবৰ লবলৈ ইমান ঘনাই নাহিলহেঁতেন।

আজি কেইমাহ মানৰ আগতে প্ৰশান্ত ইয়ালৈ আহোতে বন্ধু বুধিনকো লগত লৈ আহিছিল। বুধিনক বায়েকৰ লগত চিনাকি কৰি দিয়াৰ লগতে আলোকৰ লগতো চিনাকি কৰি দিছিল। এটা দিনতে বুধিনে ঘৰখন আপোন কৰি লৈছিল। 'মোৰ বাইদেউ নাই আজিৰ পৰা আপুনিয়ে মোৰ বাইদেউ হ'ল' বুলি বুধিনে আলোকৰ মাহীয়েকক জিনি পেলাইছিল আৰু লগে লগে নিৰুৰ নতুন মামা হবলৈ বুধিনৰ এক মিনিট সময়ো লগা নাছিল। সংস্কৃত আৰু চেতাৰ—এই দুয়োটা অলাগতীয়াল বস্তু লৈ গহীন হৈ থকা আলোকৰ ওচৰত অৱশ্যে বুধিনে বৰ বেচি আসৈ নেপালে। কিন্তু আলোকলৈ চাই বুধিনে এটা ব্যঙ্গৰ হাঁহি মাৰিলে।

....বুধিনে প্ৰায়ে নিৰুৰ পঢ়াশুনা দেখুৱাই দিয়ে। কেতিয়াবা স্কাৰ্ট-ব্লাউজ পিন্ধি নিৰু বুধিন মামাৰ লগত চিনেমা চাবলৈ যায়। কেতিয়াবা হয়তো শাৰী পিন্ধি দুডলীয়া বেণী গুঠি লচ্‌পচ্‌কৈ হাঁহি হাঁহি ওলাই যায় সাংস্কৃতিক অনুষ্ঠান চাবলৈ। নতুনকৈ শাৰী পিন্ধিবলৈ শিকা ভনীয়েক নিৰুৰ সজাগ, গহীন অথচ চঞ্চল খোজকিটা থিবিকীৰে চাই থাকি এটা অজান আশঙ্কাত সংস্কৃত অধ্যাপক আৰু চেতাৰ শিল্পী আলোক বৰুৱাই ভাবে, তেওঁ বোধকৰো এইটো যুগৰ বাবে উপযুক্ত নাছিল।

এনেকৈ নৱযৌৱনা কিশোৰী ভনীয়েকক প্ৰায়ে বুধিনৰ লগত ওলাই গৈ ৰাতি ন-দহ বজাত ঘৰ সোমোৱা কাৰ্য্যত যে মাহীমাকৰো সমৰ্থন আছে তাৰ প্ৰমাণ সোনকালেই পোৱা গ'ল। এনে অনু-শাসন হীনতাৰ বাবে এদিন মাহায়েকক পৰোক্ষভাৱে অভিযুক্ত কৰিব খোজাত মাহীয়েকে জকৃজকাই উঠিল—"বুধিন আমাৰ প্ৰশান্তৰ লগৰ, একেই বুজিছ। বুধিন ভলুভলাই ফুৰে কাৰণেই তোৰ চকুত সি বেয়া হ'ল নহয়? নিবোকা হৈ থকাতকৈ বুধিন বহুত ভাল জান নে?....মোৰ চকু আছে—" অন্তৰ হানি যোৱা এনেকুৱা ধৰণৰ কথাত আলোক মনে মনে থাকিল। কিন্তু কি আচৰিত! সেই একে মাহীয়েকেই মুখত সামান্য হাঁহি ফুটাই তুলিবলৈ চেষ্টা কৰি আকৌ মিহিকৈ ক'লে—"চাহ খাবিনেকি? পানী গৰম আছে।

...."মাহীয়েকৰ এনে অপ্ৰত্যাশিত কথাৰ পৰিবৰ্ত্তনত আলোক আচৰিত নহৈ নোৱাৰিলে। "নেখাও "বুলি তাৰ পৰা উঠাত মাৰি নিজৰ কোঠালৈ গুচি আহিল। আলোকে ভাৱিবলৈ ধৰিলে— মাহীয়েকৰ নিচিনা ইমান আকৰী মানুহ বোধকৰো পৃথিৱীতে নাই। নিজৰ ছোৱালী জনীক ডেকা ল'ৰা এটাৰ লগত এৰি দিয়াৰ কাৰণে সাৱধান কৰি দিবলৈ যাওঁতে নিজনী মাকে অহঙ্কাৰ প্ৰকাশ কৰি কথা শুনাই দিয়ে আৰু সেই মাকেই আকৌ সোধে চাহ খাবি নেকি? মূৰ্খ মাহীয়েকৰ এনে আচৰণত আলোকৰ প্ৰচণ্ড খং উঠাৰ লগে লগে তেওঁলৈ পুতৌও জাগিল।

কিন্তু আলোকে যদি তেতিয়া জানিলেহেঁতেন মাহীয়েকৰ এনে আচৰণৰ মাজত এটা অভিসন্ধি লুকাই আছে, তেন্তে তেওঁৰ প্ৰতি পুতৌৰ ভাৱ নেজাগিলহেঁতেন নাইবা মাহীয়েকক মূৰ্খ বুলি ভাবিবলৈও প্ৰয়াস নকৰিলেহেঁতেন।

---

গুৰুজীৰ পৰা চিঠিখন পোৱাৰ পিচতো আলোক কিন্তু তাৰৈ সোনকালে যাব পৰা নাছিল। কেইদিনমান পৰীক্ষাৰ কামত কলেজেত ব্যস্ত থাকিব লগা হৈছিল। কলেজৰ পৰা ঘুৰি অহাৰ পিচত বৰ ভাগৰ লাগে। কাৰো লগত কথা পাতিবৰ মন নেযায়। কেতিয়াবা হাতত চেতাৰখন লৈ অকলশৰে বহি থাকিহে বেচি ভাল লাগে।

....সেইদিনা কলেজত বিশেষ কাম নথকাত আলোকে ভাবিলে আজি গুৰুজীৰ ওচৰলৈ যাবই লাগিব। তেওঁৰ চিঠি পোৱাৰ পিচতো এতিয়ালৈকে নোযোৱাটো চূড়ান্ত অৱজ্ঞাৰ চিন বুলি নিশ্চয় গুৰুজীয়ে ভাবি লৈছে। ....কিন্তু ঘৰলৈ যাওঁ যাওঁ বুলি ভাবি থাকোতেই কলেজতেই এটা বাধা ওলাল। হঠাৎ বৰষুণ আহিল। আচম্বিতে অহা বৰষুণ জাকত আলোক বৰ বিৰক্ত হ'ল। কাউৰীৰ ঠোঁট যেন ক'লা হৈ থকা আকাশলৈ চাই আলোকে বৰষুণ এৰাৰ কোনো লক্ষণ দেখা নেপালে। এবাৰ ভাবিলে, মনতে এবাৰ যাম বুলি ভাবিছে যেতিয়া, আজি ৰাতি হলেও দুৰ্যোগ বতৰৰ মাজতো গুৰুজীৰ ওচৰলৈ যাবই লাগিব। গুৰুজীক দেখা নোপোৱাত মনটোও ভাল লাগি থকা নাই। ইপিনে কেবাদিন বিদ্যালয়ৰো কাকো লগ পোৱা নাই। আলোকে আজি বৰ বেচিকৈ অনুভৱ কৰিলে অপৰাধ স্খলনৰ গভীৰ স্পৃহা। ....এনেকুৱা এটা বৰষুণৰ দিনতেই এদিন গুৰুজীয়ে গুনগুনাই মেঘমল্লাৰৰ ৰূপ বৰ্ণনা কৰিছিল আৰু তাৰ সৰগম্ আৰু সৌন্দৰ্য্যৰ কথা কৈছিল।

বাহিৰে বাহিৰে গুৰুজীৰ ওচৰলৈকে যাব বুলি ভাবিছিল যদিও ঘৰৰ পৰা ছাতি এটা লবৰ কাৰণে আলোক ঘৰলৈ আহিল। তেতিয়া বৰষুণ জাক অলপ কমিছিল। ...গধূলি হওঁ হওঁ। ঘৰৰ কম্পাউণ্ডত সোমোৱাৰ লগে লগে থানেশ্বৰক ভিতৰৰ পৰা ওলাই অহা আলোকে দেখিলে।

"কেনি যাব এই বৰষুণত ?"

"বজাৰৰ পৰা আহোগৈ"

"কেলেই ?"

"চামাচুৰ আনি দিব লাগে বোলে। এই ৰৰযুণত ৰৰ জুলুম...."

"কাক লাগে? নিৰুক ?"

"অ তাইকেই। বুধিন মামাই আনিবলৈ কৈছে। চিগাৰেটো লাগে বোলে—"

আলোকৰ মনটো বিৰক্তিৰে ভৰি গ'ল। থানেশ্বৰৰ ওপৰতো খং উঠিল।

"মই চাহ খাব লাগে। পিচত গ'লে মহলহেঁতেন নে ?"

"এতিয়াই সাউত্‌কৈ লৈ আনোগৈ ৰ। পিছত আইদেউ আহিলে ওলাই যাব নোৱাৰিম।" মহীয়েকো এই ৰৰযুণত চাগে' ক'ৰবাত ফুৰিবলৈ গৈছে।

....নিজৰ ৰুমলৈ আহি কাপোৰ কানি সলাই ভৰি হাত ধুই আকৌ নতুন কাপোৰ এযোৰ পিন্ধিলে। ....ৰৰষুণ আকৌ আৰম্ভ হ'ল। থানেশ্বৰ এতিয়ালৈকে আহি নেপালেহি। চাহ একাপ কৰি দিবৰ কাৰণে নিৰুকেই কৰ লাগিব। তায়ো চাগে' পঢ়িছে এতিয়া। ক'ত পঢ়িছে। বুধিন মামাৰ লাগত নিশ্চয় হিন্দী চিনেমাৰ....। লগে লগে অলোকৰ মনটো ছাট্‌কৈ এটা সন্দেহত গাজি উঠিল।

সন্দেহটোৱে মনত উকি দি উঠাৰ লগে লগে এক চেকেণ্ডো নিজৰ কোঠাত নৰৈ আলোক পোনছাঁটেই নিৰুৰ পঢ়া কোঠাৰ আগ পালেগৈ। ভিতৰত লাইটটো জ্বলি আছে।....জপাই থোৱা দুৱাৰ খনত থকা পৰ্দাৰ ফাঁকটোৰেদি ভিতৰলৈ আলোকে ভুমুকি মাৰি চালে। ....কি ? কি দেখিছে আলোকে ? তেওঁৰ গাটো কঁপিবলৈ ধৰিলে। কেইমিনিটমানৰ আগতে কৰা সন্দেহটো যে ইমান সত্য ভাৱে বাস্তৱ আকাৰত দেখিব আলোকে ভাবিবও পৰা নাছিল। আলোক হতবাক হৈ গ'ল।

....বুধিন মামাৰ বুকৰ মাজত আঁৰহৈ থকা ছোৱালী জনীক দেখি

মাহীমাকৰ জীয়েক ভনীয়েক বুলি ভাবিবলৈ ভেঁও টান পালে যদিও দাং খাই থকা বগা স্কাৰ্টটোৱে সেইজনী নিৰু বুলি দৃঢ় ভাৱে প্ৰমাণ কৰিলে। বাহিৰত কৰ্ণভেদ কৰি যোৱা মেঘৰ গৰ্জনেও নিৰুৰ বুতাম খোলা ব্লাউজৰ পিঠিয়েদি সুমুৱাই থোৱা বুধিন মামাৰ হাতখনক বিৰত কৰি ৰাখিব পৰা নাছিল। নিৰুৰ মুখখন আলোকে দেখা নাছিল ; কিন্তু বুধিনৰ মুখত দেখিছিল লাহে লাহে বাঢ়ি অহা পশুৰ হিংস্ৰ-উন্মত্ততা। তাৰ চকু মুখ ৰঙা হৈ পৰিছিল। .. তাৰ পিচত হঠাতে ঘুৰি নিৰুয়ে তাৰ বুকৰ মাজত সোমাই সাৱটি ধৰিলে। তাইৰ মুখখন যেন উত্তেজনাত ঘামিছে।

ভৰ যৌৱনৰ এইটো বয়সলৈকেও এনে দৃশ্যৰ অভিজ্ঞতা অৰ্জন নকৰা আলোকে চকুৰ পলক নেপেলোৱাকৈ ৰ লাগি বুধিন আৰু নিৰুক চাবলৈ ধৰিলে। এয়ে তেনেহলে আদিম ৰিপু। এয়ে কালি-দাসৰ 'ৰঘু বংশম্,' 'কুমাৰ সম্ভৱম্'ত থকা যৌৱনৰ কামনা-দীপ্ত মদমত্ততা! নিৰু ভেন্তে বহুত ডাঙৰ হৈ গ'ল। বয়সেৰে নহলেও মনেৰে তাই আলোকতকৈ বহুত ডাঙৰ হৈ গ'ল আৰু ডাঙৰ হোৱাৰ অনুপ্ৰেৰণা যোগালে এই বুধিন মামাই। কিন্তু মামাৰ মৰমেৰে ৰৰঘৰত সোমাই প্ৰেমৰ ছলা কলা শিকাই নষ্ট কৰাৰ অধিকাৰ সি পালে ক'ৰ পৰা? কি অধিকাৰ আছে তাৰ এই সৰল আৰু সহজ ছোৱালী জনীক....।

' উত্তেজিত হৈ বজ্ৰ গম্ভীৰ স্বৰেৰে "নিৰু" !! বুলি চিঞৰি আলোকে দুৱাৰখন মেলি দিলে। লগে লগে সাপ দেখি উচপ্ খোৱাৰ দৰে তৎক্ষণাত বুধিন আৰু নিৰু দুয়ো দুফালে ছিটিকি পৰিল। নিৰুয়ে থৰথৰকৈ কঁপিবলৈ ধৰিলে।

প্ৰচণ্ড ক্ৰোধ আৰু বিহ্বলতাত সংস্কৃত-অধ্যাপক আলোকে দৃষ্টি নিক্ষেপ কৰিলে বুধিনলৈ। লগে লগে ধৰা পৰা অপৰাধী বুধিন তললৈ মূৰ কৰি এক ছেকেণ্ডো তাত নৰৈ আলোকৰ আগেদিয়ে হুৰমুৰকৈ ওলাই গ'ল। তেতিয়াও বাহিৰত ভৰাপিটা

ৰৰষুণ। ....নিকৰে কঁপি থকা হাত দুখনেৰে পিঠিৰ খোলা বুতাম কিটা মাৰিবলৈ অপচেষ্টা কৰি বিছনা খনত তলালৈ মূৰ কৰি বহি দিলে। তাইক ভালকৈ গালি পাৰি দিব বুলি ভাবিলে যদিও আলোকে মুখেৰে মাতিব নোৱাৰিলে। এটা দৃষ্টিৰে তাইলৈ চালে। সেই দৃষ্টিত যেন ক্ৰোধ, ক্ষোভ, আৰু লগতে কামনাৰ এটি ক্ষুদ্ৰ কণিকাও মিহলি হৈ আছে।

... ঠিক তেনেতে প্ৰায় আধা তিতা অৱস্থাত থানেশ্বৰে হাতত চানাচুৰ আৰু এপেকেট চিগাৰেট লৈ সোমাই আহি আলোকৰ সেই মূৰ্ত্তি দেখি আচৰিত হৈ সুধিলে—"কি হ'ল পোনা ?"

অগ্নিত যেন ঘৃতাহুতি পৰিল।

"কি হ'ল সুধিবলৈ আহিছ ? ভয়ে সৰ্ব্বনাশৰ মূল। ইহঁতক অকলে এৰি তই কেলেই ওলাই গৈছিলি ? কেলেই গৈছিলি ? .... আৰু তইঁতৰ এই বুধিনমামা ! তাক এইখন ঘৰত আজিৰ পৰা সোমাবলৈ নিদিবি। —"

থানেশ্বৰে গোটেই কথাটোৰ একো উৱাদিহ নেপাই আলোকক আকৌ কি হ'ল বুলি সুধিলে।

কিন্তু আলোকে আকৌ চিঞৰি উঠিল—"পেলা সেইবোৰ, পেলা।"

"ৰ চোন ৰ। কেলেই গতিয়াইছ ?"

"তেনেহলে পেলাই দে। পেলাই দে থানেশ্বৰ কাই। সেইবোৰ পাপ বস্তু।

"ৰ চোন, পেলাইনো কেলেই দিব লাগে ? তাই এইবোৰ বস্তু খাই ..."

"থানেশ্বৰ কাই ! তই মোৰ কথা শুশুন নেকি ? পেলা বুলি কৈছো পেলা—"

"পোনা !!"—থানেশ্বৰক গতা এটা মাৰি আলোক খণ্ডত উত্তেজিত হৈ দপ্‌দপাই নিজৰ কমত সোমালহি। ....এই ঘৰখনৰ ইমান সাহস !

এই ঘৰখনত যেন আলোকৰ অস্তিত্বৰ কোনো মূল্য নাই। এতিয়া এই ঘৰখনৰ মালিক আলোক। অথচ আলোকক সমুলি কেৰেপ নকৰি চকুৰ আগতেই চলিবলৈ ধৰিছে এইবোৰ ব্যভিচাৰ আৰু তাৰবাবে প্ৰবোচনা যোগাইছে মাহীমাকে নিজে। আলোকে কেতিয়াও সহ্য নকৰে এইবোৰ। আৰু এই থানেশ্বৰটো!

"পোনা।"

"কি হ'ল?

"চাহ খাবিনেকি?"

"দে"—থানেশ্বৰলৈ চাই আলোকৰ বেয়াও লাগিল। লোকৰ দোষত সি আজি ককৰ্থনা খালে, গতা খালে। অথচ প্ৰকৃত দোষী বুধিনক তো আলোকে একোৱেই কৰিব নোৱাৰিলে। চকুৰ আগতেই অৱজ্ঞা প্ৰকাশ কৰি সি পলাই গুচি গ'ল।

"ভালেই কৰিলি পোনা। এনেকুৱা হব পাৰিলেতো ভালেই। ছোৱালীজনী ভাল হব। আমাৰ কথাতো কোনেও নুশুনেই....।" —ভোৰ্‌ভোৰাই থানেশ্বৰ কাই চাহ আনিবলৈ গুচি গ'ল। আদৰৱসীয়া থানেশ্বৰৰ চকু কিটা বোধকৰো সেমেকিছিল। আলোকৰ চকু কিটাও পুৰিবলৈ ধৰিলে। পানী ওলোৱাৰ আগতে এনেকৈ পোৰে। থানেশ্বৰৰ কথাকিষাবে আলোকৰ অন্তৰত এটা আলোড়ন তুলি থৈ গ'ল।

........দিনটোৰ মানসিক প্ৰস্তুতিৰ পিচতো আলোক গুৰুজীৰ ওচৰলৈ যাব নোৱাৰিলে। পাঁচ মিনিটৰ ভিতৰতেই কি কাণ্ড যে ঘটি নগল, যাৰ কাৰনে বহুদিনৰ মূৰত গুৰুজীৰ ওচৰলৈ গৈ নিজৰ দোষ স্খলন কৰাৰ আকুলতা আৰু হেপাহ নিঃশেষ হৈ গ'ল। এনেকুৱা এটা ঘটনা ঘটাৰ পিচত কি শান্তিৰে গুৰুজীৰ ওচৰলৈ যাব পাৰিলেহেঁতেন। বাতি আঠমান বজাত বৰষুণ এৰিছিল, কিন্তু নগল। লাইট টো নুমুৱাই অলোক বিচনাত দীঘল দি পৰিল।

.........নিকৰ পড়া কোঠাটো যদি আজি অন্ধকাৰ হ'ল হেঁতেন।

তেতিয়া আলোকে একেবাৰেই নেজানিলেহেঁতেন কিজানি। নিৰুৰ সকু শৰীৰটো সাৱটি ধৰি বুধিনৰ পশুৰ নিচিনা উন্মত্ত চেহেৰাটো দেখাৰ সুযোগ নঘটিলহেঁতেন।....আৰু নিৰু? তাইওতো লাহে লাহে কিছু জনা বুজা হৈ আহিছে। কোঠাটো অন্ধকাৰ হোৱা হলেই আজি নিৰুৰ সৰ্ব্বনাশ ঘটি গ'লহেঁতেন। অন্ধকাৰেই তো পাপ মাতি আনে, ইয়াতেই তো সকলো পাপৰ জন্ম। অন্ধকাৰ-নাশী দীপকক বিচাৰিবলৈ আলোকে চেতাৰ ধৰ বজোৱাৰ কথা ভাবিলে। কিন্তু মন মগল।........বুধিনৰ লম্পট চেহেৰাটোহে চকুৰ আগত ভাঁহি উঠিল। হীন ছদ্মবেশেৰে সি আজি নিৰুৰ নৱ যৌৱনা কিশোৰী দেহটো ছলে বলে শেষ কৰি দিব খুজিছিল লাইটৰ উজ্জ্বল পোহৰতেই সি ইমান দুঃসাহস কৰিছিল। নিলাজ। ইতৰ পশু!! ঘনে ঘনে আলোকৰ মনটো ক্রোধ, অভিমান আৰু অস্থিৰতাই বেৰি ধৰিলে।........

ঠিক তেনেকুৱা সময়তেই মাহীমাক আহিছিল। দুৱাৰ মুখত থিয় হৈ ভয়ে ভয়ে আলোকক মাতিছিল—"পোনা!"

মাহীয়েকৰ মাত শুনি দপ্‌কৈ আকৌ আলোকৰ খং উঠি আহিল। কিন্তু মুখেৰে নেমাতিলে।

"কি হৈছে অ' নিৰুৰ? তাই দেখোন বিচনাত শুই আছে। মুখেৰে নেমাতে। থানেশ্বৰকো সুধিছিলো। সিও গোমোঠাটো হৈ বহি আছে। তয়ো ফুট্ট গধূলিতে শুলি। হৈছে নো কি তইঁতৰ, ক চোন?"

অন্তৰৰ সকলো বিস্ফোৰণ যেন মুখেদি ওলাই আহিব খুজিলে—"তাইকেই সোধক তায়ে ক'ব—"

"মুখেৰেই নেমাতে তাই। তয়ে ক কি হৈছে এই বোৰ। তোৰ লগত কিবা লাগিলনেকি? থানেশ্বৰে কিবা ক'লে নেকি? তই মাৰিলি নেকি আৰু' তাইক?...."

প্রচণ্ড খঙত বিচনা খনৰ পৰা নামি আলোকে লাইটটো জ্বলাই

মাহীয়েকলৈ চালে। বগা সাজ পিন্ধা উকা অথচ গভীৰ উৎকণ্ঠা ভৰা মাহীয়েকৰ মুখখনলৈ চাই আলোকৰ অন্তৰৰ পৰা গুজৰি-গুমৰি ওলাই আহিব খোজা কথাবোৰ স্তব্ধ হৈ গ'ল। সংযত হবলৈ চেষ্টা কৰি ক'লে—

"নিকুক মই কোনোৱা দিনা মৰা আপুনি দেখিছেনে? কিন্তু আজি তাইক মই শাসন কৰা উচিত আছিল।......."

"তাই ভেনেহলে কেলেই কান্দি কান্দি শুই আছে?" মাহীয়েকৰ কণ্ঠত যেন অভিযোগৰ সুৰ প্ৰকট হৈ পৰিল।

"মাহীদেউ, আপুনি মোক অকলে থাকিবলৈ দিয়ক। তাইক সোধক। তায়ে কব। তাই যদি নকয় আপোনাৰ বুধিনক সোধক।....মুঠতে আপুনি নিকুৰ কাৰণে সাৱধান হব।"

"কিন্তু তই এইবোৰ........"

"মোৰ শৰীৰ আৰু মন ভাল নহয়।....আপুনি মোক অকলে থাকিবলৈ দিয়ক—"আলোক চিএৰি উঠিল।" কোনো কথা কবলৈ মাহীয়েকক সুযোগ নিদিলে।

সেইদিনা আলোকৰ ভাত খোৱা নহল। থানেশ্বৰৰ কুটুৰনিত একাপ গাখীৰ খাই শুই থাকিল। নিকুয়েও বোধকৰো একো নেখালে। বিচনাত পৰিল যদিও আলোকৰ চকুৰ পৰা টোপনি অন্তৰ্হিত হৈ গল।... ...শেষ ৰাতি বোধকৰো ৰৰযুণ আহিছিল। তেতিয়াহে আলোকৰ চিল্‌মিল্‌কৈ টোপনি আহিছিল। তেতিয়াই এটা সপোন দেখিলে আলোকে। এটা জীৱন্ত আৰু বাস্তৱ সপোন।

পাঞ্জাবী ধুতি পৰিহিত আধাপকা দাঢ়িৰ মাজেদি ওলাই অহা এটা মধুৰ হাঁহিৰে সৌম্য দৰ্শনৰ গুৰুজীয়ে হাতত চেতাৰ খন লৈ আলোকক ক'লে—"আলোক। চোৱা এই ৰাগিনী এটি নাৰী মূৰ্ত্তিৰ। এই মূৰ্ত্তিৰ শৰীৰ শুভ্ৰ, স্বচ্ছ আৰু নিৰ্ম্মল। গোটেই শৰীৰত স্নিগ্ধ পৱিত্ৰতা বিৰাজমান। তেওঁৰ হাতত বীণা। তেওঁক

হাতৰ পৰশত বীণাৰ ঝঙ্কাৰে গোটেই পৰিবেশ মোহনীয় কৰি তোলে।........"

আলোকে সুধিলে—"গুৰুজী। এই ৰাগিনীৰ নাম কি?"

গুৰুজীয়ে ক'লে—"এই ৰাগিনীৰ কথা তুমি জানা। তোমাক শিকাইছিলো, তুমি বজাইছা।· তুমি এদিন কৈছিলা এই ৰাগিনীয়ে তোমাৰ মাতৃলৈ মনত পেলাই দিয়ে। এটা কথা মনত ৰাখিবা আলোক, যিদিনাই তুমি অশান্তি অনুভৱ কৰিবা, মন চঞ্চল আৰু অস্থিৰ হৈ পৰিব, সেইদিনাই ইয়াৰ আশ্ৰয় লবা। মাতৃৰ ধ্যানে তোমাৰ চিত্ত স্থিৰ কৰিব, তুমি শান্তি অনুভৱ কৰিবা।"

"মই এই ৰাগিনীৰ কথা পাহৰি গৈছিলো গুৰুজী। তাৰ পৰিবৰ্ত্তে আজি মোৰ মনলৈ আহিছিল দীপক।........আপোনাৰ হাতত মই বহুতদিন তোড়ী শুনা নাই গুৰুজী!"

"আজি তোমাক মই শুনাম। তুমি শুনা...."

তাৰপিচত চেতাৰত ঝঙ্কাৰ তুলি গুৰুজীয়ে আৰম্ভ কৰিলে তোড়ীৰ আলাপ। চেতাৰৰ মূৰ্চ্ছনাই আৱেশ সৃষ্টি কৰিলে। তাৰ পিচত, লাহে লাহে এটা যেন অস্পষ্ট নাৰীমূৰ্ত্তি চকুৰ আগত উদ্ভাসিত হৈ উঠিল। শৰীৰৰ পৰা সুগন্ধি কপূৰৰ সুবাস বিয়পি পৰিল। সেই নাৰীমূৰ্ত্তি ক্ৰমে ক্ৰমে স্পষ্ট হৈ পৰিল আৰু আলোকৰ ওচৰলৈ আহি গভীৰ স্নেহেৰে তেওঁৰ মূৰত হাত থৈ থলে। আলোকে অনুভৱ কৰিলে পৱিত্ৰ শীতলতা,—পৰম শান্তি,—নিবিড় প্ৰশান্তি। ইমান জীৱন্ত—ইমান মধুৰ!!

....হঠাৎ ভীষণ ভাৱে চক্ খাই আলোক সাৰ পাই উঠিল। কোনোবাই দুৱাৰত জোৰেৰে ঢকিয়াইছে সপোন ভাঙি থান্‌বান্ হৈ গ'ল। 'পোনা' 'পোনা' বুলি দুৱাৰত ঢকিয়াই থানেশ্বৰ কায়ে চিঞৰিছে। থকমকৈ সাৰ পাই উঠি আলোকৰ মনটো চিৰিংকৈ গ'ল। কিবা বিপদ হ'ল নেকি? নিকলৈ মনত পৰিল। তাক কিবা কৰিলেনেকি....নহলে থানেশ্বৰে এই পিচ ৰাতি কিয় হুলস্থুল

লগাব। তেতিয়া বাহিৰত কাঁহিলি কাহিলি পোহৰ হৈছে। বৰষুণ নাই।

লাইটটো জ্বলাই দুৱাৰ খুলিয়ে আলোকে থানেশ্বৰৰ কাষত মিউজিক স্কুলৰ অৰুণ আৰু গৌতমক দেখি বেচি আচৰিত হৈ গ'ল। সিহঁতৰ মুখ কিখন ক'লা আৰু ম্ৰিয়মান। ভীষণ আশঙ্কাৰে আলোকে সুধিলে—

"অৰুণ! গৌতম !!....কি হ'ল ??

অৰুণে ক'লে 'আপুনি মিউজিক স্কুললৈ বলক আলোক-দা,—"

'স্কুললৈ ?. এই ৰাতি ??....কি হৈছে অৰুন ?....মেমাতা কিয় ??" আলোক উদ্বাউল হৈ পৰিল। তললৈ মুৰ কৰি অন্তৰৰ অৱৰুদ্ধ বেদনা খুলি দি অৰুণ চিঞৰি উঠিল—"গুৰুজী আৰু নাই,—আলোকদা।!"

'কি ? কি কৈছা অৰুণ ?' আলোকৰ ভৰিৰ তলৰ মাটিখিনি কঁপিবলৈ ধৰিলে।

"সঁচা কৈছো আলোকদা। গুৰুজী ঢুকাল অলপ আগতে...." গৌতমে কান্দি কান্দি কবলৈ ধৰিলে।

গৌতম আৰু অৰুণ দুয়োৰে গাঁত ধৰি জোকাৰি আলোকে চিঞৰি দিলে—"তোমালোকে মোৰ লগত ধেমালি নকৰিবা।....এই অলপ আগতে গুৰুজীয়ে নিজে সপোনত আহি...." আলোক পগলা হোৱাৰ উপক্ৰম হ'ল। অৰুন আৰু গৌতম দুয়ো আলোকক সাৱটি ধৰিলে।

....সঙ্গীত বিদ্যালয়লৈ গৈও আলোকে বিশ্বাস কৰিব নোৱাৰিলে যে গুৰুজী আৰু নাই। ধূপ-ধুনাৰে সুবাসিত কোঠাটোত ফুলেৰে সুশোভিত গুৰুজীৰ শুই থকা দেহাটো দেখি আলোক হতবাক হৈ ৰৈ গ'ল। কোঠাটো স্কুলৰ ছাত্ৰ-ছাত্ৰীৰে ভৰি পৰিছে। সকলোৰে চকু সেমেকা। আলোকে একো কথা কব নোৱাৰিলে, আনকি

কান্দিবও নোৱাৰিলে। গুৰুজীৰ মুখখনলৈ থৰ হৈ চাই থাকিল। গুৰুজীৰ মৃত্যু—ইও আলোকৰ কাৰণে এটা পৰম বিস্ময়!

মুখত এই মিঠা হাঁহিৰে চকু কিটা মুদি থকা ঠিক এই গুৰুজীকেই অলপ আগতে আলোকে সপোনত দেখিছিল। বিশ্বাস কৰিব নোৱাৰি—অথচ কি আচৰিত যোগাযোগ!....তেন্তে কি গুৰুজীয়ে মৃত্যুৰ আগে আগে সপোনত আহি আলোকক মাত লগাই গ'ল? ভোতীৰ মাজেদি গুৰুজীয়ে তেওঁৰ প্ৰিয় ছাত্ৰ আলোকক কি কব খুজিছিল? গুৰুজীয়ে নিশ্চয় তেওঁৰ শেষ বাৰ্ত্তা কৈ যাব খুজিছিল। আলোকে কিয় নুশুনিলে? কিয় শুনিব নুখুজিলে? কিয় শুনিব নেজানিলে?....স্বাৰ্থপৰ আলোক। সামান্য এটা স্বাৰ্থত পৰি আলোকে গুৰুজীক পাহৰিলে, অৱজ্ঞা কৰিলে গুৰুজীৰ শিক্ষা-দীক্ষা, তেওঁৰ জ্ঞান আৰু আকাশচুম্বী উদাৰতা!.......আলোকৰ ওঁঠ দুটা কঁপিবলৈ ধৰিলে। একেথৰে চাই থকাৰ পিচত গুৰুজীৰ মৃত্যুঞ্জয়ী মুখখন চোৱাৰো সাহস তেওঁৰ অন্ত হৈ গ'ল।

'আলোকদা! অনিমাৰ শোকবিহ্বল মাততো আলোকে সহঁাৰি, দিব নোৱাৰিলে। আনকালে মুখখন ঘূৰাই দিলে। 'আলোকদা!' গৌতমে আকৌ মাতিলে। বাষ্পৰুদ্ধ থোকাথুকি মাতেৰে অনিমা আৰু গৌতমলৈ চাই আলোকে কৈ উঠিল—"আমাৰ কি হ'ল অনিমা? গৌতম?...."

গুৰুজীৰ শৱ-সৎকাৰৰ কাৰণে ব্যস্ত হৈ থকা নিখিলে বিহ্বলতাত মূঢ় হৈ পৰা আলোকৰ ওচৰলৈ আহি ক'লে—"আলোকদা! আপুনিয়েই যদি এনেকৈ ভাঙি পৰে, আমালৈ কি বাকী থাকিব কওক। আজি এতিয়াই কিমান কাম কৰিবলগীয়া আছে ভাবি চাওক। আপুনিয়ে যদি আমাক সান্ত্বনা নিদিয়ে—আপুনিয়ে যদি দিহা পৰামৰ্শ নিদিয়ে........?

নিখিলে যেন আলোকৰ অন্তৰখন প্ৰৱলভাৱে জোকাৰি দিলে। পগলাৰ দৰে মৰ্ম্মন্তুদ বেদনাত আলোকে চিঞৰি ক'লে—'আলোকদা!

আলোকদা !! তোমালোকৰ দাদা হোৱাৰ যোগ্যতা মই হেৰুৱাই পেলাইছো নিখিল। তোমালোকৰ দাদা হোৱা হ'লে মই গুৰুজীক অৱজ্ঞা নকৰিলোহেঁতেন—বেমাৰত শুশ্ৰূষা কৰিবলৈ আহিলোহেঁতেন—তোমালোকক অনাদৰ নকৰিলোহেঁতেন। মই গুৰুজীৰ অধম, নিকৃষ্ট আৰু অকৃতজ্ঞ ছাত্ৰ।...."কৈয়েই বগা কাপোৰেৰ ঢাকিথোৱা গুৰুজীৰ শীতল ভৰি দুখনত পৰি হুক্ হুক্কৈ কান্দিবলৈ ধৰিলে। চিঞৰি চিঞৰি কান্দিলে—"গুৰুজী ! মই পাপী, মই অপৰাধী—মোক ক্ষমা কৰিব নোৱাৰা বুলি জানো, তথাপিও মোক ক্ষমা কৰি থোৱা গুৰুজী, মোক ক্ষমা কৰা........"বৈগুনাথ গুৰুজীৰ সবাতোকৈ প্ৰিয় ছাত্ৰ আলোকৰ এই ক্ৰন্দন কোনেও সহ্য কৰিব নোৱাৰিলে।

অনিমাই মাতিলে 'আলোকদা,' গৌতম আৰু অৰুণে গাত ধৰি মাতিলে—'আলোকদা' ! নিখিলে গাত ধৰি জোকাৰি দি ক'লে—"আলোকদা ! গুৰুজীৰ এজন দায়িত্বশীল ছাত্ৰ হৈ আপুনি এনেকুৱা কৰিলে আমি কি কৰিম কওক। এনেকৈ থাকিলে শৱ সৎকাৰ পলম হৈ যাব।....আপোনাক গুৰুজীয়ে কিমান ভাল পাইছিল আপুনি নিজেই জানে। আপোনাক কোনোদিনেই গুৰুজীয়ে অকৃতজ্ঞ বুলি ভৱা নাছিল—অপৰাধী বুলি কোৱা নাছিল।....মৃত্যুৰ আগে আগে তেখেতে কি কৈছিল জানে আলোকদা ?........"নিখিলৰ মাত থোকাথুকি হ'ল, কথা কব নোৱাৰিলে। কন্তেক বৈ আকৌ কান্দি কান্দি কবলৈ ধৰিলে—"কৈছিল—নিখিল। তোমাৰ আৰু আলোকৰ হাতত সঙ্গীত বিদ্যালয়খন গটালো।....আলোকৰ কথামতে তোমালোক চলিবা। আলোক তোমালোকৰ দাদা, মোৰ এজন প্ৰিয় ছাত্ৰ। তাৰ কথা মানি চলিবা, তোমালোকৰ ভাল হ'ব—সঙ্গীত বিদ্যালয়ৰ উন্নতি হব।........"কৈ কৈ নিখিলে তেওঁৰ অন্তৰ খন ধৰি ৰাখিব নোৱাৰিলে। তেঁৱো গুৰুজীৰ-ভৰিত পৰি হুক্ হুক্কৈ কান্দি দিলে।

লাহে লাহে মূৰটো দাঙি আলোকে গুৰুজীৰ মুখখনলৈ চাই

নিখিলৰ পিঠিত হাত থম থলে। নিখিলৰ পিঠিত থপৰিয়াই নিজকে সান্ত্বনা দিবলৈ চেষ্টা কৰিলে।....ঠিকেই, নিখিলহঁতে ঠিকেই কৈছে। মৃত্যুৰ পিচতো কৰিব লগীয়া বহুখিনি আছে, আৰু সেই কাম সমাধা কৰিব লাগিব আলোক, নিখিল, গৌতম, অৰুণ, অনিমা আদি সকলোৱেই।....গুৰুজী। সৰগৰ পৰা আশীৰ্ব্বাদ কৰিবা,—তোমাৰ অৰ্দ্ধসমাপ্ত কাম কৰিবলৈ মই যেন শক্তি পাওঁ—তোমাৰ স্মৃতিৰে সঙ্গীত বিদ্যালয়ক যেন গৌৰৱান্বিত কৰিব পাৰো ....।

---

বৈদ্যনাথ গুৰুজীৰ মৃত্যুয়ে আলোকৰ জীৱনলৈ এটা ডাঙৰ পৰিৱৰ্ত্তন আনিলে। বাড়িপুৰাৰ পৰা বাড়িলৈকে অকনো আহৰি নোপোৱা আলোক এটা বেলেগ মানুহলৈ ৰূপান্তৰিত হ'ল। আনকি কেতিয়াবা অকলশৰীয়া মুহূৰ্ত্তো চেতাৰখন বজাবলৈ সময় নোপোৱা হ'ল। কলেজ আৰু সঙ্গীত বিদ্যালয়—এই দুয়োকে লৈ দিনৰ সৰহভাগ সময় ব্যস্ত হৈ থাকিল। কলেজত ক্লাচ্ লোৱা, বিদ্যালয়ত চেতাৰ শিকোৱা, বিদ্যালয়ৰ বাবে ধনগুনি তোলা, সকলোৰে কামৰ তদাৰক কৰা, সময় বিশেষে ডাঙৰ ওস্তাদক নিমন্ত্ৰণ কৰি অনুষ্ঠানৰ আয়োজন কৰা, মাজে মাজে স্কুলত সঙ্গীত অনুষ্ঠান পতা ইত্যাদি বাবে কুৰি কামৰ ব্যস্ততাৰ মাজত আলোক সোমাই পৰিল। অৱশ্যে তেওঁৰ লগত থাকিল অহৰহ নিখিল, অনিমা, গৌতম আৰু অৰুণ।

এই অপৰিসীম দুখ আৰু কষ্টৰ পিচত গুৰুজী স্মৃতি মণ্ডিত বিদ্যালয়খনৰ দোপতদোপে উন্নতি হ'ল—ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িল, নাচৰ বিভাগ এটাও খোলা হ'ল, ভাল শিক্ষক আহিল আৰু বিদ্যালয়খন সকলোৰে চকুত পৰাহৈ উঠিল। বছৰি চৰকাৰী অনুদান এটা পোৱাৰো আশা দেখা গ'ল। আলোক আৰু তেওঁৰ লগত বাতিয়ে দিনে খাটি ফুৰা এমুঠি ছাত্ৰ-ছাত্ৰীৰ বাবে ই কম বৈশিষ্ট্যপূৰ্ণ কথা নহয়। তেওঁলোকৰ কাৰণেও ই সামান্য তৃপ্তিৰ কথা নহয়।

অৱশ্যে মাজতে এবাৰ এটা সৰু দুৰ্ভাগ্যজনক ঘটনাই আলোকৰ মনটো ক্ষুন্ন কৰিছিল। স্কুলৰ কোনোবা এজনী ছাত্ৰীৰ লগত ঘৰকৈ সনা-পিঠা কৰা অৰুণক কেবাবাৰো সতৰ্ক কৰি দিয়া স্বত্বেও পুনঃ পুনঃ আলোক, নিখিলহঁতক অৱজ্ঞা কৰাৰ বাবে উপায়হীন হৈ আলোকে তেওঁক স্কুলৰ পৰা যাবৰ বাবে কবলৈ বাধ্য হৈছিল। অৰুণ এটা ভাল কৰ্ম্মী আছিল; কিন্তু তাৰ গাত যিটো দোষ আছিল সি সঙ্গীত বিদ্যালয়ৰ প্ৰৱিত্ৰতা ৰক্ষাৰ প্ৰতিবন্ধক স্বৰূপ।

....ছেদ্‌ভেদ নোহোৱা সংখ্যাহীন কামৰ মাজত আলোকে নিজৰ

ঘৰখনৰ প্ৰতি চকুদিবলৈও পাহৰিলে। আগতেও যে ৰবৰ্কে মনকাম কৰিছিল, সেইটো নহয়। কিন্তু আগতে ঘৰখনৰ প্ৰতি যি সামান্য কৰ্ত্তব্যবোধ আছিল, এতিয়া সিও নাইকিয়া হ'ল। আগতে যিবিলাক সৰু-সুৰা কথাই আলোকৰ মনত অশান্তিৰ সৃষ্টি কৰিছিল, এতিয়া সেইবিলাক চকুতেই নপৰা হ'ল। মাহেকৰ মূৰত মাহীয়েকৰ হাতত টকা খিনি দি আলোকে কয়—"টকাখিনি ধৰক মাহীদেউ........"

এদিন মাহীয়েকে ক'লে—"নিৰুক বোলে এইবাৰ ভাল কাপোৰ এযোৰ লাগে। চেণ্ডেলযোৰো ছিঙিছে—"

খৰধৰকৈ ভাত গৰাহ মুখত ভৰাই আলোকে ক'লে—"ঠিক আছে দিব বাৰু। ঘৰ ভাড়াটো পালে তাৰ পৰাই দিম বাৰু। "মাহীয়েকৰ মনবো যে বহুখিনি পৰিবৰ্ত্তন হৈছে ধৰিব পাৰি।

তাতোকৈ ডাঙৰ কথা নিৰুৰ বিৰাট পৰিৱৰ্ত্তন।....সেই ঘটনাটোৰ পিচৰ পৰা তাই আচৰিত ধৰণে গহীন হৈ গ'ল। বাহিৰত ফুৰা চকা বন্ধ হ'ল। অৱশ্যে মেট্ৰিক পৰীক্ষা দিয়াৰ মাজত বাহিৰত ওলাই ফুৰা চকা কৰাৰ অৱকাশ তাইৰ নাছিল। পৰীক্ষাও বোলে বেয়া হোৱা নাই। আনহাতেদি কিন্তু তাই আলোকৰ ওচৰত বেছি আড়ষ্ট হৈ পৰিল।

এনেতে আলোক আৰু মাহীয়েকৰ কথা শুনি থকা থানেশ্বৰ কায়ে ছেগ বুজি কথা এষাৰ কৈ পেলালে। আজি-কালি আলোকৰ লগত কথা পতাৰ সুযোগ বৰ বিৰল। সি ক'লে—'আৰু এটা কথা নহয় পোনা। তই ঘৰ খনৰ প্ৰতি একেবাৰে চকু নিদিয়া হলি। এইটো ভাল কথা হোৱা নাই। তই সদায় এনেকৈ থাকিলে নহব নহয়।....তোৰো ঘৰখন পাতিবৰ সময় হ'ল। ইপিনে ভনীয়েৰকো চাই-চিতি এঠাইলৈ উলিয়াই দিব লাগে। তই এনেকৈ একেবাৰে পিঠি দিলে কেনেকৈ হ'ব ?"

থানেশ্বৰ কাইলৈ চাই বহুতদিনৰ মূৰত আলোকে হাঁহি এটা

মাৰিলে। ক'লে—"থানেশ্বৰ কাই! মোৰ কাৰণে নেলাগেচোন ভাবিব। কথা নাই কাৰণে, এওঁ আৰু' কথা উলিয়াবলৈ আহিছে........।"

মাহীয়েকে তেতিয়া ভপৰাই ক'লে—"নহয় পোনা, থানেশ্বৰে ঠিকেই কৈছে।....সকলোৱে ঘৰ সংসাৰ কৰে। ভয়ো কৰিব লাগিব দেউতাৰেতো সেইবোৰ নেদেখাকৈয়ে গ'ল।...তই এনেকৈ আঁতৰি ফুৰিলে কেনেকৈ হব? মই অকলে কি কৰিম?" আলোকে মাহীয়েকৰ সেমেকা চকুযুৰিত এটা আন্তৰিকতা দেখিবলৈ পালে। গামোছাৰে মুখখন মচি মচি তেওঁ ক'লে—"আগতে নিৰুৰ বিয়া খন পাতি লওক মাহীদেউ।....ক'ববাত দৰা ওলালে মোক ক'ব।"

হঠাতে গহীন হৈ যোৱা আলোকৰ মুখলৈ চাই মাহীয়েকে ইতস্তত: কৰি আকৌ ক'লে—"এটা কথা পোনা, নিকয়ে আজি কেবাদিনৰ পৰা তোক এটা কথা সুধিবলৈ কৈ আছে........"

"কি কথা কওঁক—"

"তাই বোলে তইঁতৰ স্কুলত নাচ শিকে। এতিয়া তাইৰ আজৰিও—"

"কোনে? নিকয়ে? পাৰিব জানো তাই এতিয়া? ....আপোনাক যে কৈছে তাই নিজে মোক কব নোৱাৰেনেকি? কেনি গ'ল তাই? নিৰু—। ........

ওচৰতে বৈ থকা নিৰু চুচুক্ চামাক্‌কৈ আহি ব'ল।

"কি হ'ল, নাচ শিকিবি? ....পাৰিবি জানো?" তাই তললৈ মুৰ কৰি থাকিল।

"ঠিক আছে। কাইলৈৰ পৰা যাবি বাৰু। মই কৈ দিম। কাকতিৰ জীয়েক মামনিয়েও নাম লগাইছে তাইৰ লগতে যাব পাৰিবি........।

আনন্দ লুকুৱাই ৰাখিব নোৱাৰি নিৰু ভিতৰলৈ লৰ মাৰিলে। কেইবছৰ মানৰ আগতে তাইৰ গাত থকা চপলতা যেন আকৌ কেই

চেকেণ্ডমানৰ কাৰণে ঘুৰি আহিছিল।........আলোকৰ তাইলৈ বেয়াও লাগিল। মেখেলা চাদৰ পিন্ধা ছোৱালী জনী খুব বেছি শকত হব জনা নাই যদিও তাই বেচ ডাঙৰ হ'ল। কিন্তু আলোকলৈ তাইৰ কিয় ইমান বেছি ভয়?...বেচেৰী আঁকৰী ছোৱালী। তাইৰ গাত কি দোষ আছিল? বুধিনৰ কু-সঙ্গ আৰু প্ৰবোচনাত পৰি তাই বেয়া পথলৈ যাব খুজিছিল। তেনেকুৱা পৰিবেশ আৰু বয়সত যেই কোনো ছোৱালীয়ে বেয়া হয়। ভাগ্যে তাই বাচি গ'ল, নিশ্চয় তাই এতিয়া অনুতপ্ত।........তাই ভাল হব....তাইক ভাল কৰিব লাগিব। এটা ভাল পৰিবেশত নাচ বা গান কিবা এটা লৈ ব্যস্ত হৈ থাকিলে তাই ভাল হ'ব। নাচ শিকিব খুজিছে—শিকক।

---

গুৰুজীৰ স্মৃতি বাৰ্ষিকীৰ দিনা বিদ্যালয়ৰ এটা গুৰু গম্ভীৰ পৰিবেশত এখন সঙ্গীতানুষ্ঠানৰ আয়োজন কৰা হৈছিল। বৈদ্যনাথজীৰ ডাঙৰ ফটোৰে শোভিত আৰু ধূপ-ধূনাৰে আমোল-মোলাই থকা দীঘলীয়া 'হল' ঘৰটোত গুৰুজীৰ প্ৰশস্তি শেষ হোৱাৰ পিচত সঙ্গীত অনুষ্ঠান আৰম্ভ হৈছিল। সেইদিনা ঘৰ ভৰি থকা বুদ্ধিজীৱি দৰ্শক আৰু শ্ৰোতাই সঙ্গীত বিদ্যালয়ৰ শিক্ষক, ছাত্ৰ আৰু ছাত্ৰীয়ে পৰিবেশন কৰা বিশেষ কাৰ্য্যসূচী চাই ভূৰি ভূৰি প্ৰশংসা কৰিছিল। অনুষ্ঠানৰ প্ৰায় শেষৰ পিনে আলোকে মঞ্চত প্ৰৱেশ কৰি চেতাৰ খন হাত্ত তুলি লৈছিল আৰু তাৰপিচত দৰ্শকলৈ চাই হাতযোৰ কৰাৰ লগে লগে সকলোৱে হাত চাপৰি বজাই দিছিল।

সেইদিনা গুৰুজীৰ প্ৰশস্তিৰ বাবে বজাবলৈ দিনটোৰ কষ্টশ্ৰম ব্যস্ততাৰ মাজতো এটাই মাথোন ৰাগিনী আলোকৰ মনত অনুৰণিত হৈ আছিল—তোড়ী। কিন্তু আনহাতে ৰাতিপুৱাৰে পৰা অৱচেতন মনত মুহুৰ্মুহুঃ বাজি আছিল ভৈৰৱী। ইপিনে তোড়ীৰ শুভ্ৰ আৰু নিৰ্ম্মল মূৰ্ত্তি ধ্যান কৰোঁতে লগে লগে আন এটা নীলোজ্জ্বল মূৰ্ত্তিও চকুৰ আগত ভাঁহি উঠিছিল সেয়া আছিল আসাৱৰী। শুভ্ৰ আৰু নীল বৰ্ণৰ মিলন ঘটাই আলোকে চেতাৰত আঙুলি বুলাই মৃদু কম্পন তুলিলে। মুহুৰ্ত্ততে দৰ্শকৰ গুন্‌গুননি শান্ত হৈ পৰিল।

চেতাৰৰ আলাপত লাহে লাহে প্ৰতিধ্বনিত হ'ল গম্ভীৰ অথচ কৰুণ মূৰ্চ্ছনা আৰু ই সকলোৰে মন তীব্ৰভাৱে স্পৰ্শ কৰিলে। গাম্ভীৰ্য্যত চপলতা আৰু হাঁহিত যেন কান্দোনৰ পৰশ। সুৰৰ এই প্ৰাণময়ী প্ৰকাশ আৰু ছন্দোময়ী গতিৰ যাদুকৰী প্ৰভাৱে সন্তৰ্পনে আৰু লাহে লাহে দৰ্শক শ্ৰোতাক লৈ গ'ল এখন অপাৰ্থিৱ জগতলৈ। ধ্যান মগ্নৰূপী আলোকে ভেতিয়া বোধকৰো দেখা পাইছিল এবাৰ সৌম্য মূৰ্ত্তিৰ গুৰুজীক আৰু এবাৰ পৱিত্ৰতাৰ প্ৰতীক মাতৃক। চকু মুদ খাই থোৱা আলোক যেন সেই সময়ত এই পাৰ্থিৱ জগতৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ গৈছিল।

....শেষ হোৱাৰ লগে লগে শ শ মুগ্ধ দৰ্শকৰ হাত চাপৰিয়ে তৎক্ষণাত আলোকৰ সম্বিত ঘুৰাই আনিলে। দৰ্শকৰ এনে মুক্ত আৰু উচ্চ প্ৰশংসাত আলোক লাজত মুহ্যমান হৈ পৰিল। হাত যোৰ কৰি লৰালৰিকৈ তেওঁ ভিতৰলৈ গুচি গ'ল।

আলোক নিজেও আজি কম সন্তুষ্ট—কম তৃপ্ত হোৱা নাই। দৰ্শকৰ আগত এনে পৰিবেশত চেতাৰ বজাই তেওঁ কোনো দিনাই ইমান আনন্দ পোৱা নাছিল। গুৰুজীয়ে দিয়া শিক্ষাৰ সাৰ্থকতা আজিহে আলোকে প্ৰথম অনুভৱ কৰিলে। গুৰুজীলৈ অজানিতে মূৰটো দোঁ খাই গ'ল। 'গুৰুজী! তোমাৰ স্মৃতি তৰ্পণৰ কাৰণে বিলাসখাঁনী তোড়ীৰ বাহিৰে কোনো ৰাগেই মোৰ মনলৈ অহা নাছিল। কিবা যদি অপৰাধ হৈছে ক্ষমা কৰিবা। ৰাইজৰ এই প্ৰশংসা তোমাৰেই আশীৰ্ব্বাদ।'

....তেনেতে পোনাদাৰ গৌৰৱত গৌৰৱান্বিতা নিৰুয়ে ইমান দিনে মন আৰু শৰীৰত লৈ ফুৰা জড়তা আৰু ভয় দলিয়াই আলোকৰ ওচৰলৈ লচ্‌পচ্‌কৈ আহি ক'লে "পোনাদা। মানুহে যে ইমান ভাল পাইছে। ....মাইঁত যাবলৈ ওলাইছে। তুমি এতিয়া নোযোৱানেকি মায়ে সুধিছে........"

ভনীয়েকৰ পিঠিত থপৰিয়াই আলোকে স্নেহেৰে ক'লে—"মোৰ যোৱা পলম হব অ' নিৰু"। ....তইঁত যাগৈ। যাব পাৰিবি নহয়? ভয় কৰিবিনেকি আৰু'?

তাই তপৰাই ক'লে—ভয় আৰু' কিহৰ? অকল মই আৰু মায়েই নহয়। মামী আৰু ললিবাও আহিছে। ........আমি যাওঁ তেনেহলে পোনাদা।" আনন্দ আৰু ব্যস্ততাত মুগাৰ মেখেলা-চাদৰ যোৰ খমখমাই নিৰু ওলাই গ'ল। মেট্ৰিক পাচ কৰাৰ পিচৰ পৰা নিৰুয়ে যেন বহুত কথাই জনা হ'ল। যেন বহুত সজাগ, বহুত সতৰ্ক অথচ চপলা।

....পিচদিনা ৰাতিপুৱা সাত বজালৈ শোৱাৰ পিচতো আলোকৰ

চকুকিটা পূৰি থাকিল। ভাগ্যে দিনটো আছিল দেওবাৰ। সেইদিনাৰ দেওবাৰটো আছিল বৰ ফৰকাল, আলোকৰ মনটোও বেচ প্ৰফুল্ল হৈ আছিল। ....গুনগুনাই গুনগুনাই চাহ খাবলৈ যাওঁতে চকুত পৰিল—ডাইনিং টেবুলৰ চাৰিওকাষে বহি আছে মাহীমাক, নিৰু, নিৰুৰ মামীয়েক আৰু এজনী ছোৱালী। বোধকৰো তেঁৱেই ললি। ইতস্ততঃ কৰা আলোকক দেখি প্ৰথমতে মামীয়েকেই মাতিলে— "আহা! লাজ কৰিবলৈ একো নাই। তোমালৈ চাহ জলপান মাহীয়েৰে সজাইয়ে থৈছে।....মাহীয়েকেও লগে লগে ক'লে— "সেইজনী দেখোন ঘৰৰে ছোৱালী। লাজ কৰিবলৈ কিটো আছে। বহ চাহখিনি বাকি আনো। "তেতিয়া মামীয়েকৰ জীয়েক ললিয়ে তললৈ মুৰ কাৰি আছিল।

আলোকে আগতে ললিক দেখা নাছিল। কিন্তু নিৰুৰ মুখত তাইৰ ললিবাৰ কথা ইমান বেছি শুনিছে যে ছোৱালীজনীৰ শৰীৰ আৰু মনৰ বিষয়ে এটা স্পষ্ট ধাৰনা তেওঁৰ মনত গঢ়ি উঠিছিল। ললিক নেদেখাকৈয়ে আলোকে কল্পনা কৰি লৈছিল ছোৱালী জনী ধক্‌ধক্‌কৈ বগা নহলেও ক'লাৰ শাৰীত নপৰে। চকুকিটা চঞ্চল আৰু কম কথা কোৱা ধৰনৰ হব। এতিয়া ললিক দেখি চঞ্চল প্ৰকৃতিৰ যেন নেলাগিল। মুখখন জোঙা, চকুকিটা বেচ ক'লা কিন্তু অলপ দ, দেহাটো লাহি—বৰ ওখ নহয়। ধুনীয়া ছোৱালা বুলি কব পাৰি। বিনম্ৰ চকুৰে তেওঁ আলোকলৈ কেৰাহিকৈ চাই থিয় হৈ দিলে। আলোকো কিছু আড়ষ্ট হ'ল।

কেইদিনমানৰ ভিতৰতে আলোকৰ ওচৰত আকৌ সাহস পোৱা নিৰুয়ে তপ্‌তপাই ক'লে—"ললি বা। কালি ষ্টেজতহে দেখিছিলা। আজি চাই লোৱা আমাৰ পোনাদাক" ললিয়ে দীঘল আঙুলি কিটাৰে হাত দুখন লগ লগাই নমস্কাৰ কৰিলে। আলোকেও হাত দাঙিলে। ললিৰ এই লাজকুৰীয়া ভাৱটো আলোকৰ বেচ্ ভাল লাগি গ'ল।

মাহীমাকে চাহ জলপান আনি আলোকৰ সমুখত থলে—।
মামীয়েকে ক'লে—"খোৱা।"

"আপোনালোকে খালে জানো?"

"আমি কেতিয়াবাই খালো। তোমাৰ শুই উঠা দেৰি হ'ব বুলি ভাবি আমি তোমালৈ ৰব'লো।

"ভালেই কৰিলে।....কালি ৰাতি তাৰ পৰা আহোঁতে ৰাতি এটাই বাজিল। শুই উঠোতে সেই কাৰণে....।"

সহানুভূতিৰে মামীয়েকে ক'লে -"হবতোন। তোমাৰ ওপৰতেই মিউজিক স্কুলখনৰ সকলো দায়িত্ব .... ইমান ভাল সঙ্গীত স্কুল এখন তুমি চলাইছা, দেখি শুনিয়েই ভাল লাগিছে। এনেকুৱা এটা অনুষ্ঠান পোৱা হ'লে আমাৰ ললিয়ে বহুখিনি শিকিব পাৰিলে -হেঁতেন। তাইৰো এই বিলাকত বৰ ৰাপ। এসময়ত,—আজি কেই বছৰ মানৰ আগলৈকে তাই ভাল নাচিছিল। তোমালোকৰ ইয়াৰ নিচিনা চৰ্চ্চা থকা হ'লে তাই নাম কৰিবই পাৰিলেহেঁতেন কিজানি....

তেনেতে বিৰক্ত হৈ ললিয়ে বাধা দি কৈ উঠিল "হৈছে মা, কিমান নো মোৰ কথা কৈ থাকা? তেখেতে বা কি ভাবিছে।"

"নাই নাই কওক না। মই আক কি ভাবিম?"

ইমান সময় তামোল এখন মুখত ভৰাই চাদাই চুনে পাগ্ লগাই মাহীয়েকে ক'লে—"তই যে ইমান ভাল বজাৱ, কালিহে গম পালো পাই........"

কি শুনিছে আলোকে! ভূতৰ মুখত ৰাম নাম। ভুল শুনা নাই তো? মাহীয়েকৰ মুখৰ পৰা কোনোৱা দিনা চেতাৰৰ প্ৰশংসা শুনিব বুলি আলোকে কেতিয়াও ভবা নাছিল। বিস্ময়ৰ দৃষ্টিৰে আলোকে মহীয়েকলৈ চালে। মহীয়েকে আন্তৰিকভাবেই প্ৰশংসা কৰিছে যেন লাগিল—।

নিকয়ে তেনেতে মাত লগালে—"জানা ললি বা, পোনাদাই নিজে বজাওঁতে ইমান সুন্দৰকৈ বজায়। কিন্তু স্কুলত শিকাওঁতে

কোনোবাই কিবা এটা নোৱাৰিলে ঠাট্টা কৰি অৱস্থা কাহিল কৰি দিয়ে বোলে। হয় নেকি পোমাদা ?....সকলোৱে হাঁহিলে—। ললিয়েও খিল্‌খিল্‌কৈ হাঁহিলে।

চটুল ভনীয়েকৰ কথাখিনিত আলোকে হাঁহি হাঁহি তাইৰ বেণী ডালত ধৰি টানি দিলে—"কোনে ক'লে অ' তোক এইবোৰ কথা পাগলী ? মাচৰ ক্লাচত গৈ এইবোৰ কথাকে শুনিবলৈ যাব হবলা ! ৰ, তোক স্কুল এক্‌ৱাম...."

কপট খঙত নিৰুয়ে চিঞৰি দিলে—"দুখ পাইছো উস্—। এৰি দিয়া না। মা, চোৱাচোন—।"

হাঁহি হাঁহি আলোক নিজৰ কোঠালৈ গুচি আহিল। ঘৰ খনত সদায় বিৰাজ কৰি থকা গম্ভীৰতা যেন ললি আৰু মাকৰ আগমনত কেনিবাদি নাইকিয়া হৈ গ'ল। সকলোৰে মন বোৰ যেন ফৰকাল আৰু মুকলি। গুৰুজীৰ স্মৃতি সভা, চেতাৰ আৰু ললি, মাহীয়েক, মামী আৰু নিৰু, নিৰু আৰু ললি।

....আগফালৰ ফুলনি খনত এইবাৰ ভগৰ ফুল বোৰ বেচ ৰমক্‌জমককৈ ফুলিছে। যোৱাবাৰ ইমানকৈ ফুলিছিল যদিও আলোকে বোধকৰো মন কৰা নাছিল। এইবাৰহে চকুত পৰিল। অকল চকু থাকিলেই নহয়, মনো থাকিব লাগে—তেহে সুন্দৰ বস্তুবোৰ চকুত পৰে।

ভগৰৰ উগ্ৰ গোন্ধটোত এটা শিহৰণৰভাৱ আছে। বিঙা বিঙা লগা মনটো ভাল লগাবলৈ চেতাৰৰ আলাপ আৰু ফুলৰ সুবাস—এই দুয়োটাৰ নিচিনা একো বস্তু নাই হেনো। কোনোবাই এদিন এই কথাষাৰ কৈছিল।

ভগৰ ফুল আৰু ধূপৰ গোন্ধ একেলগে কেনে লাগিব বাৰু ? নিশ্চয় নতুন আৰু ভাল গোন্ধ এটাৰ সৃষ্টি হব।....কিন্তু ধূপক আলোকৰ বেচি ভাল লাগে গোন্ধটোৰ কাৰনে নহয় জীৱনটোৰ কাৰনে। নিজৰ গোন্ধ লোকক বিলাই আনন্দ দিয়াটোৱেই ইয়াৰ

কাম। কিন্তু ধূপৰ কৰুন পৰিনতি—ই পুৱি শেষ হৈ যোৱাৰ পিচত কোনেও ইয়াক মনত নেৰাখে। ধূপৰ তুলনাত তগৰ বহুত সুখী। লেবেলি যোৱা ম'বহা পাপৰিবোৰ অন্ততঃ বৈ যায়।

আলোকে ফুলনি খনলৈ গৈ বাছি বাছি দুটা তগৰৰ ঠাল ছিঙি আনিলে। সজীৱ আৰু কোমল। টেবুলত সজাই থোৱাৰ লগে লগে তাৰ সুবাস গোটেই কোঠাটোত বিয়পি পৰিল। তাৰ কাষতে ধূপ দুডাল মাজে জ্বলাই দিলে। আলোকে দীঘলকৈ এটা উশাহ টানিলে। তগৰ আৰু ধূপৰ সংমিশ্ৰনত যেন এটা নতুন গোন্ধ।

"পোনা দা!" দুৱাৰ মুখত নিকয়ে চিঞ্ঁৰিলে। লগত ললিও আহিছে। মুখত এটা লাজকুৰীয়া ভাৱ। ব্যস্ত হৈ আলোকে ক'লে —"আহ নিৰু।...."

"ললিবাক নেমাতানেকি পোনাদা?"

"কেলেই নেমাতিম? মাতিছো দুয়োকে—"

ললি আৰু নিৰু দুয়ো আহি আলোকৰ বিচনা খনত বহিল। ললিৰ মুখ খন শান্ত আৰু লাৱণ্যভৰা। গা ধোৱাৰ পিচত চুলি কোচা মেলি থোৱাৰ কাৰণে বোধকৰো বেছি ভাল লাগিছিল।

ললিয়েই প্ৰথমতে নীৰৱতা ভঙ্গ কৰিলে—"পূজা কৰিছিলনেকি? ধূপৰ গোন্ধত কোঠাটো আমোল মোলাই আছে। সেয়া ফুলো দেখিছো....!"

আলোকৰ লাজ লাগিল—"নাই, নাই, পূজা কৰা নাই। এনেয়েহে ধূপ জ্বলাই দিছো। কাষত তগৰৰ ফুলখিনিও দি চাইছো, কাৰ গোন্ধ উগ্ৰ।....

ললিয়ে হাঁহি দিলে—"আপোনালোক শিল্পী মনুহ। কি অৰ্থত কি কথা কয় ...."

থতমত্ খাই আলোকে ক'লে—"শিল্পী অকল মেয়েই নহওঁ। আৰু তগৰ আৰু ধূপৰ গোন্ধত কাৰ উগ্ৰতা বেচি সেইটো' চাবলৈ শিল্পী হোৱাৰ প্ৰয়োজন আছে জানো?"

লজ্জা-নম্র স্বৰত ললিয়ে ক'লে—"মই কিন্তু শিল্পী নহওঁ দেই। মোক লাজ নিদিব—"

আলোকৰ জড়তা লাহে লাহে আঁতৰি গৈছে।

"সেয়া মই জানো আৰু শুনিছো। নিকয়েও ললিবাৰ কথা কৈয়েই ভৎ নেপায়। ললিবাই বোলে মনিপুৰী নাচ ইমান ভাল নাচে—ভাৰত-নাট্যমো বোলে শিকিছিল—"

ললিয়ে ছোৱালী সুলভ লজ্জাৰে চিঞৰি উঠিল—" ইমান মিছাকৈ এই নিকজনীয়ে ক'ব পাৰে।...এইৰ কথা বিশ্বাস নকৰিব।

"বিনয়ী হোৱাটো হেনো শিল্পীৰ এটা প্ৰধান চাৰিত্ৰিক বৈশিষ্ট্য। ....শিল্পীক চিনি পোৱাৰ সামান্য দৃষ্টি এটা মোৰো আছে। আপোনাৰ হাত আঙুলি, চকু-মুখ সকলোবোৰ এগৰাকী শিল্পীৰ—"

লাজত ললিয়ে তললৈ মুৰ কৰি দিলে প্ৰথম দিনাই ইমান খোলা খুলিকৈ কৰা প্ৰশংসাত ললি বৰ লজ্জিত হ'ল।

তেনেতে এই অস্বস্তিকৰ পৰিস্থিতিটোত নিকয়ে চিঞৰি উঠিল— "এ পাই, পোনাদাই ললিবাক আপুনি বুলি কৈছে....কি আচৰিত।"

লগে লগে আলোকে কৈ উঠিল—"আচৰিত' হবলগীয়া কিটো আছে। আপুনি বুলি নেমাতি কি বুলি মাতিম? কলেজত বি, এ পঢ়া ছোৱালী।....

ললিয়ে তপৰাই ক'লে—"নহয় আপুনি মোক তুমি বুলিয়ে মাতিব। আপুনি বুলি মাতিলে বেচিহে লাজ পাম।...."

ললিক আপুনি বুলি মাতি আলোকেও কম অস্বস্তি পোৱা নাছিল। মনটো বেচ মুকলি লাগিল—"ঠিক আছে,....ভালেই হ'ল।"

ললিযো জড়তা বহুখিনি নাইকিয়া হ'ল —। আলোকৰ ওচৰত সহজ আৰু সৰল হ'বলৈ আপ্ৰাণ চেষ্টা কৰি ক'লে—'তথাপিও দাদা, আপুনি মোক শিল্পী বুলি কৈ লাজ নিদিব। শিল্পী কয় আপোনা-

লোকক বিশেষকৈ আপোনাক।—যি সঙ্গীতক জীৱনৰ সাধনা বুলি ধৰিলৈছে...."

"বাঃ তোৰ ললিতাই বঢ়িয়া কথা কৈছে নহয় নিক ?...ক'ত শিকিলা ?"

"ক'তো শিকা নাই। আপোনাৰ কথা মই সকলোবোৰ শুনিছোহে। "আৰৌ ললিয়ে ক'লে—"আপোনাক অভিনন্দন জনাবলৈহে আহিছিলো সেই কথা তলেই পৰিল। কালি আপুনি বৰ ভাল বজাইছিল। ৰাগ ৰাগিনীৰ কথা বুজি নেপালেও শুনি কিন্তু বৰ ভাল লাগিছিল। আপোনাৰ চেতাৰ শুনাৰ সৌভাগ্য কালিহে ঘটিল।"

এইবাৰ আলোকে মাতিলে "শিল্পীয়ে হেনো কাৰো প্ৰশংসা-বাণী শুনিব নেপায়।....তোমাৰ অভিনন্দনৰ বাবে ধন্যবাদ জনাইছো। কালি মোৰো চেতাৰ বজাই খুব ভাল লাগিছিল।

আপোনালোকৰ সঙ্গীত বিদ্যালয়খন দেখিও মোৰ যে ইমান হিংসা লাগিছে।....ভালকৈ নাচ শিকিবলৈ মোৰ সৰুৰে পৰা খুব ইচ্ছা আছিল। আপোনালোকৰ স্কুলত থকা সুবিধাবোৰ পোৱা হ'লে কিবা অলপমান শিকিব পাৰিলোহেঁতেন কিজানি...."

আলোকে অনুভৱ কৰিলে ললিৰ এটা শিল্পী মন আছে—হাবিয়াস আছে—আন্তৰিকতা আছে। ....ইমান সময় তেওঁ ললিক অহঙ্কাৰী বুলি ভাবি আছিল। কিন্তু এতিয়া ললিক বেচি সহজ আৰু নিৰহঙ্কাৰী যেন লাগিছে।........মানুহক নেদেখিলে বা কথা নেপাতিলে মনত কিম'ন ভুল ধাৰণা বৈ যায়, আলোকে যেন এতিয়াহে অনুভৱ কৰিলে।

হঠাৎ আলোকে কৈ পেলালে—"আমাৰ স্কুলতে নাচৰ ক্লাচত নাম লগাই লোৱা। আগতে নাচিছিলাই যেতিয়া সোনকালেই তুমি পাৰিবা। কোনে জানে, ইয়াত থাকিলে কিজানি তোমৰ সপোন বাস্তৱত পৰিণত হয়েই...."

"মানে? কি সপোন?"

"মাদ্ৰাজৰ কলাক্ষেত্ৰমলৈ যোৱাৰ সপোন। মই নিজৰ মুখত সকলো শুনিছো। তালৈ যাবলৈ স্কলাৰাশ্বিপৰ কাৰণে এবাৰ বোলে চিলঙলৈ গৈ চেষ্টাও চলাইছিলা কিন্তু নহল—নহয় জানো?

ললিৰ অন্তৰখন কঁপি উঠিল। এই নিজ জনীয়ে চিলঙলৈ যোৱাৰ কথাও কৈছে। আৰু বা কি কৈছে? ভাগ্যে, তাই সিমানবোৰ কথা নেজানে।

শান্ত হবলৈ চেষ্টা কৰি ললিয়ে ক'লে—"পৰা হ'লে নিশ্চয় শিকিলোহেঁতেন। কিন্তু অহা বাৰলৈ আকৌ বি, এ, টো দিম বুলি ভাবিছো........মই বি, এ, পৰীক্ষা নিদিয়াটোও নিশ্চয় শুনিছে।"

আলোকে হাঁহি দিলে। ললিয়ে কথা ক'ব জানে। এই উজ্জ্বল বাত্তিপুৱাটোত ললিৰ লগত কথা পাতি খুব ভাল লাগিছে।....নিজয়ে টেবুল ক্লথৰ ওপৰত পৰা ধূপৰ ছাঁই বিলাক জাৰি জোকাৰি এপাহ তগৰ তাইৰ বেণীত গুজি ল'লে।

আলোকে সুধিলে—"আজি থাকিবা নহয়?"

ললিয়ে উত্তৰ নৌ দিওঁতেই নিজয়ে তেপেচ্‌কৈ মাত দিলে—" ক'ত থাকিব? ভাত খায়েই যাবগৈ বোলে।"

আলোকে ক'লে—"থকা হ'লে ভাল পালোহেঁতেন। অৱশ্যে ঘৰত যদি বিশেষ কোনো কাম নাই। তাতে আজি দেওবাৰ—।" মনৰ বাসনা অলপ বেচিকৈ প্ৰকাশ হ'ল বুলি ভাবি আলোকৰ অলপ লাজ লাগিল।

নিজয়ে চকু কিটা মচুৰাই এটা দুষ্টালি হাঁহিৰে ক'লে--"তুমি যদি পোনাদা, দুটা কথাত ৰাজী হোৱা, মই ললিবাক ৰাখিব পাৰিম। মামী যাওক বাৰু, অকলে যাব পাৰিব।"

"কি কথা?"

"তুমি আজি আমাক চিনেমা দেখুৱাব লাগিব আৰু দুই মঘৰ

কথাটো হ'ল তুমি কাইলৈ ললিতাক ঘৰত থৈ আহিব লাগিব। পাৰিবা ?'

ইমান অভিভাৱকত্বৰ সুৰত কথা কবলৈ এই ছোৱালী জনীয়ে কৰপৰা সাহস পালে ! কিন্তু তাতোকৈ আচৰিত আলোকৰ নিজৰেই আচৰণ।

অলাগতীয়াল কামত কেতিয়াও নথকা আৰু খুব কম চিনেমা চোৱা গহীন গম্ভীৰ সংস্কৃত অধ্যাপক আলোকে নিকৰ প্ৰস্তাৱত তৎক্ষণাত ৰাজী হৈ গ'ল…। এবেলাতে আলোক ইমান আধুনিক হৈ গ'লনে ?. তেওঁ ক'লে—

"সেইটোনো কি ডাঙৰ কথা'…চাবি বাৰু।"

আৰু দুই নম্বৰটো ? … …

"থৈ আহিব লাগে যদি থৈ আহিম বাৰু। সেইটোও একো ডাঙৰ কাম নহয়… "

নিৰু নিজেও আজি কম আচৰিত হোৱা নাই। পোনাদা যে ইমান ভাল মানুহ নিকয়ে আজিহে গম পালে।

ককায়েক—ভনীয়েকৰ কথাৰ মাজত ললিয়ে ক'লে—"নেলাগে দাদা, চিনেমা নেচাওঁ। মই আজিয়ে মাৰ লগত যাওঁ। মায়ে অকলে যাবলৈ দিগদাৰ পাব—।"

নিৰুয়ে ললিক টানি আজুৰি হাৰাশাস্তি কৰি দিলে—"সেইবোৰ নহব ললিবা। ইমান কষ্ট কৰি পোনাদাক ৰাজী কৰাইছো। তুমি বিধি পথালি নিদিবা।… মই মাইঁতক কওঁগৈ ৰবা।"—আনন্দৰ উৎফুল্লতাত নিৰু লৰমাৰি ওলাই যাব খুজিলে। ললিও থিয় হৈ ক'লে মইও আহিছো বাৰু !"

মনটো অকাৰণতে ভাল লাগি যোৱা আৰু বহুতদিনৰ মূৰত মনত এটা পুলকতা অনুভব কৰা আলোকে ক'লে—"মই কেতিয়াও চিনেমা নোচোৱা মানুহটোৱে যেতিয়া তোমালোকক চিনেমা দেখুৱাম বুলি কৈছো, তুমি কিন্তু যবলৈ শুচি নেযাবা…"

এটা মিচিকিয়া হাঁহিৰে ললি ওলাই গ'ল।

আলোকে আকৌ খিৰিকীৰে বাহিৰলৈ চাই পঠিয়ালে। আকাশত এচপৰাও মেঘ নাই। বহুত ওপৰত অকলশৰীয়াকৈ এটা দুটা চিলনি উৰি ফুৰিছে।''''মুখেদি এটা গুন্‌গুনমি ওলাই আহিল। আকৌ সেই কালিৰ বিলাসখানী তোড়ীৰ-গুঞ্জন।''''তানচেনপুত্ৰ বিলাস খাঁনে যেতিয়া তোড়ীৰ লগত আসাৱৰীৰ মিলন ঘটাইছিল, তেতিয়া বাৰু তেওঁৰ চকুৰ আগত এনেকুৱা শাৰী পাতি থকা শুভ্ৰ তগৰ ফুল আৰু পৰিষ্কাৰ বহল নীলা আকাশ এখন আছিলনেকি! শুভ্ৰ তোড়ী আৰু নীলবৰ্ণা আসাৱৰী?''''টেবুলৰ ওপৰত থকা আৰু ফুল এপাহ তুলি লৈ নাকৰ ওচৰলৈ আনি আলোকে দীঘলকৈ উশাহ টানি তাৰ তীব্ৰ সুবাসৰ ঘ্ৰাণ ললে।

দুপৰীয়া বহুতদিনৰ মূৰত তৃপ্তিৰে ভাত কিটা খোৱাৰ পিচত আলোকে ভাবিছিল গোটেই দিনটো ললি আৰু নিকৰ লগত কথা পাতি কটাই দিব। কিন্তু ভাত খোৱাৰ পিচত ললিৰ বান্ধৱী এজনীৰ ওচৰলৈ দুয়ো ফুৰিবলৈ গ'ল। যোৱাৰ আগতে নিকুয়ে কৈ গ'ল—"সোনাদা।" তুমি অলপ শোৱা। আমি এই খিনিৰ পৰা আহিছো।

অলপ পিচতে তামোল এখোঁকোৱা মুখভৰে মাহীয়েকেও আলোকৰ দুৱাৰ মুখত বৈ সুধিলে "হয়নে সোনা। তই ইহঁতক বোলে আজি চিনেমা দেখুৱাবলৈ নিবি?"

"অ নিকুয়ে বৰ উৎপাত্ লগাইছে।"

"কৈছ যেতিয়া দেখুৱা বাৰু।''''''''নবৌ পিচে এতিয়াই যাবগৈ। মোকো দাদাই মাতিছে বোলে। ময়ো সেইকাৰণে নবৌৰ লগতে যাওঁ বুলিছো। ''''তই আৰু নিকয়ে কাইলৈ ললিক থবলৈ যাওঁতে মোক লৈ আহিব পাৰিবি?"

মামীয়েকো ওলালহি।

"তুমি ললিক কাইলৈ থৈ আহিবা বুলি নিকয়ে কোৱাত তাইক

থৈ গ'লো। তুমি থবাগৈ দেই। আমাৰ দুখীয়া ঘৰখনো চাই আহিবা। আমাৰ ঘৰখন তুমি দেখাই নাই নহয়?....

আলোকে একো নেমাতিলে। একে লগে যাবৰ কাৰণে মৰৌয়েক —মন্দেকে নো কেতিয়া আলোচনা কৰিলে—! আলোকে দুয়োৰে মুখলৈ একেথৰে এবাৰ চালে। মাহীয়েকৰ মুখত দাদাকৰ ঘৰলৈ যোৱাৰ উৎসাহ সুস্পষ্ট।

---

চিনেমা চাবলৈ যোৱাৰ বেচি উৎসাহ নিৰুৰ। দুপৰীয়া দুবি আহিয়ে ডাঙৰ আর্চীখনৰ আগত থিয় হৈ পিন্ মাৰি মাৰি নাইলনৰ নতুন শাৰীখন তাই বহুত সময় ধৰি পিন্ধিলে। হাত আৰু মুখত কেবাবাৰো প্রসাধন কৰিলে। ফৰ্‌ফৰীয়া চুলিখিনিত ধুনীয়াকৈ খোপ৷ এটা বান্ধিলে! নিৰুক সজায়ে তাই সন্তুষ্ট নহল। ললিবাৰো চুলি আঁচুৰি এটা ডাঙৰ খোপা বান্ধি দিলে। তাইৰ পাতল নীলা ৰঙৰ পাটৰ মেখেলা-চাদৰযোৰা পিন্ধিবলৈ দিলে। ললিৰো যে ভলে তলে চিনেমালৈ যোৱাৰ উৎসাহ কম নহয় নিৰুৱে জানে জানো? কৃত্রিম গাম্ভীর্য্যভাৱে মনৰ চঞ্চলতা ঢাকি ৰখাৰ কৌশল নিশ্চয় ললিয়ে নিৰুতকৈ বেচি জানে।

নিৰুৱে ললিৰ পিচফালটোত পৰা চাদৰৰ কোমা ঠিক কৰি দি কলে'—"ললিবা। এই কাপোৰ যোৰৰ সৈতে বগা পাথৰৰ মনিডালে যে তোমাক ইমান শুৱাইছে। মোৰ ডিঙিতহে ভাল নেদেখি।"··· মোক যে একো বস্তুৱেই সুশুৱায় পাই। তোমাৰ নিচিনা বগা, ধুনিয়া কেনেই নহলো জানো! সঁচাকৈ খং উঠি যায়—

নিৰুৰ কথাত ললিয়ে হাঁহি দিলে আৰু ভনীয়েকলৈ মৰমেৰে চালে। নিৰুৱে ঠিকেই কৈছে। ললিৰ গাত যেই কোনো কাপোৰেই শুৱায়।

বগা চিলম্ কিগাবৰ ছোৱালী বুলি এসময়ত ললিৰ কম গর্ব-বোধ নাছিল। নাচ জনা গুণটোৱেও তেওঁক বেচি অহঙ্কাৰী কৰি তুলিছিল। অৱশ্যে অহঙ্কাৰী হবলৈ মাকেও সহায় কৰিছিল যথেষ্ট। কিন্তু অহঙ্কাৰৰ উচ্চ শিখৰৰ পৰা খহি পৰিবলৈও বেচি পৰ নেলাগিল। প্রচণ্ডভাৱে ললি প্রৱঞ্চিত হ'ল—দুৰাশাৰ স্বপ্নত তেওঁৰ মন আৰু শৰীৰ কলঙ্কিত হ'ল। কিন্তু ললিৰ এই বিপর্য্যয়ৰ উৎস আছিল ক'ত? তেওঁৰ ৰূপ লাৱণ্য আৰু নৃত্যচর্চ্চা যদি কোনোবা এজনে প্রশংসা নকৰিলেহেঁতেন তেন্তে তেওঁৰ মনটো অহঙ্কাৰেৰে পূর্ণ হলহেঁতেন নে? দুৰাকাংক্ষাৰ সপোন দেখি নিজক কাৰোবাক বিলাই দিয়াৰ বাসনা জাগিলহেঁতেন নে?

...ডাঙৰ আৰ্চী খনৰ আগত থিয় হৈ চাদৰ খনৰ আগফালৰ কোচ্‌টো ঠিক কৰি ললিয়ে কেৰাহিকৈ নিজৰ বাইচ্‌বছৰীয়া যৌৱনৰ প্ৰতিবিম্বটো চাই বহুত দিনৰ মূৰত আকৌ এবাৰ মিচিকৈ হাঁহিলে। আলোক বৰুৱা কেনেকুৱা মানুহ বাৰু? শিল্পী মানুহ সন্দেহ নাই; অনভিজ্ঞ মনৰ চঞ্চলতা থিনি বেচ আকৰ্ষণীয়। কথা-বোৰ শুনি ভাল লাগে। কিন্তু তগৰ আৰু ধূপৰ সেই অসংলগ্ন কথাবোৰৰ অৰ্থ কি?

তেনেতে বাৰাণ্ডাৰ পৰা আলোকে চিঞৰিলে— "হ'ল নে নাই অ' নিৰু তইঁতৰ?"

অলপ পিচতে ভিতৰৰ পৰা লচ্‌পচ্‌কৈ নিৰু ওলাই আহিল। ললিও এটা লাজকুৰীয়া হাঁহিৰে পিচে পিচে আহিল। মুগ্ধ নেত্ৰে আলোকে ললিলৈ চালে। ললি সঁচাকৈয়ে ধুনীয়া ছোৱালী। ভালকৈ কাপোৰ কানি পিন্ধিলে বেচি ধুনীয়া দেখি। পৰম কৌতুহলেৰে ললিৰ লাহি দেহা কোমল মুখখন আৰু কলা চকুযুৰিলৈ তেওঁ চাই পঠিয়ালে।

চঞ্চলা নিৰুয়ে কৈ উঠিল—"কি হ'ল ব'লা আৰু'। দেৰী হৈছে বুলি অথনিৰে পৰা চিঞৰি আছা, আৰু এতিয়া তুমিহে ৰ লাগি ললি বালৈ চাবলৈ ধৰিলা। মোহ গ'লানেকি?........"

'ধেৎ' বুলি লাজ পাই আলোকে মুখখন ঘুৰাই দিলে। এই নিৰুজনীৰ মুখৰ লাগ-বান্ধ একেবাৰে নোহোৱা হ'ল। লাজ, ভয় আৰু শঙ্কা একো নাই। ললিয়ে কি ভাবিছে বাৰু।

তগৰ কিজোপাৰ কাষ পাওঁতে নিৰুয়ে দুপাহ তগৰ ছিঙি আনি এপাহ ললিক দিলে। দুয়ো খোপাত গুজি ললে। খোপাত তগৰৰ সৈতে ললিক বৰ মোহনীয় লাগিছে। তেওঁৰ মুখখনত লাজ আৰু ত্ৰস্ততাৰ ভাব........খোপাত তগৰ ফুল বেচ্‌ শুৱায় আটাইতকৈ বেছি শুৱায় কপৌফুল। এজনী ধুনীয়া ছোৱালীৰ চুলিৰ সুবাসৰ লগত তগৰ ফুলৰ গোন্ধ কেনেকুৱা লাগে বাৰু?

হঠাৎ ললিয়ে প্ৰশ্ন কৰিলে—"একেবাৰে মনে মনে আহি আছে দেখোন, কিবা ভাবিছে নেকি ?"

"নাই—নাই—একো ভবানাই।"

"আমাক চিনেমা দেখুৱাব লগীয়াহোৱাত আপোনাৰ নিশ্চয় বহুত সময় ক্ষতি হৈছে। তাৰবাবে পেটে পেটে ছাগে আপোনাৰ খুব খং উঠিছে নহয় ?"

"উঁহো—তাৰবাবে ভালহে লাগিছে।"

"আপোনাৰ কাৰনে এইটো ডাঙৰ অনিয়ম নহয় জানো ?"

"হঠাৎ কোনোবা দিনা অনিয়ম কাম এটা কৰি খুব ভাল লাগে, নহয় জানো ?"

"আপোনাৰ কথাবোৰৰ উত্তৰ দিয়া বৰ টান। আপোনাৰ কথাবোৰত বহুত ধৰনৰ অৰ্থ থাকিব পাৰে বুলি সন্দেহ হৈ যায়।.... অথনি যে কৈছিল ধূপ আৰু ভগৰৰ কথা। কি অৰ্থত কৈছিল মই এতিয়াও ধৰিব পৰানাই—"

ধূপ আৰু ভগৰ একেবাৰে সাধাৰণ কথা ইয়াতনো কি বহুত অৰ্থ সোমাই থাকিব পাৰে, মই নেজানো। অথনি কিন্তু তুমি এই বিষয়ে একো নেমাতিলা, মনত আছে নহয় ?'

"মইনো কি মাতিম ? আৰু সেই বিষয়ে জানো বা কি ?....... ঠিক আছে, এদিন বাৰু অকলে অকলে পৰীক্ষা কৰি চাম কাৰ গোন্ধ বেচি। তাৰ পিচত আপোনাক ক'ম—"

"ময়ো সেই দিনটোলৈ আগ্ৰহেৰে বাট চাই থাকিম।"........প্ৰথম চিনাকি হোৱা ছোৱালীজনীৰ লগত প্ৰথম দিনাই চিনেমা চাবলগীয়া হোৱাত আলোকৰ অস্বস্তি ভাৱ কাটি যোৱা নাছিল। চিনেমাখন চায়ো ভাল লগা নাই। হিন্দী চিনেমাত থকা চিঞৰ বাখৰ, মাৰ পিট আৰু হোৱাই নোহোৱাই ব'তে ত'তে গান গোৱাটো সঁচাকৈয়ে আমনিদায়ক। কিন্তু অন্ধকাৰত ললিৰ কাষত বহি চিনেমা চোৱাৰ এটা মাদকতা বাৰে বাৰে অনুভৱ কৰিছিল আলোকে। এবাৰ

যে দুবাৰ ললিৰ হাতখন আলোকৰ হাতত লাগিগৈছিল। অপৰাধীৰ দৰে আলোকে হাতখন আঁতৰাই নিছিল, যদিও মনে মনে কম ৰোমাঞ্চিত হোৱা নাছিল। বাৰে বাৰে কামনা কৰিছিল ললিৰ হাতৰ অন্যমনস্ক পৰশ।······কিন্তু আলোক সাৱধান হৈ ৰহিল। কি ঠিকনা, এনেকৈ বাৰে বাৰে হাত লাগি যোৱাটোত ললিয়ে আলোকক অভদ্ৰ বুলিও ভাবি লব পাৰে। ইণ্টাৰভেলৰ সময়ত লাইট্ জ্বলাত ললিয়ে মিচিকিয়া হাঁহি এটাৰে ক'লে—"আপোনাৰ নিশ্চয় ভাল লগা নাই।" আলোকে একো নেমাতিলে, মাত্ৰ হাঁহিলে। নিজৰ ভাবত মগ্ন হৈ থকা নিৰুয়ে ক'লে—"পোনাদা! বাদাম আহিলে লবাচোন দেই।"

শেষ হোৱাৰ পিচত ঘৰলৈ ঘুৰি আহোতে বাটত আলোকে সুধিলে—"কেনেকুৱা পালা চিনেমা খন চাই?"

সহজভাৱে লগে লগে ললিয়ে উত্তৰ দিলে—"হিন্দী চিনেমা চাই যেনেকুৱা লাগে। এতিয়া অনায়াসে পাহৰি যাব পাৰি।"

"ধুনীয়া উত্তৰ দিছা!······নিৰু, তই একা? এতিয়া তই পিচে চিনেমাখন পাহৰি যাব পাৰিবি নে নোৱাৰ?"

"বুজা নাই পাই। তুমি যে কি কথাবোৰ কোৱা।"

"বুজা নাই? মানে নায়িকাজনীৰ ব্লাউজটোৰ কাটিং কেনেকুৱা, চুলিকোচা কেনেকৈ বান্ধিছে—সেইবোৰো পাহৰি যাবিনে?······

"দেখিছা ললিবা? পোনাদা ইমান আচৰিত। দেখাতহে নিবোকা, তলে তলে চৰলৈকে চকু—"

আলোক আৰু ললি দুয়ো হাঁহি দিলে। ললিয়ে ক'লে—" নিৰুয়ে ঠিকেই কৈছে। আপোনাৰ নিচিনা শিল্পী মানুহ এজনে চিনেমাৰ নায়িকাৰ চুলি, খোপা, ব্লাউজ—এইবোৰলৈ চকু দিলে আচৰিত যেন লাগে—"

"ময়ো যে এটা মানুহ সেইটো পাহৰি গ'লে কেনেকৈ হব? মতামানুহে ছোৱালীৰ চুলি, খোপা, বেণীৰ প্ৰতি চকু দিয়াটোও

অপৰাধৰ কথা বুলি মই নেজানিছিলো।"……"ছোৱালীয়ে যে খোপা বা বেণীত ফুল গুজে, বোধকৰো নিজৰ কাৰণে নহয়। লোকৰ কাৰণেহে আৰু তাকো নিশ্চয় পুৰুষৰ কাৰণে। মোৰ ধাৰণা ভুল হৈছেনেকি বাৰু ?

ললিয়ে লাজ মিহলি হাঁহিৰে কলে—"আপুনি বৰ আচৰিত মানুহ। আপোনাৰ লগত—নোৱাৰি দেই। মই চিনেমাৰ নায়িকাৰ চুলি আৰু খোপাৰ কথাহে কৈছিলো—"

"আৰু মই ক'লো সকলো নাৰীৰ চুলি আৰু খোপাৰ কথা, নহয় জানো ?……এটা কথা কি জানা ? চিনেমাত ওলোৱা নায়িকাৰ চুলি, খোপা আৰু সাজ সজ্জা অকনো ভয়-ভীত নোহোৱাকৈ নিশঙ্ক-চিত্তে চাব পাৰি। বৰং দৰ্শকে চাবৰ কাৰণেই সেই চুলি, চকু, নাক, মুখ আনকি গোটেই শৰী ৰটোৱেই……… ।"

বাধা দি ললিয়ে চিঞৰি উঠিল—"হৈছে হৈছে। মোৰ পৰাজয় হৈছে। আপোনাৰ লগত নোৱাৰো। আপোনাৰ লগত যিমানেই কথা কৈছো সিমানেই আচৰিত হৈছো……… ।"

….থানেশ্বৰ কায়ে ভাত দিলে। মাহীদেউ আৰু মামী দুয়ো দুপৰীয়াতেই গ'ল। ….ভাত খাই আহি নিজৰ কোঠাত সোমোৱাৰ লগে লগে বন্ধ কোঠালীত অথনি থৈ যোৱা তগৰৰ গোন্ধটো নাকত লাগিল। খিৰিকীখন খুলি দিলে আলোকে। ফিৰফিৰিয়া বতাহ এজাকে গালে মুখে কোবাই থৈ গ'ল—ভাল লাগিল।

গোটেই দিনটো শুই বহিয়ে কটালে যদিও আলোকৰ মনলৈ কিন্তু অকনো আলস্যৰ বা গ্লানিৰ ভাৱ অহা নাই। গোটেই দিনটো আগুৰি আছিল ললিয়ে। ধুনীয়া গাভৰু ছোৱালীৰ সান্নিধ্যই মানুহক অনুপ্ৰেৰণা যোগায়। নীলা কপোৰ পিন্ধা বগা লাহি শৰীৰৰ ললি আৰু তেওঁৰ মুখৰ কথাবোৰ সুগুনা হ'লে আলোকে বোধকৰো এটা অজান প্ৰেৰণা অনুভৱ নকৰিলেহেঁতেন। আজি মিউজিক স্কুললৈও যাবলৈ নহ'ল।

বিলাসখানী তোড়ী আকৌ মনলৈ আহিল। মুখেদি আলোকৰ গুন্‌গুননি ওলাই পৰিল।

""চিনেমা খনও শেষৰ পিনে এবাৰ আলোকৰ অলপ সময়ৰ কাৰনে ভাল লাগিছিল। নায়িকাৰ ওচৰৰ পৰা নায়ক আঁতৰি যাওঁতে বেক্‌গ্ৰাউণ্ডত এবাৰ অলপ সময়ৰ কাৰনে চেতাৰ বাজিছিল, সেয়া আছিল আহিৰ ভৈঁৰো। আহিৰ ভৈঁৰোৰ কোমলতা চেতাৰৰ মাডৰ কম্পনত বৰ ভাল লাগে—সেই কোমলতা যেন বেচি স্পষ্ট আৰু প্ৰকট হৈ পৰে।""আলোকে চেতাৰ খন হাতত লৈ বহিল"" কিমান সময় আলোক আহিৰ ভৈঁৰোত মগ্ন হৈ আছিল নিজেই ধৰিব পৰা নাছিল। অন্তৰৰ স্পন্দনৰ লগত আহিৰ ভৈঁৰোৰ সুৰ এক হৈ পৰাত দিনটোৰ পুলকতা, শিহঁৰন আৰু উত্তেজনা উপশম হৈ পৰিছিল—মনটো হৈ পৰিছিল শান্ত।

""হঠাৎ দুৱাৰ মুখত ললিক বৈ থকা দেখি আলোকে চেতাৰ বজোৱা বন্ধ কৰিলে। ললিয়ে সোমাই আহিয়ে হাঁহি ক'লে—"বন্ধ নকৰিব। বজাওক শুনি বৰ ভাল লাগিছিল।"

"বহা, শোৱা নাছিলানেকি ?"

"শুইছিলো, টোপনি নাহিল !""টোপনি নহা দেখি আপোনাৰ চেতাৰ শুনিবলৈকে আহিলো বজাওক।" কাষৰ চকিখনত ললি বহিল।

"কম পাৱাৰ'ৰ নীলা বাল্বৰ পোহৰত আলোকে অনুভব কৰিলে ললিৰ চকুত স্বপ্নৰ আবেশ। পৃথিৱীৰ শ্ৰেষ্ঠ ভাস্কৰে যেন শ্বেত মৰ্ম্মৰৰ পৰা এটি মহাশ্বেতাৰ মূৰ্ত্তি কাটি উলিয়াই প্ৰাণ দিছে এক যৌৱনা নাৰীৰ দেহত ! ""কোনো এক ৰাগিনীৰ যেন মূৰ্ত্ত প্ৰকাশ।

চেতাৰৰ আলাপ শেষ হোৱাৰ লগে লগে স্বপ্নাৱিল চকুৰে ললিয়ে ক'লে—"বৰ ভাল লাগিল। কালি বজোৱাতকৈ মোৰ আজিহে বেচি ভাল লাগিছে। আপোনাৰ চেতাৰ মোৰ সদায় মনত থাকিব।

"ধন্যবাদ মোৰো এই দিনটো সদায় মনত থাকিব। তোমাৰ সন্মুখত চেতাৰ বজোৱাত বেচ্ সুখ আছে বুলি মধ্যো অনুভৱ কৰিলো।"

কেৰাহিকৈ আলোকলৈ চাই দাঁত কিটা কামুৰি ললিয়ে হাঁহিলে আৰু শুবৰ সময়ত গোঠা বেণী ডালৰ আগটো টানি আনি ক'লে —"শোওঁগৈ আৰু, ৰাতিও হল। আপুনিও শোৱক।" বেণীডালত আবেলিৰ তগৰ পাহ তেতিয়াও জ্বিলিকি আছিল।

লাইটৰ অস্পষ্ট পোহৰত ললিৰ এই কমনীয় ৰূপে আলোকৰ চকুত এটা নতুন মায়াজালৰ সৃষ্টি কৰিলে। বুকত এটা নতুন কঁপনি, নতুন শিহৰুন আৰু পুলকতা। নমতাকৈ থাকিব নোৱাৰিলে, দুৰু দুৰু অন্তৰেৰে ক'লে—"ৰবা।" খোজত মৃদু কঁপনি তুলি ওলাই যাব খোজা যৌৱনত্ৰস্তা ললিয়ে ৰৈ দিলে।

"কি হ'ল ?"

"শুনাচোন—

ললি আকৌ আলোকৰ ওচৰলৈ আহিল। আলোকৰ শৰীৰটোৰ পৰা মাত্ৰ এহাতমান দূৰত থিয় হৈ লাস্যময়ী ভঙ্গীৰে সুধিলে—"কি হ'ল সোনকালে কওক। মোৰ টোপনি ধৰিছে........।"

ইমান ওচৰত গাৰ কাষত থিয় হৈ দিয়াত আলোকৰ বুকুখন কঁপিবলৈ ধৰিলে। ইমানেই ওচৰত যে হাতখন মেলি দিলেই ললিৰ দেহাটো চুব পাৰি, আনকি টানিও আনিব পাৰি, কিন্তু........। উত্তেজনা ঢাকিবলৈ আপ্ৰান চেষ্টা কৰি আলোকে ক'লে—"নতুন ভাৱ এটা মনলৈ আহিছে, কি জানা ? তগৰ আৰু চুলিৰ সুবাস.... "

ললিয়ে ক'লা চকুকিটা মেলি আলোকলৈ চালে আৰু লগে লগে মিচিক্‌কৈ হাঁহিলে। একো নেমাতিলে। তেতিয়া ললিৰ চুলিৰ গোন্ধ আৰু তগৰৰ সুবাস একেলগেই আলোকে পাইছিল।

আলোকে আকৌ সুধিলে,—"আৰু এটা কথা। তোমাক ললি বুলিয়ে মাতি আছো। তোমাৰ আচল নাম কিন্তু এতিয়ালৈকে নেজানিলো।"

"হয়"—সেইটো কথা⋯⋯⋯ঘৰত মোক ললি বুলিয়ে মাতে। মোৰ আচল নাম ললিতা।"

ললিতা? বৰ ধুনীয়া নাম—"

"নামটো ধুনীয়া হয় নে নহয় নেজনো। মোৰ নাম কিন্তু সেইটোৱে ⋯⋯⋯মই যাওঁ দেই।

⋯⋯লগে লগে ললিতা ওলাই গ'ল। নামটো সোধাৰ কাৰণে ললিয়ে বেয়া পালে নেকি? ললি বিৰক্ত হ'ল নেকি?⋯⋯⋯

ললিতা নামটোৱে কিন্তু আলোকৰ অন্তৰত এটা আলোড়ন তুলি থৈ গ'ল। আজি গোটেই দিনটো আলোকে ভাবি আছিল কোনটো ৰাগিনীৰ লগত এই ছোৱালীজনীক তুলনা কৰিব পাৰি। এতিয়া ললিয়ে নিজৰ আচল নামটো কোৱাৰ লগে লগে এটাই মাত্র নাম মনলৈ আহিছে, সেয়ে হৈছে ৰাগিনী ললিত—ললিতা।

ৰাগিনী ললিতা এজনী গৌৰবৰ্ণা গাভৰু, নয়নযুৰি পদুম ফুলৰ নিচিনা আৰু কণ্ঠত শোভা পায় প্রস্ফুটিত ফুলৰ ধুনীয়া মালা। মিঠা আৰু কোমল মাত, তেওঁৰ পদ্ম চকুৰ আশে পাশে যেন ভোমোৰাৰ মধুৰ গুঞ্জন।

আনন্দৰ চঞ্চলভাত আলোকে আকৌ চেতাৰ খন হাতত তুলি ললে। ঋষভ আৰু পঞ্চম বৰ্জ্জন কৰি ললিতাৰ সন্ধানত আলোকে চেতাৰত মৃদু মৃদু ভাৱে আঙুলি বুলাবলৈ ধৰিলে⋯⋯⋯চেতাৰখন থৈ দিলে। মনটো বৰ অস্থিৰ লাগিল⋯ললিতাৰ পৰা যদি পঞ্চম আঁতৰি গুচি আহে আৰু সেই পঞ্চম যদি মাজৰাতি অস্থিৰ হৈ পৰে সামান্য মানুহ আলোকে তেওঁক সান্ত্বনা দিব কেনেকৈ? নিজৰ ওপৰত আলোকৰ খং উঠিল। গোটেই দিনটোত এবাৰো নামটো সুধিবলৈ আলোকৰ আহৰি নোলাল? ⋯⋯⋯পিচদিনা কিবা এটা কাৰণত সোমকালে কলেজ ছুটী হ'ল। আলোক সোনকালে ঘৰলৈ আহিল। কলেজ ছুটী নহলেও সেইদিনা তেওঁ সোনকালেই আহিলেহেঁতেন! ⋯⋯ নিকৰ হতুৱাই আৰু এদিন থাকিবলৈ কোৱাতো ললি নেথাকিল।

উপায় নেপাই নিৰুক লগত লৈ আলোকে ললিক থৈ আহিলগৈ। বেচি দূৰ বাট নহয়। ইচ্ছা কৰিলে দিনটোত কেবাবাৰো অহা যোৱা কৰিব পাৰি। মাত্র ৰাইচ মাইল।

…ললি ইঁতৰ ঘৰতো আলোকক দেউতাক আৰু মাকে বৰ আদৰ সাদৰ কৰিলে। মাকে ভাত এবাতি থাকিবলৈও খুব জোৰ কৰিলে। কিন্তু আচহুৱা আৰু হুলস্থুলীয়া ঘৰখনত তেওঁ থাকিবলৈ ইচ্ছা নকৰিলে। নথকা দেখি মাকে অহা দেওবাৰলৈ ভাত খাবলৈকে মাতিলে। কম কথা কোৱা বাপেকেও মুখটো ঢুপিয়াই হয়ভৰ দিলে। মাহীয়েকে উভয় পাৰিয়ালৰ মধ্যমনি হিচাপে ক'লে—"দেওবাৰে আহিব পাৰিব। কেলেই নোৱাৰিব? অকলে আহিবলৈ বেয়া পায় যদি লগত নিৰুও আহিব বাৰু।" আনকালে এনেকুৱা প্রস্তাৱ আলোকে বিৰক্তিৰে ফু মাৰি উৰুৱাই দিলেহেঁতেন।

আহিবৰ সময়ত ললিয়ে কৈছিল—"আজি কিন্তু নিৰু আৰু পেহী নেযায়। কাইলৈহে যাব""আপুনিও থকা হলে মাইঁতে খুব ভাল পালেহেঁতেন। আপুনি নেথাকে বুলি মই জানো। কাৰন আমাৰ ঘৰ খন বৰ হুলস্থুলীয়া—"

লেমৰ পোহৰত ললিৰ মুখ খনলৈ চাই আলেকে কৈছিল— "মই হুলস্থূল ভাল নেপাওঁ, সঁচা কথা। কিন্তু বেচি নির্জ্জনতাও সহ্য কৰিব নোৱাৰো। আজি কিন্তু ঘৰত অতিপাত নিৰ্জ্জনতাৰ মাজত ৰাতিটো কটাব লাগিব।………"

ললিয়ে হা হিছিল! উত্তৰ দিলে—"আপোনাৰ ভালহে হ'ল। অকলশৰীয়াকৈ চেতাৰ বজাই থাকিব, আমনি কৰিবলৈ কোনো নেযায়………।"

"আমনিতো কেতিয়াবা মাধুর্য্য থাকে। অৱশ্যে সকলোৱে আমনি কৰিলে ভাল নেলগে।"

এটা ৰহস্যভৰা হাঁহিৰে চকুকিটা ডাঙৰ কৰি ললিয়ে সুধিলে— "তেন্তে কোনে আমনি কৰিলে ভাল লাগে?"

"তোমাৰ নিচিনা ধুনীয়া ছাৱালীয়ে....।"

"ঠাট্টা নকৰিব দেই। মোক অন্ততঃ ধুনীয়া বুলি নকব—"

"ক'লে বেয়া পোৱা যদি নকওঁ বাৰু। কিন্তু কালিৰ দিনটো মোৰ বৰ ভাল ধৰনে অতিবাহিত হ'ল, সেইবাৰ কোৱাত নিশ্চয় তোমাৰ আপত্তি নাই।"

"অন্তৰেৰে কৈছে নে মোক শুনাবলৈকে কৈছে কোনে জানে। আপোনাক এই দুটা দিন যে খুব বিৰক্ত কৰিলো এই কথা নিশ্চয় আপুনিও মুই কৰিব নোৱাৰে।"

"যদি কওঁ এই দুদিনতে তোমাক মোৰ বৰ বেচি চিনাকি যেন লাগি গ'ল, তেতিয়া ?"

"তেতিয়া ক'ম সেয়া আপোনাৰ মহৎ হৃদয়ৰ গুণ, তাৰোপৰি মোৰ লগত তো আপোনাৰ চিনাকি হলেই....।"

"তথাপিও নতুনকৈ চিনাকি হোৱা আৰু প্ৰথম দিনাই বেচি চিনাকি যেন লগাটোৰ মাজত এটা পাৰ্থক্য নাই জানো ?"

ললিয়ে আকৌ হাঁহিলে—"আপোনাক মই কালিয়েই কৈছো মহয়, আপোনাক কথাৰে নোৱাৰি ! ....আপুনি আৰু দেওবাৰে আহিবলৈ নেপাহৰিব, পাহৰিবওতো পাৰে, কি ঠিকনা। শিল্পী মানুহ— ।"

পাহৰাৰ প্ৰশ্ন নুঠে। দেওবাৰটো কেতিয়াকৈ আহে এই কিদিন তাকেই ভাবি থাকিম।" ওলাই আহিব খোজা হাঁহিটো ললিয়ে এইবাৰ জোৰকৈ ধৰি ৰাখিবলৈ চেষ্টা কৰিলে।

আলোকে আকৌ ক'লে—"কালি ৰাতি বহুত সময়লৈকে মোৰ টোপনি অহা নাছিল, জানা ?"

"কেলেই ?"

"বিশ্বাস কৰিবা জানো ? তোমাৰ নামটো ললিতা বুলি কোৱাৰ পিচত মোৰ এই নামৰ ৰাগিনীটোলৈ বৰকৈ মনত পৰিছিল।".... এবাৰ ভাবিছিলো, তোমাক জগাই এই ৰাগিনীৰ কাব্যিক বৰ্ণনা তোমাক শুনাওঁ—"

"নজগালে কেলেই ?………"

"মাজবাতি খন তোমাক জগালে তুমি বা কি ভাবা? সেই কাৰণে নজগালো।"

"মাজবাতি জগাই বাৰু আপুনি মোক কি কলেহেঁতেন ?"

"ক'লোহেঁতেন ললিতাৰ ৰূপ বৰ্ণনাৰ কথা। কবিয়ে যি ধৰণে ললিতাৰ ৰূপ কল্পনা কৰিছে তাক কলোহেঁতেন।"

"ক'ত বুজি পালোহেঁতেন কিজানি। আপোনাৰ কথাবোৰ যিহে পাক লগা—মোৰ নিচিনা সামান্য ছোৱালী একনীয়ে বুজি পোৱা সঁচাকৈয়ে টান—"

ললিয়ে বৰ ধুনীয়াকৈ কথাবোৰ কয়। এনেকুৱা ছোৱালীক প্ৰশ্ন কৰা আৰু উত্তৰ দিয়াৰ মাজত মধুৰতা আছে।

চুকৰ টেবুলখনত অস্পষ্ট হৈ থকা নটৰাজ মূৰ্ত্তিটোলৈ চাই আলোকে হঠাৎ এটা প্ৰশ্ন কৰিলে—"নটৰাজ বোলে নিৰাকাৰ আৰু নিৰঞ্জন তেনেস্থলত এনেকুৱা এটা শিলৰ মূৰ্তিৰ প্ৰয়োজন কি ?"

"ললিতাৰ ৰূপ….বৰ্ণনা যেনেকৈ কবিৰ কল্পনা তেনেকৈ নটৰাজৰ এনেকুৱা এটা বাস্তৱ মূৰ্ত্তি কল্পনা কৰাত কিবা আপত্তি আছে জানো ?"

"কথাত তোমাকো পেলাব নোৱাৰি, এই কথা মই স্বীকাৰ কৰিলো।………"

"বোধকৰো দুদিন আপোনাৰ লগত কথা পাতিয়ে আপোনাৰ গুন সামান্য ভাৱে লাভ কৰিছো।"

ললিৰ চপলতাত আলোক আনন্দিত হ'ল। আকৌ ক'লে—"তোমাৰ ওচৰতো মই পৰাজয় স্বীকাৰ কৰিলো। কিন্তু এটা কথা কওঁ শুনা। নটৰাজ মূৰ্ত্তিটো আগকালৰ কোঠাত ধুনীয়াকৈ সজাই থোৱাত কিবা সাৰ্থকতা আছে নে নাই নেজানো। কিন্তু নৃত্যৰ বিভিন্ন মুদ্ৰাৰ যোডযো-পচাবেৰে তেওঁক পূজা কৰাটোতহে নটৰাজ মূৰ্ত্তিৰ সাৰ্থকতা আছে বুলি মই ভাবো।"

ললি অলপ সময় থত্‌মত্‌ খাই মনে মনে থাকি লাহে লাহে

উত্তৰ দিলে—"আপুনি কি কব খুজিছে মই বুজিছো। কিন্তু—" ঠিক তেনে সময়তে ভিতৰৰ পৰা ললিৰ মাক ওলাই আহি বস ভঙ্গ কৰি দিলেহি।

"তুমি এটা কাম কৰি যাব পাৰা দেখোন। আমাৰ অলপ পিচতে ভাত হবই। সুদাই নিকাই ভাত দুটামানকে খাই যোৱা।"

আলোকে ঘড়ীটো চালে। সাত বাজি গ'ল। ধৰমৰকৈ থিয় হৈ ক'লে—"নাই নাই, ভাত নেখাওঁ। সিফালে খানেশ্বৰে ভাত ৰান্ধিবই। ইমান সময় হ'ল বুলি মোৰ খবৰেই মাছিল। আৰু নবহো যাওঁ আজিলৈ—"

"খাই যোৱা হ'লে ভাল পালোহেঁতেন। অহা দেওবাৰলৈ নেপাহৰিবা কিন্তু—"

"আহিম বাৰু। নেপাহৰো........"

............কেবাদিনৰ ব্যাকুলতাৰ পিচত দেওবাৰটো আহিল। সেইদিনা বাত্তিপুৱাই নিৰুক লগত লৈ ওলাল। নিৰুৰ হাতত এথোপা তগৰফুল দেখি আলোকে সুধিলে—"ইমানবোৰ ফুল কেলেই ?"

"সিদিনা ললিবাই নিবলৈ কৈছিল।"

.......ললিহঁতৰ ঘৰৰ আগফালৰ কোঠাটোৰ ফুলদানীটোত ফুল থোপা থৈ নিৰুয়ে চিঞঁৰিলে—"ললিবা।"

ভিতৰৰ পৰা নুপুৰৰ রুনজুন্ শব্দ এটা আহি আলোকৰ কানত পৰিল। চাদৰৰ আগটো পেচ্ মাৰি কৰ্কালত মেৰিয়াই ঘামি জামি ললি-ভিতৰৰ পৰা ওলাই আহিল। ললিৰ এইটো এটা বেলেগ ৰূপ—এটা বেলেগ সৌন্দৰ্য্য। মিচিককৈ হাঁহি ললিয়ে কলে—"অ অলোকদা আহিল ? বহক দেই।......."

আলোকে নৱৰূপা ললিলৈ চাই ক'লে—"তুমি ঘামি জামি আছা দেখোন। কি কৰিছিলা ? নাচিছিলা নেকি ?"

"তেনেকুৱাই। কিন্তু মই নচা নাই। ছোৱালী এজনীক নাচ এটাহে দেখুৱাই দিছো। তাইক স্কুলত লাগে বোলে। এই কিদিন মোক খাই মাৰিছে।"

আলোকে আনন্দত চিঞঁৰি উঠিল—"বৰ ভাল কথা। এই ছেগতে তোমাৰো নাচ দেখাৰ সৌভাগ্য ঘটিব কিজানি—"

"সেইটো আশা নকৰাই ভাল হ'ব।.............ভিতৰলৈকে আহক। তাইৰ নাচটো চাই এটা মতামত দিয়ক। আপনালোকৰ নিচিনা শিল্পীয়ে চোৱাটো তাইৰ কাৰণে ভাগ্যৰ কথাই হ'ব.......।"

ললি যেন বেচি চঞ্চলা—বেচি উৎফুল্লা।

"তেনেকৈ শিল্পী শিল্পী কৰি থাকিলে ঘৰলৈ আকৌ উভতি যামগৈ।"

"বাৰু বাৰু নকওঁ। আহক বা।"

আলোকৰ মনটো বৰ ভাল লাগি গ'ল।

ভিতৰৰ কোঠাত সত্‌ৰঞ্চি এখনৰ ওপৰত প্ৰায় দহ এঘাৰ বছৰীয়া ছোৱালী এজনী থিয় হৈ আছে। আলোকক দেখি তাই লাজ কৰিলে। ললিয়ে তাইক কৰ্তৃত্বৰ সুৰত ক'লে—"লাজ নকৰিবি লক্ষী। নাচচোন, এখেতে চাব খুজিছে।"......"মানু আৰু কেনি গ'ল? মানু।" মানু ললিৰ ভনীয়েক। তাই আহিল। তেৰ—চৈধ্য মান বয়স হৈছে।

"মানু, গা চোন—লক্ষীয়ে নাচিব।"......"নেগাৰ কেলেই—? লাজ কৰিবলৈ কিটো আছে?"—বায়েকৰ ধমকি খাই মানুয়ে এটা বিহুসুৰীয়া বনগীত আৰম্ভ কৰিলে আৰু লক্ষীয়েও নুপুৰৰ ধ্বনি তুলি নাচিবলৈ ধৰিলে।

ললিয়ে হাত চাপৰিত তাল মাৰি মাৰি এবাৰ কৈ উঠিল—"ওঁহো, এই খিনিতে হোৱা নাই। কঁকালটো তেনেকৈ নেভাঙে নহয়।" লক্ষীয়ে আকৌ নাচিলে আৰু আকৌ একেটা ভুলেই কৰিলে। হাতৰ আঙুলিত কিবা এটা মুদ্ৰা দেখুৱাবলৈ যাওঁতে লক্ষীৰ কঁকালটো পোন হৈয়ে থাকে। দুয়োটা কাম একে লগে কৰিব নোৱাৰে।

ভীষণ বিৰক্ত হৈ ললিয়ে ক'লে—"তই আচৰিত ছোৱালী পাই। কালিৰে পৰা ইমানকৈ শিকালো তথাপিও নোৱাৰ।...... এয়া চা—এনেকৈ কৰিবি। ভালকৈ চাই ল। হাতখন এনেকৈ লবি। লগে লগে কঁকালটো এনেকৈ ভাঙি আঙুলি কিটা ঘুৰাই এইদৰে কৰিবি"............ । গা চোন মানু।"

মানুয়ে গানটো গোৱাৰ লগে লগে ললিয়ে লক্ষীক নাচি দেখুৱাই দিলে। সেই সময়ত—আলোকৰ অস্তিত্ব বোধকৰো ললিয়ে একেবাৰে পাহৰি গৈছিল। আলোকে তেতিয়া অসীম কৌতুহল আৰু মুগ্ধ নয়নেৰে ললিৰ দেহ ভঙ্গীমা চাই আছিল। ইমান ধুনীয়া ললিৰ দেহাৰ লয় লাস ভঙ্গী। চকুৰ দৃষ্টি আৰু হাতৰ মুদ্ৰা ইমান প্ৰকাশ—ব্যঞ্জক।"...কিছু সময়ৰ পিচত আলোকৰ মুগ্ধ চকুযুৰিত

ফুটি উঠা অপাৰ বিস্ময়ৰ দৃষ্টি দেখি ললিৰ বোধ কৰো আপোন পাহৰা ভাবটো কাটি গ'ল। থতমত খাই তেওঁ বৈ দিলে। লাজ ঢাকিবলৈকে হৰলা তেও লগে' লগে' 'লক্ষীক ক'লে—"আজিলৈ হৰ যা ঘৰত প্ৰেকটিচ্ কৰিবি''''।"

বাহিৰৰ কোঠালৈ আহি আলোকে ললিক নকৈ থাকিব নোৱাৰিলে—"আজি তো ধৰা পৰি গলা।... তুমি সঁচাকৈয়ে ধুনীয়া নাচা। ভাল সুযোগ পোৱা হ'লে তুমি নাম কৰিব পাৰিলাহেঁতেন। শিল্পীৰ আগত প্ৰশংসা কৰিব নেপায় যদিও মই' নোৱাৰিলো।'''' মোক কিন্তু আজিৰ পৰা শিল্পী বুলি ঠাট্টা নকৰিবা দেই।"

লাজত ললিয়ে তললৈ মুৰ কৰি দিলে। আলোকে আকৌ ক'লে—"সিদিনা যে মই কৈছিলো, নটৰাজ মূৰ্ত্তিটোৰ সাৰ্থকতা অকল ইয়াক ড্ৰইংৰুমত সজাই থোৱাতেই আৱদ্ধ হৈ নেথাকে। নৃত্য-গীতেৰে পূজা কৰিলেহে এই মূৰ্ত্তি সাৰ্থক হয়। সিদিনা যি অৰ্থত কৈছিলো, আজি সেই অৰ্থ সলাবলগীয়াত পৰিলো। বহুতদিনৰ মূৰত আজিহে নিশ্চয় এই নটৰাজ তোমাৰ ওপৰত সন্তুষ্ট হৈছে।"

"মোক মিছাকৈ ঠাট্টা নকৰিব দাদা। আৰু এটা কথা। নটৰাজ মূৰ্ত্তিটো ঘৰত থাকিলেই নাচিব লাগিব বুলি বোধকৰো কোনো শাস্ত্ৰত লিখি থোৱা নাই। .

"অ মনত পৰিছে সিদিনা তুমি কিবা এটা উত্তৰ দিব খুজি তোমাৰ মাৰ অহাত আধাতে বৈ গ'লা—। এই বিষয়েই কিবা এটা কব খুজিছিলা নহয় নে?"

"বিশেষ তেনেকৈ একো কব খোজা নাছিলো। কব খুজিছিলো, বহুতো ঈশ্বৰ নমনা মানুহৰ ঘৰত আপুনি দেখিব বুদ্ধদেৱৰ মূৰ্ত্তিটো ধুনীয়াকৈ সজাই থৈছে। বহুতো ধনী ঐশ্বৰ্য্যশালী মানুহৰ ড্ৰইংৰুমত দেখিব ভিখাৰীৰ নগ্ন ছবি.......'

"বাঃ ধুনীয়া কথা কৈছা। মই তোমাক যিমান ভাবিছিলো—তাতকৈ তুমি বহুত বেছি কথা জানা।"

"তেনেহলে আপুনিয়ে কওঁক, মোৰ নিচিনা সামান্য ছোৱালী এজনীয়ে এটা সৰু নটৰাজ মূৰ্ত্তি সজাই থোৱাত কি জগৰ ?....আৰু নাচৰ কথা কৈছে। দুখীয়া মানুহে ভালকৈ নাচ শিকাৰ উচ্চাকাঙ্ক্ষা নকৰাই ভাল। নহয় জানো ?"

এইবাৰ যথেষ্ট আন্তৰিকতাৰে আলোকে ক'লে—"উচ্চাকাঙ্ক্ষা কাৰো একচেতিয়া সম্পত্তি নহয়। দুখীয়াৰ উচ্চাভিলাষ কৰাত কি বাধা আছে নেজানো।....তুমি এটা কাম কৰা, অৱশ্যে ঘৰত সুধি পুচি লোৱা। তুমি ব'লা, আমাৰ মিউজিক স্কুলত দুদিনমান ক্লাচ কৰাগৈ। বৰ্ত্তমানে আমাৰ যিজন শিক্ষক আছে—সেইজন সঁচাকৈয়ে জনা—বুজা মানুহ। তুমি বহুত কথাই জানিব আৰু শিকিব পাৰিবা। যাবানে ?"

এই প্ৰস্তাৱত ললিতা গম্ভীৰ হৈ গ'ল। ক'লে—"ভাবি চাওঁ বাৰু... ..."

আলোকে ভাবিলে—ললি যেনেকৈ ধুনীয়া ছোৱালী, তেনেকৈ গুণীও। কিন্তু মনৰ সন্দেহ পোৱা বৰ টান। ললিয়ে আলোকক কি ভাবে ? আলোক অকল শিল্পীহে, তেওঁক ললিয়ে মানুহ বুলি নেভাবে নেকি ?

আবেলি আহিবৰ সময়ত ললিক আলোকে কলে—"আজি তোমাৰ কাৰণে নিজেয়ে তগৰ ফুল আনিছিল—। তোমালোকৰ ইয়াত তগৰফুল নাই নেকি ?"

"আমাৰ ঘৰত নাই। আপোনালোকৰ কিজোপাৰ ফুল বিলাক বেচ ডাঙৰ আৰু গোন্ধ বৰ ভাল।............."

"আজি তেনেহলে গোন্ধৰ উগ্ৰতাৰ বিষয়ে পৰীক্ষা কৰি চাব পাৰিবা, নহয় জানো ?"

ললিয়ে এইবাৰ খিল্‌খিল্‌কৈ হাঁহি দিলে,—আকৌ তগৰ আৰু ধূপ ?......ঠিক আছে, আপোনাক জনাম বাৰু—"

"তুমি নাচৰ ক্লাচত যোগ দিয়াৰ বিষয়ে কি কৰা তাকো জনাবা দেই। আমাৰ স্কুলত তোমাক ছাত্রী হিচাপে পোৱাটো সৌভাগ্যৰ কথা বুলি ধৰি লম।

"সৌভাগ্য নে দুৰ্ভাগ্য আপুনি এতিয়াই কেনেকৈ গম পালে? .... .......আপোনাক জনাম বাক........"

---

কোনো ছোৱালীৰ প্ৰতি এনেকুৱা আকৰ্ষণ আলোকে আগতে অনুভৱ কৰা নাছিল। ৰূপহী আৰু গুনী ললিয়ে মনেৰেও যে ইমান তীব্ৰ ভাৱে মানুহক টানিব পাৰে; এই কথা আলোকে দুসপ্তাহৰ অদৰ্শনত বৰ বেচিকৈ অনুভৱ কৰিলে।.......আলোকৰ এই অস্থিৰতা চতুৰা মাহীয়েকে ধৰিব পাৰিছিল আৰু মনে মনে হাঁহি তেওঁ বোধকৰো ভাবিছিল—জালত মাছ পৰিছে, এতিয়া চপাই আনিলেই হ'ল। এতিয়া জালত মাছ পেলাই বং চাই থকা ঠিক নহব—বামলৈ অনাহে বুদ্ধিমানৰ কাম। বৌৱেকৰ লগত কথাটো আলোচনা কৰিব লাগিব।

.......সিকালে কিন্তু মাক আৰু পেহীয়েকৰ এনেকুৱা প্ৰস্তাৱত ললিয়ে প্ৰথমতে দুৰ্ঘোৰ আপত্তি কৰিলে। বিবেকে ললিক বাৰে বাৰে বাধা দিছিল। তেতিয়া পেহীয়েকে বুজাইছিল—"তই আগৰ কথাবোৰ ধৰি আছ কেলেই?..... ...কাৰ্ত্তিকৰ কথাত আজি ইমান দিনে আশা কৰি থকা তোৰ উচিত হোৱা নাই। পুৰুষ মানুহ। আজি ইমান দিন তাৰ কোনো খ-খবৰ নাই। সি তোৰ কথাই মনত ৰাখি আছেনে? ক'ত বা কি কৰিছে ভগৱানেহে জানে।'..... আগতে যি হৈ গ'ল সেইবোৰ পাহৰি পেলা। এনেকুৱা কত ঘটনা আজিকালি ঘৰে ঘৰে "........। তইতো আৰু ক'তো... ......। পোনাৰ নিচিনা ভাল ল'ৰা তই কেতিয়াও নেপাব। পিচত কিন্তু পস্তাবি ... .. ..।"

—সেইদিনা ললিয়ে গম্ভীৰ হৈ তললৈ মূৰ কৰি পেহীয়েকক কৈছিল—' মোক কেইদিনমান ভাবিবলৈ দিয়ক পেহী—"

ভাবিবলৈ কিটো আছে? তই আগৰ কথা বোৰ কোনোবাই গম পাব বুলি ভয় কৰিছ হবলা? ভয় নকৰিবি, সেইবোৰ কোনেও গম নেপায়।"

.... .......কিন্তু সেইদিনা বোধকৰো বিধাতাই অলক্ষে হাঁহিছিল।

.....ললিক নেদেখাৰ বেদনাই আলোকক ম্ৰিয়মান আৰু

সকলোতে উদাসীন কৰি ভুলিলে।…………আজি কেইবছৰ মানৰ আগতে শান্তাৰ বিয়াৰ খবৰ পোৱাৰ দিনা যি শূন্যতা অনুভৱ কৰিছিল, তাত নাছিল আকুলভাৱ পৰশ। আছিল কিবা এটা হেৰাই যোৱাৰ বেদনা। গৌৰীৰূপী শান্তাৰ প্ৰতি অনুভৱ কৰিছিল প্ৰথম প্ৰেমৰ মৃদু অনুভূতি। কিন্তু এতিয়া? এই আকৰ্ষণত আছে প্ৰচণ্ডতা। এটা সপোনক জীৱন্ত বাস্তৱৰ ৰূপ দিয়াৰ দুৰ্ব্বাৰ আকুলতা। শান্তাৰ চকুত আছিল মিনতি। কিন্তু শ্ৰীমণ্ডিতা ললিতাৰ পদুম চকুত আছে ঘনে ঘনে আমনি কৰা ভ্ৰমৰ গুঞ্জনৰ প্ৰতি বিৰক্তি; অথচ আহ্বান। স্বপ্ন মদিৰ চকুত প্ৰকাশ পোৱা বিৰক্তি আৰু আহ্বানৰ প্ৰতিহে আলোকে প্ৰচণ্ড আকৰ্ষণ অনুভৱ কৰিলে।

আলোকৰ জীৱনত শান্তা আছিল প্ৰথম মূৰ্চ্ছনা আৰু ললিতা শুদ্ধ মধ্যা। আজি ভৰ-যৌৱনৰ এই শৰীৰটোত আলোকে শুদ্ধ মধ্যা মূৰ্চ্ছনাৰ প্ৰয়োজনীয়তাহে বেচিকৈ অনুভৱ কৰিলে।

…………ললিক দেখি আলোক যিমান বেচি আচৰিত হ'ল, তাতকৈ বেচি উপলব্ধি কৰিলে অধীৰ প্ৰতীক্ষাৰ পিচৰ আনন্দ। মাহীয়েকৰ প্ৰতি আলোকে কৃতজ্ঞতা অনুভৱ কৰিলে, তেতিয়া মাহীয়েকে ক'লে—"ময়ে লৈ আনিলো তাইক। বাটত অকলে আহিবলৈ ভাল নেলাগে পাই।"

……দিনটো কলেজ আৰু মিউজিক স্কুলৰ ব্যস্ততাৰ পিচত গধূলি ঘৰলৈ আহি নিজৰ কোঠাত সোমাই খিৰিকীখন খুলি দিয়াৰ লগে লগে নিৰু আহিল। তাই ক'লে—"আজি ললিবা আহিছে, অথচ গোটেই দিনটো তুমি ঘৰত নাই। তুমি যে বৰ আচৰিত মানুহ পোনাদা।"

আলোকে হাঁহিলে—'তোৰ ললিবা আহিছে। ভাল হৈছে। মই কি কৰিব লাগে? ……মই দেখো কৈ অহা কাৰনে তোৰ চিন্তা হোৱাৰ কাৰনটো মই হবলা বুজা নাই বুলি ভাবিছ।…"

নিৰুৱে দুষ্টালিৰ হাঁহি এটা মাৰিলে,—"কি বুজিছা, কোৱাচোন। এনেয়ে মিছামিছি কৈ........"

'আন কথানো কিটো? সোমকালে অহা হ'লে ললিবাৰ নাম কৈ চিনেমাকে চাব পাৰিলি হেতেন। নহয় জানো? মোক অঁকৰা পাইছ নহয়নে?"

ধৰা পৰি নিৰুৱে লাজত হাঁহি দিলে। তথাপিও তাই ক'লে—"ধেৎ নহয়। চিনেমা নেচালেহে পাৰিছে। তুমি কেতিয়াকৈ আহিবা বুলি ললিবাই কেবাবাৰো সুধিছে। সেই কাৰনেহে, তোমাক কৈছিলো .......।"

"সচাঁ, কি সুধিছিল বাৰু?"

"এ এতিয়া? নকওঁ—কেতিয়াও নকওঁ...."

"মোৰ নিৰুজনী বুলি কৈছো বাৰু! ক চোন, তোৰ ললিবাই কি সুধিছিল?"

'কাইলৈ আমাৰ দুয়োকে চিনেমা দেখুৱাম বুলি কোৱা! তেহে—"

"দেখুৱাম। ঠিক দেখুৱাম। ক, কি কৈছিল—"

"ঠিক?"

"ঠিক!"

"ললিবাই কৈছিল বোলে—"

ঠিক তেনেতে ললি ওলাললি। নিৰুৰ মুখলৈ চাই তেওঁ সুধিলে—"কি, কি, ললিবাই কি কোৱা বুলি কৈছ নিৰু?"

থত্‌মত্‌ খাই নিৰু ভিতৰলৈ লৰ মাৰিলে।

"মোৰ কথা তাই আপোনাক কি কৈছিল দাদা?"

"নাই একো নাই। মই কেতিয়াকৈ আহিম তুমি বোলে দিনটোত কেবাবাৰো সুধিছিলা?"

"ইস্ ৰাম, ইমান আচৰিত নিৰুজনী। দিনটো তাই ঘৰতেই নাই। এবাৰ মাত্ৰ তাইক মই........"

"কি ?"

লাজত ললিয়ে অন্য কথালৈ গুচি যাবলৈ চেষ্টা কৰি ক'লে—
"আজি কিন্তু আপোনাৰ চেতাৰ ভালকৈ শুনাব লাগিব ....।"

"নিশ্চয় শুনাম। বহাচোন বাৰু !....তুমি পিচে ইয়াৰ মাচৰ ক্লাচত যোগ দিয়াৰ বিষয়ে কি ঠিক কৰিলা ? একো মজমালাই দেখোন—"

উদাসীন আৰু ক্ষীন কণ্ঠেৰে ললিয়ে ক'লে—

"এতিয়াকৈকে ঠিকেই কৰিব পৰা নাই।"

"কেলেই ? বি, এ দিবা নেকি ?"

"সেইটোও মহব কিজানি। মোৰ নিচিনা গাধা ছোৱালী এজনীয়ে ক'ত বি' এ পাচ কৰিব পাৰিম ?"

ললিৰ কথাবোৰ বৰ নিৰাশ-ব্যঞ্জক।"

"কি হ'ল ? তুমি দেখোন কথাবোৰ বৰ কিবা ধৰনে কৈছা ?.... কিবা হৈছে নেকি ?"

"নাই একো হোৱা নাই—। আপুনি চাহ তাহ খাই লওক। মই অলপ পিচত আহিম। তেতিয়া চেতাৰ শুনিম. ...."

চঞ্চলা খোজেৰে ললি ওলাই গ'ল। তেওঁৰ বেণীত এপাহ তগৰ জিলিকি আছে। ললিতা ! সাৰ্থক নাম ! যৌৱনৰ ভৰত যেন ত্ৰস্তা—চঞ্চলা, অথচ মাজে মাজে প্ৰকাশ পায় গাম্ভীৰ্য্য।

... ..চেতাৰখন হাতত লৈ টুং টাং কৰি থাকোতে ললি আৰু নিৰু দুয়ো আহিল। ধূপৰ সুবাস গোটেই কোঠাটোত বিয়পি আছিল।

"বজাওক। আমি শুনিবলৈ আহিলো।" দুয়ো আলোকৰ বিচনাখনতে বহিল।

"কি বজাম কোঁৱা।"

"মই ৰাগ ৰাগিনী একো বুজি নেপাওঁ বুলি আপোনাক আগতে কৈছোৱেই দেখোন। আপোনাৰ যি ইচ্ছা, তাকে বজাওক—"

"তোমাৰ নামটোকে বজাওঁ বাৰু—"

"মোৰ নাম? তাৰ মানে?"

"তোমাৰ নাম মানে ললিতা—ললিত। শুনি নিশ্চয় তুমি ভাল পাবা—শুনা।"

চেতাৰৰ তাঁৰত আলোকে ঝঙ্কাৰ তুলিলে। লগে লগে চেতাৰত যেন ললিত সাৰ পাই উঠিল। সীড়ৰ কম্পনত চঞ্চলা হৈ থৰথৰকৈ কঁপি উঠিল ললিতা। আলাপৰ আকুলি বিকুলি বিস্তাৰত লাস্যময়ী ভঙ্গীমাত থিয় হ'ল সেই শুভ্র বর্ণা ৰাগিনী। দেহত তেওঁৰ প্ৰকাশ হ'ল—যৌৱন ত্ৰস্ত ভাব আৰু বিহ্বলতা, পদুম নয়নৰ কোমল কটাক্ষ আৰু লাজ বিনম্ৰ হাঁহিত বিম্বিত হল আলোকদ্যুতি। তথাপিও যেন ললিতা বিৰহ-বিধুৰা। গোটেই ৰাতি স্বামী বিচ্ছেদত তেওঁৰ যে মন অধীৰা! .কিন্তু বেদনাৰ্ত্ত মন উদ্ভাসিত হৈ পৰিল পদ্ম নয়নৰ গোন্ধত ব্যাকুল হৈ প্ৰভাত কালত চঞ্চল খোজেৰে অহা স্বামীক দেখি। মিলনৰ এই আগ মুহূৰ্ত্তত শেষ হৈ গল ললিতাৰ ভয় বিহ্বলতা, আঁতৰি পৰিল উদ্বেগভৰা প্ৰতিক্ষা আৰু সেই ঠাই অধিকাৰ কৰিলে পৰম নিশ্চিন্তভাই। শুৰু হ'ল কোমল পদুম নয়নৰ সচকিত কটাক্ষ আৰু আচম্বিতে তাত প্ৰস্ফুটিত হ'ল শৃঙ্গাৰ-দৃষ্টি, যেন এটি দুটিকৈ ফুলিবলৈ ধৰিলে প্ৰত্যুষৰ ফুল।

......চেতাৰৰ এই মোহময়ী পৰিবেশত ললিৰ শিল্পী মনটোও কোনোবা এখন জগতলৈ গুচি গৈছিল! চেতাৰ বজাই থকা আলোক বৰুৱাৰ কথা বোধকৰো তেওঁ তেতিয়া পাহৰি গৈছিল। বোধকৰো তেওঁ সুৰৰ ছন্দে ছন্দে ব্যাকুল হৈ উটি উটি গৈ নিজৰ বাইচ বছৰীয়া যৌৱনৰ ভিতৰত থকা মনটোৰ লগত বুজা পৰাৰ চেষ্টা কৰিছিল! কোনে জানে ললিয়ে হয়তো তেতিয়া কামনা কৰিছিল অতীতৰ কলঙ্ক বোৰ পঙ্ক-নিমজ্জিত হৈ যাওঁক। হয়তো ভাবিছিল,—সঁচা হওক এই বৰ্ত্তমান কাল আৰু বাস্তৱ হওক ভৱিষ্যতৰ

সপোন। চেতাবৰ সুৰ আৰু মূৰ্চ্ছনাত অজান ভবিষ্যতৰ সাগৰলৈ উটি ভাঁহি যাওক তেওঁৰ যৌৱন আৰু মন।

ইতিমধ্যে মিৰু কোন ত'লকত ভিতৰলৈ উঠি গৈছিল ছয়ো গমকে ধৰিব নোৱাৰিলে।

......অৱশেষত চেতাৰ শেষ হ'ল। চেতাৰ স্তব্ধ হোৱাৰ লগে লগে ললিও কল্পনা ৰাজ্যৰ পৰা উভতি আহিল

আলোকে সুধিলে—"কেনেকুৱা লাগিল?"

"ইয়াৰ উত্তৰ কিবা আছে জানো? যিমানেই শুনিছো সিমানেই ভাল লাগিছে।"

"তোমাক ভাল লাগিলেই মোৰ কাৰনে যথেষ্ট। ময়ো আনৰ আগত চেতাৰ বজাই ইমান আনন্দ পোৱা নাছিলো." অলোকৰ কথাত আবেগ ফুটি উঠিল।

"মোক ভালৰি লগাবলৈকে নিশ্চয় আপুনি এই দৰে কৈছে।"

"নাই কোৱা। যি অনুভৱ কৰিছো তাকেকহে কৈছো।"

ভাবপিছত মনত সাহস সঞ্চয় কৰি আলোকে ক'লে—"আৰু আজি কিছুদিনৰ পৰা বিশেষকৈ তোমাক লগ পোৱাৰ পিচৰ পৰা কি অনুভৱ কৰিছো জানা?

ললিৰ ভিতৰখন এবাৰ কঁপি উঠিল।

"আজি আপোনাৰ কোঠাত ধূপহে জ্বলি আছে। তগৰ নাই। কাৰণ কি?"

আলোকৰ কথাৰ পৰা ললি ফালৰি কাটি গ'ল বুলি তেওঁ বুজিলে। মৃদুভাৱে হাঁহি তেওঁ ক'লে—"কাৰণ আজি তগৰ তোমাৰ বেণীত—"

হাঁহি হাঁহি ললিয়ে ক'লে—"তথাপিও ধূপৰ পৰা দূৰত। কিন্তু এই তগৰ'পাহ চুলিৰ লগত মিলি আছে, নহয় জানো?" ললিয়ে বেণী ডাল আগফাললৈ আনি আগটো তেওঁৰ লাহি আঙুলিটোত পকাই ল'লে।

আজি আলোক নিজৰ কথাত নিজেই বন্দী হৈ পৰিছে। আলোকে বাৰে বাৰে মনৰ কাষ চাপিবলৈ চেষ্টা কৰে আৰু ললি ফালৰি কাটি গুচি যায়। ললিৰ এই ধৰা নিদিয়া মনোভাৱত আলোকৰ সুপ্ত দুঃসাহসী মনটো জাগ্ৰত হবৰ উপক্ৰম হ'ল।

বিচনাৰ পৰা নামি আলোকে টেবুলখনৰ ওচৰলৈ গৈ আৰু কেইডালমান ধূপ জ্বলাই দিলে। ললিতাও থিয় হ'ল। আলোকে কলে—"ৰবা' তুমি সেই প্ৰশ্নটোৰ উত্তৰ আজিলৈকে নিদিলা। সেই ধূপ আৰু তগৰৰ গোন্ধৰ উগ্ৰতা........"

ললৰ চকুত উজ্জ্বলতা। বেণী ডাল টানি টানি তেওঁ ক'লে— "কাৰ্ বেচি তাকেই আপুনি সোধা নাই জানো? মই আপোনাক আগতেই কৈছো সেই প্ৰশ্নৰ উত্তৰ দিয়া মোৰ নিচিনা সাধাৰণ ছোৱালীৰ পক্ষে অসম্ভৱ—"

"মই কিন্তু কওঁ, সেই প্ৰশ্নৰ উত্তৰ দিব পাৰিবা একমাত্ৰ তুমিয়েই—"

"কেনেকৈ জানিলে?"

"অনুভৱ কৰিছো অন্তৰেৰে।"

"ধূপ আৰু তগৰ—কিন্তু দুয়োটাই বেলেগ নহয় জানো? ধূপৰ গোন্ধ অকলে ভাল লাগে; সেইদৰে তগৰৰ গোন্ধো অকলশৰীয়াকৈহে ভাল লাগে। দুয়োৰে ভিতৰত যেনেকৈ তুলনা নহয়, তেনেকৈ মিশ্ৰনো নহয়। কিন্তু দুয়োৰে মিলন ঘটুৱাবলৈ গ'লে দুয়োকেই একেলগে অপমান কৰা নহব নে?"

ললিৰ উত্তৰত অলোক অভিভূত হৈ পৰিল। মুগ্ধ চাৱনিৰে তেওঁ ললিৰ ওচৰ চাপি আহিল।

"বৰ সুন্দৰ। কিন্তু যদি কোনোবাই ধূপ আৰু আৰু তগৰৰ মিলন ঘটুৱাবলৈ চেষ্টা কৰে, তাত আপত্তিৰ কি কাৰণ থাকিব পাৰে?

"আপত্তি এই কাৰণেই থাকিব যে ধূপ নিজে পুৰি লোকক গোন্ধ

বিলাই নিঃশেষ হৈ যায়, কিন্তু গোন্ধ শেষ হৈ যোৱাৰ পিচতো তগৰৰ অন্ততঃ মৰহা লেবেলা পাপৰিবোৰ বৈ যায়। কোনোবাই কেতিয়াবা ভৰিৰে গচকিও যায়........।" ললিৰ স্বৰ গম্ভীৰ।

ললিৰ হাত খন অজানিতে নিজৰ হাতলৈ টানি আনি আলোকে গাঢ় স্বৰত মাতিলে— "ললি— ।........ললিতা !।"

ললি কঁপি উঠিল। হাতখন আঁতৰাই আনিব নোৱাৰিলে। তাৰ পৰা গুচিও আহিব নোৱাৰিলে।

তললৈ মুৰ কৰি থাকিল। কিহবাৰ বেদনাত যেন চকুকিটা সেমেকি আহিবলৈ ধৰিছে।

আকৌ লাহে লাহে আলোকে কলে—"ললিতা ! মযো জানো ধূপ আৰু তগৰ একে নহয়। জানো দুয়োৰে নিজা গুণ আছে। কিন্তু দুয়োৰে গোন্ধ একেলগ কৰি এটা নতুনত্বৰ সন্ধান বিচাৰি আনন্দ নেলাগে জানো কোৱা ?........তোমাক মই লেবেলি যোৱা তগৰৰ লগত তুলনা কৰা নাই বা নিজকো মই ধূপ বুলি ভবা নাই। মোক ভুল নুবুজিবা ললি।"

ললিয়ে একো মাতিব নোৱাৰিলে। নিশব্দে টপ্ টপ্‌কৈ তেওঁৰ চকুৰ পানী পৰিবলৈ ধৰিলে। ইমান দিনে ললিয়ে ভাবিছিল সকলো মানুহেই একে—সকলোৱেই কাৰ্ত্তিক। আজি প্ৰথম অনুভৱ কৰিলে এই একে কাৰ্ত্তিকহঁত থকা পৃথিৱীতেই আলোকৰ নিচিনা পুৰুষো আছে।

---

"........কাৰ্ত্তিক কোন আছিল ? আজি কিন্তু ললিয়ে পাহৰিবলৈ চেষ্টা কৰিলে তেওঁৰ জীৱনত কাৰ্ত্তিক কোন আছিল। কুমাৰী জীৱনৰ দেহ মন সকলো সমৰ্পন কৰি এদিন যে ললিয়ে কাৰ্ত্তিকক ভাল পাইছিল, আজি তেওঁৰ কাৰণে দুঃস্বপ্ন। যি মানুহে নাৰীৰ সৰ্ব্বস্ব লুটি লৈ শেষত বিশ্বাসঘাতকতা কৰে, সেই মানুহৰ প্ৰতি ঘৃণাৰ বাহিৰে কি ভাৱ আহিব পাৰে ? কি দিয়া নাছিল তেতিয়া ললিয়ে কাৰ্ত্তিকক ? তাৰ বিনিময়ত কি পালে তেওঁ ? প্ৰচণ্ড অৱজ্ঞা আৰু নিষ্ঠুৰতা।

আজি ললি আৰু আলোকৰ অন্তৰ বিনিময়ৰ মধুৰ দিন বিলাকত কাৰ্ত্তিকৰ নিচিনা নৰক কীটৰ স্থান নাই। হঠাৎ কাৰ্ত্তিকৰ কথা মনলৈ আহিলে ললিয়ে ঘৃণাত মুখখন কোঁচাই পেলায়। কিন্তু ললিয়ে বোধকৰো এইখিনিতে ভুল কৰিছিল। প্ৰেম-বিহ্বল মুহুৰ্ত্ত বিলাকত কব নোৱাৰাকৈয়ে দুয়ো উটি-ভাঁহি যোৱাৰ সময়ত ললিয়ে সজ্ঞানে কাৰ্ত্তিকৰ কথা একেবাৰে পাহৰি যাবলৈ চেষ্টা কৰিছিল। কিন্তু তেতিয়াই যদি উদাৰ মনৰ শিল্পী আলোকক ললিয়ে তেওঁৰ অতীত জীৱনৰ সকলোবোৰ কথা কলেহেঁতেন। কিন্তু ললিয়ে আলোকৰ আগত কাৰ্ত্তিকৰ বিষয়ে একো নকলে—একো কব নোৱাৰিলে। ললিয়ে আলোকৰ হৃদয়-ভৰা প্ৰেমৰ প্ৰাচুৰ্য্যত অতীতৰ গ্লানিৰ কথা লাহে লাহে পাহৰিবলৈ চেষ্টা কৰিছিল।

আগতে ললিয়ে নেজানিছিল আলোকৰ অন্তৰত যে ইমান প্ৰেম আছিল। আলোকেও ললিৰ ওচৰত নিজকে সম্পূৰ্ণ সমৰ্পন কৰি তেতিয়া ভৱিষ্যতৰ সোণালী সপোন ৰচনাত মত্ত হৈ পৰিছিল।

কেতিয়াবা সচকিতা ললিয়ে আলোকক কয়—"আপুনি মোক লৈয়ে ইমান ব্যস্ত হৈ থাকে। এইটো কিন্তু ভাল লক্ষণ নহয় দেই। নিৰু আৰু পেহীয়ে কি ভাবিছে ঠিকনা নাই। মই কিন্তু গুচি যাম ঘৰলৈ—"

"কেনেকৈ ধৰি ৰাখিব লাগে মই কিন্তু জানো ললি।"

"কেনেকৈ ?"

"এনেকৈ" বুলি আলোকে থাপ মাৰি ললিক ধৰি বুকৰ মাজলৈ টানি আনিছিল আৰু দুই সুঠাম বাহুৰ মাজত আৱদ্ধ কৰি পেলাইছিল ললিৰ কোমল দেহাটো।

কেতিয়াবা ললিয়ে কৈছিল—"এতিয়াই এনেকুৱা। বিয়াৰ পিচত যে কি হ'ব কল্পনাই কৰিব নোৱাৰো। কেতিয়া নিশ্চয় আপোনাক সকলোৱে তিৰোতা সেকুৱা বুলি কব। আপোনাৰ কলেজ আৰু মিউজিক স্কুলত আপনাক খুব ঠাট্টা কৰিব, চাব।"

"কেলেই কৰিব? এতিয়া যেনেকৈ মিউজিক স্কুল আৰু কলেজলৈ যাওঁ, তেতিয়াও ঠিক এনেকৈয়ে যাম। তাত মই এজন দায়িত্বশীল শিক্ষক আৰু অধ্যাপক।......কিন্তু তোমাৰ ওচৰত মই কি জানা ?"

"ভেড়া ছাগলী ?" বগা দাঁত কিটা মেলি খিল্‌খিল্‌কৈ হাঁহি আৰু চকুৰে কপট বিদ্রূপৰ বাম মাৰি ললিয়ে সোধে।

আলোকৰ পুৰুষত্বত আঘাত লাগে। ললিৰ কঁকালটোত দুইখন হাতেৰে ধৰি গাৰ ওচৰলৈ টানি আনি আলোকে চিঞৰি উঠে—"কি কৈছা ভেড়া ছাগলী ? তোমাৰ ওচৰত মই কি দুখত ভেড়া হবলৈ যাম ? মই পঞ্চম—"

"সেইটো আক' কি ?"

"পঞ্চম ৰাগ। তুমি যেনেকৈ ৰাগিনী ললিতা, ময়ো তেনেকৈ ৰাগ পঞ্চম ."

কপট ভয় প্ৰকাশ কৰি ললিয়ে সোধে—"সেইটো ৰাগ ভেড়াতকৈ অলপ ওপৰত ছাগে। অতিপাত ভয়লগা মহয়নে ?"

"ঠাট্টা নকৰিবা। জানা, পঞ্চম এটা শক্তিশালী পুৰুষ ৰাগ। এই বিশাল চকু গাত ৰঙা বস্ত্ৰ। কল্পনা কৰিবলৈও তোমাৰ ভয় লাগি যাব। 'ৰক্তাম্বৰী ৰক্ত বিশালনেত্ৰঃ শৃঙ্গাৰযুক্ত তৰুণো মনস্বী।'..."

"আকৌ সংস্কৃত আৰম্ভ হ'ল মহয় ? হৈছে, হৈছে আৰু নেলাগে বুজাব—

আলোকে হাঁহে—"অকল এয়ে নহয়।

—'প্ৰভাতকালে বিজয়ী চ নিজং, সদা প্ৰিয়ঃ।

কোকিল মঞ্জুভাষী ' বিজয়ী পঞ্চম প্ৰভাত কালত সকলোৰে প্ৰিয়—"

"আন সময়ত হবলা এই ৰাগ টোপনিত লালকাল দি থাকে ?" আলোকৰ বুকত আঙুলিৰে খুচি ললিয়ে সোধে।

"লালকাল দি নিশ্চয় নেথাকে' কিন্তু পতি আহে ললিতাৰ ওচৰলৈ প্ৰভাত কালতহে, যেতিয়া এটি দুটিকৈ প্ৰভাতী ফুল ফুলিবলৈ আৰম্ভ কৰে ..."

তেতিয়া ললিয়ে কয়—"ললিতাৰ ওচৰলৈ তেওঁৰ পতি আহে প্ৰভাত কালতহে আৰু আপুনি দেখোন এই আবেলিতেই... "

"মোৰ কাৰনে সকলো কালেই প্ৰভাতকাল। আমাৰ জীৱনত মধ্যাহ্ন, সন্ধ্যা বা ৰাতি বুলি কোনো কাল নাই। আবেলিয়ে মোৰ কাৰনে প্ৰভাত, সন্ধ্যা বা ৰাতিয়েই মোৰ কাৰনে প্ৰভাত......."

তাৰপিচত নিবিড়ভাৱে ললিক সাৱটি ধৰি কানৰ কাষত অস্ফুট স্বৰত কৰলৈ ধৰে—"সেই যে—'সুন্দৰ যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে, সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে'... ... ."

আলোকৰ বুকৰ উষ্ণ নিবিড়তাৰ স্বপ্নাৱেশত ললি দুৰ্ব্বল হৈ পৰে। প্ৰেমৰ গভীৰতাত হৈ পৰে মন্ত্ৰ মুগ্ধা।... ... লগে লগে অভিজ্ঞা ললিয়ে চিনি পায় আলোকৰ চকুৰ ভাষা এই ভাষাত আছে চঞ্চলতা আৰু উত্তেজনা। ললিয়ে আলোকক আঁতৰাই দিবলৈ চেষ্টা কৰি কয়—"চাওঁ মোৰ উশাহ বন্ধ হব এতিয়া। লাইটটো জ্বলাই দিওঁ চাওঁ। কোনোবা আহিব এতিয়া, গুচক।........"

গোটেই শৰীৰটো তপ্ত হৈ পৰা আলোকে কয়—"কোনো নাহে এতিয়া। মাহীদেউ নাই, নিৰুও নাই........"

"ওঁহো নহব। চাওঁ, হাতখন গুচাওক।....... লাইটটো জ্বলাই দিয়ক।........"

উত্তেজিত স্বৰত আলোকে ফুচ্‌ফুচাই কয়—“আৰু দুমাহৰ পিচত তো আমাৰ বিয়া হবই সোনজনী।........”

“কলো নহয়, লাইটটো জ্বলাই দিয়ক”

ললিৰ সুদৃঢ় ব্যক্তিত্বৰ আগত আলোক নিষ্ক্ৰিয় হবলৈ বাধ্য হয়। ভাবে, বৰ আচৰিত ছোৱালী ললি। অন্তৰৰ সৰ্ব্বস্ব উজাৰ কৰি দিয়াৰ পিচতো কিয় ইমান বেছি শঙ্কা?—কিয় ইমান বেচি ভয়?

---

ইমান প্ৰেম, উৎকণ্ঠা, ধৈৰ্য্য, প্ৰতীক্ষা, পৰিকল্পনা আৰু সপোন বোৰ কৰবাৰ পৰা হঠাৎ অহা ৰবদৈচিলাই যে খানবান কৰি দিবহি, এই কথা প্ৰেমমত্ত পঞ্চমে কল্পনা কৰিব পৰা নাছিল। কোবাল ধুমুহা ৰবযুনে অতৰ্কিতে আহি তগৰ ফুলবোৰ ছিঙি মোহাৰি নিঃশেষ কৰি দিব, ললিতাই নিজে জানো ভাবিছিল? এচকুৱা হৰিণীয়ে সাগৰৰ পিনে কণা চকুটো দি পৰম নিশ্চিন্ত-হৈ কোমল ঘাঁহ খোৱাৰ দৰে, ললিয়েও কাৰ্ত্তিক আৰু অতীতৰ জীৱনটোৰ পিনে অৱজ্ঞাৰে পিঠি দি আলোকৰ বুকত মূৰটো থৈ নিৰ্ভৰতা আৰু নিশ্চিন্ততাৰ স্বপ্ন দেখিছিল। সেই কাৰ্ত্তিকেই কালৰাত্ৰি কালনাগৰ দৰে ললিয়ে সযতনে সজোৱা মেৰঘৰত প্ৰবেশ কৰিলে।

কেবাবছৰৰ অনুপস্থিতিৰ পিচত এদিন হঠাৎ কাৰ্ত্তিক আহিল। ....ললিৰ বোধকৰো অলপ অহঙ্কাৰো হৈছিল। নহলে এদিন আলোক নোহোৱা অৱস্থাত কাৰ্ত্তিকে ললিৰ খবৰ লবলৈ আহোতে ললিয়ে কিয় অপমান কৰি পঠিয়াব? আজি চাৰিটা বছৰৰ আগৰ সেই কথা বোৰলৈ ললিয়ে সামান্য ভাৱেও কেৰেপ্ কৰা হ'লে বোধকৰো এনেকুৱা অঘটন নঘটিলহেঁতেন।... ....

... ....আলোক আৰু ললিৰ বিয়াৰ দিন ঠিক হ'ল। বিয়াৰ আয়োজনো ভালমতেই চলিল। দুমাহৰ পিচত বিয়া। তেনেকুৱাতে আলোকৰ মাহীমাক আৰু নিৰুয়ে ললিক তেওঁলোকৰ ঘৰত থবলৈ গ'ল। এমাহৰ পিচত দুয়ো দুয়োকে সম্পূৰ্ণ ৰূপে পোৱাৰ সপোনেৰে দুয়ো দুটা উষ্ণ চুমাৰে বিদায় ললে।.......এমাহৰ কাৰণে আঁতৰি যাব খোজা ললিতাৰ যৌৱন লালিত্য ভৰা শৰীৰটোলৈ চাই আলোকে উপলব্ধি কৰিলে ললিৰ মনটো কিবা এটা ইতস্ততঃ ভাৱে আনমনা কৰি ৰাখে যদিও এই দেহ আৰু যৌৱনৰ লগত কাৰো তুলনা নহয়। ললি এজনী অনিন্দ্য সুন্দৰী নাৰী।........ললিৰ আবেশভৰা যৌৱনৰ ওপৰত যেন অতীত কৈশোৰৰ ছাঁই এতিয়াও লুকাভাকু খেলে। যৌৱনৰ দৃঢ় নিষ্পেষণত তেওঁৰ কঁকাল অতি ক্ষীণ. বুকৰ দুই উচ্চ

চুড়া অন্তৰায় হৈ আছে কাৰণেই কঁকালটোৱে যেন তেওঁৰ লাৱণ্যভৰা মুখখন চাব পৰা নাই। এই দুখতেই যেন কঁকাল ক্ষীন হৈ পৰিছে। কঁকালৰ পৰা দুভাগ হৈ নামি গৈছে লাৱণ্যৰ ধাৰাৰ দৰে তেওঁৰ উৰু যুগল। ললিৰ বাহু দুটাত পদুম ঠাৰিৰ কঁপনি ; ওঁঠ দুটা যেন সাগৰৰ দুঠা সৰু তৰঙ্গ , দুটি চকুত সাগৰৰ নীলা। হাঁহিত যেন বিম্বিত হয় ললিতাৰ পঞ্চমৰ লগত মিলনৰ স্বপ্ন।

... এই দুমাহ ললিক নেদেখাকৈ কেনেকৈ থাকিব আলোকে ভাবি উৱাদিহ নেপালে। ললিহঁতৰ ঘৰলৈ যোৱাত বহুত অসুবিধা। তাৰোপৰি বিয়াৰ আগত ঘনে ঘনে যাবলৈও আলোকৰ লাজ লাগিল। যাবৰ সময়ত ললিয়েও কৈছিল—"মোক নেদেখি থাকিব নোৱাৰি আপুনি আক' আমাৰ ঘৰলৈ নেযাব।"

"কেলেই ?"

"ইস্‌ লাজ নেলাগে নেকি ?"

"গ'লে যদি বেয়া পোৱা, নেযাওঁ বাৰু। কিন্তু তুমি সপ্তাহত দুখনকৈ চিঠি দিব লাগিব, দিব ?"

"ওঁ—দিম বাৰু। সেই বুলি আপুনিও মোলৈ ধুমধাম চিঠি নিদিব। কোনোবাই পাব লাগিলে সৰ্ব্বনাশ হ'ব।........

ললি যোৱাৰ তেৰ মাহ মানলৈ ললিৰ পৰা বহুতো চিঠি পালে আলোকে আৰু তেৰোঁ লিখিলে কেবাখনো। চিঠিবোৰত অদৰ্শনৰ বেদনা আৰু ভবিষ্যত জীৱনৰ ৰঙীন উচ্ছ্বাসৰ কথা ভৰি আছিল। ... তাৰ পিচত প্ৰায় চাৰিদিনমান ললিৰ কোনো খা-খবৰ বা চিঠি নেপাই আলোকে বৰ অশান্তি অনুভৱ কৰিছিল। শেষত মন বান্ধিব নোৱাৰি লাজ কাজ কাটি কৰি থৈ এদিন আলোক ললিহঁতৰ ঘৰলৈ গ'ল। সেইদিনা তাতেই অভাৱনীয়ভাৱে এটা অশোভনীয় পৰিস্থিতিত কাৰ্ত্তিকক লগ পাইছিল। তেতিয়া অৱশ্যে আলোকে কাৰ্ত্তিকক প্ৰথমতে চিনি পোৱা নাছিল।

---

আজি চাৰিবছৰৰ আগৰ কথা। কাৰ্ত্তিকৰ পৰা পোৱাৰ দৰে ললিয়েও অসংখ্য চিঠি লিখিছিল কাৰ্ত্তিকলৈ। সেই চিঠি বোৰত যে ভালেবেয়াই কত কথা লিখা আছিল। বিশেষকৈ চিলঙলৈ যাওঁতে তাত থকা দিন কিটাৰ কথা আৰু তাৰ পৰা ঘুৰি অহাৰ পিচত প্ৰাণৰ ভয়ত কাৰ্ত্তিকলৈ লিখা চিঠিবোৰত বহুতো নিলিখিবলগীয়া কথা লিখিছিল।

... তেতিয়া কাৰ্ত্তিক ললিহঁতৰ ওচৰত আছিল। সকলোফালে ছুঁচিয়াৰ কাৰ্ত্তিক নহলে ললিহঁতৰ ঘৰৰ বহুত কামেই নহৈছিল। বিশেষকৈ ললিয়ে কাৰ্ত্তিকদাদা নহলে কোনো কামেই কৰিব নোৱাৰিছিল। কিবা এটা বস্তু আনি দিব লগা হ'ল বা কৰবালৈ যাব লগা হ'ল, তেতিয়া কাৰ্ত্তিক দাদাৰ বাহিৰে কোনো মানুহ নাছিল।

তেতিয়া কাৰ্ত্তিক আছিল চিধা আৰু সৰল বিধৰ। স্বভাৱটো আছিল অলপমান অভং ধৰণৰ। ছোৱালীৰ সঙ্গ কামনা কৰাটোৱেই তাৰ একমাত্ৰ দোষ আছিল। কাৰ্ত্তিকেও ধুনীয়া ললিৰ দুই-চাৰিটা আব্দাৰ পালন কৰি খুব আনন্দ পাইছিল।

ছোৱালীৰ শৰীৰৰ বিষয়ে কাৰ্ত্তিকে ইতিমধ্যে কিছু জ্ঞান লাভ কৰিছিল যদিও ললিৰ শৰীৰটো স্পৰ্শ কৰাৰ ধৃষ্টতা তাৰ হোৱা নাছিল। কিন্তু পিচত ললিৰ প্ৰচ্ছন্ন সমৰ্থনত সিমান দূৰো আগবাঢ়ি গৈছিল। তেতিয়া ললিয়েই যে দায়ী আছিল, এই কথাও দাঠি কব নোৱাৰি। কাৰ্ত্তিকৰ ওখ আৰু সুঠাম স্বাস্থ্যৰ দেহটোও কিছু পৰিমানে দায়ী আছিল।.... তাৰপিচত যৌৱনৰ জোৱাৰত দুয়ো উটি-ভাঁহি গৈছিল। ঘৰখনক আঁৰ কৰি ডেকা গাভৰুৰ এই প্ৰেম বহুত দিন চলিছিল যদিও মাক আৰু পেহীয়েকৰ চকুত সিহঁত সাৰি যাব পৰা নাছিল।

কাৰ্ত্তিকৰ কোনো নাছিল বুলি কব পাৰি। ভনীয়েকক কেতিয়াবাই বিয়া দিলে। তেতিয়া থকাৰ ভিতৰত আছিল দদায়েক আৰু খুৰীয়েক। তেওঁলোকৰ সেইবোৰলৈ খবৰ নাই।

………কাৰ্ত্তিকেও বোধকৰো সেই সময়ত ললিক প্ৰাণ ভৰি ভাল পাইছিল। সি ভাল পোৱা প্ৰথম নাৰি আছিল ললিয়েই। ললিক বিয়া কৰাম বুলি ঠিৰাং কৰি সি এদিন মাকৰ আগত প্ৰস্তাৱ দিছিল। কণ্ট্ৰেক্টৰ কাৰ্ত্তিক বৰুৱাৰ প্ৰস্তাৱত সেইদিনা কোনেও আপত্তি কৰা নাছিল। মাত্ৰ ললিৰ দেউতাকে সামান্য আপত্তি কৰিছিল হবল', কিন্তু সবলা ব্যক্তিত্বৰ আগত তেওঁ হাৰ মানিছিল। ললিহঁতৰ ঘৰলৈ দৈনন্দিন লাগতীয়াল বস্তু ইটো-সিটো আনি দি কাৰ্ত্তিকে সেইখন ঘৰত তাৰ আসন বহুত দিনৰ আগৰ পৰাই ম্যাদী কৰি পেলাইছিল।………সেই কাৰণে ললিৰ স্কলাৰশ্বিপৰ কাৰণে চেষ্টা কৰিবলৈ সি ললিক চিলঙলৈ লৈ যাব খোজাত কোনেও আপত্তি কৰা নাছিল। যাওক আজি বাদে কাইলৈ কাৰ্ত্তিকে তাইক বিয়া কৰাবই যেতিয়া আজি তাৰ লগত অলপমান ফুৰিলেনো কি হানি হব? মাকৰ আগত কওঁতে কৈছিল, চিলঙত দুয়ো—চেক্ৰেটাৰিয়েটত কাম কৰা কাৰ্ত্তিকৰ মোমায়েকৰ ঘৰত থাকিব। ……..কিন্তু প্ৰকৃততে সিহঁত হেনো কোনোবা এটা হোটেলতহে আছিল।

…. .চিলঙৰ পৰা ঘূৰি অহাৰ পিচৰ মাহতো যেতিয়া নিৰ্দ্দিষ্ট দিন পাৰ হৈ গ'ল, তেতিয়া ললিৰ বুকুখন চিৰিংকৈ কঁপি উঠিল। ভীষণ ভয় খালে ললিয়ে। তাৰ পিচত কাৰ্ত্তিকলৈ লিখা চিঠিত কি ইমনি বিননি। সেই চিঠিত আছিল প্ৰাক্-বিবাহ যৌন আচৰণত পৰিয়াল পৰিকল্পনা কৌশলৰ সম্ভাব্য ব্যৰ্থতা, পৰিণাম আৰু তাৰ আশু সমাধান।

……চিলঙৰ পৰা ঘূৰি অহাৰ কেইদিনমান পিচত জিৰ'ত কাম কৰা ভনী জোৱাঁয়েকে কিবা এটা ডাঙৰ কণ্ট্ৰেক্টৰ কাৰণে কাৰ্ত্তিকক জৰুৰীকৈ মাতি পঠিয়াইছিল। কাৰ্ত্তিকে উত্তৰ লক্ষীমপুৰৰ ঠিকনা এটা দিছিল। তালৈকে ললিয়ে চিঠি দিছিল। নেফাৰ কণ্ট্ৰেক্টটো শেষ হোৱাৰ পিচতেই ললিক বিয়া কৰাম বুলি কথা দি গৈছিল।

........ললিৰ চিঠিবোৰ পোৱাৰ পিচত প্ৰত্যেকখন চিঠিতে ভয় কৰিবলগীয়া একো নাই—বুলি কাৰ্ত্তিকে ললিক সান্ত্বনা দিছিল।

তাৰ পিচত অৱশ্যে ললিয়ে আগন্তুক দুঃচিন্তাৰ পৰা সকাহ পালে। নহলে যে কি হ'লহেঁতেন ভাবিবই নোৱাৰি। কাৰণ তেতিয়া কাৰ্ত্তিক বহুত দূৰৈত।........ভাগ্যে কেইদিনমানহে পাৰ হৈছিল। বেছি দিন হোৱা হ'লে যে কি কলঙ্কৰ কথাই নহলহেঁতেন। ইয়াৰ পিচতেই সকলোবোৰ জনাই ললিয়ে জিৰ'ৰ ঠিকনাত কাৰ্ত্তিকলৈ চিঠি দিলে। তাত লিখিলে—"এইবাৰ কোনোমতে ৰক্ষা পালো।........আৰু সোনকালে আহি বিয়া পাতি মোক লৈ যোৱাৰ ব্যৱস্থা কৰিবা।"

এই চিঠিখনৰ উত্তৰ কাৰ্ত্তিকেও নিদিয়াকৈ থকা নাছিল। উত্তৰত ধৈৰ্য্য ধৰিবলৈ কৈছিল। লিখিছিল—"বিয়া কৰাম বুলি ক'লো যেতিয়া তোমাকেই বিয়া কৰাম। চিন্তা নকৰিবা। পঢ়াশুনা কৰি থাকা। ....মই বৰ্ত্তমান কণ্ট্ৰেক্টৰ কামত জিৰৰ ওপৰলৈ ঘনাই অহা যোৱা কৰি থাকিবলগিয়া হৈছে। বৰ কষ্ট। থকা, খোৱা সকলোতে কষ্ট। পোষ্টকাৰ্ড, ইনলেণ্ড আদিও পাবলৈ কেতিয়াবা টান হয়। সেই কাৰণে চিঠি দিব নোৱাৰিলেও বেয়া নেপাবা।"

....আৰু পিচত স্বাভাৱিক ভাবেই আৰু লাহে লাহে কাৰ্ত্তিকে ললিলৈ চিঠি লিখিবলৈ এৰিছিল। প্ৰথমতে ললিয়ে একো সন্দেহ কৰা নাছিল। কাৰ্ত্তিকলৈ চিঠি দিছিল কেবাখনো তাৰ কোনো উত্তৰ নাহিল। তাৰ পিচত বুজিলে কাৰ্ত্তিকে ইচ্ছা কৰিয়ে চিঠি দিয়া বন্ধ কৰিছে।

....তাঁৰ পিচত মনৰ আশঙ্কা, ক্ষোভ আৰু বেদনাত সেইবাৰ ললিয়ে পৰীক্ষাকে দিব নোৱাৰিলে। উনৈশ বছৰীয়া ললিৰ জীৱনটো হতাশাই ছানি ধৰিলে। লাহে লাহে নাচৰ চৰ্চ্চাও এৰি পেলালে। গভীৰ নিৰাশাবাদী মনেৰে ললিয়ে ভাবিলে—"নৃত্য শিক্ষাৰ স্কলাৰ্-শিপৰ বাবে চিলঙলৈ গৈ যি কলঙ্ক" বুটলিলো, তাৰ পিচত নাচ

শিকাৰ কোনো প্ৰয়োজন নাই....'। লগে লগে পুৰুষজাতিৰ ওপৰত তেওঁ এটা ধাৰণা কৰি পেলাইছিল—সিহঁত মিছলীয়া, ভণ্ড, লোভী আৰু স্বাৰ্থপৰ। মিঠা মিঠা কথাৰে ছোৱালীৰ শৰীৰ আৰু মন দস্যুৰ দৰে কাঢ়ি লৈ যোৱাৰ পিচত মাটিত আকৌ আচাৰি পেলাই দি সিহঁতে আনন্দ পায়।

....কিন্তু ইয়াৰ কিছু বছৰৰ পিচত যেতিয়া আলোকক লগ পালে, তেতিয়া তেওঁ শিকিলে এজন বিশেষ পুৰুষক লৈহে ভৱিষ্যতৰ ৰঙীন সপোন ৰচনা কৰিব পাৰি।

...বহুত দিনৰ মূৰত কাৰ্ত্তিকক দেখি ললিহঁতৰ গোটেই ঘৰ-খনেই সেইদিনা চক্‌খাই উঠিল। ধনী কণ্ট্ৰেক্টৰ কাৰ্ত্তিক বৰুৱাৰ প্ৰতি বিৰক্তিৰে চাই আশঙ্কা মিহলি স্বৰত ললিৰ মাকে ক'লে —"ললিৰ বিয়া পাতিছো নহয়, কব পাৰামে নোৱাৰা? বিয়াত থাকি নিজে লাগি ভাগি দিব লাগিব ;...."

তেতিয়া বাহিৰত আনন্দ প্ৰকাশ কৰি কাৰ্ত্তিকে কৈছিল—"বৰ আনন্দৰ খবৰ। শুনি ভাল পালো। নিশ্চয় সহায় কৰিম। কেলেই নকৰিম? ...ললি কেনি গ'ল? মাতকচোন।"

গালে গালে টকা পাই মদপী আৰু দুশ্চৰিত্ৰলৈ ৰূপান্তৰিত হোৱা কাৰ্ত্তিকে কিন্তু ভাবিছিল ললি নিশ্চয় তাৰ কাৰণে এতিয়াও ৰৈ আছে। তাৰ সেই ভুল ভাঙিল। তাৰ পুৰুষত্বত আঘাত লাগিল।

কাৰ্ত্তিক অহাৰ খবৰ পাই ভিতৰত ললি উচপ্‌ খাই উঠিল আৰু ভয়ত বুকৰ কঁপনি উঠিল। বিয়ালৈ মাত্ৰ কুৰি দিন মানহে আছে। তেনেকুৱা অৱস্থাত কাৰ্ত্তিকৰ আৱিৰ্ভাৱত বহুতো আশঙ্কাই ললিৰ মনটো ঘেৰি ধৰিলে। তথাপিও বিশ্বাসঘাতক কাৰ্ত্তিকৰ আগত সকলো কথা কৈ সাহসেৰে পৰিস্থিতিৰ সন্মুখীন হবৰ কাৰণে ললি কাৰ্ত্তিকৰ আগত ওলাল।

ললিৰ ধুনীয়া আৰু উজ্জ্বল স্বাস্থ্য দেখি কাৰ্ত্তিকে বুজিলে ললি

আজি তাৰ পৰা বহুত দূৰলৈ আঁতৰি গৈছে। নিজৰ বিশ্বাস-ঘাতকতাৰ কথা সমুলি পাহৰি গৈ তাৰ চকুত জিলিকি উঠিল এটা প্ৰতিহিংসাৰ আক্ৰোশ। এই সুন্দৰ যৌৱন অধিকাৰিণী মাৰী হব লাগিছিল তাৰ, কিন্তু হবগৈ আন কাৰোবাৰ। কিন্তু এতিয়াও তো বিয়া হোৱা নাই, এতিয়াও সময় আছে।

সেইদিনা অতীতৰ সকলো কথা পাহৰি যোৱাৰ ভাও ধৰি ললিয়েও কাৰ্ত্তিকক খুব ভদ্ৰ ব্যৱহাৰ কৰিছিল। কিন্তু ললিৰ এনেকুৱা ভদ্ৰ, শিষ্টাচাৰপূৰ্ণ আচৰণে কাৰ্ত্তিকৰ মনৰ ক্ষোভ আৰু কামনাৰ জুই কুৰা জ্বলাইহে দিছিল। তথাপিও এবাৰ ললিৰ ভদ্ৰজনোচিত কথা বতৰাৰ মাজত কাৰ্ত্তিকে কৈছিল—"আগত কৈ বহুত ধুনীয়া হ'লা।..... ."

"আপুনিও নেফাত থাকি বহুত শকত হ'ল।"

তাৰ পিচত হঠাৎ কাৰ্ত্তিকে সুধিলে—"বিয়াত নিশ্চয় তোমাৰ সম্পূৰ্ণ মত আছে"

"আছে।"

"আজি পিনি চাৰি বছৰৰ আগৰ কথাবোৰ তেনেহলে একেবাৰে পাহৰি গ'লা ?"

"সেইবোৰ মনত ৰাখি কি লাভ? মই অন্ততঃ পাহৰিবলৈ চেষ্টা কৰিছো ..." গহীন গম্ভীৰ ললিলৈ বিক্ষোভৰদৃষ্টিৰে চাই দাঁত কামুৰি সেইদিনা কাৰ্ত্তিক ওলাই গ'ল।

..তাৰ দুদিন মানৰ পিচত কাৰ্ত্তিক আকৌ এদিন আহিল। সেইদিনাও গধূলি। সেইদিনা কিন্তু ঘৰত কোনোৱেই নাছিল দেউতাকৰ বাহিৰে। গা অসুখৰ কাৰণে দেউতাক ভিতৰত শুই আছিল। মাক আৰু ভনীয়েক কিজনী গৈছিল সোমাবীৰ দোকানলৈ। এই সকলোবোৰ জানি শুনিয়ে সেইদিনা কাৰ্ত্তিক ললিৰ ওচৰলৈ আহিছিল নেকি কোনে জানে!

কাৰ্ত্তিক আকৌ অহা দেখি লালৰ বুকুখন কঁপি উঠিল। আজি

তাৰ চকু কিটা বগা। কথাবোৰ অসংযত। সি আহি বহাৰ লগে লগে ভেকেটা ভেকেট্ গোন্ধ এটা গোটেই কোঠাটোত বিয়পি পৰিল। ললিয়ে আজি ভিতৰি ভিতৰি ভীষণ ভাৱে অস্বস্তি অনুভৱ কৰিবলৈ ধৰিলে। কি দৰকাৰ বাৰে বাৰে এই মানুহটো ইয়ালৈ অহাৰ ?

অপৰিসীম গাম্ভীৰ্য্য মুখখনত ফুটাই তুলি ললি ভিতৰলৈ আহিল আৰু ভিতৰৰ পৰা তামোলৰ বটাটো আনি তাৰ আগত থৈ ক'লে—"তামোল খাওক—"

কাৰ্ত্তিকৰ মদখোৰা দেহাত তেতিয়া কামনাৰ জুই জ্বলিছে।

"ঘৰত কোনো নাইনেকি ?"

"আছে—মানে—"

"ললি। বহাচোন।.... ...তোমাৰ এই ৰূপ আৰু যৌৱন আনে ভোগ কৰিব, মই কিন্তু ভাবিবও পৰা নাই।.. ....এতিয়াও সময় আছে। তুমি আলোক বৰুৱাক সকলোবোৰ জনাই দিয়া। তোমাক মই বিয়া কৰাই লৈ যাম ........কি বোলা ?"

গহীন আৰু সংযত স্বৰত ললিয়ে ক'লে—"সেইটো এতিয়া হব নোৱাৰে কাৰ্ত্তিকদা! মোক ক্ষমা কৰিব।·······আপুনি যদি সঁচাকৈয়ে মোক এদিন ভাল পাইছিল মোৰ জীৱনৰ পৰা আঁতৰি যাওক, কাৰ্ত্তিকদা ..."

"বাদ দিয়া তোমাৰ সেইবোৰ নীতিবচন। মুঠতে তোমাক লাগে। তোমাৰ আলোক বৰুৱা নে কি সেইটোক বাদ দিয়া। মই বিয়া কৰাম তোমাক—"

"সেইদিন কেতিয়াবাই পাৰ হৈ গ'ল কাৰ্ত্তিকদা। এতিয়া বহুত পলম হৈ গ'ল, আৰু তাৰ কাৰণে যে আপুনিয়ে দায়ী আছিল, এই কথাও নিশ্চয় আপুনি স্বীকাৰ কৰিব—"

"বাৰে বাৰে একেটা কথাকে উলিয়াই আছা কেলেই ? প্ৰথম প্ৰথম তোমাকেই মই ভাল পাইছিলো। তেতিয়া তুমি মোক

তোমাৰ এই শৰীৰ আৰু মন সকলো দিছিলা। গতিকে এতিয়াও........"

"কাৰ্ত্তিকদা।"

"তোমাৰ তেনেকুৱা ধমকি লৈ মই যে কেয়াৰ নকৰো তুমি খুব ভালকৈ জানা।.......এটা কথা মনত ৰাখিবা, তুমি লিখা কেবাখনো চিঠি এতিয়াও মোৰ বাকচত আছে। ইচ্ছা কৰিলে মই—"

"কাৰ্ত্তিকদা! ইমান নীচ আপুনি? আপুনি ..."

ললিতাৰ বিৱৰ্ণ মুখখনলৈ চাই কাৰ্ত্তিক উঠি আহি তেওঁৰ ওচৰ চাপি ক'লে—"মই নীচ নহওঁ ললি। সেইকিখন চিঠি থৈ দিছিলো। তেনেকুৱা বহুত ছোৱালীৰ চিঠিও মোৰ হাতত আছে। ....সেইকাৰণে কৈছিলো তুমি আলোক-কালোক বাদ দিয়া। নহলে...."

তেতিয়া ললিৰ চকুৰেদি দুখ আৰু ক্ষোভত পানী বৈ আহিছিল। নীচ আৰু কাপুৰুষ কাৰ্ত্তিক। তালৈ আজি আকৌ এবাৰ তেওঁ প্ৰচণ্ড ঘৃণাৰ ভাৱ অণুভৱ কৰিলে।

"আপুনি যাওক। মোৰ মূৰটো কামুৰিছে...." ললি ভিতৰলৈ সোমাই যাব খোজোতেই পিচফালৰ পৰা লগে লগে মদমত্ত হাতীৰ দৰে কাৰ্ত্তিকে ললিৰ কঁপি থকা দেহাটো বজ্ৰ বন্ধনেৰে সাৱটি তাৰ বুকলৈ টানি আনিলে।

লগে লগে ললি চিঞৰি উঠিল—"এৰি দিয়ক—ইমান অসভ্য আপুনি!!"

হাতৰ বন্ধন দৃঢ় কৰি কাৰ্ত্তিকে মুখখন বিকৃত ভাৱে বেঁকা কৰি হাঁহি ক'লে—"আজিহে জানিলা নেকি?....লেমটো নুমুৱাই দিওঁনে?"

মৃত্যুৰ হাতৰ পৰা ৰক্ষা পাবলৈ অতি দুৰ্ব্বল মানুহেও শৰীৰত কৰবাৰ পৰা প্ৰভূত শক্তি লাভ কৰে। ললিয়েও তেওঁৰ নাৰী

দেহত থকা সকলো শক্তি একগোট কৰি কাৰ্ত্তিকৰ দুই বাহুৰ পৰা প্ৰবলভাৱে নিজৰ শৰীৰটো আজুৰি আনিলে। খং আৰু উত্তেজনাত 'দেউতা' বুলি চিঞৰি ফোপাবলৈ ধৰিলে। জ্বলন্ত দৃষ্টিৰে কাৰ্ত্তিকলৈ চাই ক'লে—"তোমাৰ লাজ নাই কাৰ্ত্তিকদা? তুমি পিশাচত পৰিনত হৈছা। ....তুমি ইয়ালৈ আৰু কেতিয়াও নাহিবা। এতিয়াই ওলাই যোৱা। তৎক্ষণাত ওলাই যোৱা—"

চিকাৰ হেৰোৱা বাঘৰ দৰে কাৰ্ত্তিকে তেতিয়া অগ্নি দৃষ্টিৰে ললিলৈ চালে। তেনে সময়ত দুৰ্ব্বল খোজেৰে ভিতৰৰ পৰা ললিৰ দেউতাক ওলাই আহি ললিৰ কাষত থিয় হৈ কাৰ্ত্তিকলৈ আচৰিত হৈ চাবলৈ ধৰিলে। তাতোকৈ ডাঙৰ কথা, ঠিক তেনে সময়তেই নাটকীয় ভাৱে বাহিৰৰ পৰা সোমাই আহিল আলোক। এনে অভাৱনীয় দৃশ্য আৰু এজন অচিনাকি মানুহৰ আগত ললিৰ প্ৰচণ্ড ক্ৰোধৰ এই চেহেৰা দেখি আলোক হতভম্ব হৈ পৰিল। ললিতাৰ এনেকুৱা উগ্ৰ খং কোনোদিনাই তেওঁ দেখা নাই। কাৰো মুখত কোনো শব্দ নেপাই 'কি হল'? বুলি তেওঁ চিঞৰি দিলে আৰু কাৰ্ত্তিকলৈ চাই খঙেৰে সুধিলে—"কোন আপুনি? ....কি লাগে আপোনাক?"

কাৰ্ত্তিকে একো নেমাতিলে। প্ৰতিহিংসাৰ একুৰা জুই বুকুত দুগুনে জ্বলাই এটা ব্যঙ্গ আৰু বিদ্ৰূপৰ হাঁহি মাৰি দপ্‌দপাই ওলাই গ'ল। এই ব্যঙ্গ হাঁহিটোৰ মাজত যে এপাত মৃত্যুৰ বান লুকাই আছিল কোনে জানিছিল!

...ইয়াৰ পিচত পৰম আশ্চৰ্য্য দৃষ্টিৰে আলোকে তললৈ মুৰ কৰি থকা ললিলৈ চালে। তেতিয়া ললিৰ দেউতাক ভিতৰলৈ গৈছে। ললিৰ ওচৰলৈ আহি পিঠিত হাতখন দিয়াৰ লগে লগে হুকুহুককৈ কান্দি ললি আলোকৰ বুকত বাগৰি পৰিল। বাৰে বাৰে কি হৈছে বুলি সোধা স্বত্ত্বেও ললিয়ে একো কব নোৱাৰিলে। বেছিকৈ কান্দিলে—বেছিকৈহে ফেকুৰিলে। নাৰী জীৱনৰ প্ৰথম

গ্লানি—প্ৰথম কলঙ্কৰ কথা তেওঁ কেনেকৈ ক'ব। আলোকৰ আগত এই দুৰ্ব্বিহ বেদনাৰ জ্বালা আৰু অপমানৰ দীঘলীয়া কাহিনী কোনখন মুখেৰে প্ৰকাশ কৰিব ললিয়ে। আলোকে যে ললিক নিজৰ প্ৰাণতকৈও বেছি ভাল পায়। প্ৰিয়তমা ললিৰ পূৰ্ব্বৰ কলঙ্ক কাহিনী শুনি আপোন ভোলা শিল্পী আলোক যদি অধৈৰ্য্য হৈ পৰে—যদি পগলা হৈ যায়! নাৰী জীৱনৰ এটা কলঙ্কৰ প্ৰায়শ্চিত্তৰ বিনিময়ত বোধকৰো কোনো নাৰীয়ে হব খোঁজা স্বামীৰ অকল্যাণ আৰু দুখ নিবিচাৰে—ললিয়ে অন্ততঃ নিবিচাৰে।

....কিন্তু কবলৈ বাধ্য হ'ল। অধৈৰ্য্য আৰু আকুল হৈ পৰা আলোকক অস্পষ্ট লেমৰ পোহৰত তললৈ মুৰ কৰি ললিয়ে তেওঁৰ নাৰী জীৱনৰ প্ৰথম ভুলৰ কথা ক'লে। সাৱধানেৰে বাচি বাচি আলোকৰ আগত ললিয়ে বহুত কথাই ক'লে; মাত্ৰ নকলে চিলং আৰু দুই-চাৰিটা কাহিনীৰ কথা। এই কাহিনী নিশ্চয় কোনো নাৰীয়ে হব খোজা স্বামীৰ আগত কব নোৱাৰে। এয়া নিজস্ব কলঙ্কৰ কথা যাৰ বোজা নাৰীয়ে নিজেই আজীৱন অকলে বহন কৰে আৰু বিবেকৰ সোকাহত্তত সচকিত হৈ অকলেই নিৰলে অনুতাপদগ্ধা হয়।

ললিৰ মুখত তেওঁৰ প্ৰথম প্ৰেমৰ কথাবোৰ শুনি নিবিড় আলিঙ্গনেৰে ললিক বুকৰ মাজত সুমুৱাই আলোকে গভীৰ মমতাৰে সান্ত্বনা দি ক'লে—এইবোৰ বৰ সাধাৰণ কথা। প্ৰত্যেক মানুহৰ জীৱনত এনেকুৱা সৰু সুৰা ঘটনা ঘটে। এদিন আলোকৰো শান্তা বোলা ছোৱালী এজনীৰ প্ৰতি দুৰ্ব্বলতা আছিছিল আৰু তাইৰ বিয়াৰ খবৰ পাই কেনেকৈ তেওঁ মৰ্ম্মাহত হৈছিল তাকো ক'লে। ক'লে—

"সৰু কথা এটা লৈ ইমানকৈ নেভাবিবা। শৰীৰ আৰু মন দুয়োটাই বেয়া হব। ....ময়েই বাৰু তাক তোমালোকৰ ঘৰলৈ আহিবলৈ মানা কৰি দিম....।"

ললিয়ে মুখটো আলোকৰ বুকত প্ৰবলভাৱে জোকাৰি কৈ উঠিল—"নেলাগে, নেলাগে। সেইবোৰ দৰকাৰ নাই। আপোনাকো অপমান কৰিব সি। ...সি বোধকৰো আৰু নাহে। সি নিজেও কম লাজ পোৱা নাই আজি—"

অভিভূত স্বৰত আলোকে ক'লে—"তেনেহলে চিন্তা কৰি নেথাকিবা। সেইবোৰ অতীতৰ কথা পাহৰি যোৱা। ....মাত্ৰ মনত ৰাখিবা, আমাৰ জীৱনত এতিয়া পঞ্চম আৰু ললিতৰ বাহিৰে কোনো সুৰ নাই। ধূপ আৰু তগৰৰ বাহিৰে কোনো গোন্ধ নাই—"

---

কিন্তু ৰাগ পঞ্চম আৰু ৰাগিনী ললিতাৰ মাজত যদি বিকৃত, নিষিদ্ধ আৰু বৰ্জ্জিত সুৰ আহি প্ৰবেশ কৰে, তাক বাধা দিব কোনে ?

পঞ্চম আৰু ললিতাৰ মধ্যমাদি মূৰ্চ্ছনা থানবান হৈ গল ; যিদিনাই আলোকে ডাকত এখন ডাঙৰ চিঠি পালে আৰু পালে কাৰ্ত্তিকৰ পৰা।

চিঠিত কি লিখা আছিল ? কি লিখা থাকিল তাত ? চিঠিৰ প্ৰতিটো শব্দত আছিল কাৰ্ত্তিকৰ মনৰ প্ৰতিহিংসাৰ একো একোটা উদ্‌গীৰন।—"মই লিখা কথাবোৰ যদি আপোনাৰ মিছা যেন লাগিছে, তেন্তে লগত দিয়া চিঠিবোৰ চাব। আপোনাৰ ভাবী-পত্নী ললিৰ হাতৰ আখৰ তেওঁ নিজেও বোধকৰো অস্বীকাৰ কৰিব নোৱাৰিব। আপোনাৰ ভাৱী-পত্নীয়ে চিলঙত মোৰ লগত কেনেকৈ সময় কটাই-ছিল আৰু তাৰ পৰা ঘুৰি অহাৰ পিচত তেওঁৰ কি হৈছিল, সকলোবোৰ তেওঁৰ চিঠিৰ পৰাই গম পাব। তথাপিও যদি আপুনি মোক অবিশ্বাস কৰে স্বয়ং ললিকেই সুধিব। তেওঁ যদি কবলৈ লাজ কৰে ; আপোনাৰ মাহীমাক আৰু তেওঁৰ মাক অৰ্থাৎ আপোনাৰ ভাৱী শাহুক সুধিব..।"

.. সেইদিনা আলোকৰ ভৰিৰ তলত থকা পৃথিৱী খন প্ৰবলভাৱে কঁপিবলৈ ধৰিছিল। চকুৰ আগত থকা গছ, বন, ফুল, ঘৰ দুৱাৰ সকলোবোৰ লৰিবলৈ ধৰিছিল। মিউজিক স্কুলৰ চেতাৰ, বেহেলা, তবলা আদি সকলোৰে পৰা যেন এটা বিকৃত আৰু উদ্‌ভ্ৰান্ত স্বৰ ওলাই চাৰিওকালে বিয়পি পৰিছিল।

তাৰ পিচত আলোকে বাচত উঠি কেতিয়া আৰু কেনেকৈ ললিহঁতৰ ঘৰ ওলালগৈ কোনেও কব নোৱাৰিলে।

ললিৰ মাকে আলোকলৈ এটা আক্ৰোশৰ দৃষ্টিৰে চালে। মুখেৰে মাতিব নোৱাৰিলে। ভয়ত আৰু আশঙ্কাত ললিৰ মাক ভিতৰলৈ সোমাই গ'ল। ....ললি হাঁহি হাঁহি ভিতৰৰ পৰা ওলাই

আছিল। ভাৰী-পত্নীলৈ আলোকে চালে। তেওঁৰ অন্তৰখন প্ৰচণ্ড ঘৃণাৰে ভৰি পৰিল। মুখেৰে একো নেমাতিলে। ভয় আৰু শঙ্কাত দুৰুদুৰু অন্তৰ এখনেৰে ললিয়ে অনুনয় বিনয় কৰি 'কি হৈছে' বুলি বাৰে বাৰে সোধা স্বত্ত্বেও আলোকে মুখেৰে নেমাতিলে। আলোকৰ যেন বাক্‌ৰুদ্ধ হৈ গৈছে—কণ্ঠ ধ্বনি স্তব্ধ হৈ গৈছে। আলোকৰ এনেকুৱা প্ৰচণ্ড ভয়লগা চেহেৰা দেখি ললি কঁপিবলৈ ধৰিলে। .. সোঁ চকুটো যেন বাৰে বাৰে লৰিবলৈ ধৰিলে।

কঁপা কঁপা মাতেৰে ললিয়ে সুধিলৈ—"আপোনাৰ কি হৈছে কওঁকচোন। ....মোৰ ওপৰত কিবা খং উঠিছে নেকি ?"

প্ৰচণ্ড খঙে আলোকৰ অন্তৰখন পুৰি পেলালে। কাৰ্ত্তিকে দিয়া চিঠিৰ জাপটো ললিলৈ আগবঢাই দি ক'লে—"পঢ়ি চোৱা—"

ললিৰ মুখখন অজান ভয়ত বিবৰ্ণ হৈ পৰিল। কঁপা কঁপা হাতেৰে চিঠিখিনি লৈ পঢ়িবলৈ আৰম্ভ কৰিলে। মুখখন একেবাৰে ক'লা হৈ পৰিল। ভৰিৰ তলৰ মাটীখিনি থৰথৰকৈ কঁপিবলৈ ধৰিলে। থাপ মাৰি চকিখনত ধৰি নিজক পৰি যোৱাৰ পৰা ৰক্ষা কৰি মনটো দৃঢ় কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিলে।

"সঁচানে এইবোৰ কথা ?" ললি নিমাত হৈ থাকিল। চিঠিৰ এটা বৰ্ণও তো মিছা নহয়। কি কব তেওঁ ?

"নেমাতা কেলেই ? সঁচা নে মিছা ?"

"সঁচা।"

"সঁচা!! মোৰ লগত তেনেহলে খেলিছিলা কিয় ? এনেকৈ প্ৰতাৰণা কৰাৰ কি প্ৰয়োজন আছিল ?

"আপোনাক মই প্ৰতাৰণা কৰা নাছিলো। আপোনাৰ লগত খেলাও নাছিলো........"

"তেন্তে কি কৰিছিলা তুমি ? তুমি ইমান হীন আৰু নীচ বুলি ভবা নাছিলো। তুমি ভ্ৰষ্টা।"

"আপুনি".... ললিয়ে কথা কবনোৱাৰিলে। এই মুহূৰ্ত্তত ললিয়ে কি বেদনা আৰু ক্ষোভ বহন কৰিছে আলোকে জানো জানে ?

তেনেতে ভিতৰৰ পৰা ললিৰ মাক ওলাই আহিল :—"কি হৈছে হে পোনা ? বিয়াৰ আগে আগে এইবোৰ........"

"কি হোৱা নাই সেইটো সোধক। ....এতিয়াহে বুজিছো এই-বিলাক আপোনালোকৰ ষড়যন্ত্ৰ আছিল। মোৰ নিচিনা মানুহ এটাক ঠগি আপোনালোকৰ কি লাভ হল কওক। আৰু বিয়া? আপোনাৰ সতী ছোৱালীক কাৰ্ত্তিকলৈকে বিয়া দি দিয়ক—" এই বুলি কৈয়েই প্ৰচণ্ড বিক্ষোভত আলোক তাৰ পৰা ওলাই গুচি আহিল। ললিৰ মাকে এবাৰ আতুৰত চিঞৰিলে—"শুনাচোন পোনা, আচল কথাটো শুনি যোৱা—" কিন্তু আলোক নৰ'ল। এতিয়া আৰু কি আচল কথা শুনিবলৈ আছে!

....ঘৰলৈ আহি নিজৰ কোঠাটোত সোমাই লাইটটো জ্বলাই দিয়াৰ লগে লগে মাক আৰু গুৰুজীৰ ফটো দুখন জিলিকি উঠিল। আলোকে মাক আৰু গুৰুজীক একেবাৰে পাহৰি পেলাই-ছিল, তাৰ ফল আজি হাতে হাতে পালে। তাৰ পিচত চালে বিচনাখনত শোৱাই থোৱা চেতাৰ খনলৈ। আজি বহুত দিন চেতাৰ খনতো হাত দিয়া নাই।........

....আলোকে আজি প্ৰথম আৱিষ্কাৰ কৰিলে নাৰী অবিশ্বাসী, বিশ্বাসঘাতকিনী, সাপৰ দৰে নিষ্ঠুৰা, পিশাচী আৰু নাৰকী। মুখখনত শিশুৰ সৰলতা। চৰাইৰ দৰে কোমল বুকুখনৰ তলত যে ইমান বিষ লুকাই আছিল আজি আলোকে ভাবি উলিয়াব নোৱাৰে। আজি আলোকে প্ৰথম অনুভৱ কৰিলে নাৰী কেতিয়াও মৰমৰ পাত্ৰী হব নোৱাৰে। পৃথিৱীত নাৰীৰ সৃষ্টি হৈছে একমাত্ৰ পুৰুষৰ উপভোগৰ কাৰনেহে। ....লগে লগে মাহীমাক, ললিৰ মাক, ললি—এই তিনিওৰে ষড়যন্ত্ৰ চকুৰ আগত উদঘাটিত হৈ পৰিল। এই ত্ৰি-চক্ৰী ষড়যন্ত্ৰৰ সৰ্প বন্ধনত আলোক বন্দী হৈ পৰিছিল।

প্ৰৱল বিক্ষোভ আৰু অভিমানত মাকৰ ফটোখনৰ ওচৰলৈ

আহি মাকৰ শান্ত পবিত্ৰ মুখখনলৈ চাই ক'লে—"মা তুমিও তো ৰাৰী আছিলা।"

তাৰ পিচত তাৰ পৰা ওলাই আহি মাহীমাক আৰু নিৰুক বিচাৰিলে। মাহীয়েক নাই, কৰবালৈ গৈছে—এতিয়ালৈকে অহা নাই। ....নিৰুয়ে নিজৰ টেবুলত কিবা এখন লিখিআছিল। পোনাদাৰ দপ্‌দপাই যোৱা ভৰিৰ শব্দ শুনি উচপ্‌ খাই কাগজখন ঢাকি থলে। কিবা এটা কম বুলি ভাৱিছিল যদিও পোনাদাৰ ক'লা গম্ভীৰ মুখখন দেখি মনে মনে থাকিল।

....থানেশ্বৰ কায়ে বান্ধনী ঘৰত কিবা এটা কৰি আছিল। অসময়ত আলোকক তাত দেখি থানেশ্বৰ আচৰিত হ'ল। এটা অজান আশঙ্কাত থানেশ্বৰৰ পঞ্চাশ বছৰীয়া অভিজ্ঞতাৰ খামিদাঠ মনটোও চিৰিংকৈ গল। থানেশ্বৰে মৰমে'ৰে সুধিলে—"তোৰ কি হৈছে পোনা? চাহ জলপান খোৱা নাই। আহিছও পলমকৈ; গা অসুখ নেকি?"

অভিমানত চকুৰ পানী ওলাই আহিব খুজিছিল যদিও জোৰকৈ ধৰি ৰাখি হাঁহিবলৈ চেষ্টা কৰি আলোকে ক'লে—"একো হোৱা নাই।...." সংযত হৈ আকৌ সুধিলে—"বাৰু থানেশ্বৰ কাই! আমাৰ ঘৰ ভাড়াৰ পইচা বিলাক প্ৰত্যেক মাহত কি কৰ?"

"কেলেই, সেইবোৰ দেখোন মাহে মাহে তোৰ নামত ডাকঘৰত জমা হয়। বহীখন মোৰ লগত আছে নহয়! ....তোকনো আজি সেই বোৰৰ হিচাপ কেলেই লগা হল? কি হৈছে, ক মোৰ আগত......."

থানেশ্বৰৰ প্ৰশ্নৰ উত্তৰ নিদি আলোকে আকৌ সুধিলে—"নিৰুৰ মাক ক'লৈ গ'ল?"

আকৌ আচৰিত হৈ থানেশ্বৰে ক'লে—"ফুৰিবলৈ গৈছে চাগে' কৰবালৈ। ....আৰু নিৰুৰ মাক তোৰ মাহীমাৰ নহয় জানো? কি হৈছে তোৰ? ....মোক কব লাগিব, ক—"থানেশ্বৰে গভীৰ মৰমেৰে আলোকৰ পিঠিত হাতখন থলে।

লগে লগে ক্ষোভ, দুখ আৰু অভিমানত থানেশ্বৰৰ হাতখন আকাল মাৰি আতৰাই দি—"একো হোৱা নাই বুলি তোক কেইবাৰ কব লাগে? ....মৰম চেলাবলৈ নাহিবি" বুলি চিঞৰি তাৰ পৰা উচাট্ মাৰি গুচি আহিল। গুচি নহাহ'লে থানেশ্বৰে দেখিলেহেঁতেন পোনাৰ চকুৰ পৰা হৰহৰকৈ পানীবোৰ বাগৰী আহিছে।

....আৰু কি দৰকাৰ এইখন ঘৰত থকাৰ! ইয়াতভো আৰু একো আকৰ্ষণ নাই। প্ৰাণতকৈও অধিক মৰমৰ ললিয়ে যদি নিজৰ জীৱনৰ এটা ডাঙৰ কলঙ্ক লুকুৱাই ৰাখিব পাৰেঁ, তেন্তে কি সমলেৰে জীয়াই থকাৰ কথা আলোকে কল্পনা কৰিব পাৰে? ....কিয়? কিহৰ কাৰণে আলোকক ললি, মাক আৰু মাহীয়েকে প্ৰতাৰণা কৰিলে? কি দোষ আছিল আলোকৰ? তেওঁলোকৰ কাৰণে হয়তো সামান্য খেলা; কিন্তু এইটোৱেই আজি আলোকৰ জীৱন ওলট পালট কৰি দিলে বুলি তেওঁলোকে জানো ভাবিব পাৰিছে? ... এইখন ঠাইত থকাৰ প্ৰয়োজন শেষ হৈ গ'ল। ইয়াৰ পৰা তেওঁ গুচি যাব—দিহিঙে দিপাঙে ঘুৰিব। ....ইমান বছৰে নিশ্চয় ঘৰভাড়াৰ পইচা বহুখিনি জমা হৈছে। ....কলেজৰ চাকৰি এৰি দিয়া একো টান কথা নহব। মিউজিক স্কুলৰ দায়িত্ব নিখিলৰ হাতত গটাই দিব পৰা যাব। ....গুৰুজী! ক্ষমা কৰিবা, ইয়াৰ বাহিৰে আৰু মোৰ কোনো উপায় নাই........।

বহুত দিনৰ মূৰত আলোকে চেতাৰখন হাতত তুলি ললে। চেতাৰৰ মৃদু ঝঙ্কাৰৰ লগে লগে মনটো শান্ত আৰু স্থিৰ কৰিবলৈ চেষ্টা কৰিলে। ...'মনটো অধৈৰ্য্য আৰু অশান্ত হলে তোড়ী ৰাগিনীলৈ মনত পেলাবা। সেই ৰাগিনী বৰফৰ দৰে শুভ্ৰ, স্নিগ্ধ, পৱিত্ৰ আৰু নিৰ্ম্মল।' গুৰুজীয়ে এই কথা সপোনত কৈছিল। তোড়ীয়ে তোমাৰ মাতৃলৈ মনত পেলাই দিব, শান্তি পাবা—অশেষ আৰু অপাৰ শান্তি।

কিমান ৰাতি হল আলোকে নেজানে। তোড়ীৰ আলাপ গোটেই কোঠাতে ব্যাপ্ত হৈ বাহিৰৰ আকাশ আৰু বতাহত সঞ্চাৰিত হৈ পৰিল। বিৰামহীন তোড়ীৰ কোমল করুণতাই গোটেই পৰিবেশ অশ্রুসিক্ত কৰি তুলিলে। আলোকৰ অন্তৰৰ গধুৰ অব্যক্ত বেদনা বিক্ষুব্ধ ভাষাত তোড়ীৰ কোমল মূৰ্চ্ছনা আৰু মীড়ত প্রকাশ পাই উঠিল। ৰাগিনী তোড়ীৰ হাতৰ বীণাৰ পৰা যেন করুণ ৰসেৰে ভৰা অমৃত নিগৰা শান্তি বাৰি বৈ আহিল।........

এনে এটা গুৰু গম্ভীৰ পৰিৱেশত আলোকৰ ওচৰলৈ আহিবলৈ কোনেও সাহস নকৰিলে। ....নিৰু সোনকালে শুই থাকিল। থানেশ্বৰ কায়ে আলোকৰ কোঠাৰ দুৱাৰ মুখৰ বেৰত আউজি আঠুতে মূৰটো থৈ-অন মাৰি বহি থাকিল।

মাজৰাতি এবাৰ থানেশ্বৰ কায়ে খক্‌মক্‌কৈ সাৰ পাই তৎক্ষণাত আলোকলৈ চাওঁতে দেখিলে তাৰ পোনা চেতাৰ খনৰ কাষতে শুই আছে। পোনাৰ মুখ আৰু চকুত নিশ্চয় থানেশ্বৰে শান্তিৰ প্রলেপ দেখিবলৈ পাইছিল, নহলে কেলেই সি এটা পৰম আশ্বস্ততাৰ নিশ্বাস পেলাব! থানেশ্বৰে লাহেকৈ আঠুৱাখন পেলাই লাইটটো নুমুৱাই দিলে।

... পিচদিনা আলোকে আকৌ ঘৃণাত মুখখন বিকৃত কৰি পেলালে যেতিয়া ললিৰ পৰা চিঠি এখন পালে। সেই চিঠিত ললিয়ে করুণ মিনতিৰে আলোকক মাতি পঠিয়াইছিল। চিঠিত ললিয়ে লিখিছিল —"সকলো কথা নজনাকৈ মোৰ ওপৰত মিছাকৈ ঘৃণাৰ ভাব পোষণ কৰিছে। এবাৰ আহিব—মোৰ প্রাৰ্থনা। আহি মোৰ মুখৰ পৰা শুনি যাওক। মোক আপুনি বিয়া নকৰায়, নেলাগে কৰাব। কিন্তু আজীৱন আপুনি মোৰ ওপৰত কিছুমান ভুল ধাৰণা লৈ থাকিলে মোৰ পক্ষে সহ্য কৰা টান হব। আপোনাক স্বামীৰূপে পোৱা মোৰ ভাগ্যত নাই। ...কিন্তু এবাৰ আহি মোক ক্ষমা কৰি যাওকহি। নহলে মোৰ কি হব এই মুহূৰ্ত্তত ভাৱিব পৰা

যাই। ...চিঠি দিবলৈ যদি বেয়া পায়, তেন্তে এই পত্ৰ বাহকৰ আগত আপুনি কেতিয়া আহিব কৈ পঠিয়াব। মই আপোনালৈ বাট চাই থাকিলো........"

চিঠিখন পাই আলোকে ঘৃণাত ল'ৰাটোলৈ চাইছিল আৰু চিঠিখন প্ৰচণ্ড ক্ষোভত ফালি ছিৰি পেলাই দিছিল। তাৰ পিচত ল'ৰাটোক কৈছিল—'তোমাৰ বাইদেৱেৰাক কৈ দিবা, মই সেইখন ঘৰলৈ নেযাওঁ। তেঁৱো ইয়ালৈ আহিব নেলাগে। কাৰণ মই কেইদিনমানৰ ভিতৰত এই ঠাই এৰি গুচি যাম। ...আৰু যেন এইদৰে মোলৈ চিঠি নিলিখে. .... ।"

ললিৰ চিঠিখনক এইদৰে প্ৰচণ্ডভাৱে অৱজ্ঞা কৰি ভালেই কৰিলে নে বেয়াই কৰিলে সেই মুহূৰ্ত্তত আলোকৰ ভাৱিবলৈ শক্তি নাছিল। কিন্তু তেতিয়া সেইদৰে কৈ মনৰ আক্ৰোশ যে বহুখিনি লাঘৱ কৰিছিল, তাক অনুভৱ কৰিলে। ইমান দিনে কলঙ্ক আৰু ভ্ৰষ্টাচাৰ লুকুৱাই ৰাখি এতিয়া ধৰা পৰাৰ পিচত ক্ষমা খুজিবলৈ মাতি পঠিয়াইছে, লাজ নাই!

ললিৰ প্ৰতি আলোকৰ কোনো দায়িত্ব নাই।

কিন্তু আলোকৰ সঁচাকৈয়ে কোনো দায়িত্ব বা কৰ্ত্তব্য নাছিল নে?

... পিচদিনা পাচৰাতি গুৰুজীৰ মৃত্যুৰ দিনা দুৱাৰ ঢকিয়াই জগোৱাৰ দৰে থানেশ্বৰে আলোকৰ গাটো ভীষণ জোৰেৰে জোকাৰি দিওঁতে, আলোক তৎক্ষণাত বিচনাখনত বহি থানেশ্বৰৰ আতঙ্কভৰা মুখখনলৈ চালে।

কঁপি কঁপি থানেশ্বৰে ক'লে—"পোনা, তই তৎক্ষণাত আহ........"

"কি হ'ল?"

"ললি আইদেৱে বোলে বিহ খালে—"

"কি?"

"এইমাত্ৰ মানুহ এটাই গাড়ী এখনেৰে খবৰ দি গ'ল। আইদেউ আৰু নিৰু দুয়ো গ'ল—"

....ভাবপিচত আলোকে কেতিয়া কেনেকৈ টেক্সি ভাড়া কৰি ললিহঁতৰ ঘৰ পালেগৈ ভাবিলে আচৰিত যেন লাগে। ....ভ্ৰমত পৰা মানুহৰ দৰে আলোক যেতিয়া ললিৰ কোঠা পালেগৈ, তেতিয়া সকলো শেষ হৈ গৈছে। ভীষণ ভাবে চক্ খাই ললিৰ শীতল শৰীৰটো জোকাৰি আলোকে চিঞৰি উঠিল—"ললি! !"

পৰম শান্তিত ললি তেতিয়া শুই আছে। আলোকৰ চিঞৰে এই গভীৰ নিদ্ৰা ভাঙিব নোৱাৰে। টেবুলৰ ওপৰত এখন চিঠি। আকৌ এবাৰ করুণ ভাবে আলোক চিঞৰি উঠিল—'ললিতা! !" সেই চিঞৰ যেন আকাশে বতাহে বিয়পি পৰিল।

তেতিয়া মাহীমাক, ললিৰ মাক আৰু নিৰুয়ে আলোকলৈ চাই থাকিল। সেই দৃষ্টিত আছিল ঘৃণা আৰু আলোকক দোষী বুলি অভিযোগ কৰাৰ চাৱনি।

....এইদৰেই তগৰ ফুল পাহ মৰহি জহি পমি শেষ হৈ গ'ল আৰু নিজক পুৰি লোকক গোন্ধ বিলাবলৈ বাচি থাকিল আলোক।....

---

তগৰ ফুল পাহ সৰি যোৱাৰ পিচত শিল্পী আলোক বৰুৱাৰ কাহিনীৰো লগে লগে অন্ত পৰিব লাগিছিল। শেষ হোৱা উচিত আছিল; কিন্তু নহল। অৱশ্যে আৰাধনাৰ লগ নোপোৱা হলে একনায়কত্ববাদী কাহিনীৰ নায়কৰো প্ৰয়োজনীয়তা নাইকিয়া হৈ গ'ল হেঁতেন। আৰাধনাক লগ নোপোৱাহলে নাৰীৰ মাধুৰ্য্য ভৰা মমত্ববোধ আলোকে কেতিয়াও উপলব্ধি কৰিব নোৱাৰিলেহেঁতেন। অৱশ্যে তাৰ আগতে ভাৰত ভ্ৰমণে বিশেষকৈ কন্যাকুমাৰীৰ সূৰ্য্যোদয় দৰ্শনে তেওঁৰ মনত গভীৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। মনৰ এনে প্ৰতি-ক্ৰিয়াৰ দাপোনৰ মাজেদি তেওঁ আৰাধনাক চাইছিল। —নাৰীক বিচাৰ কৰিবলৈ পুনৰ সুযোগ পাইছিল। নহলে নাৰীৰ প্ৰতি ঘৃণা আৰু এটা ভুল ধাৰণা লৈ অভিমানত দগ্ধ হৈ তেওঁৰ জীৱনটো ধূপৰ মৰণেৰে শেষ ক'ৰব লগিয়া হলহেঁতেন। ললিক চানেকি হিচাপে চকুৰ আগত ৰাখি পৃথিৱীৰ সকলো নাৰীকে ব্যাভিচাৰিনী আৰু উপভোগৰ সামগ্ৰী বুলি ধৰি লৈ আলোকে নিজৰ শিল্পী মনৰ অকাল মৃত্যু ঘটুৱালেহেঁতেন। ভাগ্যে তেওঁ আৰাধনাক লগ পাইছিল।

...ঘৰ ভাড়াৰ বাবদ জমা হোৱা আৰু নিজৰ সাঁচতীয়া টকা খিনি গোটাই লৈ এই ঠাইখনৰ মায়া ত্যাগ কৰি এদিন আলোক ঘৰ এৰি ওলাল। ঘৰ-বাৰী চলাবলৈ থানেশ্বৰক গটাই দিলে।

....হাতত চেতাৰখন সৰু চুটকেচ্‌টো আৰু বিচনাখন সম্বল কৰি আলোকে এদিন পশ্চিম মুৱা ৰেলত উঠিল।

....কলিকতা। অগনন মানুহ, সীমাহীন দোকান পোহাৰ, কাৰ-খানা, শোভাযাত্ৰা, শেষ নোহোৱা ব্যস্ততা আৰু অলেখ নাৰীৰ মাজত আলোকে প্ৰথম দেখিলে ইয়াত জীয়াই থকাৰ সংগ্ৰামৰ মাজত মানুহৰ সুখ-দুখ, মান-অভিমান আনকি নাৰীৰ সতীত্বৰ মূল্যও বৰ কম। আলোকৰ কাৰণে এইখন এখন বেলেগ জগত।—ইয়াৰ সোৱাদো আলোকৰ কাৰণে প্ৰথমতে আচহুৱা আছিল।

....ইয়াৰ পিচত আলোক গৈছিল উৰিষ্যালৈ। মাৰ যোৱা বেলিৰ ৰঙা ৰঙে যেতিয়া সাগৰৰ প্ৰচণ্ড ঢৌত লুকা ভাকু খেলিছিল আৰু আলোকে অভিভূত হৈ সেই দৃশ্য চাই মনৰ ক্ষুদ্ৰতা সাগৰৰ বিশালতাৰ লগত বিলীন কৰি দিবলৈ চেষ্টা কৰিছিল, তেতিয়া তেওঁ কানৰ কাষতে শুনিছিল সাগৰৰ বালিত থিয় হৈ নিজৰ যৌৱনবোৰৰ গুৰুত্ব প্ৰতীয়মান কৰিবলৈ চেষ্টা কৰা বহুত নাৰীৰ কলধ্বনি। ... মধ্যযুগৰ সৌন্দৰ্য্য মণ্ডিত অপৰূপ শিল্পকলা খোদাই কৰি যোৱা কোনাৰকৰ প্ৰস্তৰ মূৰ্ত্তিৰ আগত থিয় হৈ আলোকে যেতিয়া সেই মূৰ্ত্তিৰ এখন হাতত থকা যুৱতীয়া থালেৰে স্তন-যুগল ঢাকি ৰখাৰ প্ৰয়াস আৰু তাৰ ভাস্কৰ্য্য নিপুণতা একান্ত মনে চাইছিল, তেতিয়া তেওঁৰ কানৰ কাষতে কোনোবা পুৰুষ আৰু নাৰীয়ে একলগে খিল্‌খিলকৈ হাঁহি উঠিছিল। উৰিষ্যাৰ মন্দিৰৰ অঙ্গন-প্ৰাঙ্গন আৰু চৌদিশ—ইয়াতো আছিল নাৰীৰ সমাবেশ।

.. ভুৱনেশ্বৰৰ লিঙ্গৰাজ মন্দিৰত থকা শিলত কটা চকুত সপোন সনা নৃত্যৰতা নাৰী মূৰ্ত্তি দেখি এই অপৰূপ শিল্পকলাৰ প্ৰতি অপলক নয়নে চাই থাকি তেওঁ ভাবিলে যুগ যুগ ধৰি এইদৰেই থকা এইজনী নাৰী অদ্ভুত যৌৱনা।

.. লক্ষ্ণৌ। সঙ্গীত, মিঠা মিঠা উৰ্দ্দু, বাঈজী, সাৰেঙ্গী, নজৰানা, বোৰ্খাৰ তলৰ চঞ্চল চকু মিঠা মিঠা চুড়িৰ শব্দ। এই সকলো-বোৰেই লক্ষ্ণৌৰ ভুল-ভুলাইয়াৰ মাজত হেৰাই গৈছিল, মাত্ৰ আলোকৰ চকুত স্পষ্ট হৈ পৰিছিল সাৱলী, ওখ আৰু ক্ষীণাঙ্গী নাৰী দেহবোৰ। সচকিতা নাৰীৰ শৰীৰত দেখিছিল তেওঁ হিন্দোলৰ বিলাৱলী সুৰ। ইয়াত যেন সঙ্গীত আৰু নাৰীয়ে একেলগে খোজ কাঢ়ে। মাত্ৰ ঘড়ানা বেলেগ—খান্‌দানী বেলেগ।

... দিল্লী। এহাতে ক'লা বোৰখা আৰু আনহাতে চূড়ান্ত আধুনিকতাৰ দোমোজাত ককবকাই ফুৰা ইয়াৰ নাৰীৰ মাজত আলোকে দেখিলে এফালে সিন্দুৰা আৰু আনফালে ভূপালীৰ

সমাবেশ। লালকিল্লাৰ ভিতৰৰ দেৱানীখাচৰ মাৰ্ব্বল মজিয়াৰ ওপৰত বহি সঙ্গীত সম্ৰাট তানচেনৰ কথা কল্পনা কৰোঁতে আলোকৰ কানত হঠাৎ বাজি উঠিছিল বেগম মহলত একেলগে খিল্‌খিল্‌কৈ হঁহা বেগম বিলাকৰ হাস্যধ্বনি। নাদিৰ ছাহে অজস্ৰ নাৰী লুটি লৈ যোৱাৰ দৰে, বোৰখা আৰু চেলোৱাৰ কুৰ্ত্তাই ঢাকি থোৱা নাৰী দেহবোৰক লুটি লোৱাৰ উদগ্ৰ কামনাৰে আলোকে সিইঁতলৈ চালে। মিনাৰ, গম্বুজ আৰু নাৰী।

...আগ্ৰা। বৃদ্ধ চাহজাহানে টোকা চকুৰ পানীৰে নিৰ্ম্মাণ কৰা শুভ্ৰ তাজমহল দেখি আলোক অভিভূত হ'ল। তাজমহলৰ সম্মুখত দলিচাৰ দৰে কোমল ঘাঁহনিৰ ওপৰত শুই মিৰ্জ্জা গালিবৰ এটা চায়েৰৰ দৃষ্টিৰে শুই-শুইয়ে মিনাৰ আৰু তাজমহলৰ গম্বুজৰ শিখৰ কিটালৈ চালে। আকৌ দূৰলৈ আহি আৰু এবাৰ চাই পঠিয়ালে। দেখিলে বিদেশী টুৰিষ্ট, কেমেৰা আৰু নাৰীৰ দেহ। তাজমহল যেন এজনী আধুনিকা নাৰীৰ গালত জিলিকা এটোপাল অশ্ৰু।

. ৰাজস্থান। নদী, ম'ৰা চৰাই, মন্দিৰ, দুৰ্গ, হ্ৰদ আৰু সীমাহীন বালিৰ মৰুভূমিয়ে সৃষ্টি কৰা সৌন্দৰ্য্যৰ বিশালতাৰ মাজতো তেওঁ দেখিলে কমলাক্ষী নাৰীৰ ইঙ্গিত ভৰা চাৱনিবোৰ আৰু দেখিলে খাজোৰাহো মন্দিৰৰ বেৰত চিৰভাস্বত হৈ থকা পীনস্তনা আৰু নিতম্বিনী নাৰীৰ প্ৰতিচ্ছবি আৰু নাৰী-পুৰুষৰ অবিনশ্বৰ মৈথুন ৰত মূৰ্ত্তি। গোটেই মন্দিৰটোত যেন প্ৰতিধ্বনিত হৈ আছে দেশ, বসন্ত, মালশ্ৰী, ভূপালী, গুজ্জৰী, সৌৰটী আৰু ধনাশ্ৰী। ধনাশ্ৰীলৈ আলোকৰ ঘনে ঘনে মনত পৰিছিল বেৰত জিলিকি থকা এটা নাৰী মূৰ্ত্তি দেখি। সেই মূৰ্ত্তিৰ শৰীৰ আছিল ধনাশ্ৰীৰ দৰে দুৰ্ব্বাদল সম শ্যামবৰ্ণা। বিৰহত ম্ৰিয়মান হৈ যেন তেওঁ আঁকিছিল প্ৰিয়তমৰ ছবি। শুভ্ৰ দুগাল সিক্ত কৰা চকুৰ পানী বৈ আহি ধনাশ্ৰী মূৰ্ত্তিৰ স্তন যুগল তিয়াই দিছিল।

....কাশ্মীৰ। পাৰক্ষাৰ, শীতল আৰু তীব্ৰ বতাহ। বিচিত্ৰ

ফুল, উপত্যকা, বৰফ, হ্ৰদ, নাৱৰ ঘৰ আৰু সেউজীয়া স্ফটিক পানীৰ ভূস্বৰ্গত দলিচা আৰু আপেলৰ সমাৰোহ। আপেল ৰঙৰ গাল দুখনিৰ নাৰী মূৰ্ত্তিয়ে ভ্ৰমণকাৰী আলোকলৈ যেতিয়া বঙ্কিম কটাক্ষ বান মাৰিছিল, তেতিয়া আলোকে বুজিছিল এই ফুলবোৰৰ ৰঙহে আছে গোন্ধ নাই। ছিঙিব পাৰি, কিন্তু শুঙিব নোৱাৰি। কোনো এটা বিশেষ ৰাগিনীলৈ মনত পেলোৱাৰ কোনো অৱকাশ নাই।

....হৰিদ্বাৰ। এসময়ৰ গুৰুজীৰ পীঠস্থান। হিমালয়ৰ পাদ স্থান। হৰিদ্বাৰৰ লগতে আলোক গ'ল ত্ৰিবেণী আৰু লছমন ঝুলালৈও। শান্ত সলিলা পৱিত্ৰ গঙ্গাৰ পানীত সৰ্ব্বস্ব উদঙাই গা ধুই পুণ্য অৰ্জ্জন কৰিব খোজা অগণন পূণ্যাৰ্থী নাৰীৰ চকুতো আলোকে দেখিছিল পাপ আৰু পুণ্যৰ লুকা-ভাকু। জলকেলি কৰি থকা মাছ বিলাকেও নাৰী দেহাৰ পৰশ পাবলৈ থৌকি বাথৌ লগাইছিল।

....হৰিদ্বাৰতেই লগ পাইছিল জন-সমাৱেশৰ মাজত কিশোৰী মোহনক। বেনাৰসৰ কিশোৰী মোহনো আছিল সঙ্গীত শিল্পী। শিল্পীয়ে শিল্পীক চিনি পায়। দুয়োৰে মাজত বন্ধুত্ব গঢ়ি উঠিবলৈ বেছিপৰ নেলাগিল। ... . কিশোৰী মোহনে লক্ষ্যহীন যাযাবৰ আলোকক এৰি নিদিলে। বেনাৰসলৈ লৈ আহিল।

বেনাৰস। পুণ্যতীৰ্থ কাশী। ইয়াতো আছে সঙ্গীত। ....পুণ্য প্ৰয়াসী হেজাৰ হেজাৰ পূণ্যাৰ্থী, ভিক্ষা বিচৰা অলেখ ভিক্ষাৰী আৰু নাৰীদেহ লোভী অজস্ৰ পুৰুষ। এফালে দেখিলে দেহ পসাৰিনী নাৰীৰ উত্তপ্ত কামনা আৰু আনফালে দেখিলে গঙ্গাৰ ঘাটত পৰম ব্ৰহ্মক বিচৰা কোনোবা যোগীৰ ধ্যানমগ্ন ৰূপ। সেই নাৰীকেই পৱিত্ৰ গঙ্গাৰ শীতল জলত অৱগাহন কৰি পাপ ক্লেশ ধুই শৰীৰ নিকা কৰি পেলোৱাৰ দৃশ্যও তেওঁ দেখিলে। ....বজাৰৰ শাৰি শাৰি দোকানত দেখিলে চূড়ান্ত বিলাসৰ সামগ্ৰী, বিভিন্ন ৰঙৰ মূল্যৱান মুক্তাৰ মালা আৰু তাৰ কাষতে শাৰী শাৰীকৈ ওলমি থকা চূড়ান্ত বৈৰাগ্যৰ প্ৰতীক কমণ্ডলুৰ সম্ভাৰ।

মনৰ এনে বিচিত্ৰতাৰ মাজত এই বেনাৰসতেই আলোকে লগ পালে শীলাক্। শীলা কিশোৰী মোহনৰ ভনীয়েক। দাদাকৰ দৰে ভনীয়েকো সঙ্গীত পাৰ্গতা। শ্যামবৰ্ণা আৰু কৃশাঙ্গী। শীলাক দেখি আজ বহুত দিনৰ মূৰত আলোকৰ শান্তাৰলৈ মনত পৰি গ'ল। তাতোকৈ বেচি অভিভূত হ'ল শীলাৰ কণ্ঠত গৌৰী ৰাগিনীৰ স্বপ্নময়ী সুৰ শুনি শীলা গুনী নাৰী।

কিশোৰী মোহনৰ লগত এদিন এটা সঙ্গীতানুষ্ঠানলৈ যাওঁতে এজন ওস্তাদৰ চেতাৰত যেতিয়া এটা নতুন সুৰ শুনিলে, সেইদিনা আলোক মোহাৱিষ্ট হৈ পৰিল। নতুনকৈ শুনা সেই গৌৰী তোড়ী ৰাগিনিয়ে আলোকৰ মনৰ ক্ষীণ হৈ যাব খোজা ডন্ত্ৰী ডাল কঁপাই তুলিলে। গোৰী আৰু তোড়ী।

আলোক অজানিতে কিশোৰী মোহনৰ বন্ধুত্বত বান্ধ খাই পৰিল। নাৰীৰ বন্ধনতো আকৌ এবাৰ আৱদ্ধ হৈ গলহেঁতেন, কিন্তু দৈৱৰ অনুগ্ৰহত তাৰ পৰা তেওঁ ৰক্ষা পৰিল। ..আলোকৰ অজ্ঞাতে শীলাই বোধকৰো মনটো তেওঁক সমৰ্পণ কৰিছিল। যুৱতী দেহাটোও অৰ্পণ কৰিবলৈ শীলা প্ৰস্তুত হৈ আছিল। কিন্তু যিদিনা তেওঁ সেই গৌৰীৰূপিনী শীলাৰ দেহাত হেৰাই যাব খোজা এপাহ তগৰৰ গোন্ধ পালে, সেইদিনা ভয় আৰু ঘৃণাত আলোক সঙ্কুচিত হৈ পৰিল। শীলাৰ গাতো ললিতাৰ গোন্ধ অসহ্য।

ইয়াৰ পিচত আৰু কাশীত থকাৰ প্ৰশ্ন নুঠে। এদিন মনে মনে পলাই আলোক কাশীৰ পৰা গুচি আহিল।

জীৱনটোৰ পৰা ললিৰ অস্তিত্ব একেবাৰে মোহাৰি পেলাবলৈ আলোকে আপ্ৰাণ চেষ্টা কৰিছিল। কিন্তু দক্ষিণ ভাৰতলৈ আহি ললিৰ স্মৃতিয়ে তেওঁক বেচিকৈ আমনিহে কৰিলে।

..ভাৰত নাট্যমৰ ৰাজ্য মাদ্ৰাজ। কৰ্ণাটকী সুৰৰ তালে তালে এটা নাৰীৰ দেহাই যেতিয়া চকু, মুখ, ডিঙি, হাত, ভৰি আৰু শৰীৰেৰে মানুহৰ দুখ-বেদনা আৰু হাঁহি আনন্দৰ ভাষা কবলৈ

থৰে, আলোকৰ চকুৰ আগত ঘনে ঘনে ললিৰ সেই ছন্দোময়ী লাৱণী দেহা ভাঁহি উঠে। সঙ্গীত, মন্দিৰ, বিচিত্ৰ বৰ্ণৰ ফুল আৰু ধূপৰ সুবাসৰ মাজতো আছিল বিভিন্ন ৰঙৰ শাৰী পৰিহিত নাৰী। খোপাত শোভা বৰ্দ্ধন কৰা শুভ্ৰ ফুল বিলাক ঘনে ঘনে লেৰেলি নিঃশেষ হৈ যোৱা তগৰ ফুল পাহলৈ মনত পেলাই দিয়াত আলোকৰ মনটো গ্লানিৰে ভৰি পৰিল। ....মন্দিৰৰ প্ৰাঙ্গনত নাৰীৰ অস্তিত্ব কল্পনা কৰিব নোখোজা সত্বেও আলোকে দেখিলে মন্দিৰ, ফুল, ধূপ, চন্দন আৰু নাৰী এই কিটাইহে ইয়াৰ সংস্কৃতিৰ সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰে। মন্দিৰৰ দেৱ দেৱীৰ সম্মুখতো যেন নাৰীৰ মুখৰ পৰা প্ৰতিধ্বনিত হয় ভৈৰৱী আৰু কেদাৰা।

.. মীনাক্ষী মন্দিৰৰ বেৰত থকা দেৱ দেৱীৰ শিলত কটা মূৰ্ত্তিত মহাদেৱে পাৰ্ব্বতীৰ প্ৰতি কৰা অনুনয়ৰ জীৱন্ত চাৱনি দেখি হঠাতে আলোকৰ মনলৈ আহিল, সেইদিনা অন্তৰৰ প্ৰচণ্ড ঘৃণা আৰু অভিমান ত্যাগ কৰি মুখ খুলি যদি লালক সকলোবোৰ কথা সুধিব পাৰিলেহেঁতেন, তেন্তে কিজানি ললি এই পৃথিৱীৰ পৰা হেৰাই নগ'লহেঁতেন। ললিয়েই একমাত্ৰ দোষী আছিলনে? অভিমান আৰু ঘৃণা প্ৰকাশ কৰাৰ বাহিৰে আলোকৰ কৰিবলগীয়া কাম একোৱেই নাছিল নে?

কুমাৰী কন্যাৰ স্বপ্ন: কন্যাকুমাৰীলৈ আহি তিনি মহাসাগৰৰ মহামিলনত সৃষ্টি হোৱা অসীম বিশালতা দেখি আলোক অভিভূত হৈ পৰিল। ইয়াতো দেখিলে সাগৰৰ লুনীয়া পানীয়ে দেহাবোৰ ধুৱাই নিকা কৰি নিয়াৰ অপেক্ষাত আকুল প্ৰতীক্ষাৰে বাট চাই বালিত শুই থকা অলেখ নাৰী। সাগৰৰ ফেনিল পানীৰে ধৌত কৰি শৰীৰ আৰু মন সজীৱ আৰু পৰিষ্কাৰ কৰিবলৈ নাৰীৰ চকুৱে মুখে ফুটি উঠা কামনা বোৰ দেখি আলোকে এটা পুতৌৰ হাঁহি মাৰিলে। এই বিৰাট মহাসাগৰৰ বিশালতাৰ আগত নাৰীৰ কামনা, বাসনা, হাঁহি, অশ্ৰু, দুখ-বেদনা, যৌৱন, সতীত্ব আৰু কলঙ্ক-

বোৰ একেবাৰে নগণ্য যেন লাগিল। এই মহাসমুদ্ৰৰ বিশাল পৰিধিৰ আগত নিজৰ মনৰ সঙ্কীৰ্ণতাও আলোকে প্ৰথম বাৰৰ বাবে অনুভৱ কৰিলে। ললিৰ মৃত্যুৰ কাৰণে তেওঁ সকলো দায়ী নাছিল, এই কথা আলোকে মহাসাগৰলৈ চাই দাঠি কৰ মোৱাৰিলে।

..পুৰতি নিশা সূৰ্য্যোদয় চাবলৈ যাওঁতে আলোকৰ মনত বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। সাগৰৰ বুকৰ পৰা লাহে লাহে ওলাই অহা উজ্জ্বল ৰঙা অথচ শান্ত আৰু সৌম্য সূৰ্য্যটো পৰম বিস্ময়েৰে আলোকে ৰ লাগি চাবলৈ ধৰিলে। সকলো ইন্দ্ৰিয় সজাগ কৰি দৃষ্টিৰ প্ৰসাৰতা মেলি এই অন্তহীন ৰূপ বিশ্ব-বিমোহিনী সৌন্দৰ্য্য হেঁপাহ পলুৱাই চালে। চকুত ছাঁট মাৰি নধৰা শীতল ঘূৰনীয়া সূৰ্য্যটো, তাৰ কাষৰ আকাশত সৃষ্টি হোৱা বিচিত্ৰ বৰ্ণৰ সমাৱেশ আৰু সাগৰত পৰা তাৰ প্ৰতিবিম্বই প্ৰথম বাৰৰ বাবে আলোকক সকিয়াই দিলে সূৰ্য্য-সম মানুহতকৈ সত্য এই পৃথিৱীত একোৱেই নাই আৰু এই সত্যই মানুহৰ অন্তৰবোৰ বিচিত্ৰ অনুভূতিৰ ৰঙেৰে ৰঞ্জিত কৰে। শোক, দুখ বেজাৰ, আনন্দ, হিংসা, কপটতা, উদাৰতা, নীচতা, আদি বিভিন্ন অনুভূতিবোৰ ঘনে ঘনে ক্ষনে ক্ষনে মানুহৰ মুখত প্ৰতিবিম্বিত হয় বিচিত্ৰ মানুহ আৰু বিচিত্ৰ মন। সকলো মানুহেই একে নহয়।

... তাৰ পিচত, তিনিখন সাগৰৰ গৰ্ভৰ পৰা চান কাটি অনা তিনিটা ভিন্ ভিন্ ৰঙৰ বালি মাটি চাই চাই আলোকে যেন এটা চৰম সত্য আৱিষ্কাৰ কৰিলে। সেই সত্য হৈছে যদিও সকলো নাৰীৰ মন একে নহয়, সকলো নাৰীৰ অনুভূতি একে নহয় আৰু সকলো নাৰীয়েই ললিতা নহয়, তথাপিও নাৰীৰ নাৰীত্ব আৰু মমত্ব-বোধ সকলোতে একে—সদায় অবিনশ্বৰ।

ভাৰত দৰ্শন কৰাৰ পিচত আন মানুহে কি উপলব্ধি কৰে আলোকে নেজানে, কিন্তু তেওঁ নিজে অনুভৱ কৰিলে জীয়াই থকাৰ প্ৰয়োজনীয়তা মানুহৰ কোনো দিনেই শেষ নহয়। বুকৰ মাজত

আশা, আকাঙ্ক্ষা আৰু কামনা লৈ মানুহ জীয়াই থাকিবই লাগিব। কামনাৰ ইন্ধন যোগাব লাগিব নাৰীয়েই। পুৰুষৰ জীৱনত নাৰীৰ প্রয়োজনীয়তা আবহমান কালৰে পৰা চলি আছে আৰু থাকিব। নাৰীৰ অস্তিত্ব অস্বীকাৰ কৰাৰ শক্তি আৰু সাধ্য পুৰুষৰ নাই। আলোকৰো নাই।

...প্রায় আঢ়ৈ বছৰৰ মূৰত ঘৰলৈ ঘূৰি অহাৰ পিচত বৃদ্ধ থানেশ্বৰে যেতিয়া কান্দি-কাটি ইতিমধ্যে ঘৰখনৰ ঘটা দুটা দুৰ্ঘটনাৰ কথা আলোকক ক'লে, আলোকৰ কিন্তু সিমান বেচি দুখ নেলাগিল। ঘটনা দুটা স্বাভাৱিক বুলিয়ে অনুভূত হ'ল আৰু তাৰ বাবে বিশেষ অস্বস্তি বোধ নকৰিলে। ....আলোক যোৱাৰ কেইমাহমানৰ পিচতেই হেমো অৰুণে বিয়া কৰালে নিৰুক। মাকৰ অকনো মত নাছিল। দুয়োৰে বিয়া হ'ল কোৰ্টতহে। বিয়া হৈ যোৱাৰ পিচত নিৰুয়ে আৰু এইখন ঘৰলৈ মুখ নকৰিলে। আজি কেইমাহমানৰ আগতেহে তাই আহিছিল আৰু আহিছিল মাকৰ মৃত্যুৰ খবৰ পাইহে।

এতিয়া থানেশ্বৰৰ কাৰণে এই ঘৰ দুৱাৰ আৰু সম্পত্তি ভালুকৰ সাঙীৰ নিচিনা হৈ ৰৈছে। এৰিবও নোৱাৰে, ধৰিবও নোৱাৰে। ভগৱানে আনকি তাক মাৰিও নিনিয়ে। চকুৰ আগতে এইবোৰ দেখুৱাই ভগৱানে ভাল ৰং চাইছে। এতিয়া পোনা আহিছে যেতিয়া থানেশ্বৰক যেন এইবোৰ 'বিষয় বিষধৰ'ৰ পৰা অব্যাহতি দিয়ে।

....কিন্তু ইমান সোনকালে আলোকৰ হাতৰ পৰা থানেশ্বৰৰ ক'ত নিষ্কৃতি আছে! এইখন ঘৰত তো আলোক থাকিবলৈ অহা নাই। যদিও কলেজৰ অধ্যক্ষ আৰু মিউজিক স্কুলৰ নিখিলে আলোকক ইয়াত থাকিবলৈ জোৰকৈ ধৰিছিল, আলোকে কিন্তু সকলোকে এটাই মাত্র উত্তৰ দিলে—'মোৰ পক্ষে অসম্ভৱ।' ....একো কাম নোহোৱাকৈ মানুহ যে জীয়াই থাকিব নোৱাৰে, সেই কথাও আলোকে জানে। সেই কাৰণে ঘৰলৈ আহিয়েই খবৰ কাগজত দেখি দূৰনিৰ এখন ঠাইৰ এটা কলেজলৈ মনে মনে দৰ্খাস্ত কৰিও থৈছিল।

মুল থকা ঘৰটোও ভাৰা দিয়াৰ ব্যৱস্থা কৰি কাষতে থানেশ্বৰৰ কাৰণে এটা সৰু ঘৰ সজাই দিয়ালে। থানেশ্বৰ কাইক ইয়ালৈকে ল'ৰা তিৰোতা লৈ আনিবলৈ ক'লে।

উপায় নেপাই থানেশ্বৰে ক'লে—"তই মোক ৰাইখ্ নিদিয় বুলি বুজি পাইছো। ....কিন্তু এটা কথা, তয়ো ঘৰৰ পিনে একেবাৰে পিঠি দিলে নহব। মই নমৰালৈকে তই এইখন ঘৰলৈ আহি থাকিব লাগিব।" থোকাথুকিকৈ কোৱা অসহায় থানেশ্বৰৰ কথাবোৰ শুনি আলোকে মাত্ৰ এটা ক্ষীণ হাঁহি মাৰিলে।

... কেইদিনমানৰ পিচতেই দূৰনিৰ সেই কলেজখনৰ পৰা কামত সোনকালে যোগ দিবৰ কাৰণে আলোকে চিঠি পালে। ....আকৌ ঘৰ এৰি আলোকে অচিন পথত ভৰি দিলে ...।

এতিয়া বাতি দহ বাজি গ'ল। এতিয়ালৈকে জীয়েক মণি ঘৰ নোসোমোৱা কাৰণে পৰশু কাকতিয়ে চিন্তা কৰিবলৈ ধৰিলে। আনকালে জীয়েক ওলাই গলেও ইমান বাতি কেতিয়াও নকৰে। জীয়েকক বিচাৰি এবাৰ বাহাদুৰকে পাঠিয়াব খুজিছিল। কিন্তু বাহিৰত যিহে ডবাপিটা বৰষুণ। এই বৰষুণৰ কাৰণেই তাইও কৰবাত বন্দী হৈ আছে চাগে। যাওঁতে ছাতি এটাও লৈ নগল। অৱশ্যে আবেলি যেতিয়া মণি ওলাই যায় তেতিয়া বৰষুণ দিয়াৰ লক্ষণ একেবাৰে নাছিল। হঠাৎ গধূ'ল বৰষুণ যে আহিল, তাৰ পৰা নেৰাই হল। সম্ভৱ মণি ফাৰ্ম্মেচীতেই এতিয়াও বন্দী হৈ আছে।

তেওঁৰ কাৰণেই মণিৰ আজি এইখন বিলৈ হল, পৰশু কাকতিয়ে নিজকে অপৰাধী যেন অনুভৱ কৰিলে। তেওঁৰ আজি হঠাৎ কাহ আৰু পানীলগাটো বেচি নোহোৱা হলে মণিয়ে স্কুলৰ পৰা আহিয়ে ডাক্তৰ মাতিবলৈ নগলহেঁতেন আৰু ডাক্তৰে চাই যোৱাৰ পিছত লগে লগে দৰব আনিবলৈ নগলহেঁতেন।

অৱশ্যে পৰশু কাকতিয়ে জানে তেওঁৰ শিক্ষয়িত্ৰী জীয়েক গহীন গম্ভীৰ আৰাধনা কাকতি ইচ্ছা কৰি কাৰো ঘৰত সোমাই আড্ডা দি থকা ধৰণৰ ছোৱালী নহয়। তথাপিও এজনী গাভৰু ছোৱালী ৰাতি দহ এঘাৰ বজালৈকে ঘৰ নোসোমালে বাপেক হৈ যদি তেওঁ চিন্তা নকৰে, তেনে কৰিব কোনে ?

বিছনাৰ পৰাই কাহি কাহি পৰশু কাকতিয়ে বাহাদুৰক মাতিলে আৰু কলে—"তইয়ে যা চোন বাহাদুৰ, ছাতিটো লৈ কিজানি কোনোবা দৰবৰ দোকানতেই তোৰ দিদি বৈ আছে....।"

...কিন্তু তেতিয়া আৰাধনা কাকতিয়ে কোনো ফাৰ্ম্মেচীত বৈ থকা নাছিল। দোপালপিটা বৰষুণৰ মাজত এখন ৰিক্সাত আহি আছিল আৰু লগত আছিল এজন পুৰুষ। সেই মানুহজনক আৰাধনাই চিনি নাপায়। বৰষুণৰ ৰাতি মাত্ৰ এখনহে ৰিক্সা পোৱাত

উপায় নেপাই আৰাধনাও সেই মানুহজনৰ লগত একেলগে আহিবলৈ বাধ্য হল। তাৰ আগতে মানুহজনে আৰাধনাক সুধিছিল—"আপুনি ক'ত থাকে বাৰু"? মানুহজনৰ কণ্ঠত সহানুভূতিৰ সুৰ শুনি আৰাধনাই আগ্রহেৰে কৈছিল—"লক্ষীনাথ বেজবৰুৱা ৰোডৰ দাঁতিত যে হাজৰিকা মটৰ বুৰ্কশপটো আছে—আমাৰ ঘৰ তাৰ ওচৰতে."

তেতিয়া মানুহজনে বেচ উৎসুক হৈ কৈছিল—"হাজৰিকা বুৰ্কশপ মানে কল্যাণী সংঘ লাইব্রেৰীৰ কথা কৈছেনেকি?"

"হয়, লাইব্রেৰীৰ এটা ঘৰ এৰিয়েই আমাৰ ঘৰ ...।"

"বৰ আচৰিত কথা দেই। মই থকা ঘৰটো বোধকৰো আপোনালোকৰ ঘৰটোৰ পৰা মাত্র অলপ আঁতৰত হব। ....ভালেই হ'ল।"

তাৰ পিচত মাত্র এখন ৰিক্সাহে পোৱাত দুয়ো ৰিক্সাত উঠি দিলে। মানুহজন ভাল নে বেয়া—এই ৰাতি এজন অচিনাকী মানুহৰ লগত একেলগে ৰিক্সাত যোৱা উচিত নে অনুচিত সেই মুহূৰ্ত্তত সেই চিন্তাবোৰ এবাৰো আৰাধনাৰ মনলৈ অহা নাছিল।

ৰিক্সা চলিবলৈ ধৰিলে। তেনেতে মানুহজনে কৈ উঠিল—"ইমান বৰষুণৰ ৰাতি ৰিক্সা পোৱা বৰ কষ্ট নহয়নে? মোৰ বাৰু যহনতহন। এইখন নোপোৱাহলে আপোনাৰ কিন্তু বৰ কষ্ট হলহেঁতেন.. "

আৰাধনাই কলে—"ঠিকেই কৈছে"—

"আপুনি নিজে এই ৰাতিখন দৰব নিবলৈ আহিল, ঘৰত কাৰোবাৰ বেচি অসুখনেকি?"

"দেউতাৰ অসুখ। বৰষুণ দিব বুলি মই ভবা নাছিলো। সেই কাৰণে নিজেই আবেলিতে ওলাই আহিছিলো .. "

আকৌ দুয়ো নিমাত হৈ যাবলৈ ধৰিলে মানুহজনে আকৌ সুধিলে—"আপুনি কিবা কৰেনেকি? মানে ক'ৰবাত কাম ..।"

মানুহটোৰ ওচৰ চাপি আহিব খোজা মনোভাৱটোত আৰাধনাৰ এইবাৰ পেটে পেটে খং উঠিল। আৰাধনাই কি কৰে মানুহটোৰ কি দৰকাৰ!

ঠিক তেনে সময়তেই আকৌ ছুৰমুৰকৈ বৰষুণ আহিল। আৰাধনাৰ মেখেলাৰ তলছোৱা আৰু মানুহজনৰ চুৰিয়াখন ভালকৈয়ে তিতিলে। ইপিনে ৰিক্সাৱালাৰো অৱস্থা কাহিল। বৰষুণৰ প্ৰকোপত ৰিক্সাও আগলৈ নেযায়। আৰু আধা ফৰ্লিংমান যাব পাৰিলেই আৰাধনাহঁতৰ ঘৰ।

কিন্তু তাৰ আগতেই প্ৰকাণ্ড বটগছ জোপাৰ তলত ৰিক্সাখন ৰৈ দিবলৈ বাধ্য হ'ল মানুহজনেও বুজিলে ৰিক্সাৱালাৰ দুৰৱস্থা। তেওঁ ৰিক্সাৰ পৰা নামিয়েই পাঞ্জাবীৰ জেপৰ পৰা চিগাৰেট উলিয়াই এটা লগাই যেন বৰ তৃপ্তি পালে। উপাই নাপাই আৰাধনাও নামি পৰিলে।

মানুহজনে ৰিক্সাৱালাটোক সুধিলে—"কিমান লাগিব ?"

"বাবু এটকাই দিয়ক, দেখিছেই নহয় কি কষ্ট ?"

ইপিনে আৰাধনাই গাত লিপিট্ খাই পৰা মেখেলা-চাদৰ টানি শিখিল কৰিছে। এইটো বৰ অস্বস্তিকৰ পৰিস্থিতি। আৰাধনাই ৰিক্সাৱালাটোৰ পিনে চাই কলে—"পইচা ময়ে দিছো বাৰু" বেগটোত হাতখন সুমুৱাবলৈ উপক্ৰম কৰিলে।

মানুহজনে জেপৰ পৰা পইচা উলিয়াই কলে—"নেলাগে আপুনি দিব—মই দিছো—"

"মই আধা দিও আপুনি কেলেই গোটেই খিনি দিব ?" আৰাধনাৰ চকুত বিৰক্তি।

"একো ডাঙৰ কথা নহয়। টকা এটাহে।"

"তথাপিও মই আপোনাৰ ৰিক্সাত আহিছো। আধা পইচা মই দিয়া উচিত। .. ধৰক—"

মানুহজনৰ চকুত অসন্তুষ্টি আৰু বিৰক্তি ফুটি উঠিল। তেওঁ কলে—"আজিলৈ থৈ দিয়কচোন আপোনাৰ পইচা। কোনোবা দিনা আকৌ লগ পোৱাৰ সুযোগ হলে সেই পইচা ঘুৰাই দিব।

শিক্ষয়িত্ৰী আৰাধনা কাকতিৰ গাটো জ্বলি উঠিল—"আকৌ

আপোনাক লগ পাম আৰু আকৌ আপোনাৰ ৰিক্সাত উঠিম বুলি এতিয়াও ভাবি আছে নেকি ? ... পইচা লওক। মাজৰাতি সামান্য পইচাৰ কাৰণে তৰ্ক কৰা শোভা নাপায়।"

মানুহজনৰ পুৰুষত্বত যেন আঘাত লাগিল। "চাওক মাজৰাতি আলিবাটত ৰিক্সাৱালাৰ সামান্য পইচাৰ কাৰণে মই তৰ্ক কৰা নাই। কৰিছে আপুনিহে। আৰু মনত ৰাখিব, মাইকী মানুহৰ লগত তৰ্ক কৰাৰ প্ৰবৃত্তি মোৰ নাই।..." —বিদ্ৰূপত মানুহজনৰ মুখখন বেকা হৈ গ'ল।

"ৰিক্সাৱালা। হো—পইচা ধৰ।" পইচা থিনি দি খুব জোৰেৰে চিগাৰেটটোত হোপা এটা মাৰি তাৰ ধোঁৱাবোৰ বটগছ জোপাৰ ওপৰলৈ মাৰি পঠিয়ালে, যেন সেই ধোৱাই গছৰ ডাল আৰু পাত ভেদ কৰি বৰ্ষা-ব্যস্ত আকাশ খনতো খুন্দা মাৰিব।

ইপিনে অপমানৰ তীব্ৰ জ্বালাত আৰাধনা অস্থিৰ হৈ পৰিল। ইমান অভদ্ৰ বুলি জনাহলে এই মানুহটোৰ লগত তেওঁ কেতিয়াও নাহিলহেঁতেন। শিষ্টাচাৰ হীন আৰু ভদ্ৰমহিলাৰ লগত কথা কব নজনা মানুহ এটাৰ সঙ্গতকৈ অকলে ৰাতি বৰষুনত তিতি অহাও বহুত ভাল। . মূৰত চাদৰৰ আগটো টানি হুৰহুৰাই দি থকা বৰষুণ জাক মূৰত লৈ গছ জোপাৰ তলৰ পৰা উত্তেজিত হৈ ওলাই আহিল আৰাধনা।

আকৌ মানুহজনে চিঞৰি উঠিল—"আকৌ কেনি যায় ? বৰষুণ দেখা নাই নেকি ?" ........খঙেৰে পিচলৈ এবাৰ ঘূৰি চালে আৰাধনাই। কিন্তু মুখেৰে নেমাতি আগলৈ খোজ দিলে। পিচে পিচে মানুহজন আহি আকৌ কলে—"কি হৈছে আপোনাৰ ? এই বৰষুণত তিতি যোৱা উচিত নে অনুচিত তাকো আপুনি নেজানে নেকি ? ........ৰিক্সাত পইচা দিব নোৱাৰাৰ বাবে ইমান খং আপোনাৰ ভাল হোৱা নাই। ....ঠিক আছে, মোক ক্ষমা কৰিব—।"

অপমানৰ জ্বালাত তীব্ৰ শ্লেষৰ সুৰত আৰাধনাৰ মুখেদি ওলাই

আহিল—“আপোনাৰ লগত মোৰ কোনো মান-অভিমানৰ প্ৰশ্ন নাই, পাহৰি নেযাব। . ... আৰু .......আৰু মোৰ উচিত-অনুচিতৰ বিষয়ে ভাবিবলৈ আপোনাৰ কোনো দৰ্কাৰ নাই—” আকৌ আৰাধনাই খোজ দিলে। তেওঁৰ মূৰৰ ওপৰত তেতিয়া ভালকৈয়েই বৰষুণ পৰিছিল।

মানুহজনৰ মুখখন জ্বলি উঠিল। কি মানুহ এইজনী কম জেদী তো নহয়। খপহকৈ আৰাধনাৰ আগত থিয় হৈ তেওঁ কলে—“আপুনি তো দেখিছো কম জেদী নহয়। আপুনি এই ৰাতি দহবজাত অকলে অকলে ডবাপিটা বৰষুণত তিতি তিতি যাব—আৰু মই চাই থাকিম,—সেইটো নেভাভিব। যদি অচিনাকী, তথাপিও এই দুৰ্য্যোগত আপোনাক অকলে এইদৰে যাবলৈ দিয়াটো মোৰ পক্ষে অনুচিত। আপুনি যাব নোৱাৰে।”—যেন আদেশহে।

‘ বাট এৰি দিয়ক— । নহলে—” খঙত আৰাধনাই একো কব নোৱাৰিলে—মাথো কঁপিবলৈ ধৰিলে।

“নহলে,—নহলে কি কৰিব— ? চিঞৰিব—এয়েতো ? এই বৰষুণত আপোনাৰ চিঞৰ শুনি আপোনাৰ নিচিনা অবলা নাৰীক সহায় কৰিবলৈ কোনো মানুহ ঘৰৰ পৰা ওলাই নাহে— .. .. আৰু আহিলেও মোৰ কৰ্ত্তব্য মই কৰিমেই। আহক।”

তথাপিও মহাত আৰু ৰাজ আলিত এটা নাটকীয় দৃশ্যৰ সূত্ৰপাত হোৱাৰ উপক্ৰম দেখি মানুহজনে খপহকৈ আৰাধনাৰ হাতখন ধৰি গছৰ তললৈ টানি আনিলে। মানুহজনৰ এনেকুৱা দুঃসাহসিকতাত আচৰিত হোৱাৰ বাহিৰে আৰাধনাই একো কৰিব নোৱাৰিলে। কেৱল কঁপিবলৈ ধৰিলে। এনেকুৱা ধৰণৰ অদ্ভুত মানুহ আৰাধনাই কেতিয়াও লগ পোৱা নাছিল।

গছৰ তলতো মানুহজনে তেতিয়াও হাতখন ধৰি থকাতহে আৰাধনাৰ জ্ঞান আহিল। লগে লগে তেওঁ হাতখন আজুৰি আনিলে। মুখেদি কিবা এটা শব্দ ওলাল, নিজেই নুবুজিলে।

........তাৰপিচত দুয়ো মৌন হৈ থাকিল। অলপ পিচত বৰষুণ

এৰিলে। তেতিয়া মানুহ জন কলে—"এতিয়া বলক।" সুৰসুৰকৈ মানুহজনৰ পিচে পিচে একান্ত বাধ্য ছাত্ৰীৰ দৰে আৰাধনা আহিল। তেতিয়া চাৰে দহ বাজিছে। ঘৰৰ আগ পাওঁতেও আৰাধনাই একো নেমাতিলে। মানুহজনেহে কলে—"যাওঁক বাৰু দেই। আজি কিন্তু বৰ কষ্ট হ'ল আপোনাৰ...... "

আকৌ গাটো পুৰিবলৈ ধৰিলে আৰাধনাৰ। মানুহটোৰ লাজ বোলা বস্তু এটা নাই খঙেৰে গেট্‌খন খুলি পিচলৈ এবাৰো ঘুৰি নোচোৱাকৈয়েই আৰাধনা কম্পাউণ্ডৰ ভিতৰলৈ সোমাই গ'ল। আগফালৰ বাৰাণ্ডাত তেতিয়া বাহাদুৰ ৰ আছিল।

.....তাৰপিচত বেমাৰী আৰু উদ্বিগ্ন দেউতাকক বৰষুণে সৃষ্টি কৰা অভাৱনীয় বিপদৰ কথা বাহুল্যকৈ কবলগীয়া হ'ল। দেউতাকে নিশ্চিন্ত হৈ কলে—"ভাগ্যে তই মানুহজনক লগ পাইছিলি মণি! ..মোৰ ইপিনে চিন্তাত তৎ নাই। কাহেও আজি বৰ দিগদাৰ কৰিছে। ........মই জানিছো বৰষুণত তই কৰবাত বন্দী হৈ আছ। বাহাদুৰক তোৰ খবৰ লবলৈ যাবলৈ কৈছিলোৱেই। .....যা যা দেৰী নকৰিবি কাপোৰ কানি সলাই পেলাগৈ। একেবাৰে তিতি আধাধুন হৈ আহিছ। তোৰো জ্বৰচৰ নহলেই. ....." হঠাৎ কাহটো অহাত পৰশু কাকতিয়ে কথাখিনি শেষ কৰিব নোৱাৰিলে।

আৰাধনাই বেগৰ পৰা দৰৱ কিটা উলিয়াই তাৰে এটা পিল দেউতাকৰ হাতত দি কলে—"এইটো পিল এতিয়াই খাই দিয়া দেউতা। ইয়াৰ আধা-ঘণ্টাৰ পিচত ইটো খাবা। ৰবা, মই পানী আনি দিওঁ—।"

"ৰ চোন ৰ—মই খাম বাৰু। তই আগতে কাপোৰ খিনি সলাগৈ।" কিন্তু ইতিমধ্যে আৰাধনাই পানী আনিবলৈ গলেই। ভিতৰত একাপ গৰম চাহৰ কথা কৈ পানী আনি দেউতাকৰ হাতত দিলে। উপায় নেপাই দেউতাকে দৰৱটো খালে। সৰুতেই মাতৃহাৰা

হোৱা মণিৰ আগত পৰশু কাকতি বৰ দুৰ্ব্বল হৈ পৰে। গহীন-গম্ভীৰ এই ছোৱালীজনীক দেউতাকে ভয় নকৰাকৈ নেথাকে।

আৰাধনাই কলে—"তুমি কিন্তু দেউতা এটা বেয়া কাম কৰিছা। মোলৈ বাটচাই থাকি তুমিও এতিয়ালৈকে নোখোৱাকৈ আছা। ........তোমাৰ অসুখীয়া শৰীৰ—"

তেনেতে বাহাদুৰে চাহ একাপ আনি আৰাধনাৰ হাতত দিলে। দেউতাকে কলে- "এই অসময়ত আকৌ চাহ কেলেই? কাপোৰ কানি সলাই ভাতকে খাব পাৰিলিহেঁতেন।"

আৰাধনাই একো নামাতিলে। গৰম চাহৰ এসোহা মাৰি বৰ আৰাম অনুভৱ কৰিলে।

"তই যে কলি মানুহজনৰ কথা, কোন নো? নামটো সুধিছিলি নে?......"

আৰাধনাৰ মনটো আকৌ গ্লানিৰে ভৰি পৰিল—খং উঠিল।

"জানো কব নোৱাৰো। কি দৰ্কাৰ নাম সোধাৰ?"

"তোক এই বিপদৰ সময়ত ঘৰৰ দুৱাৰ মুখত থৈ গ'ল আৰু তই নামটোকে নুসুধিলি,—আচৰিত।"

দেউতাকৰ কথাত আৰাধনা বৰ বিৰক্ত হ'ল। ভিতৰলৈ চাই চিঞৰিলে "বাহাদুৰ, দেউতাক খাবলৈ দে। কটী দিবি। মোৰ দেৰী হব।"

খণ্ডত নিজৰ কোঠালৈ গুচি আহিল। দেউতাকৰ এনেকুৱা ধৰণৰ কথাবোৰ আৰাধনাই ভাল নেপায়। মানুহটোৰ নাম কি, ঘৰ ক'ত- কি দৰকাৰ। এটা ভদ্ৰ মানুহ হোৱা হলেও এটা সুকীয়া কথা আছিল।

ৰাতি এঘাৰ বজাত এই ৰৰষুণৰ ৰতৰটো আৰাধনাই বাথ্ৰুমত সোমাই চাবোন সানি খচি খচি গাটো ধুলে। সেই মানুহটোৱে যিখন হাতত ধৰিছিল তাত যেন বেচিকৈ চাবোন সানিলে। ....মানুহটোৰ আস্পৰ্দ্ধাৰ কথা ভাবিলে এতিয়াও খণ্ডত গা কঁপিবলৈ ধৰে। আকৌ

আৰাধনাক লগ পাবলৈ সি আশা ৰাখে। আনকালে হোৱা হলে আৰাধনাই নিশ্চয় ভালকৈ গালি পাৰি দিলেহেঁতেন। এনেকুৱা অভদ্ৰ আৰু অসভ্য মানুহক কেতিয়াও আসৈ দিব নাপায়। আজি আৰাধনাৰ এটা নতুন অভিজ্ঞতা হ'ল।

........গাটো ধুই শৰীৰটো বৰ নিকা আৰু পৰিষ্কাৰ অনুভৱ কৰিলে যদিও আৰাধনাৰ মনটোত খচ্‌খচকৈ কিবা এটাই অহৰহ বিন্ধি থাকিল। অস্বস্তি, অশান্তি আৰু গ্লানিয়ে মনটো গধুৰ কৰি ৰখাত বহুত ৰাতিলৈকে ইবাগৰ-সিবাগৰকৈ বিচনাত ছট্‌ফটাই থাকিল। আৰাধনাৰ এই আঠাইশ বছৰীয়া জীৱনত এনেকুৱা ঘটনা কেতিয়াও ঘটা নাছিল। অন্ততঃ কোনো মতা মানুহে এনেকৈ থাপ্‌ মাৰি তেওঁৰ হাতত ধৰি টানি অনা নাছিল। হাতত ধৰিছিল.ৰাতি দহ বজাত আৰু তাকো ৰাজ আলিত। ছিঃ ছিঃ! কি লাজৰ কথা। কোনোবা চিনাকী মানুহে কেনেবাকৈ দেখা হলে কি যে হ'লহেঁতেন।

———

ইয়াৰ দুদিনৰ পিচত এদিন আবেলি আগকালৰ বাৰাণ্ডাত চকী এখনত বহি আৰাধনাই হাতত কিতাপ এখন মেলি লৈছিল। বতৰ ফৰকাল। দেউতাকৰো অসুখ বহুতখিনি ভাল হৈছে। জীয়েকৰ অনুমতি লৈ সেইদিনা পৰশু কাকতি ফুৰিবলৈ ওলাই গৈছিল। কেবাদিনো আবদ্ধ হৈ থকাৰ পিচত গাটো ভাল পাই আজি লৰালৰিকৈ ফুৰিবলৈ যাবৰ কাৰণে দেউতাকৰ কিয় প্ৰবল ইচ্ছা জাগিছে আৰাধনাই জানে। দেউতাক গৈছে সেই চাৰি-আলিৰ কাষত থকা আজি দুবছৰৰ আগতে পেঞ্চন পোৱা ৰুদ্ৰ মাষ্টৰৰ ঘৰলৈ। ৰুদ্ৰ মাষ্টৰৰ ঘৰত বহি চিগাৰেট হুপি হুপি কথা পাতিবলৈ নেপালে পৰশু কাকতিৰ ৰাতি টোপনিয়েই নাহে। গম্ভীৰ আৰু কম কথা কোৱা শিক্ষয়িত্ৰী জীয়েক আৰাধনাৰ শাসনত পৰশু কাকতি ঘৰত বাক্-সংযমী হবলৈ বাধ্য হয়। ওপৰা-ওপৰিকৈ দুটা চিগাৰেট খোৱা দেখিলে তো কথাই নাই।

আৰাধনাই কিতাপখন মেলিহে লৈছে, এটা শব্দও পঢ়িব পৰা নাই। বাৰে বাৰে পৰহি ৰাতি হৈ যোৱা কথাটোহে মনলৈ আহিছে। মানুহটোৰ লগত তিতা কাপোৰেৰে একেলগে ৰিক্সাত কেনেকৈ যে উঠি আহিছিল। সেই মানুহটোৱেই তো তেওঁৰ হাতত ধৰিছিল। ভাবিলে গাটো ঘিন ঘিন লাগি যায়।

এনেতে আবেলি আৰু সন্ধ্যাৰ দোমোজাত পেক্ পেক্ শব্দ কৰি আকাশত মূৰৰ ওপৰেদি এজাক বগা হাঁহ উৰি গ'ল। আৰাধনাই ওপৰলৈ চাই দিলে। বৰ ভাল লাগিল। এইটো ঋতুত এনেকুৱা সময়ত সদায় হাঁহ জাক উৰি যায়। বৰ ভাল লাগে। বাঁহলৈ উৰাউল হৈ উভতি যোৱা হাঁহ জাকৰ প্ৰাণ চঞ্চল গতিটো বৰ ভাল লাগে। আকাশৰ শুদ্ধ বতাহ খিনিক হাঁহ জাকে যেন ব্যস্ত আৰু দুৰন্ত কৰি দিলে। মনটো অকাৰণতে বৰ মুকলি লাগি গল।

কিন্তু তেওঁ ওপৰলৈ চাই থকা মূৰটো তললৈ নৌ নমাওঁতেই

কোনোবাই প্ৰায় গাব কাষতেই কৈ উঠিল—'পৃথিবীৰ মৰম নেওচি, উৰা মাৰে বনবীয়া হাঁহ জাক ; কোনো এক ঘন বনে ঢকা বিলৰ প্ৰান্তত সিহঁতৰ ঘৰ।' আৰাধনাই উচপ খাই পিচলৈ ঘূৰি চাই দেখে সিদিনাৰ সেই মানুহটোৱেই। বুকুখন কঁপি উঠিল। মনৰ খং আৰু বিৰক্তিয়ে তেওঁৰ মুখত ছাঁ পেলালে। মানুহটোৰ সাহস তো কম নহয় কবিতাও গায়।

আৰাধনাই কিবা এটা কোৱাৰ আগতেই মানুহজনে আকৌ কলে—"নমস্কাৰ! আকাশেদি উৰি যোৱা হাঁহ জাক আপুনি একান্ত মনে চাই থকা দেখি আপোনাক মাত এষাৰ লগাই যোৱাৰ লোভ সম্বৰণ কৰিব নোৱাৰিলো। ........ক'ত, মোক বহিবলৈ নহয় নেকি ?—

—আৰাধনা থিয় হ'ল।

এনেতে ভিতৰৰ পৰা বাহাদুৰ ওলাই আহিল। তাক প্ৰায় ধমকি দিয়াৰ সুৰেৰে আৰাধনাই কলে—

"ভিতৰৰ পৰা চকী এখন উলিয়াই দে।" মানুহজনে কিন্তু আৰাধনাৰ এই তাচ্ছিল্যভাৱ গ্ৰাহ্যই নকৰিলে।

"আপুনিও বহক। থিয় হৈ থাকিল কেলেই? ........সেইখন কি পঢ়িছিল? বাঃ আপুনিও তেনেহলে কবিতা ভাল পায়। ........এতিয়াহে মোৰ ভাল লাগিছে। কাৰণ আপোনাৰ নাম কি, আপোনাৰ কোন কোন আছে—এইবিলাক পৰিচয় সিদিনা ৰাতি একো লব নোৱাৰিলো। এতিয়া আপোনাৰো কবিতাত ৰাপ দেখি ভাল লাগিছে।"

মানুহটোক সামান্য বিকৃত-মস্তিস্কৰ বা চেলেপু বুলি ভবাৰ বাহিৰে কোনো ভাল শব্দই আৰাধনাই বিচাৰি নেপালে।

"কবিতাত মোৰ ৰাপ দেখি আপোনাৰ আক' ভাল লাগিবৰ কি হ'ল?"

"কাৰণ ময়ো কবিতা ভাল পাওঁ। অৱশ্যে নিজে লিখিব

নোৱাৰো। গতিকে আপোনাৰ একো পৰিচয় নেপালেও এটা কথা জানিলো আৰু সেয়ে হৈছে আপুনি আৰু মই দুয়োৰে ভাল লগা বস্তু হৈছে কবিতা।........"

পৰাহলে বাহাদুৰৰ হতুৱাই মানুহটোক ঘৰৰ পৰা উলিয়াই দিয়ালেহেঁতেন। কিন্তু সিমানখিনি বোধকৰো উচিত নহব।

ভিতৰৰ উষ্মা প্ৰকাশ কৰি আকৌ আৰাধনাই বাহাদুৰক কলে—"এই, চাহ একাপ কৰি আন, যা। ........আলহী আহিলে চাহ দিব লাগে বুলি মেজান নেকি?"

মুখত বিদ্ৰূপৰ সুৰ এটা ফুটাই তুলি মানুহজনে কলে—"চাওঁক, আলহী আহিলে চাহ দিবই লাগিব বুলি কতো লিখি থোৱা নাই। ........আৰু এটা কথা। ঘৰৰ লগুৱাটোৰ আগত চুডান্ত ব্যঙ্গ প্ৰকাশ কৰি মোক একাপ চাহ দিবলৈ কৈ যদি আপুনি মোক অপমান কৰিছো বুলি ভাবিছে, তেন্তে ভুল কৰিছে। তাতোকৈ, মোক যদি আপুনি ভালেৰে সুধিলেহেঁতেন, মোৰ অনিচ্ছাস্বত্বেও চাহ খাম বুলি কলোহেঁতেন। আপুনি মোক সোধা উচিত নাছিল জানো?"

কদো, ৰবলৰ শুং বা অঘৈয়া হুলৰ অভিজ্ঞতা আৰাধনাৰ শান্তিপুৰ্ণ আৰু নিৰিবিলি জীৱনত কোনো দিনে হোৱা নাই। কিন্তু আজি তেওঁ শৰীৰত তীব্ৰ জ্বালা অনুভৱ কৰিলে। অন্তৰৰ সকলো বিদ্বেষ উজাৰি দি কলে—"মোৰ কোনটো উচিত আৰু অনুচিত সেই বিষয়ে আপোনাৰ নিচিনা অচিনাকী মানুহ এজনে নভবাটোৱেই বোধকৰো ভাল হব। এতিয়ালৈকে আপোনাৰ লগত মই ভদ্ৰ ব্যৱহাৰেই কৰি আছো। আপুনিও সীমা চেৰাই নেযাব। ....কথা শেষ হৈছে যদি যাবও পাৰে।........"

নিলাজ মানুহটোৱে হাঁহি হাঁহি এটা চিগাৰেট জ্বলালে। হাঁহিটোলৈ চাব নোৱাৰি, যেন হাঁহিৰ উদ্দামতাই সকলোবোৰ উৰুৱাই লৈ যাব।

"আপোনাৰ ইমান খং কেলেই কওকচোন। আপোনাৰ কামত উচিত বা অনুচিতৰ বিষয়ে ভাবিবলৈ মোৰ নিচিনা দুটা দিনৰ চিনাকী মানুহৰ কোনো অধিকাৰ নাই—মই খুব ভালকৈ জানো। ....কিন্তু কি জানে? কেতিয়াবা অনধিকাৰ চৰ্চ্চা কৰি ভাল লাগে—সীমা চেৰাই গৈয়ো ভাল লাগে। তাৰ প্ৰমাণ পৰহি বাতিয়ে গম পাইছে নহয়? তাৰ বাবে অৱশ্যে মই ইমান সময় আপোনাৰ ওচৰত ক্ষমা খোজা উচিত আছিল........।"

অভদ্ৰ বুলি প্ৰমাণিত হোৱাৰ পিচতো কোনোবা আলহীয়ে যদি বকিবলৈ ধৰে আৰু সেই বকনি শুনিবলৈ ঘৰখনত যদি দ্বিতীয় শ্ৰোতা নেথাকে, তেন্তে ঘৰৰ সেই এটা প্ৰাণীয়েই ভদ্ৰতাৰ খাটিৰত সেইবোৰ অন্ততঃ কিছু সময়লৈ কাণেৰে গিলিব লাগিব। উপায় নাই। শৰীৰৰ স্নায়ুবোৰ সজীৱ আৰু টনটনীয়া হৈ আছেনে নাই পৰীক্ষা কৰি চাবৰ কাৰণে এইবোৰেই উপযুক্ত মুহূৰ্ত্ত। ....দেউতাকো সোনকালে মৰা হ'ল। কথা পাছে সকলো পাহৰি যায়। বৰ খং উঠে! দেউতাকক মাতি পঠিয়াবলৈ এতিয়া বাহাদুৰকো পাঠিয়াব নোৱাৰি। তেতিয়া আৰাধনা এই মানুহটোৰ ওচৰত একেবাৰে অকলশৰীয়া হৈ পৰিব। কি বিশ্বাস এই বিলাক মানুহৰ!

আকৌ আৰম্ভ কৰিলে মানুহটোৱে—"আপুনি মনে মনে থাকিল দেখোন। .....আপোনাৰ লগত ভালকৈ চিনাকি হবৰ কাৰণেহে আহিছিলো। অথচ ইমান সময় কাজিয়া কৰি থাকোতেই গৈছে। ........পৰহি দিনা আপোনাৰ দেউতাকৰ অসুখ বুলি কৈছিল? এতিয়া কেনে? চাওঁকচোন, অথনিৰ পৰা মই এই অচিন প্ৰশ্নটোকে সুধিব পৰা নাই।"

মানুহটোৰ লগত তৰ্ক কৰি একো লাভ নাই। তাতকৈ ভালেৰে বিদায় দিয়াই উত্তম পন্থা।

"এতিয়া ভাল।"

"তেখেত নাই নেকি?"

"নাই। অলপ ওলাই গৈছে। আহিব এতিয়া।"

"ঘৰখনত আৰু কোনো মানুহৰ মাতবোল শুনা নাই আপোনাৰ বাহাদুৰৰ বাহিৰে। আৰু কোনো নাই নেকি?"

"বৰ্ত্তমানে কোনো নাই।" অস্পষ্টতা ৰাখি আৰাধনাই কলে।

"তাৰ মানে?"

"আপোনাৰ ইমানবোৰ কথাৰ উত্তৰ দি থাকিব নোৱাৰো বুইছে। আপোনাৰ যদি কথা শেষ হৈছে, যাব পাৰে........।"

"ময়ো তাকেই ক'ও বুলি ভাবিছো। আপোনাক বহুত আমনি দিলো। বেয়া নেপাব '........" থিয় হৈ মানুহজন যাবলৈ ওলাল।

কিন্তু ঠিক তেনে সময়তে পৰশু কাকতিয়ে গেট্ খুলি হাতৰ লাঠি ডালেৰে শিলত কোবাই কোবাই সোমাই আহিল আৰু অচিনাকি মানুহজনক দেখি বৈ দিলে আৰু তেওঁৰ মুখৰ পৰা ভাবিলৈকে চালে। এবাৰ মানুহজনলৈ আৰু এবাৰ আৰাধনালৈ চাই পৰশু কাকতিয়ে সুধিলে—"এওঁক চিনি নেপালো। এওঁ কোন মণি?"

"পৰহি দিনা যে ৰাতি মোক থৈ গৈছিল........"

মানুহজনে দেউতাকক এটা নমস্কাৰ কৰিলে।

"অ, আই চি! বহা-বহা। তুমি যাবলৈ ওলাইছিলা নেকি? তুমি বুলি সম্বোধন কৰি পেলালো। বেয়া নেপাবা ইয়ংমেন্। বহা........।" ইতিমধ্যে দেউতাকৰ হাতৰ লাঠিডাল লৈ আৰাধনা ভিতৰলৈ গ'ল। কাকতিৰ অনুৰোধত মানুহজন আকৌ বহিবলৈ বাধ্য হ'ল।

"পৰহি দিনা ৰাতিৰ কথা শুনিছো। সেই বৰষুণৰ মাজত তুমি মণিক থৈ নোযোৱা হলে ভাইৰ যে কি দুৰ্গতি হলহেঁতেন ভাবিবই নোৱাৰো। মই তোমাক ধন্যবাদ জনাইছো ইয়ংমেন—"

"নাই নাই, সেইটো একো ডাঙৰ কথা নহয়। তেনেকুৱা এটা বেয়া বতৰত কোনোবা মহিলা যদি বিপদত পৰে, তেওঁক সহায় কৰা সকলোৰে কৰ্ত্তব্য নহয় জানো?"

"চাৰটেইন্‌লি। কিন্তু তাৰ বিনিময়ত মই তোমাক সামান্য কৃতজ্ঞতা এটাও তো জনোৱা উচিত। ........তুমি সিদিনা ভাইক ইমান সহায় কৰিলা। তাই কিন্তু তোমাৰ নাম, পৰিচয় এইবোৰ একোকে নুসুধিলে বোলে। অৱশ্যে তায়ো ফিল্‌ কৰিছে কথাটো ঘৰত। তোমাৰ পৰিচয় নোসোধা যে, বেয়া কথা হ'ল, তাই মোৰ আগত বাৰে বাৰে কৈছে... .... ।"

ইমান সহজতে যে বাপেকে মিছা কথা কব পাৰে, ভিতৰৰ পৰা শুনি থকা আৰাধনাই কল্পনাও কৰিব পৰা নাছিল। এই দেউতাকৰ পৰা উপায় নাই।

তেতিয়া মানুহজনে কাকতিৰ কথাত কথা মিলাই কৈছে— "তেখেতৰ গাত দোষ নাই। আপোনাৰ অসুখৰ কাৰণে দৰৱ আনিবলৈ গৈ বৰষুণত কাৰ্ম্মাচীত আৱদ্ধ হৈ থাকিবলগীয়া হোৱাত তেখেত বৰ বিব্ৰত হৈ পৰিছিল। আপোনাৰ অসুখৰ কাৰণে বৰ চিন্তাত পৰি গৈছিল— ।"

"এৰা, ভাইৰ মোৰ কাৰণে বৰ চিন্তা। সামান্য কিবা এটা হলেই তাই বৰ ব্যস্ত হৈ পৰে। তাই নহলে ময়ো বৰ হেল্প্‌লেচ্‌ অনুভৱ কৰো। চি লষ্ট্‌ হাৰ মাদাৰ ইন্‌ হাৰ্‌ চাইল্ড হুড্‌........"

দেউতাকক এতিয়াই বাধা নিদিলে সমূহ বিপদ হোৱাৰ সম্ভাৱনা। মাক মৰাৰ পিচত মণিয়ে কেতিয়া দাৰ্জ্জিলিঙ খৃষ্টান মিচনেৰী কন্‌-ভেণ্টত পঢ়িবলৈ গৈছিল, তাত কেইবছৰ আছিল, কোন কোন বান্ধৱী আছিল, তাৰ পৰা ওলাই আহি কোন চনত সন্দিকৈত নাম লগাইছিল, অসমীয়াত অনাৰ্চ লৈ কেনেকৈ সুখ্যাতিৰে পাচ্‌ কৰিছিল, কেতিয়াৰ পৰা স্কুলত চাকৰি কৰিছে, এই টিচিং প্ৰফেচনটো কেনেকৈ মণিয়ে জীৱনৰ ব্ৰত বুলি ধৰি লৈছে আৰু সকলো পৰা কনভেণ্টত শিক্ষা পোৱা মণি যে কিমান ডিচিপ্লিনড্‌ সকলোবোৰ বাকপটু আৰু ভলভলীয়া দেউতাকৰ মুখৰ পৰা এতিয়া সল্‌সল্‌কৈ ওলাই আহিব। কি দৰকাৰ, এই অভদ্ৰ আৰু শিষ্টাচাৰ নজনা মানুহটোৰ আগত ইমানবোৰ কথা কোৱাৰ।

ব্যস্ত হৈ আৰাধনা বাহিৰলৈ ওলাই আহি দেউতাকক ক'লে—

"দেউতা, তোমাৰ দৰৱটো খোৱাৰ সময় হল দেই। আহা ভিতৰলৈ, দৰৱটো খোৱাহি।"

'ৰ চোন, খাম নহয়। ........আৰু শুন, তই এওঁক চাহ-তাহ কিবা খুৱালি নে নাই? তোৰ ঘৰলৈ নতুন মানুহ আহিছে। ডোণ্ট্ ফৰগেট্ দেট্—"

"মইহে নেখাওঁ বুলি কলো। তেখেতে চাহ দিব খুজিছিল।"

"তুমি নেখাওঁ বুলি কলেই নহব নহয় ইয়ং মেন্। যা মণি, আমাৰ দুয়োৰে কাৰণে চাহ জলপান দিবলৈ ক—"

এই নুতুন মানুহজনক পৰশু কাকতিৰ হঠাতে ভাল লাগি গল। পৌৰুষ-সুলভ ওখ দেহাটো আৰু বিশেষকৈ কৌতুহলত তিৰবিৰাই থকা চকু দুটা তেওঁৰ ভাল লাগিল। ইয়ংমেনৰ চেহেৰা এনেকুৱাই তো হব লাগে।

"ৰবা, মই মোৰ কথাবোৰকে কৈ আছো। ডোণ্টমাইণ্ড্। তোমাৰ পৰিচয় সোধাই হোৱা নাই। তোমাৰ নামটো কি?"

"মোৰ নাম আলোক বৰুৱা—"

"আলোক বৰুৱা। গুড্। মোৰ লৰাটোৰ নাম অনিল কাকতি। সি এতিয়া আৰ্মি ডক্টৰ। কাশ্মীৰত থাকে। বয়স তোমাৰ সমানেই হব কিজানি। ........ৰবা, তোমাৰ ঘৰ ক'ত?"

আলোকে তেওঁৰ ঘৰৰ ঠাইখনৰ নাম ক'লে।

"ইয়াত কিবা কৰিছা নেকি? আছা ক'ত?"

"আজি কেইমাহমানৰ আগতে ইয়াৰ কলেজৰ চাকৰি এটাত সোমাইছো। আছো আপোনালোকৰ ইয়াৰ পৰা প্ৰায় এক ফাৰ্লং মান দূৰৈত"

"তুমি ইয়াৰ কলেজত কাম কৰা? ভেৰি গুড্। তাৰ মানে লাইব্ৰেৰিয়ান্ পোষ্ট্‌টো ফিল আপ্ কৰিলে হবলা। ........ময়ো [illegible] কলেজৰ লগত এচচিয়েটেড্ হৈ আছিলো। মই

ফিলচফিৰ প্ৰফেচাৰ আছিলো। অৱশ্যে এইখন কলেজৰ নহয়। তাহানিৰ লৰা বিলাকে আজিও মোৰ কথা কি কয় জানা? মোৰ নিচিনা কোনেও হেনো ইমান সুন্দৰকৈ ফিলচফি বুজাই দিব নোৱাৰে। মই মণিকো কৈছিলো ফিলচফিত অনাৰ্চ লবলৈ। কিন্তু তাই ললে অসমীয়াত। অৱশ্যে অসমীয়াও বৰ বেয়া চাবজেক্ট্ নহয়। ........কিন্তু তাহানি এটা ইণ্টাৰেষ্টিং কথা হৈছিল। মই কলেজত নাম লগাব খোজোতে দেউতাই মোক সংস্কৃত লবলৈ কৈছিল। মই নললো। মই কি দেখিছো জানা? যি মানুহে এই চাবজেক্ট্ লয়, সি মৃতপ্ৰায় হৈ যায়। দে বিকম্ গুড্ ফৰ নাথিং। ইয়াৰ কলেজতো দেখিছো, সংস্কৃতৰ অধ্যাপক ভৱতাৰণ চক্ৰবৰ্ত্তী—তেওঁ ধুতি আৰু গাত চাদৰখন লৈ গোটেই জীৱন কটাই দিলে। ........সেই পোষ্টটো ফিল্-আপ কৰিবলৈকে আজিলৈকে কোনো মানুহ পোৱা নাই বোলে। এইটো এটা ট্ৰেজেডি নহয় নে?........"

আপোন ভোলা আৰু নিজৰ কথা কৈ ভাল পোৱা পৰশু কাকতিৰ কথাবোৰ শুনি আলোকে খুব আমোদ অনুভৱ কৰিলে।

ইপিনে ভিতৰত দেউতাকলৈ আৰাধনাৰ পেটে পেটে খং উঠিছিল যদিও দেউতাকৰ আধৈ ফুটাদি ফুটা মুখখনৰ আগত মানুহজনে এষাৰো মাত মাতিব নোৱাৰি ঠোঁট চেলেকি বহি থাকিবলগীয়া হোৱাত ভিতৰি ভিতৰি এটা আনন্দও অনুভৱ নকৰাকৈ থকা নাছিল।

কাকতিয়ে আকৌ আৰম্ভ কৰিলে—"বৰা, তুমি এইখিনিতে ক'ত থাকা বুলি ক'লা?"

"ইয়াৰ পৰা এক ফাৰ্লং মান দূৰৈত। নিত্যানন্দ ফুকনৰ ভাড়া ঘৰ এটা লৈ আছো।"

"অ' আমাৰ নিত্যাৰ ভাড়া ঘৰত তুমি আছো? আগকালৰ সেই সৰু খেৰী ঘৰটোত? ........বেচেৰা মানুহটোৰ কথা ভাবিলে বেয়াও লাগে। এজাক লৰাছোৱালী। ইপিনে অৱস্থাও সেয়ে—"

তেনেতে ভিতৰৰ পৰা আৰাধনা ওলাই আহি কলে—
"তোমালোকৰ চাহ দিছো দেউতা। আপুনিও আহক........।"

এই কোমল মাতষাৰ আলোকৰ বৰ ভাল লাগি গ'ল। আৰাধনাৰ শৰীৰটোত যৌৱনৰ উদ্দামতাই লুকাভাকু খেলা নাই যদিও এটা উজ্জ্বল স্নিগ্ধতা পৰিস্ফুত হৈ আছে। চকুযোৰত চঞ্চলতা নাই; আছে এটা গভীৰতা। ওখ আৰু আটিল শৰীৰটোত স্বাভাৱিক গাম্ভীৰ্য্য খাপ খাই পৰিছে।

চাহ খাই থাকোতে আলোকে ভাবিলে ছোৱালী জনী কিয় ৰুক্ষ প্ৰকৃতিৰ। এটা যেন মদগৰ্ব্বী ভাৱ—এটা যেন অহঙ্কাৰ। কাকতিয়ে যেতিয়া জীয়েক স্কুলত কাম কৰে বুলি কলে, তেতিয়াহে আলোকৰ মনটো মুকলি লাগিল। শিক্ষয়িত্ৰী হলেহে বোধকৰো মানুহ ইমান ৰুক্ষ প্ৰকৃতিৰ হয় আৰু এটা অনাহক ব্যক্তিত্বৰ অধিকাৰিণী হবলৈ চেষ্টা কৰে। স্কুলত ছোৱালীক শাসন কঁৰোতে কঁৰোতে, আনৰ ওপৰতো সেই মনোভাৱ বিস্তাৰ কৰিব খোজে।

তথাপিও আৰাধনা যেন বেচি কুঁৱলীৰে ঢকা। সিন্দুৰা আৰাধনাই ইচ্ছা কৰা হলে অনায়াসে নিজকে মধু-মাধৱী কৰিব পাৰিলেহেঁতেন। কিন্তু নকৰাৰ কাৰণ কি?

---

ইয়াৰ পিচত আলোকে পৰশু কাকতিৰ ঘৰলৈ নোযোৱাকৈও থাকিব পাৰিলেহেঁতেন। কিন্তু তেওঁৰ প্ৰতি ফুটি উঠা কাকতিৰ চেনেহ, আন্তৰিকতা আৰু আৰাধনাৰ ৰহস্য ঘেৰা গাম্ভীৰ্য্য আৰু অহঙ্কাৰে আলোকক ঘনে ঘনে সেইখন ঘৰলৈ আকৰ্ষণ কৰিলে। ........আৰাধনাৰ গাত যুৱতীৰ স্বাভাৱিক চঞ্চলতা, চাপল্য আৰু লজ্জাৰ ভাব দেখা হলে আলোকৰ মনত বোধকৰো সিমান প্ৰতিক্ৰিয়াৰ সৃষ্টি নহলহেঁতেন। কমনীয়া আৰু যৌৱন-পুষ্টা আৰাধনা কাকতিৰ দেহাত প্ৰলেপ পৰা অস্বাভাৱিক ৰুক্ষতা, ৰূঢ় আৱৰণ, পুৰুষৰ প্ৰতি উদাসীনতা আৰু অহমিকাই শিল্পী আলোক বৰুৱাৰ মনৰ কৌতুহল প্ৰজ্বলিত কৰি তুলিলে।

........তেওঁ ভাবিছিল ললিতাৰ পিচত আলোকৰ জীৱনত কোনো নাৰীৰ অৱকাশ নাই। ললিৰ বাবে থকা এটা অপৰাধ বোধেও নাৰীৰ পৰা আঁতৰি থাকিবলৈ তেওঁৰ মনটোক বাৰে বাৰে সকিয়াই দিছিল। .......কিন্তু এতিয়া আৰাধনাক লগ পোৱাৰ পিচৰ পৰা তেওঁৰ অন্তৰত এটা নতুন উপলব্ধিৰ জন্ম হৈছে। যিমান দিনলৈকে মানুহ জীয়াই থাকে, সিমান দিনলৈকে বোধকৰো কামনাৰ জুইকুৰাও জ্বলি থাকে। পুৰুষৰ জীৱনত নাৰী-কামনা কোনোবা দিনা শেষ হয় জানো? শেষ কৰিব খুজিলেও শেষ কৰিব পাৰি জানো?

বাৰে বাৰে ৰুক্ষ ব্যৱহাৰ পোৱাৰ পিচতো আলোক আৰাধনাৰ ওচৰলৈ ধৰিলে। কিন্তু আলোক যোৱাৰ লগে লগে প্ৰায়ে আৰাধনা ফুৰিবলৈ ওলাই গুচি যায়। এই অৱজ্ঞাত আলোক ভিতৰি ভিতৰি জ্বলি পুৰি উঠে। আনহাতে পৰশু কাকতিৰ অকলশৰীয়া অৱস্থাটো দেখি আলোকৰ বেয়াও লাগে। যিমান পাৰে তেওঁ বুঢ়া কাকতিক সঙ্গ-সুখ দিবলৈ চেষ্টা কৰে।

........এদিন পৰশু কাকতিয়ে মৰম সনা খং প্ৰকাশ কৰি আলোকক কলে—"তুমি বৰ বেয়া মানুহ ইয়ং-মেন। তুমি তো বেচ ফাকি দিয়া। কালি মণিয়ে কৈছে তোমাৰ দৰে মিছলীয়া

আৰু ফাকিবাজ মানুহক আমাৰ ঘৰলৈ আহিবলৈ দিয়া উচিত নহয়। তুমি আৰু' তাইক নুসুধিবা। তাই খং কৰিব।"

আচৰিত হৈ আলোকে পৰশু কাকতিলৈ চালে। মিছলীয়া আৰু ফাকিবাজ? অৱশ্যে আজি কেইদিনমানৰ আগতে আলোকে বিয়া কৰালে নে নাই আৰু নাই কৰোৱা যদি কেলেই কৰোৱা নাই, এই সকলোবোৰ বুঢ়া কাকতিয়ে আলোকক পেৰি পেৰি সুধিছিল। এই প্ৰশ্ন বিলাকৰ উত্তৰত আলোকে বিয়া কৰোৱা নাই আৰু বিয়া নকৰোৱাৰ কোনো কাৰণ নাই বুলি উত্তৰ দিছিল। বুঢাই তেতিয়া তেওঁৰ জীৱনৰ অভিজ্ঞতাৰে কৈছিল এই বয়সলৈকে এনেকৈ থকাটো আলোকৰ পক্ষে উচিত হোৱা নাই। আজিকালিৰ ইয়ংমেনে নিজৰ জীৱনৰ ডিচিচনৰ কথা নিজে জানিব লাগে। 'ইয়ংমেন, তুমি কিন্তু বেয়া কাম কৰিছা। ভেৰি বেড্। অৱশ্যে মই তোমাক ডিচ্কাৰেজ কৰা নাই। এতিয়াও সময় উকলি যোৱা নাই।' সেইদিনা পৰশু কাকতিয়ে এইদৰে কওঁতে আৰাধনা বোধকৰো ভিতৰত আছিল।

আলোকে আচৰিত হৈ আৰু ভয় খাই ভাবিবলৈ ধৰিলে আৰাধনাই নিশ্চয় ইতিমধ্যে কবৰবাৰ পৰা কেনেবাকৈ তেওঁৰ অতীত জীৱনৰ কথা গম পাইছে আৰু দেউতাকক কৈছে। কিন্তু গম পালে কেনেকৈ? আচৰিত কথা!

আলোকৰ চিন্তাগ্ৰস্ত মুখখনলৈ চাই পৰশু কাকতিয়ে ঢেক্ঢেক্‌কৈ হাঁহি এটা চিগাৰেট জ্বলালে।

"মিছা কথা কৈ এতিয়া চিন্তাত পৰি গ'লা নহয়নে ইয়ংমেন? ....... তুমি কিমানলৈকে পৰিছিলা?"

"এম. এ পাচ কৰিছো........"

"কলেজত লাইব্ৰেৰিয়ান পোষ্টত সোমাইছা বুলি সিদিনা কেলেই কৈছিলা? ....... তুমিয়েই সংস্কৃতৰ লেক্‌চাৰাৰ হৈ এই কলেজলৈ আহিছা বুলি কালি মণিয়ে গম পাই আহিছে। সিদিনা অথচ

তোমাৰ আগতেই মই সংস্কৃত চাৰজেক্টটোৰ শবাধ কৰি পেলাই-ছিলো। তুমি শিৰৰে হজম কৰি মোৰ কথাবোৰ শুনিছিলা.... ।”

পৰশু কাকতিৰ কণ্ঠত থং আৰু লজ্জাতকৈ পিতৃ-সুলভ স্নেহহে বেচিকৈ ফুটি উঠিল।

নিশ্চিন্ততা অনুভৱ কৰি আলোকে হাঁহি দিলে আৰু ক’লে—“মই তো আপোনাক কলেজৰ লাইব্ৰেৰীয়ান কামত সোমাইছো বুলি কোৱা নাছিলো। আপুনিহে নিজেই মোক লাইব্ৰেৰীয়ান পাতি দিছিল ” ।

শিশু-সুলভ লাজেৰে কাকতিয়ে কলে—“এৰা, দোষ মোৰ গাতেই। আই এম্ চৰি, মই তোমাক আণ্ডাৰ-এষ্টিমেট্ কৰিছিলো ইয়ংমেন। ডোণ্ট মাইণ্ড্—”

“নাই, আপুনি কেলেই তেনেকৈ কৈছে? মই আপোনাক অকনো বেয়া পোৱা নাই। আপুনি মোৰ দেউতাৰ নিচিনা........।”

এইবাৰ কথাই বোধকৰো কাকতিৰ মৰ্ম্মস্থলত আঘাত কৰিলে। তেওঁ হাঁহিবলৈ এটা বৃথা চেষ্টা কৰিলে।

“ঠিক কৈছা ইয়ংমেন্। তুমি বেয়া নোপোৱা বুলি মই জানো। কালি মণিকো মই কৈছো তুমি তেনেকুৱা ধৰণৰ লৰা নোহোৱা। ...... অৱশ্যে অনিল হোৱা হলে বেলেগ কথা আছিল—”

“কোন অনিল ?”

“মোৰ লৰা। সিদিনা তোমাক কৈছিলো নহয়। ........কিন্তু বিয়াৰ আগতে তাৰ নিচিনা এটা ভাল লৰা নাছিল। সেইবোৰ বহুত কথা বুজিছা ইয়ংমেন্। সি বিয়া কৰালে তাৰ পছন্দ মতে ইয়াৰে এজনী ছোৱালীক। কিন্তু বিয়াৰ পিচত দুয়োটা কম্প্লিট্লি চেঞ্জড্ হৈ গ’ল। সি ঘৰলৈ পইচা পঠিয়াবলৈ পাহৰিলে—ইভন্ হি ফৰগেটচ্ টু ৰাইট্ এ লেটাৰ....। তাৰ ঘৈনীয়েকেও এইখন ঘৰ ট’টেলী অৱজ্ঞা কৰিলে। মোৰ কথা বাদেই দিয়া, তাই মণিকেই

কেৰাবাৰো দুৰ্ব্যৱহাৰ কৰিলে। ......বিয়াৰ পিচত লৰা ছোৱালী-বোৰ এইদৰে চেঞ্জড্ হৈ যায় নেকি নেজানো। আমাৰ দিনত কিন্তু এনেকুৱা নাছিল দেই ইয়ংমেন। এইটো বোধকৰো যুগৰে ধৰ্ম্ম। ........মোৰ মণি কিন্তু এনেকুৱা নহয়। তাই একেবাৰে বেলেগ ছোৱালী। ....ককায়েক আৰু বৌয়েকৰ এনেকুৱা মেণ্টেলিটি আৰু ঘৰখনৰ প্ৰতি সিহঁতৰ অৱজ্ঞাই তাইৰ মনত এটা বেয়া ৰিপাৰ্কেচন আনি দিলে। তুমি বোধকৰো নেজানা, তাই সদায় এটা প্ৰিঞ্চিপ্লড থাকি ভাল পায়। .......তাইৰ গ্ৰেজুয়েচনৰ পিচত আই ট্ৰাইড্ ফৰ্ হাৰ্ মেৰেজ চেভেৰল্ টাইমচ্। কিন্তু চি ইজ্-এডামেণ্ট। চি অলৱেজ্ চে'ড্ ন'। মই আনকি মণিক তাইৰ কৰবাত কিবা এফেয়াৰ্চ আছে নেকি তাকো সুধিছিলো। কিন্তু—"

এইখিনিতে আত্ম-ভোলা পৰশু কাকতিৰ জ্ঞান আহিল, তেওঁ বোধকৰো বেচি কথা কৈ পেলাইছে। মণিয়ে এদিন শাসন কৰি কৈছিল দেউতাকে কাৰো আগত যেন ঘৰুৱা কথাবোৰ লপ্লপাই নকয়।

আলোকৰ মনটো বহুখিনি পৰিষ্কাৰ লাগি আহিছে। আৰাধনাৰ চাৰিওকাষে থকা কুৱঁলীবোৰ লাহে লাহে অপসাৰিত হোৱা বুলি তেওঁ অনুভৱ কৰিলে।

কথাৰ প্ৰসঙ্গ সলাই কাকতিয়ে এইবাৰ কলে—"বাৰু, সেইবোৰ বাদ দিয়া। তোমাৰ কথালৈ আহো। .......কিন্তু ইয়ংমেন, তোমাৰ নিচিনা আধুনিক আউট্লুকৰ ইয়ংমেন এজনক সংস্কৃতৰ অধ্যাপক বুলি ভাবিবলৈ মই এতিয়াও টান পাইছো।

এটা সৌজন্যপূৰ্ণ মিঠা হাঁহিৰে আলোকে কলে—"দিনে দিনে পৃথিৱী সলনি হৈ আহিছে। সেইদৰে মানুহৰো দৃষ্টিভঙ্গী সলনি হোৱাৰ প্ৰয়োজন নাই জানো ?"

"নিশ্চয় আছে।"

"তাৰোপৰি মই ভাবো, আজিৰ অতি আধুনিকতাত দিশহাৰা হৈ ককবকাই ফুৰাতকৈ আমি বোধকৰো অতীতৰ সংস্কৃত যুগলৈ যাব পাৰিলেহে বহুখিনি পোহৰ পাম। এই ভাষাৰ যোগেদি অকল ভাৰতৰ ঐতিহ্য, ধৰ্ম্ম, কলা, সঙ্গীত, সংস্কৃতি আৰু পৰম্পৰাৰ কথাই জনা নেযায়, মনটো সংস্কৃত-গ্ৰাহ্য কৰাতো ই সম্ভৱ বহুখিনি সহায় কৰিব'।........"

"তুমি ঠিক কি কব খুজিছা মই বুজা নাই ইয়ংমেন?"

"ধৰক, এই ভাষাটো কেইজনমান মুষ্টিমেয় ব্যক্তিৰ মুখত অবোধ্য শ্লোক হিচাবে ব্যৱহৃত নহৈ যদি হৈ সকলোৰে অন্তৰত পশিব পাৰে, তেন্তে বোধকৰো আমি নিজে নিজক চিনি পাম আৰু তেতিয়া ভৱিষ্যতটো দেখাত আমাৰ কাৰণে কষ্টকৰ নহব। ইয়াকেই মই সংস্কৃত-মন বুলি ভাবো।"

"মাৰভেলাচ্, তোমাৰ কথাবোৰ শুনি মই মুগ্ধ হৈ গৈছো—"

প্ৰশংসাত লজ্জিত হৈ অলপ সময় বৈ আলোকে আকৌ কলে—"যেই কোনো বিষয়ৰ প্ৰতি এটা পৰিষ্কাৰ ধাৰণা আৰু দূৰদৃষ্টি—এই দুয়োটাই বোধকৰো এটা সংস্কৃত-মন তৈয়াৰ কৰাত ভালোখিনি সহায় কৰে। মোৰ সামান্য জ্ঞানেৰে কৈছোঁ। আপুনি নিশ্চয় বেচি ভালকৈ কব পাৰিব। আপুনি দৰ্শনৰ অধ্যাপক আছিল আৰু আপোনাৰ গোটেই জীৱন জোৰা পৰিপক্ক অভিজ্ঞতা আছে—"।

আলোকৰ প্ৰশংসা বাণীত কিন্তু বৃদ্ধ কাকতিয়ে অকনো আত্ম-প্ৰসাদ লাভ নকৰিলে। বৰং গহীন হৈ অন্য এটা কথালৈ গল—"মোৰ মনত এটা আইডিয়া খেলাইছে। ৰিটায়াৰ কৰাৰ পিচত ভাৰতীয় দৰ্শনৰ বিষয়ে অলপ লেখা পঢ়া কৰিবলৈ চেষ্টা কৰিছিলো। পিচে আধা হৈ থাকিল। মই এতিয়া তোমাৰ লগত সেই বিষয়ে আলোচনা কৰিব খুজিছোঁ। তোমাৰ নিশ্চয় আপত্তি নাই?

"আপত্তিৰ কি কাৰণ আছে? মই ভালহে পাম।"

"মই জানো তুমি ভাল পাবা। তোমাৰ কথাবোৰ মণিয়ে শুনাহলে বৰ ভাল পালেহেঁতেন। তাইৰো মনটো এনেকুৱাই। তাই বৰ কোমল প্ৰকৃতিৰ।"

---

কিন্তু আলোকে কোৱা কথা গোটেইবোৰেই আৰাধনাই শুনি আছিল। কুৰিবছৰীয়া ওলাই গৈ সোনকালে ঘুৰি আহি ভিতৰৰ পৰা আলোক আৰু দেউতাকৰ কথাবোৰ শুনি আছিল। শুনি সঁচাকৈয়ে মুগ্ধ হৈছিল আৰাধনা। সৰুতেই মাতৃহাৰা হোৱা, মিচনেৰী কনভেণ্টত পোৱা শিক্ষা, দেউতাকৰ পৰা পোৱা অত্যাধিক মৰম আৰু বিয়াৰ পিছত মৰথমৰ পৰা একেবাৰে আঁতৰি গুচি যোৱা দাদাক আৰু বৌয়েকৰ মনোবৃত্তিয়ে আৰাধনাৰ মনটো একেধাৰে অৱহেলিত, কৰ্ত্তব্যপৰায়ণ, আদৰুৱা আৰু বিদ্ৰোহী কৰি তুলিছিল আৰু লগতে মনটো হৈ পৰিছিল পুৰুষ বিদ্বেষী। একমাত্ৰ মৰমৰ ককায়েকে এজনী সামান্য ছোৱালীৰ সংশ্ৰৱত বৃদ্ধ অসহায় পিতৃ আৰু আদৰৰ ভনীয়েকক সম্পূৰ্ণৰূপে পাহৰি যোৱাৰ কাৰণেই যে তেওঁৰ মনটো পুৰুষ বিদ্বেষী হৈ উঠা নাছিল, এই কথা তেওঁ নিজেও ডাঠি কব নোৱাৰিছিল। মনৰ এনে অন্তৰ্দ্বন্দ্বৰ বাবেই বোধকৰো আৰাধনাই কেবাবাৰো দেউতাকৰ বিয়াৰ প্ৰস্তাৱত সন্মতি জনাব পৰা নাছিল। আপোনভোলা দেউতাকৰ মণি বিহীন জীৱনটোৰ কথা আৰাধনাই সপোনতো ভাবিব নোৱাৰে।

নাৰীৰ যৌৱন, ঘৰৰ পৰিস্থিতি আৰু আউল লগা মনৰ জটিলভাব চাকনৈয়াত আলোকে কোৱা সংস্কৃত-মুখী মনটোৰ ব্যাখ্যা আৰাধনাৰ বৰ ভাল লাগি গ'ল। কোনো এটা বিষয়ৰ প্ৰতি এটা পৰিষ্কাৰ ধাৰণা আৰু দূৰদৃষ্টি—এই দুয়োটাই এটা সংস্কৃতপূৰ্ণ মনৰ সৃষ্টি কৰে। ইয়াৰ কাৰণে মানুহক লাগে জ্ঞান আৰু অভিজ্ঞতা। কিমান সঁচা কথা।

যাৰ অন্তৰত এনেকুৱা অমৃত ভাণ্ডাৰ আছে, সেই মানুহবেই কিয় অশোভনীয় মনোবৃত্তি থাকে। উদাসীন দেউতাকে হয়তো নেজানিব পাৰে, কিন্তু আৰাধনাইতো খুব ভালকৈ জানে আলোকৰ চকুত যে এটা লোলুপতা লুকাই আছে। সেই বৰ্ষামুখৰ ৰাতি আলোকে তেওঁৰ হাতখনত ধৰাৰ দিনা, কোনে কব পাৰিব আলোকৰ

চকুত কামনাৰ জুই জ্বলা যাছিল? দেউতাকৰ ওচৰত শান্ত শিষ্ট আৰু সংস্কৃতি-সম্পন্ন যোলাই আলোক বৰুৱাই দেউতাকৰ মনটো জিনিবলৈ যিমানেই চেষ্টা নকৰক, আলোকৰ মনটো যে কদৰ্য্য কামনাৰে ভৰা আৰাধনাই উমান ধৰিব পাৰিছে। আলোকৰ চকুত ফুটি উঠা অস্বস্তিকৰ হিংস্ৰতাৰ সম্মুখত আৰাধনাৰ শৰীৰত সিৰ্‌সিৰ্‌কৈ এটা চেঁচা সোঁত বৈ যায়। বোধকৰো মানুহটো খুব ভাল নহয়........।

........ইপিনে পৰশু কাকতিয়ে ভাবিলে "ক্লিন কনচেপ্‌চন" আৰু "ৰুচাইটেড্‌বেচ্‌" এই দুয়োটাই লগ লাগি এটা "কালচার্ড মাইণ্ড" তৈয়াৰ কৰে ইমান সহজ কথা। অথচ এই সামান্য কথাটোকে তেওঁৰ ষাঠি বছৰ বয়সত বুজাই দিবলগীয়া হ'ল ইয়ংমেন আৰু কলেজৰ সংস্কৃত অধ্যাপক আলোক বৰুৱাই।

........লৰাটো ভাল, বেচ জনা বুজা। পঢ়াশুনাও নিশ্চয় কৰে। সাহিত্য ভাল পায়, কবিতা ভাল পায় আৰু লোকৰ অভিজ্ঞতা শুনি ভাল পায়। নিজৰ বয়সৰ নহলেও ইমান দিনৰ মূৰত পৰশু কাকতিয়ে এটা মন মিলা ইয়ংমেন পাইছে।

"ক্লিন্‌ কনচেপ্‌চন"! নিজৰ পুত্ৰ অমিলৰ প্ৰতি তেওঁৰ কোনো স্পষ্ট ধাৰণা আৰু লগতে দূৰদৰ্শিতা নথকা কাৰণে সি বেলেগ হৈ আঁতৰি গুচি গ'ল। কিন্তু মণিৰ প্ৰতি পৰিষ্কাৰ ধাৰণা আৰু দূৰদৰ্শিতা বি. এ. পাচ কৰালৈকে ঠিকমতেই চলি আছিল কাৰণেই তাই ইমান বাধ্য, সৰল আৰু কৰ্ত্তব্যপৰায়ণ। কিন্তু যি মুহূৰ্ত্তত পৰশু কাকতিয়ে অনুভৱ কৰিলে মৰমৰ জীয়েক মণি তেওঁৰ ওচৰৰ পৰা আঁতৰি যাবলগীয়া হলে তেওঁ এই পৃথিৱীত কেনেকৈ জীয়াই থাকিব, তেতিয়াই তেওঁৰ চকুত থকা মণিৰ প্ৰতি সজাগদৃষ্টি ম্লান হৈ পৰিছিল। তেতিয়া ভাবিছিল, 'তাই নৰ'ল প্ৰফেচনটোকে জীৱনৰ ব্ৰত বুলি ধৰি লৈছে। মই আৰু ইণ্টাৰ্‌ফেয়াৰ্‌ নকৰোঁ।—আৰু যোহোৰা ছোৱালী।' কিন্তু আজি ষাঠি বছৰীয়া কাকতিয়ে অনুভৱ কৰিলে মাতৃহাৰা জীয়েক মণিৰ ভৱিষ্যতৰ বিষয়ে ভাবিবলৈ ভয়

কৰাটো তেওঁৰ চূড়ান্ত দূৰদৃষ্টিহীনতাৰ পৰিচায়ক। তেওঁৰ মৃত্যুৰ পিচত মণিৰ কি হব এই বিষয়ে পৰশু কাকতিৰ এটা স্পষ্ট ধাৰণা থকা উচিত আছিল।

........পৰশু কাকতিৰ ঘৰৰ পৰা অহাৰ পিচত আলোকে নিজকে পুত্ৰৰ পাত্ৰ বুলি অনুভৱ কৰে। পিতৃব্য কাকতিয়ে তেওঁক মৰম কৰে সঁচা কথা। কিন্তু আৰাধনাই যে তেওঁক অৱজ্ঞা কৰে, লাহে লাহে ধৰা পৰি আহিছে। অৱজ্ঞা বুলি ডাঠি কব নোৱাৰি যদিও আলোকক যে তেওঁ দূৰৈত থৈছে আৰু নিজেও সাৱধানেৰে দূৰৈত আছে—এইটো ধ্ৰুৱ সত্য। এটা যেন নিৰাপদৰ ব্যৱধান। গম্ভীৰ ভাব, জুখি মাখি কোৱা কথা আৰু মাৰ্জ্জিত ব্যৱহাৰ। সেই ব্যক্তিত্বত তেনে ব্যৱহাৰহে খাপ খায়। তথাপিও আলোকে নিজকে আৰাধনাৰ অনুকম্পাৰ পাত্ৰ বুলি ভাবিবলৈ টান পালে। পৰিপুষ্ট সবলা নাৰী; কিন্তু মনৰ চাৰিওকালে এখন দুৰ্ভেদ্য প্ৰাচীৰ। অনুপ্ৰবেশ কৰাৰ কতো সুৰুঙা নাই।... ... ভাল নেলাগিল মনটো।

বহুত দিনৰ মূৰত চেতাৰখন তুলি লৈ টুং টাংকৈ বজাবলৈ ধৰিলে। অস্থিৰ আৰু চঞ্চল আঙুলিয়ে চেতাৰৰ তাঁৰত প্ৰচণ্ড ভাবে আঘাত দিবলৈ ধৰিলে। সেই আঘাতৰ কোনো অৰ্থ নাই। মনটোৱে কিন্তু ভাবিবলৈ ধৰিলে নিজৰ জীৱনৰ গ্লানি আৰু পৰাজয়ৰ কথা। যি আলোকে কোনোদিনেই তল মূৰ কৰি কাৰো সন্মুখত থিয় হোৱা নাই, তেওঁ আজি সিন্ধুবাৰ অনুকম্পা বুটলিব কিয়? ........লাহে লাহে চেতাৰৰ তাঁৰত ফুটি উঠিল মালকোষ। আলাপে সৃষ্টি কৰিলে এটা শান্ত আৰু গম্ভীৰ অৱয়ৱ। ৰাগ মূৰ্ত্তিৰ শৰীৰত সঞ্চাৰিত হল বীৰৰস। প্ৰথম মূৰ্চ্ছনা আৰু মীড়ৰ কোমলতাত এই বীৰৰস মূৰ্ত্তি যেন মধুপানত মত্ত হৈ ৰমণীৰ আহ্বানত চঞ্চল খোজে আগবাঢ়ি যাবলৈ ধৰিলে। একালে ৰক্তবৰ্ণ চকুৰে বিজয়ী আৰু আনকালে প্ৰচণ্ড ভোগী। এই দুইৰসৰ তন্ময়তাত মালকোষ

অন্তৰস্পৰ্শী গভীৰতাত নিমগ্ন হ'ল। সেই সময়ত আলোকে মাল-কোষৰ বাহিৰে অন্য কোনো সত্য বিচাৰি নেপালে।

চেতাৰৰ তাঁৰত যদি আলোকে মালকোষৰ বীৰমূৰ্ত্তি প্ৰকাশ কৰিব পাৰে, তেন্তে তেওঁ কিহৰ কাৰণে আৰাধনা কাকতিৰ পুতৌৰ পাত্ৰ হব?

---

আজি কেবাদিনো আলোক মহাত পৰশু কাকতি ছট্ ফটাই ফুৰিছে। আলোক মহাৰ কাৰণ জীয়েকক অকাৰণতে বাৰে বাৰে সুধিছে যদিও জীয়েকৰ উদাসীন উত্তৰ পাই মনে মনে থাকিবলৈ বাধ্য হৈছে। এই কিদিন আলোক কেলেই অহা নাই আৰাধনাইও ঠিক ধৰিব পৰা নাই। দেউতাকৰ দৰে এটা উৰাউল চিন্তা হোৱা নাই যদিও কিবা এটা অহৈতুক অশান্তিয়ে মনটো বিন্ধি আছে।

....পিচদিনা খুব ৰাতিপুৱাই দেউতাকৰ উচ্ পিচনিত দেউতাকৰ লগত আৰাধনাও আলোকৰ খবৰ দুৱাৰমুখত থিয়হ্বলগীয়া হল। দেউতাকৰ তাড়নাত পৰি মনৰ অনিচ্ছাস্বত্বেও আলোকৰ ওচৰলৈ আহিবলগীয়া হোৱাত আৰাধনাৰ নিজৰে লাজ লাগিল। ........ দেউতাকেও আহিবলৈ পালে এই ৰাতিপুৱাহে! কি ভাবিব বাক আলোকে! আৰাধনাক দেখিলে এনেই তেওঁৰ মুখখন মেল খাই যায়। আজি যে কি নকৰ, ঠিক নাই। আৰাধনাৰ মনটো এনেয়ে এবাৰ সামান্য ভাবে কঁপি উঠিল।

গেটখন খুলি কম্পাউণ্ডত সোমোৱাৰ লগে লগে হঠাৎ দুয়োৰে কাণত পৰিল চেতাৰৰ এটা মিঠা মাত। পৰশু কাকতিয়ে আচৰিত হৈ জীয়েকলৈ চালে। আৰাধনাও কম আচৰিত হোৱা নাই।

দুয়ো গৈ বাৰান্দাত উঠাৰ লগে লগে খিৰিকীৰ পৰ্দাৰ ফাঁকেদি আলোকৰ পিঠিখন তেওঁলোকৰ চকুত পৰিল। দুৱাৰখন খোলাই আছিল্। দুয়ো নিশব্দে কোঠাটোত সোমাই নিথৰ হৈ শুনিবলৈ ধৰিলে। সুৰৰ মায়াজালত নিমগ্ন হৈ পৰা আলোকে এওঁলোকৰ উপস্থিতিৰ কথা একেবাৰেই গম পোৱা নাছিল।

অপাৰ বিস্ময়েৰে চেতাৰ শুনি শুনি পৰশু কাকতিয়ে এটা শিশুসুলভ হাঁহিৰে ভাবিলে এই ইয়ংমেনৰ নিচিনা দ্বিতীয় এটা ফাঁকিবাজ নাই। নিজক লুকুৱাই ৰখাত বৰ এক্সপাৰ্ট্। আৰাধনাই অন্তৰৰ মুগ্ধতাক সযতনে ঢাকি ৰাখি মুখত ব্যঙ্গ-কঠোৰতা ফুটাই

তুমি ভাবিছিল—আলোক বৰুৱাৰ নিচিনা আচৰিত আৰু ভুক্ত মানুহ বোধকৰো এই পৃথিৱীৰ কতো নাই।

........পুৱাৰ সুশীতল বতাহ আৰু ধূপৰ সুবাসে পবিত্ৰ কৰি থোৱা এটা গম্ভীৰ পৰিবেশত আলোকৰ বাহুকৰা আঙুলিয়ে ভেত্তিয়া ভৈৰবীৰ গাম্ভীৰ্য্য আৰু কোমলতাৰ মাজে মাজে বিচৰণ কৰি ফুৰিছিল। নিশ্চয় তেওঁৰ চকুৰ আগত ভাহি উঠিছিল ভৈৰবীৰ ধ্যানমূৰ্ত্তি। পীতবৰ্ণা আৰু সুনেত্ৰা ভৈৰবীয়ে কৈলাশ পৰ্ব্বতৰ ওপৰত স্ফটিক যেন আসনত বহি পদুম ফুলেৰে মহাদেৱৰ পূজাত ধ্যান-মগ্না হৈ আছে। সৰ্ব্বশৰীৰ কোমলতাৰে ভৰা।

আঁনন্দ ধৰি ৰাখিব নোৱাৰি এবাৰ পৰশু কাকতিয়ে মাজতে চিঞৰি উঠিল—“মাৰভেলাচ ইয়ংমেন.......।” ......চেতাৰ স্তব্ধ হৈ গ'ল। পিছলৈ ঘূৰি চাই দুয়োকো একেলগে দেখি আলোকে থত্‌মত্‌ খালে। এই ৰাতিপুৱা দুয়োৰে উপস্থিতি বিশেষকৈ আৰাধনাক আলোকে কেতিয়াও কামনা কৰা নাছিল। তেওঁলোকক ক'ত বহিবলৈ দিব, কি কৰিব আৰু কি খুৱাব তাৰ বাবে তেওঁ ভীষণ ব্যস্ত হৈ পৰিল।

পৰশু কাকতিয়ে আলোকৰ ব্যস্ততা দেখি কৈ উঠিল—“তুমি ইমান ব্যস্ত হৈছা কেলেই? আমি বহিছো বাৰু। তুমিও বহা চোন।”

“আপোনালোকক মই দেখা নাছিলো। কেতিয়াবাই আহিল নেকি?”

“অহা কিছু সময় হ'ল........।”

“মই বৰ লাজ পাইছোঁ। মোক মাতিব পাৰিলেহেঁতেন।”

“ইচ্ছা কৰিয়ে মাতা নাই ইয়ংমেন। তুমি এব্‌জৰভড্‌ হৈ আছিলা। উই ডিড্‌ নট্‌ লাইক টু ডিচ্‌টাৰ্ব ইউ। বৰ ভাল লাগিছিল নহয়নে মণি? ........তোমাৰ যে এইটো ডাঙৰ গুণ আছে, তুমি তো এদিনো কোৱা নাই। ভেৰি বেড্‌।”

আবাধনাই তেতিয়া বেবত আঁখি থোৱা আলোকৰ মাক আৰু গুৰুজীৰ ছবিখনলৈ চাই আছিল। যেন দেউতাকৰ কথা একোৱেই তেওঁৰ কাণত সোমোৱা নাই।

আলোকে লজ্জিত স্বৰত ক'লে—"এইটোনো কি ডাঙৰ গুণ যে মই বাহিৰত কৈ ফুৰিম ?"

"তথাপিও তোমাৰ এইটো বেয়া স্বভাৱ। নিজৰ গুণৰ কথা মানুহে বাহিৰত প্ৰকাশ কৰে। তুমি অন্ততঃ মোৰ আগত কব লাগিছিল। ....বৰ সুন্দৰ বজাইছিলা। মই চাৰ্মড্ হৈ গৈছিলোঁ। তোমাৰ সুৰে মোৰ অন্তৰ স্পৰ্শ কৰিছিল। কি বজাইছিলা বাৰু তুমি ? বোধকৰো তুমি....... ?"

"ভৈৰৱী।"

"ভৈৰৱী, কাৰেক্ট্। পাহৰি গৈছো বুইছা। আগতে তাহানি এই বিলাকৰ সামান্য চৰ্চ্চা কৰিছিলো। সেইবোৰ এতিয়া একেবাৰে পাহৰি গৈছো। আমাৰ মণিবো এইবোৰত খুব ইণ্টাৰেষ্ট্ জানিছা। ........তই কেনে পালি বাৰু মণি ?

আবাধনাই উত্তৰ দিব খোজোতেই আলোকে বেঁকাকৈ আবাধনালৈ চাই ক'লে—"তেখেতৰ নিশ্চয় ভাল লগা নাই। নহলে ইমান সময়।·· ··· ।"

লগে লগে গম্ভীৰ স্বৰত আবাধনাই উত্তৰ দিলে—"খুব ভাল লাগিল, দেউতা।"

"ধন্যবাদ"—এটা মিঠা হাঁহিৰে আলোক থিয় হৈ ভিতৰলৈ যাব খুজিলে। পৰশু কাকতিয়ে চিঞৰি উঠিল—"শুনা, শুনা, তুমি কলৈ যাব খুজিছা ?"

আবাধনাই কলে—"আমি পিচে এতিয়া চাহ তাহ একো খাখাওঁ........"।

আলোক ব'ল আৰু ক'লে—"নহা মানুহৰ ঘৰলৈ আহিছে। একাপ চাহ খোৱাত কি আপত্তি ?"

পৰশু কাকতিয়ে ক'লে—"মই তো চাহ বৰ কম খাওঁ। একাপ বেড্ টি খালোঁ। দেট্ ইজ্ চাফিচিয়েন্ট্। অলপ পিছত ঘৰত ভালকৈ খামগৈ........।"

"তথাপিও তেখেতেতো খাব পাৰে।"

"নেলাগে, আমি ঘৰতেই খামগৈ দেউতা।"

"কাৰেক্ট্! ভালকৈ তুমি এটা কাম কৰা আনন্দ, তুমিও বলা আমাৰ লগত। আমাৰ তাতে চাহ খাবাগৈ। ........তোমাক আজি নতুনকৈ আবিস্কাৰ কৰিলো যেতিয়া তোমাৰ চেতাৰ শুনিবলৈ বেগুলাৰ আহিম। নহয় নে মণি ?"

দেউতাকৰ লগতে আৰাধনায়ো চাহৰ নিমন্ত্ৰণ কৰিব বুলি আলোকে বৰ আশা কৰিছিল। নিৰাশ হৈ আৰাধনাৰ কমনীয় গহীন মুখখনলৈ চালে আৰু লগে লগে আলোকে প্ৰথম আবিস্কাৰ কৰিলে আৰাধনাই ব্যক্ত ভাষাৰে নিমন্ত্ৰণ কৰাহেঁতেনহে আচৰিত হবলগীয়া কথা হলহেঁতেন। এই ব্যক্তিত্বৰ মুখতহে মৌন-নিমন্ত্ৰণ শোভা পায়। তথাপিও এই নীৰৱতাৰ আগত আলোকৰ মনটোৱে সৈমান হব নুখুজিলে।

পৰশু কাকতিলৈ চাই তেওঁ কলে—"মোৰ নাম আনন্দ নহয়; আলোক্হে, আপুনি ভুলকৈ মাতিছে। সিদিনাও মাতিছিল।"

"অ চৰি আলোক নহয় নে ? ঠিক আছে। এইবাৰৰ পৰা ভুল নহয়। আলোক তোমাৰ নামটো মনত ৰখাও টান। অলপমান আন্‌কমন্ নহয় নে ?"

ৰহস্যভৰা হাঁহি এটাৰে আলোকে আৰাধনালৈ চাই ক'লে—"অৱশ্যে মোৰ আৰু এটা নাম আছে। সম্ভৱ সেইটো আপোনাৰ মনত ৰব।"

"কি ? তোমাৰ ঘৰত মতা নাম নেকি ?"

'ধৰক তেনেকুৱাই।" আৰাধনাই এটা কৌতুহলৰ দৃষ্টি আৰু সন্দিহান মনেৰে আলোকলৈ চালে।

আলোকে ক'লে—"মোৰ সেই নামটো কোৱাৰ আগতে আপোনাক এটা সঁচা গল্প কৈ লব লাগিব।

কওঁ শুনক—

শাওন মাহৰ এটা ৰাতি। এবাৰ মই এগৰাকী প্ৰায় অচিনাকি ভদ্ৰমহিলাৰ লগত বিস্নাত গৈছিলোঁ। দুয়ো দুয়োৰে ওচৰত অচিনাকি আছিলো যদিও বিস্না মাত্ৰ এখনহে পোৱাত একেখন বিস্নাতে দুয়ো আহিবলৈ বাধ্য হৈছিলোঁ। মাজে মাজে বৰষুণ এৰিছিল যদিও যেতিয়া দিছিল ধৰাসাৰে দিছিল। সেই বৰষুণ আছিল অবিচ্ছিন্ন, বিৰামহীন আৰু অক্লান্ত। যেন অভিসাৰিকা মেঘ-মল্লাৰৰ ব্যস্ত নুপুৰ ধ্বনি........।"

. পৰশু কাকতিয়ে আলোকৰ বৰ্ষাবৰ্ণনাত বৰ আনন্দ পালে। তেওঁ ঢেক্ ঢেক্‌কৈ হাঁহি ক'লে—"বাঃ ধুনীয়া। তুমি কিবা এটা ঘটনাৰ বৰ্ণনা দিব খুজিছানে কবিতা গাব খুজিছা মই ধৰিব পৰা নাই ইয়ংমেন্। কৈ কোৱা—ভেৰী ইণ্টাৰেষ্টিং........।"

আলোকে তললৈ মূৰ কৰি থকা ভাবলেশহীন আৰাধনালৈ এবাৰ কেৰাহিকৈ চাই ভাবিলে পিতৃব্য আনহাতে বন্ধু সদৃশ এই পৰশু কাকতিৰ আগত সম্ভৱ কৰিতাটো গাই দিব পাৰি।

"আপুনি ঠিকেই কৈছে। ধাৰাসাৰে বৰষুণ চলি থাকিলে মোৰ সদায় এটা কবিতালৈ মনত পৰে। শুনিবনে ?........"

........তাৰ পিচত কণ্ঠমধুৰ স্বৰত আলোকে গাই যাবলৈ ধৰিলে—'ক্ৰন্দন মুখৰ শাওন, আৰু বাৰিষাৰ গানঃ বাদামী, অস্পষ্ট সত্ত আকাশৰ পাৰ ভাঙি বৰষুণ নামি আহে ইয়ালৈ, বেদনামধুৰ এই ধৰণীৰ মাটিৰ মাজলৈ।'

আনন্দত পৰশু কাকতিয়ে চিঞৰি উঠিল—"সুন্দৰ! ভেৰী বিউটিফুল! এওঁ যে কবিতা লিখে ইও এটা নতুন আবিষ্কাৰ নহয় নে মমি ?........"

আলোকে লগে লগে কলে—"মই কবিতা নিলিখো আৰু

কৰিও নহওঁ। কবিতা কিন্তু বৰ ভাল পাওঁ। এইটো মই লিখা বুলি ভুল নকৰিব।”

“আমাৰ মনিয়েও বুইছানে........”

বাধা দি আৰাধনা চিঞৰি উঠিল—“সেউতা বলা। ........ বিকালে বাহাদুৰে বোধকৰো আমাসৈ বৈ আছে।”

“এৰা, এৰা। ........তুমি ওলোৱা। হাৰি আপ. ইয়ংমেন—”

........ভাবপিচত তিনিও ওলাই আহিল। এই এক ফাৰ্লং বাট লাঠি ডালত ভৰ দি দি পৰশু কাকতিয়ে মনৰ আনন্দত তেওঁৰ বিটায়াৰ্ড লাইফ আৰু অৱসৰ যাপনৰ বিমল আনন্দৰ কথা কৈ যাবলৈ ধৰিলে। সেই সময়ত কিন্তু আলোকে আওকণীয়া হৈ ভাবিবলৈ চেষ্টা কৰিছিল তেওঁৰ কথাবোৰে আৰাধনাৰ মনত কেনেকুৱা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ........আৰাধনাই বাড়ি-পুৱাৰ প্ৰথম সূৰ্য্যৰ পোহৰতো অধিক গম্ভীৰ হৈ ভাবিছিল এই মানুহটো এহাতে যেনেকৈ দুষ্ট, আনহাতে এটা বুদ্ধিজৰি চেলেপু। কবিতাৰ কেইটামান শাৰীৰে সেই অশুভ বৰ্ষামুখৰ ৰাতিটোক মোহনীয় কৰি সৰল ৰাপেকক ভোদা কৰিব পাৰি সঁচা, কিন্তু আৰাধনা ইমান অকৰা নহয়।

........চাহৰ টেবুলতো সেউতাঁকে আকৌ একেটা ভুলেই কৰিলে। দেওবাৰৰ ৰাতিপুৱাটোত বহুত দিনৰ পিচত এটা গধুৰ আৰু ভাল ব্ৰেকফাষ্ট খোৱাৰ পিচত আলোকক পৰশু কাকতিয়ে কলে—“তুমি আৰু একাপ চাহ লোৱা অমল!”

তেতিয়া গা ধুই উঠি তিতা চুলি কোচা মেলি আৰু পাতল আকাশী বঙৰ মেখেলা চাদৰ জোৰ পিন্ধি আৰাধনাই গৃহিণী-সুলভ তৎপৰতাৰে আলোকৰ শুদা কাপটোৰ ওচৰলৈ চাহৰ পট্‌টো নি কৈছিল—“আৰু একাপ চাহ লওক।” সেয়াই। তাতকৈ এক বিন্দুও চঞ্চলতা আৰু এক চাহিও মুখৰতা আৰাধনাৰ কণ্ঠত প্ৰকাশ নেপালে। চাহো দিলে ঢালি কাপটোৰ চাৰি ভাগৰ তিনি ভাগহে। নিয়মিত জোখ।

আলোকে পৰশু কাকতিলৈ চাই হাঁহি হাঁহি কলে—"আপুনি আকৌ বাৰে বাৰে মোৰ নামটো ভুল কৰি আছে। তাতকৈ মোক........"

আত্ম ভোলা কাকতিৰ অগনিৰ কথাবাৰ মনত পৰিল—"বৰা, তোমাৰ ইটো নাম কি তুমি নকলাই নহয়? অথনি কৰিতাহে গালা—"

"মোৰ গল্পটো শেষেই নহল। তাৰ পিচত কি হল জানে? ধাবাসাৰ বৰষুণত এজোপা গছৰ তলত বিস্রাখন বথাই দিয়াত ভদ্র মহিলা গৰাকীয়ে এটি সামান্য কথাত মোৰ লগত তৰ্ক আৰম্ভ কৰি দিলে আৰু খণ্ডত তিতি তিতি অন্ধকাৰ বাতি ঘৰলৈ গুচি আহিব খুজিলে। মই বাধা দিয়া স্বত্বেও তেওঁ জোৰকৈ আহিব খোজাত মই তেওঁৰ হাতখনত ধৰি যাবলৈ নিদিলোঁ। তেতিয়া ভদ্র মহিলাই মোলৈ চাই এটাই মাত্র শব্দ ব্যৱহাৰ কৰিলে আৰু সেইটো হৈছে.... ..."

কিন্তু তাৰ আগতেই পৰশু কাকতিয়ে ঢেক্‌-ঢেক্‌কৈ হাঁহি দিলে। "এ বিউটিফুল ষ্টৰী। কিন্তু মই তোমাৰ গল্প বিশ্বাস নকৰোঁ। তুমি সংস্কৃত সাহিত্য চৰ্চ্চা কৰা মানুহ। তোমাৰ এইবোৰ কল্পনা।"

........"মোৰ মতেৰে তোমাক মতাৰ আটাইতকৈ চেক্‌-ৱৰ্ড হৈছে ইয়ংমেন........" হো হো কৈ হাঁহি কাকতি আকৌ নিজৰ ৰসিকতাত নিজেই মগ্ন হ'ল।

তাৰ আগতেই আৰাধনা ভিতৰলৈ গৈ নিজৰ কোঠাত সোমাই বিচনাখনত বহিলহি। ভাবিবলৈ ধৰিলে—ক'তা! সিদিনাতো তেওঁৰ মুখৰ পৰা কোনো বেয়া শব্দ ওলোৱা মনত নপৰে। উত্তেজনাত যদি কিবা কৈছিল আজি আৰু মনত নাই। আৰু যদি কিবা কৈছিল তেবে একো ভুল কৰা নাছিল। কাৰণ মানুহটোৰ চকুত সদায়ে চিকাৰ শৰবিদ্ধ কৰিব খোজা এটা ব্যাধৰ লোলুপ

দৃষ্টি। ইবিনীক জ্বালত পেলোৱাৰ এটা উদগ্ৰ কামনা। এই সকলো-বোৰ কদৰ্য্যতাৰ মাজতো মানুহটোৱে বাৰু চেতাৰ বজায় কেনেকৈ ?

"মণি। মণি!" আকৌ দেউতাকৰ চিঞৰ। এই দেউতাকৰ পৰা এক চেকেণ্ডো আঁতৰি অহাৰ উপায় নাই। কেৱল মণি—মণি—

........"মণি শুনিছ। এওঁ বাবলৈ ওলাইছে আৰু আমাক আজি আবেলি তেওঁৰ ঘৰত চাহ খাবলৈ নিমন্ত্ৰণ কৰিছে। মই কৈছো, আমি যাম, কিন্তু এটা কন্‌ডিচনত। তুমি চেতাৰ শুনাব লাগিব হেঁপাহ নপলোৱালৈকে........"

"ভাল আৰু নীৰৱ শ্ৰোতা পালে মইও গোটেই ৰাতি চেতাৰ বজাই থাকিব পাৰিম। আপোনালোকেহে কিজানি শুনি শুনি আমনি পাব........"

"নেভাৰ। সঙ্গীতে কেতিয়াও আমনি নিদিয়ে। আমি ভাল শ্ৰোতা বুলি তুমি প্ৰমাণ পাবা। তুমি নেজানা, মণি ইজ এ ভেৰী গুড্‌ লিচ্‌নাৰ। .......তেন্তে মণি, তই কি কৰ ? আমি আজি এওঁৰ চেতাৰ শুনিবলৈ যাম নহয় নে ?......." দেউতাকৰ মুখত যেন সামান্য কাতৰতা ফুটি উঠিল।

কিছু সময় মৌন হৈ থাকি আৰাধনাই কলে—"কিন্তু মই যাব নোৱাৰিম দেউতা। আজি আৰু কাইলৈ স্কুলত মোৰ কাম আছে। অহা পলম হব।"

আলোকৰ মুখখন ক'লা পৰি গল। দেউতাকৰ উৎসাহতো যেন চেঁচা পানী পৰিল।

আকৌ আৰাধনাই কলে—"পৰহিলৈহে যাব পাৰিম।......"

উৎফুল্ল আলোকে ক'লে—"ঠিক আছে, পৰহি আবেলিয়েই যাব বাৰু ,........"

---

দুটা দিন কোনমতে কটাই তৃতীয় দিনা আবেলি হোৱাৰ লগে লগে পৰশু কাকতিৰ ভং নোহোৱা হ'ল। উপায় নেপাই আৱাধনাও ওলাল সোনকালেই।

আলোকৰ আনন্দত ভং নাই। গোটেই দিনটো লৰাটোৰ হতুৱাই লুচি আৰু মাংস কৰালে। বজাৰৰ পৰা দৈ অলপো অনালে।

পৰশু কাকতিয়ে বৰ তৃপ্তিৰে খালে। আৱাধনায়ো বেছ খালে। ঠাট্টা-বিদ্রূপ ওনাভকৈ খোৱাই ভাল।

.......ভাৰ পিচত গধূলি হোৱাৰ লগে লগে আলোকে চেতাৰ-খন লৈ বহিল। চেতাৰত এনেয়ে আঙুলি বুলাই বুলাই পৰশু কাকতিক সুধিলে—"কি বজাম বাৰু? আপুনিয়ে কৈ যাওঁক। মই বজাম ....."

"ভাল কথা কৈছা তুমি। তোমাৰ যি ইচ্ছা তাকেই বজোৱা ইয়ংমেন্। .......তুমি আজি যি খুৱালা, যৰত গৈ খোৱাৰ প্ৰশ্ন সুঠে। তোমাৰ যি ইচ্ছা তাকেই বজাই যোৱা। আজি আমি ভালকৈ শুনিহে যাম।"

আলোক অন্যমনস্ক হৈ পৰিল। সুগভীৰ দৃষ্টিৰে মাকৰ ফটো খনলৈ চাই চেতাৰৰ তাঁৰত মৃদুভাৱে পৰশ বুলালে। কাকতিয়ে কিন্তু অৰসিকৰ দৰে আৰম্ভনিতে ৰস-ভঙ্গ কৰি সুধিলে—"এই ডুখন ফটো কাৰ হে?"

"মোৰ মাৰ আৰু আনখন মোৰ চেতাৰ গুৰু বৈদ্যনাথজীৰ।"

লাহে লাহে চেতাৰৰ মৃদু কম্পনত ঘৰটো ভৰি গল। সোৱাৰী মূৰ্চ্ছনাৰ ছন্দে ছন্দে তোড়ী মূৰ্ত্ত হৈ উঠিল। সুৰৰ বিস্তাৰৰ লগে লগে মীড়ৰ সুক্ষ্ম নিবেদনত ৰাগিনী তোড়ী ক্ৰমাৎ জীৱন্ত হৈ আহিবলৈ ধৰিলে।

বেতৰ চকি খনত গাটো এৰি দি চকু দুটা মুদি পৰশু কাকতি সুৰ-মগ্ন হ'ল। শুধ্ বগা সাজ পিন্ধা আৱাধনাই মাজে মাজে

আলোকয় হাতখনলৈ চাই ভলাৈ মুখ কৰি থাকিল। মীড়ৰ কম্পনে আজি ভেওঁৰ আঠাইচ্ বছৰীয়া মনটো দেখোন যয়ে যযে কঁপাই তুলিছে।

তাৰপিচত, সঙ্গীতৰ আতলস্পৰ্শী গভীৰতাত নিমজ্জিত হৈ পৰা আলোকৰ হাতৰ আঙুলী এসময়ত লাহে লাহে স্তব্ধ হ'ল। কিন্তু তাৰ সুৰ গোটেই কোঠাটোত ব্যাপ্ত হৈ থাকিল।

"এইটো তোড়ী বজাইছিলো........"

"আই এম্ চিম্প্লি চাৰ্মড ইয়ংমেন। তোমাৰ হাত সঁচাকৈয়ে বৰ মিঠা।"

"এই বাগিণীৰ ধ্যান-বৰ্ণনা আৰু বেচি সুন্দৰ। তোড়ীৰ দেহ নিৰ্ম্মল, স্বচ্ছ আৰু বৰফৰ দৰে শীতল, শৰীৰত কাশ্মীৰ কৰ্পূৰৰ সুবাস। হস্ত যুগলত পবিত্ৰ বীণা আৰু এওঁৰ ক্ৰীড়া-সঙ্গী হৈছে অৰণ্যৰ মৃগ।"

বিস্ময়েৰে আৰাধনাই আলোকৰ ৰাগিণী বৰ্ণনা শুনিলে। বৰ্ণনাত অভিভূত হৈ পৰশু কাকতি চিঞৰি উঠিল—"সঙ্গীতৰ প্ৰকৃত টেষ্ট্ বোধকৰো তুমিয়ে লব পাৰিছা। সংস্কৃত সাহিত্যই তোমাক নিশ্চয় এই সুযোগ দিছে। বিয়েলি এ বিউটিফুল এক্সপ্ৰেচন্........।"

প্ৰশংসাত আলোক বিগলিত হৈ পৰিল। আকৌ লাহে লাহে চেতাৰৰ তাঁৰত পৰশ পৰিল।

এইবাৰ সুৰৰ মায়াজাল সৃষ্টি কৰি উপস্থিল হ'ল গৌৰী। ওড়ৱ আৰু ষড়জ বাদী স্বৰত আলাপে বিস্তাৰ মেলিলে। শ্যাম-বৰ্ণা গৌৰীয়ে কাণত আম্ৰ-মঞ্জৰী পিন্ধি চৌদিশে ঘূৰি ঘূৰি বাৰে বাৰে বিৰক্ত কৰা ভ্ৰমৰক খেদি ফুৰিলে। তাৰ পিচত সূক্ষ্ম কণ্ঠ-ধ্বনিৰে গৌৰীয়ে হেৰোই যোৱা শান্তাৰ চকুৰ ভাষাৰে আৰাধনাৰ ওচৰত যেন কিবা এটা অব্যক্ত আকুতি জনালে।

বিনম্ৰ চকুৰে আৰাধনাই চাওঁ নে নেচাওঁকৈ আলোকলৈ চালে।

গৌৰী-ৰাগিণীৰ ধ্যান-বৰ্ণনা শুনি আচৰিত হৈ কাকতিয়ে কলে—
"ৰাগ-ৰাগিণীৰ এনেকুৱা পয়েটিকেল বৰ্ণনা মই কতো শুনা নাই। মৰ বিউটিফুল ডেচক্ৰিপচন্ নহয় নে, মণি ?"

আৰাধনাই কলে—"সঁচাকৈয়ে ভাল। বিশেষকৈ আপুনি ভাল বজাইছে........।"

আৰাধনাৰ এনেকুৱা পোৰপটীয়া শলাগণিত আলোক আনন্দ-অধীৰ হৈ পৰিল। তেওঁ কলে—

"আপোনালোকৰ ভাল লাগিছে যেতিয়া মোৰো চেতাৰ বজোৱা সাৰ্থক হৈছে। ........ভাবিছিলো অন্য এটা ৰাগিনী বজাই আপোনাক শুনাম; কিন্তু এই মুহূৰ্ত্তত ভাবিছো বজাওঁ নে নবজাওঁ—"

আগ্ৰহেৰে আৰু শিশু-সুলভ কণ্ঠেৰে পৰশু কাকতিয়ে কলে—
"কি ? কি বজাব খুজিছিলা ?"

"সিন্দুৰা। শুনিব স্বেকি ?"

"সুধিব নেলাগে। আৰম্ভ কৰা। গ' অন্ ইয়ংমেন—"

........চেতাৰৰ তাঁৰ জন্‌জনাই উঠিল। ষড়জ স্বৰত কম্পন তুলি মীড় আৰু গমকৰ ঢৌয়ে ঢৌয়ে উটি গৈ সিন্দুৰাৰ সুৰে উত্তৰ-মন্দ্ৰা মূৰ্চ্ছনাক যেন পূজা-অৰ্ঘ্য নিবেদন কৰিলে। এহাতে বীৰ-ৰস আৰু আনফালে ক্ৰোধ। দুয়োটাই যেন একেলগে গোটেই কোঠাটোৰ পৰিবেশ গুৰু-গম্ভীৰ কৰি তুলিলে।

........তাৰপিচত, গুৰু-গম্ভীৰা সিন্দুৰা লাহে লাহে শূন্যত বিলীন হৈ গ'ল।

মোহাবিষ্ট পিতা-পুত্ৰীৰ প্ৰতি চাই আলোকে সুধিলে—"বোধকৰো সিন্দুৰাক বেয়া লগা নাই আপোনালোকৰ ?"

"বৰ গম্ভীৰ। গোটেই এট্‌মচ্‌ফেয়াৰটো যেন গধুৰ কৰি পেলাইছে।"

আৰাধনাৰ মন তেতিয়াও সিন্দুৰাই আচ্ছন্ন কৰি ৰৈছিল। এই নিমগ্নতাৰ মাজত সামান্য ভাবে চঞ্চল হৈ পৰা আৰাধনাৰ চকু

দৃষ্টা এবাৰ হঠাৎ আলোকৰ মুখৰ ওপৰত পৰিল। চকুয়ে চকু পৰাত আৰাধনাই তৎক্ষণাত তলমূৰ কৰি গহীন হৈ গ'ল।

আলোকে কলে—"আপুনি ঠিকেই কৈছে। ভৈৰৱৰ এই ৰাগিনী গম্ভীৰা প্ৰকৃতিৰ। সিন্দুৰাৰ চেহেৰা কিন্তু ভয় লগা। তেওঁ শিৱভক্তি পৰায়না—হাতত ত্ৰিশূল। শৰীৰত ৰক্ত-বৰ্ণ বস্ত্ৰ। অন্তৰ বীৰ-ৰস পূৰ্ণ। তেওঁৰ চকুত ফুটি উঠে প্ৰচণ্ড ক্ৰোধৰ অগ্নি আৰু মুখত অহৰহ প্ৰকাশ পায় বিৰক্তি আৰু অৱজ্ঞা।"

আলোকৰ দুষ্টালি হাঁহিটোত ম্ৰিয়মান হৈ আৰাধনাই যে তৎক্ষণাত তললৈ মূৰ কৰি দিছিল, পৰশু কাকতি আৰু আলোক দুয়ো নেজানিলে।

........বহুত ৰাতি হোৱাত পৰশু কাকতিয়ে থিয় হৈ কলে—"আজিলৈ যাওঁক ইয়ংমেন। ৰাতি বহুত হ'ল। আকৌ আৰু এদিনা শুনিম। ব'ল মণি! তোৰ নিশ্চয় আৰু শুনিবৰ মন গৈছে মহয়নে? ইয়ংমেন, তুমি আজি আমাৰ দুয়োকে চাৰ্ম কৰি দিলা।"

আৰাধনাই লৰালৰিকৈ থিয় হৈ ব্যস্তভাৱে কলে—"বলা দেউতা, ৰাত্তি বহুত হ'ল। ........আপোনাৰ চেতাৰ আকৌ আন এদিন শুনিম বাৰু।"

সংযত আৰু ধীৰ-স্থিৰ কথা বিলাক আলোকৰ বৰ ভাল লাগিল। সুধিলে—

"আজি আপোনাৰ কোনটো ৰাগিণী আটাইতকৈ ভাল লাগিল বাৰু?"

এটা মিঠা হাঁহি আৰু কোমল স্বৰেৰে আৰাধনাই কলে—"প্ৰথমতে বজোৱাটো মোৰ বৰ ভাল লাগিছিল। তোড়ী নে কি নাম কৈছিল যে? যদিও এইবোৰ ৰাগ-ৰাগিনী বিশেষ একো নুবুজো, তথাপিও শুনি ভাল লাগিছিল। ৰাগিনীৰ বৰ্ণনাৰ সৈতে মিলাই চাই আৰু বেচি ভাল লাগিছিল।"

ৰৰ উৎসাহিত অনুভৱ কৰিলে আলোকে। আলোকক উদ্দেশ্য কৰি আজিহে আৰাধনাই প্ৰথম ইমান নীৰলীয়াকৈ আৰু নাৰী-সুলভ কণ্ঠেৰে কথা কৈছে।

.........লগে লগে মনত পৰিল ললিতালৈ। ৰাগ-ৰাগিনী একো বুজি নেপাওঁ বুলি ললিতায়ো কৈছিল। ললিৰ স্মৃতিয়ে কন্তেকৰ কাৰণে আমনি দিলে যদিও পূৰ্ব্ব উৎসাহ ঘূৰাই আনি আলোকে আকৌ সুধিলে—"শেষত ৰজোৱাটো অৰ্থাৎ সিন্দুৰা আপোনাৰ ভাল নেলাগিল নেকি? মই ভাবিছিলো আপুনি সিন্দুৰাহে ভাল পাইছে........"

এটা তিৰ্য্যক দৃষ্টিৰে আলোকে আৰাধনালৈ চালে। ওঁঠ দুটাৰে সদায় আবৃত কৰি থোৱা বগা দাঁত কিটা মুক্ত কৰি আৰাধনাই হাঁহিলে। এটা নিৰ্ব্বাক হাঁহি; কিন্তু মধুৰৰা।

আলোকে অভিভূত হৈ ভাবিলে বেনাৰচত শিকা গৌৰী-তোড়ী ৰাগিনীৰ মানস-মূৰ্ত্তি যোধকৰো আৰাধনাৰ দেহ-সুষমা আৰু ব্যক্তিত্বৰ লগত সম্পূৰ্ণৰূপে মিলিব।

........নতুন আৱিষ্কাৰৰ আনন্দত আলোকৰ মন চঞ্চল হৈ পৰিল। আৰাধনাৰ এটা নতুন ৰূপ আলোকৰ চকুত ধৰা পৰিছে। গৌৰী-তোড়ীৰ ধ্যান মূৰ্ত্তি চকুৰ আগত স্বচ্ছ হৈ পৰিছে। মাতৃৰ মমতাময়ী ৰূপ আৰু শান্তাৰ কমনীয় কান্তি। ........ইয়াত পদ্ম-নয়নী চঞ্চলা ললিতাৰ কোনো স্থান নাই। ললিতা আঁতৰি যাওঁক—নিঃশেষ হৈ যাওঁক। সম্পূৰ্ণৰূপে অন্তৰ্হিত হওঁক আলোকৰ জীৱনৰ পৰা।

........যবলৈ ঘূৰি আহি অধিক গম্ভীৰ হৈ পৰা জীয়েকৰ মুখলৈ চাই প্ৰায় আবেগেৰেই পৰশু কাকতিয়ে ক'লে—"তোৰ জাজ্‌মেণ্ট্‌ অকনো ভুল হোৱা নাই মণি। ময়ো তোড়ী শুনি চাৰ্মড্‌ হৈ গৈছিলো। যাদাৰ মই অনুভৱ কৰিছিলো চাম্‌ চৰ্ট অব্‌ হেলু-চিনেচন্‌। আই ডোণ্ট ন' হুৱাই আই বিমেম্‌বাৰড্‌ ইউৰ মাদাৰ।

তোমাৰ আৰ্হিলৈ মোৰ বাবে বাবে মনত পৰিছিল। ......স্পঁচাকৈয়ে সবাটো বৰ গুণী।"

বাঢ়ী বহুৰীয়া বিপত্নীক দেউতাকৰ মৰ্ম্মস্থলৰ দুৰ্ব্বল স্থানত আজি তোড়ীয়ে আঘাত হানিছে। দেউতাকৰ চকুলৈ চাই আৰাধনাৰো চকুযোৰ হঠাৎ বহুত দিনৰ মূৰত সেমেকি উঠা যেন লাগিল। এতিয়া দেউতাকৰ কথাত মন্তব্য দিয়াৰ কোনো প্ৰয়োজন নাই। দেউতাকক অকলে থাকিবলৈ দিয়াই ভাল।

নিজৰ কোঠালৈ আহি আৰাধনাই অকলশৰে ভাবিলে মানুহ-টোয়ে ইমান সুন্দৰ চেহাৰ কেনেকৈ বজায় ৰাখে? মিঠা সুৰ। সুৰ নহয় যেন এটি কবিতা; কবিতা নহয় যেন এটা জীৱন্ত মূৰ্ত্তি। ........গুণী, অস্বীকাৰ কৰাৰ কোনো উপায় নাই। ........কিন্তু তুমিতো নেজানা দেউতা, আলোক বৰুৱাৰ উদ্দাম—আকুলতা ভৰা চকুত কিহৰ আহ্বান লুকাই আছে। সেই নীৰৱ চঞ্চল চকুৰ ইঙ্গিতত মই যে অস্থিৰ হৈ পৰিছো, দুৰ্ব্বল হৈ পৰিছো—অসহায় অনুভৱ ক'ৰছো। ........তুমি আৰু আলোক বৰুৱাক প্ৰশ্ৰয় নিদিবা। নহলে অহৰহ খেদি ফুৰা আবেষ্টনীত তোমাৰ মণিয়ে ধৰা দিবলৈ বাধ্য হ'ব। ........মা, তুমি সপোনত আহি দেউতাক বুজাই দিয়া—সাৱধান কৰি দিয়া। নহলে তোমাৰ মণিৰ আদৰ্শ আৰু ব্ৰত সকলো ধূলিস্যাত হৈ যাব।

........বাতি বিচনাত হঠাৎ এবাৰ আৰাধনাৰ হাঁহি উঠিল। আলোকে কৈছিল সিন্দুৰা বাগিনীহে আপুনি ভাল পাইছে বুলি ভাবিছিলো। .... কিন্তু বাহিৰত সিন্দুৰাৰ ৰূপ থাকিলেও আৰাধনাৰ অন্তৰতো যে এটা তোড়ী মন আছে, এই কথা আলোকে কিয় কোনো পুৰুষেই বুজিব নোৱাৰিব।

---

সেইদিন মাজৰ নিচত আলোক দুটা অভাৱনীয় ঘটনাৰ সন্মুখীন হ'বলগাত পাৰল। প্ৰথমটোক ঘটনা বুলি কব নোৱাৰি। আলোকৰ কাৰণে সেইটো এটা আঘাতহে আছিল আৰু সেই আঘাত মাতি আনিছিল আলোকে নিজেই।

প্ৰকৃতি আৰু পুৰুষৰ সম্বন্ধটো স্বাভাৱিক আৰু চিৰন্তন সঁচাত চলা কাৰণেই আৰাধনাৰ পক্ষৰ পৰা এই আঘাত আছিল। আলোকে ভাবিছিল তেওঁৰ চেতাৰৰ মোহময়ী সুৰে আৰাধনাৰ মনৰ চাৰিওকাষে থকা প্ৰাচীৰৰ দুৰ্ব্বল স্থানত খুন্দা মাৰিবলৈ সক্ষম হৈছে আৰু এতিয়া খহি পৰিব খোজা ইটাবোৰ সৰতনে গুচাই আলোকে নিৰ্বিঘ্নে তাত অনুপ্ৰবেশ কৰিব পাৰিব।

........আমকালৰ দৰে সেইদিনাও আবেলি আলোক আৰাধনা-হঁতৰ ঘৰলৈ গৈছিল। আমকালে তেনেকুৱা সময়ত পৰশু কাকতি আগফালৰ বাৰাণ্ডাৰ চকিখনত বহি থাকে আৰু আলোকক দেখি আনন্দত চিঞৰি উঠে। আজি কিন্তু আলোকে পৰশু কাকতিক নেদেখিলে। বাৰাণ্ডাত উঠাৰ লগে লগে ভিতৰৰ পৰা আৰাধনাহে ওলাই আহিল আৰু তেওঁ থত্‌মত্‌ খাই কলে—"অ' আপুনি? আহক—"

আমকালে যেহাৰ দৰে আলোক ড্ৰইংৰুমতেই বহিলগৈ। লগে লগে আৰাধনাই কলে—"আজি কিন্তু দেউতা নাই........।"

আলোক আচৰিত হ'ল—"কেনি গল?"

"দূৰৈলৈ কতো যোৱা নাই। ওচৰৰে দেউতাৰ বন্ধু কদ্ৰ মাষ্টৰৰ অসুখ। তেখেতৰ খবৰ লবলৈ গৈছে। আহিবৰ হৈছে। বহক।"

আলোকে ভালেই পালে। আৰাধনাক অকলে লগ পোৱা টান। আজি এইটো সুযোগ পোৱাত আলোকে পেটে পেটে আনন্দ পালে।

"পিয়াহ লাগিছে। এগিলাচ পানী দিবলৈ আপোনালোকৰ বাহাদুৰক কওঁকচোন—"

"মৰে লৈ আনো।" পাণী আনিবলৈ আৰাধনা ভিতৰলৈ গ'ল।

ভিতৰলৈ চাহি তেওঁ ভাবিবলৈ ধৰিলে, আজি এই সময়ত আলোক নহাহলেই ভাল আছিল। শিক্ষয়িত্ৰী আৰাধনা কাকতিয়ে আজি নিজেই পৰীক্ষাৰ সন্মুখীন হব লাগিব। আলোকৰ কথাৰ ব্যঙ্গ-বাণ প্ৰতিৰোধ কৰিব লাগিব আৰাধনাই অকলেই। নিজৰ চাৰিওকাষে ব্যূহ ৰচনা কৰি অধিক কঠোৰভাৱে আলোকৰ যেই কোনো আক্ৰমণ প্ৰতিহত কৰিবলৈ সজাগ দৃষ্টিৰে সাজু হৈ থাকিব লাগিব। ........এতিয়াই গুচি যায় যদি ভালেই। কিন্তু গুচি যোৱা ধৰণৰ মানুহেই নহয় আলোক। ........কোনে জানে বাপেক নথকা অৱস্থাৰ কথা জানি শুনিয়ে সেই সুযোগৰ সদ্-ব্যৱহাৰ কৰিবলৈকে কিজানি আলোক আহিছে। ........প্ৰথমৰ পৰাই কঠোৰ হৈ থাকিব লাগিব। প্ৰয়োজন হলে অভদ্ৰও হব লাগিব, যাতে লাহে লাহে দুৰ্ব্বল হবৰ উপক্ৰম হোৱা আঠাইচ বছৰীয়া পলগুৱা মনৰ মাটি খহি নপৰে। ........পাৰিব। নিশ্চয় পাৰিব। আজি ইমান বছৰে নিজৰ শিক্ষা, সংস্কাৰ আৰু বুদ্ধিৰ বলত শামুকৰ খোলাৰ ভিতৰত মনটো লুকুৱাই ৰাখিব পাৰিছে যেতিয়া, এতিয়া কেলেই নোৱাৰিব?

"আপোনালোকৰ বাহাদুৰো নাই নেকি?"

"আছে, বজাৰলৈ গৈছে। আহিব এতিয়া।"

"আজি তেন্তে এতিয়া ঘৰত কোনো নাই?"

"কিয় নাই? আছে।"

"আপুনিহে—"

"অ মৰেই। মই আছো যেতিয়া ঘৰত কোনো নাই বুলি কব পাৰি জানো?"

ঠিকেই। এনেকুৱা কঠোৰ-ব্যক্তিত্বৰ একমী নাৰী যদি ঘৰত অকলে থাকে, দ্বিতীয় মানুহ থকাৰ কোনো প্ৰয়োজন নাই।

"ধৰক। মই বহিম আৰু আপুনি থিয়া হৈ থাকিব, ভাল দেখি জানো? ........যোৱৈ আৰু' চাহ-তাহ কৰিব মেলাসে নেই।"

চ'কা থৰত বহি স্বাভাৱিক আৰু সহজ কণ্ঠত আবাধনাই ক'লে —"আপোনাক চাহ দিব খুজিছো বুলি কোনে ক'লে?"

এই ব্যঙ্গোক্তি আলোকে সহজভাৱে লবলৈ চেষ্টা কৰিলে যদিও কলে—"আপোনাক এটা কথা সোধো, উত্তৰ দিবনে?"

"উত্তৰ দিয়াব যোগ্য হলে নিশ্চয় দিম।"

"আপোনাব লগত চিনাকি হোৱাব মোৰ বহুত দিনেই হৈ গ'ল। কিন্তু এতিয়াও আপুনি মোক সহজ ভাৱে লব পৰা নাই। ইয়াৰ কাৰণ কি মোক কব লাগিব। সেইদিনা বাতি যে আপোনাৰ হাতখনত ধৰিছিলো, তাকেই আপুনি আজিলৈকে ধৰি আছে যেন পাইছো।" আলোকৰ কথা বিলাকত যেন অলপ আবেগ মিহলি হৈ গ'ল।

স্বাভাৱিক কণ্ঠেৰে আবাধনাই উত্তৰ দিলে—"সকলোকে মই এনেকুৱা ব্যৱহাৰেই কৰো। অকল আপোনাকেই নহয়। এইটোৱেই মোৰ পক্ষে স্বাভাৱিক।"

"মই কিন্তু ভাবো এইটোহে আপোনাৰ অস্বাভাৱিকতা। স্বাভাৱিক লাগিছিল সেইদিনা বাতিহে। চেতাৰ শুনাৰ পিচত আপুনি দিয়া মন্তব্য আৰু আপুনি কোৱা কথাবোৰ বৰ ভাল লাগিছিল। আপোনাৰ মুখত সেয়াহে খুব স্বাভাৱিক যেন লাগিছিল।"

"উঁহো। সেয়া আছিল ব্যতিক্রম।"

আলোক আচৰিত হ'ল।

"ব্যতিক্রম? ........অৱশ্যে আপোনাৰ নিচিনা এগৰাকি কঠোৰ স্বভাৱৰ শিক্ষয়িত্রীয়ে যদি কবিতা ভাল নেপালেহেঁতেন, তেতিয়া সিদিনা বাতি চেতাৰ শুনোৱাৰ পিচত কেনে লাগিল বুলি আপোনাক মই কেতিয়াও সুধিলোহেঁতেন। কবিতা ভাল পায়, অথচ সঙ্গীতত আপোনাৰ ব্যতিক্রম মনোভাব—মই বুজিব পৰা নাই।"

"কবিতা অৱশ্যে ভাল লাগে। শুনিছেঁ ভাল লাগে। সঙ্গীতো শুনি ভাল লাগে।"

"আপুনি যে ব্যতিক্ৰম বুলি কলে, তাৰ মানে আপুনি সিদিনা মোৰ চেতাৰ শুনি নিশ্চয় ভাল পোৱা নাই। ইপিনে অজ্ঞাত আপুনি ভাল পায় বুলিও কৈছে। কিন্তু মই বজোৱা কাৰণেই ভাল নেপালে। তাকেই কব খোজা নাই জানো?"

এটা ক্ষীণ হাঁহিৰে আবাধনাই কলে—"আপুনি নিজকে কেলেই ইমান গুৰুত্ব দিছে মই বুজা নাই। সেইদিনা ৰাতি আপোনাৰ চেতাৰ শুনি মোৰ সঁচাকৈয়ে খুব ভাল লাগিল। আপুনি ৰবজাই ঠিক তেনেদৰে আন এজনে বজোৱা হলেও একে ভালেই লাগিলহেঁতেন।" —ধীৰ অথচ তীক্ষ্ণ ভাষা। আলোকৰ উৎসাহত চেঁচা পানী পৰিল।

পুনৰ আক্ৰমণ কৰি আবাধনাই আকৌ কলে—'মানুহৰ প্ৰতি মোৰ ব্যৱহাৰ কঠোৰ ধৰণৰ, এয়ে মোৰ কাৰণে স্বাভাৱিক বুলি কৈছিলো আৰু সেইদিনা ৰাতি আপোনাৰ চেতাৰ শুনি যি মন্তব্য দিছিলো বা কৈছিলো, সেইটোহে মোৰ পক্ষে অস্বাভাৱিক বা ব্যতিক্ৰম আছিল। এতিয়া নিশ্চয় বুজিছে।"

"বুজিছো। কিন্তু তেনেকুৱা এটা অস্বাভাৱিক ব্যৱহাৰ বা কঠোৰতা আপোনাৰ বয়সৰ লগত খাপ নেখায় বুলিহে ময়ো কব খুজিছিলো।"

"সেইটো বিচাৰ কৰাৰ যোগ্যতা আপোনাৰ আছে নে নাই নেজানো। আপুনি কব খোজে নেকি এইটো বয়সত মই খিল্‌খিল্‌কৈ হাঁহাটোহে মোৰ পক্ষে স্বাভাৱিক ব্যৱহাৰ হলহেঁতেন? ........বোধকৰো আপোনাতকৈ মই বয়সত বৰ বেছি সৰু নহওঁ।"

আলোকে হাঁহি দিলে। পৰাজয়ৰ যে নতুন আক্ৰমণৰ বাবে সাজু হোৱাৰ হাঁহি কথনোৱাৰি। আলোকে এনেকুৱা শক্তিশালী প্ৰতিপক্ষ নাৰী এয়ে প্ৰথম লগ পাইছে। প্ৰত্যেক ভাল শেলেই যেন লৌহ-কঠিন প্ৰাচীৰৰ গাত লাগি উকৰি উকৰি আহিছে।

খিলখিলকৈ নেহাঁহিলেও স্বাভাৱিক ভাৱে হাঁহি বা কথা পতাকে কামনা কৰো—অন্ততঃ মোৰ মিচিনা পুৰুষে।”

“কলোৱেই। মোৰ কথা-বতৰা, হাঁহি, ব্যৱহাৰ আদি সকলোৱেই মোৰ কাৰণে সম্পূৰ্ণ স্বাভাৱিক। আপোনাৰ কাৰণে হয়তো সি অস্বাভাৱিক। তাত মই কৰিবলগীয়া কি আছে?”

অতিষ্ঠ হৈ আলোকে সুধিলে—“আপুনি পূজা কৰে নেকি?”

“তাৰ মানে?” —এইবাৰ আৰাধনাৰ আচৰিত হবৰ পাল।

“বহুতে, বিশেষকৈ আপোনাৰ মিচিনা বয়সৰ মহিলাই ৰাতিপুৱা গা-পা ধুই গোঁসাই থাপনাৰ আগত ধূপ-ধুনা জ্বলাই কিছু সময় ধ্যান-মগ্না হৈ ইষ্ট-দেৱতাক পূজা কৰে। আপুনিও কৰে নেকি? আপুনি কাক কৰে? শিৱক নেকি?”

এইটো কি ধৰণৰ আক্ৰমণ আৰাধনাই ঠিক ধৰিব নোৱাৰিলে। তথাপিও স্বাভাৱিক কণ্ঠৰেই উত্তৰ দিলে—“মই পূজা নকৰো। মোৰ কোনো ইষ্ট দেৱতা নাই।”

“পূজা কৰা হলে, আপোনাৰ এই ব্যৱহাৰ, কঠোৰতা আৰু কথা-বতৰা সম্পূৰ্ণৰূপে সিন্দুৰাৰ লগত মিলি গলহেঁতেন। সেই-কাৰণেই সেইদিনা ৰাতি মই সিন্দুৰা বজাইছিলো। কিন্তু আপুনি তোড়ীহে ভাল পালে।”

আৰাধনা নিশ্চিন্ত হ'ল।

“সঙ্গীত শুনি ভাল লাগে। আপোনাৰ চেতাৰ শুনিও ভাল লাগিল। ৰাগ-ৰাগিনী মই বুজি নেপাওঁ। সিদিনা আপুনি বজোৱা তিনিওটা ৰাগিনীয়েই ভাল লাগিছিল। সিন্দুৰা শুনিও ভাল লাগিছিল। ........আৰু এটা কথা মনত ৰাখিব। পূজা নকৰাকৈয়ে —শিৱভক্তা নোহোৱাকৈয়ে নিজক সিন্দুৰা কৰা একো টান কাম নহয়।”

আৰাধনা থিয় হ'ল। আলোক যোৱাটোকে এতিয়া আৰাধনাই ইচ্ছা কৰে। থিয় হৈ দিয়াটোৱেই স্পষ্ট ইঙ্গিত।

আজি কম আচৰিত হোৱা নাই আলোক; কোনো নাৰীয়েই এনেকুৱা কঠোৰ আৰু অপ্ৰতিহত হৈ আলোকৰ সন্মুখত থিয় হোৱা নাছিল।

তীব্ৰ বিধাযত উঠিৰ খোজা চেৰাৰ শিল্পী আলোকে কড়ি-মধ্যমত স্থিৰভাৱে বৈ থকা আৰাধনাৰ ওচৰত ম্ৰিয়মান হৈ পৰিল। বৰ অস্বস্তি অনুভৱ কৰিলে।

তথাপিও আলোকে কলে—"বহকচোন, কথা পাতি ভাল লাগিছে। কিবা কাম আছে নেকি আপোনাৰ? ........আপোনাক কবিতা শুনাম বাৰু। মোৰ বহুত ভাল ভাল কবিতা মনত আছেও........"

লগে লগে আৰাধনাই ব্যঙ্গ প্ৰকাশ কৰি তৎক্ষণাত কৈ উঠিল—"কবিতা কৰি থাকিলেই সংসাৰ নচলে। যেতিয়াই তেতিয়াই কবিতা, সঙ্গীত আপোনাৰ ভাল লাগিব পাৰে, কিন্তু মোৰ নেলাগে। কিবা এটা অলাগতীয়াল ঘটনাৰ বৰ্ণনা কৰোতে আপুনি হয়তো তাত এবাৰ কবিতাৰ বহন লগাই আনন্দ পাব পাৰে। কিন্তু আপোনাৰ ভাল লাগিলেই যে মোৰো ভাল লাগিব বা লগা উচিত, সেইটো ধৰি লোৱা ভুল হব।"

"তাৰ মানে আপুনি মোক যাবলৈ কৈছে?"

"কেতিয়াও নাই কোৱা। ইচ্ছা কৰিলে বহিবও পাৰে। দেউতা আহিবৰ হৈছে।"

তীব্ৰ অৱজ্ঞা প্ৰকাশ কৰি আৰাধনা ভিতৰলৈ যাব খুজিলে। পেটে পেটে দেউতাকৰ ওপৰত বৰ খং উঠিল। কৰবালৈ গলেই দেৰী নকৰাকৈ থাকিব নোৱাৰে।

আৰাধনাৰ এই অৱজ্ঞাই আলোকৰ পুৰুষত্বক আঘাত কৰিলে। তেওঁ থিৰেৰে থাকিব নোৱাৰিলে। ভিতৰলৈ সোমাই যাব খোজা আৰাধনাৰ সন্মুখত খপহকৈ উপস্থিত হৈ কৈ উঠিল—"আপোনাৰ ভাল লগা বস্তু যদি মোৰ ভাল লাগিব পাৰে, তেন্তে মই ভাল

পোৱা বস্তু আপুনি ভাল পাবলৈ চেষ্টা নকৰিব কেলেই? ভদ্ৰতাৰ খাটিৰত হলেও মুখেৰে অন্ততঃ দেখুৱাব পাৰিলেহেঁতেন।"

আৰাধনাৰ বুকুখন কঁপি উঠিছিল যদিও তাৰ ছাঁ মুখত নেপেলাবলৈ আপ্ৰাণ চেষ্টা কৰি কলে—"আপুনি অন্ততঃ ভদ্ৰতা শব্দটো উচ্চাৰণ নকৰিব। শোভা নেপায়—।"

"তাৰ মানে আপুনি মোক অভদ্ৰ বুলি কব খুজিছে?"

"মই এতিয়ালৈকে কাকোৱেই অভদ্ৰ বুলি কোৱা নাই। আপোনাক যে কোৱা নাই, সেই বিষয়ে আপুনি নিশ্চিন্ত হৈ থাকিব পাৰে।"

"কবলৈ কি বাকী আছে? সেইদিনা বাতি আপোনাৰ হাতখন ধৰিবলৈ বাধ্য হৈছিলো। একমাত্ৰ সেই কাৰণেই মই অভদ্ৰ নে তাৰ বাহিৰেও অন্য কিবা কাৰণ আছে?"

"কোনো এটা বিষয়লৈ আপোনাক মই অভিযুক্ত কৰিব খোজা নাই। সেয়া আপুনিহে উলিয়াইছে।"

"আপুনি মদগৰ্ব্বী—অহঙ্কাৰী ......."

"তাৰপৰা মোৰ কি ক্ষতি হৈছে?"

"এতিয়া তেনেহলে মই শুচি যোৱাটোকে আপুনি বাঞ্ছা কৰে?"

"আপোনাৰ ইচ্ছা। বহিবও পাৰে।"

"মোৰ ইচ্ছা? মোৰ ইচ্ছামতেই যদি এতিয়া আকৌ আপোনাৰ হাতখন ধৰো? সেইদিনাৰ নিচিনা টানি আনি যদি আকৌ চকিত কৰোৱাই দিওঁ?"

গৰ্ব্বিত স্বৰত আৰাধনাই কলে—"ধৰিব পাৰে।"

আলোকৰ মনটো এনেয়ে ভাল লাগি গল। তথাপিও আকৌ কলে—"আপত্তি থাকিলেও তো আজি লাভ নাই। আপোনাৰ হাতখনত ধৰি বলি টানিও আনো, তথাপিও আজি আপুনি মোক একো কৰিব নোৱাৰিব। ঘৰত কোনো নাই। আপোনাৰ চিঞৰ শুনি কোনো নাহে।"

"মিচিঞ্চৰো।"

আবাধনাৰ কথাত যেন আলোকে বেছ উৎসাহিত অনুভৱ কৰিলে।

"সঁচাকৈয়ে আপোনাৰ আপত্তি নাই? ইমান সময় তেন্তে আপুনি মোৰ লগত খেমালি কৰিছিল কেলেই? ........মই ঠিকেই বুজিছো, আপুনি আপত্তি নকৰে। সেইদিনা ৰাতিয়েই মই বুজিছিলো। সেইদিনা আপোনাৰ হাঁহি আৰু চকুত অস্বীকাৰ আৰু আপত্তিৰ সুৰ মই বিচাৰি পোৱা নাছিলো।"

আলোকৰ স্বৰ গাঢ় হৈ পৰিল।

আবাধনাৰ বুকুখন কঁপি উঠিল। আলোকৰ একো বিশ্বাস নাই। সেইদিনাৰ দৰে হাতখন ধৰি দিব পাৰে। আনকি গাৰ কাষলৈও টানি নিব পাৰে। একো বিশ্বাস নাই। তাৰ চকুত সেই জুইকুৰা লাহে লাহে উজ্জ্বল হৈ উঠিছে।

আলোক আবাধনাৰ ওচৰলৈ আগবাঢ়ি আহিল মুগ্ধ চকু দুটা আবাধনাৰ মুখখনত থৈ।

সামান্য পিছুৱাই গৈ আবাধনাই বেছি কঠোৰ হবলৈ চেষ্টা কৰি কলে—"আপত্তি আছে নে নাই আৰু কেনেকুৱা ধৰণৰ আপত্তি আছে তাৰ প্ৰমাণ আপুনি নিবিচৰাই ভাল হব। প্ৰতিবাদক সুৰত মই মিচিঞ্চৰো। মোৰ মিচিনা আন মানুহেও সন্তৰ্ক মিচিঞ্চৰিব। আৰু সেই দুৰ্ব্বলতাৰ সুযোগেই আপুনি লব খুজিছে........"

সামান্য উত্তেজিত হৈ কোৱা আবাধনাৰ কথাখিনিত আলোক বৈ গল।

আকৌ আবাধনাই কলে—"কিন্তু তাৰ আগতেই আত্মৰক্ষাৰ কাৰণে ভৰিৰ চেণ্ডেল পাতকে হাতত তুলি লব লাগিব........"

কি?? কি শুনিছে আলোকে? ইমান অভদ্ৰ আৰু নিষ্ঠুৰ ব্যৱহাৰৰ কাৰণে আবাধনা প্ৰস্তুত হৈছেনে? আলোক-ইমান বেছি

ঘৃণাৰ পাত্ৰ ? আজিলৈকে তো কোনো নাৰীয়ে আলোকক এনেকুৱা ধৰণৰ অপমান কৰিবলৈ সাহস কৰা নাছিল !

ভীষণভাৱে অপ্ৰস্তুত হৈ আলোকে তললৈ মূৰ কৰি দিলে—"ক্ষমা কৰিব। মোৰেই ভুল হৈছিল। আপোনাক মই ভুল বুজিছিলো........।"

অপমানৰ তীব্ৰ জ্বালা এটা বুকত লৈ আলোক উদ্ভ্ৰান্ত ঘূৰি তৎক্ষণাত তাৰপৰা ওলাই গুচি আহিল।

........একজনী মদগৰ্ব্বী আৰু অহঙ্কাৰী নাৰীৰ ওচৰত লাঞ্ছিত হৈ অশান্তি, গ্লানি আৰু অস্বস্তিত গোটেই সন্ধিয়াটো অনাই-বনাই ফুৰি ৰাতি যেতিয়া আলোক ঘৰ সোমাল- তেতিয়া এঘাৰ বাজিছে।

ঘৰতো যে তেতিয়া এটা নতুন ঘটনা ৰৈ আছিল আলোকে নেজানিছিল।

---

ঘৰৰ মালিক নিত্যা ফুকনৰ ঘৰত এই ৰাতিও মানুহৰ গমগমনি।
সকলোৰে মুখত যেন উচপিচনি আৰু উৎকণ্ঠা।

আলোকক দেখিয়েই নিত্যাফুকন লৰ মাৰি আহিল আৰু চঞ্চলভাৱে কলে—"বৰুৱা, আজি দিনটো আপুনি ঘৰত নাই। মোৰ ইপিনে বৰ বিপদ........"

"কি হৈছে?" উৎকণ্ঠাৰে আলোকে সুধিলে।

"স্নাইকক হস্পিতেললৈ চিকট্ কৰিবলগীয়া হ'ল আবেলিতে। গধূলি এটা লৰা জন্ম হ'ল। কিন্তু মৰা সন্তান। মাকৰ অৱস্থাও বৰ বেয়া। জ্ঞান নাই। তেজ লাগে বুলি কৈছে ডাক্তৰে। কি কৰো বৰুৱা?" —নিত্যা ফুকন কন্দনামুৱা হৈ গ'ল।

আলোকৰ দপ্‌কৈ খং এটা উঠি গ'ল। ........এতিয়া কান্দিবলৈ আহিছে! নিলাজ! পৰিয়াল পৰিকল্পনাক বুঢ়া আঙুলি দেখুৱাই নৱম সন্তানৰ পিচত দশম সন্তানক পৃথিৱীৰ মুখ দেখুওৱাৰ কথা ভাবোতে এইবোৰ কথা মনলৈ অহা নাছিল কেলেই?........ডাঙৰজনী ছোৱালীৰে বয়স ষোল নে সোতৰ। তেজপিয়া স্কাউণ্ড্ৰেল। এটা চৰত দীঘলীয়া মুখখনৰ দাঁত কিটা সৰুৱাই দিবৰ মন গ'ল আলোকৰ।

কিন্তু চকুপানী মচা নিত্যাফুকনৰ মুখলৈ চাই তেওঁ মনে মনে থাকিল।

"কি কৰিব লাগিব?"

"তেজ লাগে বোলে। বহুত লাগিব যেনো। তেজ কতো পোৱা নাই। দুই এটা লৰাই দিব খুজিছিল; কিন্তু নিমিলিল।"

"বলক, মোৰ লগত হস্পিতেললৈ। যদি মোৰো তেজ নিমিলে হোষ্টেলৰ পৰাই লৰা নিব লাগিব। ........ওলাওঁক, দেৰী নকৰিব।"

"আপুনি কিবা অলপ খাই লওঁক। চাহ-তাহ........"

"মোৰ খোৱাৰ বিষয়ে আপুনি চিন্তা কৰিব নেলাগে। বলক—"

দুয়ো নবাবখিকৈ ওলাই গ'ল।

........তাৰপিচত হস্পিতেলত আৰম্ভ হ'ল মানুহ আৰু যমৰ সংগ্ৰাম। ভাগ্যে আলোকৰ গুপৰ লগত তেজ মিলি গৈছিল। যিমান খিনি তেজৰ প্ৰয়োজন সিমান খিনিয়ে তেওঁ দিলে।

আলোকৰ চকুলৈ একেথৰে চাই থাকি ডাক্তৰ শইকীয়াই তেওঁৰ পিঠিত থপৰিয়াই কলে—

"আপুনি আচৰিত মানুহ......."

অকল তেজেই নহয়, জেপত থকা গোটেইখিনি টকা নিত্যাফুকনৰ হাতত দি আলোকে কলে—

"চিন্তা নকৰিব। সকলো ঠিক হৈ যাব। ডাক্তৰ শইকীয়াক সুধি যিখিনি ঔষধ-পাতি লাগে ইয়াৰে আনকৈগে। পইচাৰ কাৰণে চিন্তা নকৰিব—"

নিত্যাফুকনে আচৰিত হৈ গভীৰ কৃতজ্ঞতাৰে আলোকলৈ চাই কলে—"কিন্তু ইয়াত দেখোন বহুত পইচা আছে। মোকেই গোটেই খিনি দি দিলে........"

সামান্য দুৰ্ব্বল হৈ পৰা আলোকে ধমকি দি উঠিল—"বেচি কথা নকব ফুকন। মই যি কৈছো তাকেই কৰক। এতিয়াও বিপদ আঁতৰি যোৱা নাই। ........আৰু এটা কথা শুনক। এই যাত্ৰাত যদি বৌদেউ ৰক্ষা পৰে, তেন্তে আপুনি মোৰ গা চুই প্ৰতিজ্ঞা কৰিব লাগিব........"

"বুজিছো, বুজিছো—আপুনি মোক কব নেলাগে। মই আৰু কেতিয়াও, মোক বিশ্বাস কৰক........"

"কিন্তু আৰু এবাৰ যদি আপুনি ভুল কৰে, তেন্তে কথা কিন্তু বেয়া হব, মই এতিয়াই কৈ থলো। মনত ৰাখিব, ময়ো খুব ভাল মানুহ নহওঁ। যাওঁক। এতিয়া মোৰ ওচৰৰ পৰা আঁতৰি যাওঁক। মোক অকলে থাকিবলৈ দিয়ক।"

ৰাতি এক বজাত হস্পিতেলৰ ৰাবাণ্ডাৰ আৰ্দ্ধ-বেঞ্চ এখনত

বাগৰ এটা দি আলোকে এবাৰ ভাবিলে মিত্যাঙ্কুৰ এটা অনুতপ্ত পশু।

আৰু আৰাধনা? আৰাধনা নিজৰ সঁজাত নিজেই বন্দিনী হোৱা এজনী অহঙ্কাৰী আৰু মদগৰ্ব্বী বাঘিনী।

.......মূৰটো কামুৰিছে তীব্ৰ ভাৱে। গাখীৰ এগিলাচ খোৱাৰ পিচতো আলোকৰ গাটো অলপ অলপ দুৰ্ব্বল লাগি আছে।

.......সেইদিনা ৰাতি এক বজাত বিছনাত পৰিও উজাগৰে আৰাধনাও ছটফটাই আছিল। তেওঁৰ গাৰুটো যে তিতি গৈছিল আৰাধনাই নিজেও নেজানিছিল।

কেবাদিনো আলোক সহা দেখি পৰণ্ড কাকতি আকৌ অস্থিৰ হৈ পৰিল। ছট্‌ফটাই বাহিৰ ভিতৰ কৰিলে। খবৰ কৰিবলৈ যাবলৈয়ো নিজৰেই আজি কেইদিনমানৰ পৰা গা অসুখ। বন্ধ মাষ্টৰৰ অসুখ হোৱাৰ দিনাই তেওঁৰো খোৱা বোৱাৰ অলপ অনিয়ম হৈছিল। সেইদিনাৰ পৰাই তেওঁৰ গা বৰ ভাল নহয়। বাহিৰলৈ ওলাবলৈ ডাক্তৰে মানা কৰি দিয়াত দেউতাকৰ ওপৰত জীয়েক বেচি কাবা হৈ পৰিল।

একো উপায় নেপাই জীয়েকক কাকতিয়ে সুধিলে—"তেওঁক ভই কিবা কলি নেকি? ........সে কিবা অসুখ-বিসুখেই হৈছে, এটা খবৰ লোৱা আমাৰ কৰ্ত্তব্য আছিল।"

"খবৰ লবলৈ মই বাহাদুৰক পঠিয়াই দিম বাক........"

কিবা এবাৰ কওঁ বুলিও যে দেউতাকে একো নকলে আৰাধনাই বুজিলে।

দেউতাকলৈ চাই আৰাধনাৰ বেয়া লাগিল। মন মিলা মানুহ এজনৰ লগত আজি কেবা দিনো কথা পাতিবলৈ নেপাই দেউতাকৰ যে ভীষণ অশান্তি হৈছে আৰাধনাই উপলব্ধি কৰিলে।

লগে লগে আলোকলৈও খং উঠিল। আলোকৰ নিচিনা মানুহ এটাৰ অপমান বোধৰ কথা ভাবি হাঁহিহে উঠে। অভিমান দেখু-ৱাইছে চাগে'। মিলাজৰ আক' অভিমান! সেইদিনাখো আৰাধনাই কি ডাঙৰ কথাটো কৈছিল! ........বাতি বাজআলিত খপহকৈ হাতখন ধৰি দিয়াতকৈ সেইদিনাৰ আৰাধনাৰ ব্যৱহাৰ নিশ্চয় একো বেয়া নাছিল। আলোকে যে নিজৰটো ইমান বেচি ভাবিলে, লোকৰ কথা নেভাবিলে কেলেই? আৰাধনাৰ নিচিনা ছোৱালী এজনীয়ে কেলেই আক কি অৱস্থাত পৰি তেনেকুৱা কথা কবলগীয়া হয় বা তেনে ব্যৱহাৰ কৰিবলগীয়া হয়—আনে নুবুজিলেও আলোকৰ নিচিনা বুদ্ধিমান মানুহ এজনে বুজা উচিত আছিল। আৰাধনাই জানো দাঁতকৈ হাতত চেঙেল পাত তুলি লব পাৰিলোহেঁতেন?........

"ফুকন, ফুকন। শুনাচোন........" দেউত্যকৰ মাত।

আগকালে বাবাগুাত বহি থকা দেউতাক্ক আলিবাটেদি যোৱা কোনোবা মানুহক যে চিঞৰিছে আবাধনাই বুজিলে। খিৰিকীৰে চালে—সেয়া নিত্যা ফুকন। অজানিতে আবাধনাও তৎক্ষণাত আগফালৰ বাবাগুা পালেগৈ। ইতিমধ্যে নিত্যা ফুকনো বাবাগুাত উঠিছে।

"বহাচোন, তোমাৰ পৰা খবৰ এটা লব লাগে। ........তোমাৰ আগফালৰ খেৰী ঘৰটোত যে থাকে সংস্কৃতৰ প্ৰফেচাৰ বৰুৱা, তেওঁ কৰবালৈ গল নেকি হে?"

দেউত্যকৰ লগতে আবাধনায়ো উৎসুক হৈ নিত্যা ফুকনৰ মুখলৈ চালে।

ফুকনে কলে—"আছে। আপোনালোকে গম নেপায় নেকি? বৰুৱা আজি পাঁচ ছ'দিন বৰকৈ ওলোৱাই নাই। ........আজি এসপ্তাহৰ আগতে আমাৰ ঘৰত যি হুলস্থূল হৈ গল। তেওঁ তেজ দিবলগীয়া........"

"তেজ?" আবাধনাৰ মুখৰ পৰা প্ৰবল উৎকণ্ঠাভৰা শব্দটো জোৰেৰে ওলাই আহিল।

"বেচেৰা মানুহটোৱে আমাৰ কাৰণে যি কৰিলে কোনেও নকৰে। আমাৰ এহঁতৰ মাকক তেৱেঁই জীৱন দিলে। ....মানুহতকৈ বহুত ওপৰত........"

"আচল কথাটো কি, তৎক্ষণাত কোৱা।" পৰশু কাকতিয়ে তেকাহি মাৰি দিলে।

ভাবপিচত নিত্যা ফুকনে গোটেইবোৰ কথা কলে। মানুহৰ প্ৰতি মানুহৰ কৰ্ত্তব্য-জ্ঞান কেনেকুৱা হব লাগে আলোক বৰুৱাই সকলোকে দেখুৱালে। ফুকনৰ ঘৈণীয়েক এতিয়া বহুখিনি ভাললৈ আহিছে।

আচৰিত হৈ চকুৰ পলক নেপেলোৱাকৈ বাপেক আৰু জীয়েক দুয়ো নিত্যা ফুকনৰ কথাবোৰ শুনিলে। পৰশু কাকতিৰ মনত যোৱা

এলণ্ডাহে যিখিনি ডাৱৰ গোট খাইছিল, এতিয়া সেইবোৰ একেবাৰে নাইকিয়া হৈ গ'ল।

আনন্দত অধীৰ হৈ সক লৰাৰ দৰে পৰশু কাকতি চিঞৰি উঠিল—"বাঃ মণি দেখিলি? বিপদৰ সময়ত মানুহক সহায় কৰা-টোৱেই মানুহৰ প্ৰকৃত ধৰ্ম্ম—সেইটো নাই ইয়ংমেন-হেজ্ প্ৰুভড্ ইট্…….."

তেওঁ আকৌ কলে—"ফুকন। তুমি তেওঁক আজিয়েই পঠিয়াই দিবা। পৰাহলে নিজেই গলোহেঁতেন। কিন্তু মোৰ নিজৰেই অসুখ। ……..কৰা দেই। ……..কৰা, হি ইজ্ ভেৰী মাচ্ ৱান্‌টেড্ বাই হিজ্ ফাদাৰ্‌লি ফ্ৰেণ্ড্।"

"কম বাৰু, কেলেই নকম?" কিন্তু আচৰিত হৈ নিত্যা ফুকনে কাকতিলৈ চালে।

আৰাধনাই কোনো শব্দ উচ্চাৰণ নকৰি ছাট্‌কৈ ভিতৰলৈ সোমাই গ'ল। আলোক বৰুৱাৰ মহত্ত্ব জোখাৰ অধিকাৰ আৰাধনাৰ নাই—শক্তিও নাই। কিন্তু আলোক যে এজন আচৰিত মানুহ আৰাধনাই নতুনকৈ আকৌ উপলব্ধি কৰিলে।

খিৰিকীখনৰ কাষত থিয় হৈ বাহিৰলৈ চাই আৰাধনা বহুত সময় নীৰৱ হৈ থাকিল। তেওঁ বোধকৰো সেজানে কেতিয়াবা নীৰৱতাও এটা গভীৰ ভাষাত পৰিণত হয়।

---

আলোকৰ খবৰ লবলৈ বাহাদুৰক পঠিয়াম বুলি কৈছিল। কিন্তু পিচদিনা বাভিপুৰা দেউতাকক একো নোকোৱাকৈ আৰাধনা নিজেই ওলাল।

……মনে মনে যি শুনিম বুলি কামনা কৰি গৈছিল, কম্পাউণ্ডত সোমোৱাৰ লগে লগে তাকেই শুনিলে। আলোকৰ ঘৰৰ পৰা চেতাৰৰ মিঠা মাত ভাহি আহিছে। এই সম্ভাৱনাময় মিঠা দেওবাৰৰ ৰাভিপুৱাটোত চেতাৰৰ মাতটো বৰ মধুৰ লাগি গ'ল আৰাধনাৰ।

……..তেতিয়া আত্ম-বিভোৰ হৈ আলোক শ্ৰী ৰাগত গভীৰ ভাৱে নিমগ্ন হৈ আছিল। ৰাভিপুৱাৰ শান্ত আৰু শীতল পৰিবেশত মৃদু আলাপৰ লগে লগে শ্ৰী ৰাগ লাহে লাহে উদ্ভাসিত হৈ আহিছে।

আৰাধনাক দেখিও আলোকে চেতাৰ বন্ধ নকৰিলে। তেওঁ যেন দেখিও দেখা নাই। এবাৰ আৰম্ভ কৰাৰ পিচত এতিয়া যেন চেতাৰ বন্ধ কৰিব নোৱাৰি। ……..আৰাধনায়ো এই স্বপ্ন-ভৰা পৰিবেশত কোনো শব্দ নকৰাকৈ চকি এখনত বহিল।

আলোক ধীৰে ধীৰে গভীৰৰ পৰা গভীৰতৰলৈ সোমাই গৈছে। চকুত সপোনৰ আবেশ। গোটেই কোঠাটোত এটা অপাৰ্থিৱতা।

……যিখন হাতেৰে একনী অচিনাকি ছোৱালীৰ হাত বিনা দ্বিধায় ধৰিব পাৰে, একেখন হাতেৰেই মানুহটোৱে ইমান মোহনীয় সুৰৰ সৃষ্টি কৰিব পাৰে কেনেকৈ? এই পৰিবেশত আজি আৰাধনাৰ নিজকেই সুধিবৰ মন গল—যিখন হাতেৰে আলোকে তেওঁৰ হাতত ধৰি টানিছিল, তাত জানো সঁচাকৈয়ে কামনাৰ বং সনা আছিল? কৰ্ত্তব্য-জ্ঞানেই জানো সেইদিনা আৰাধনাৰ হাতখন ধৰিবলৈ আলোকক বাধ্য কৰোৱা নাছিল?

আৰাধনাক চকুৰ আগত বহি থকা দেখিও সেই সময়ত আলোকে কিন্তু তেওঁৰ কথা অকনো ভবা নাছিল। ……..তেওঁৰ চকুৰ আগত তেতিয়া ভাহি উঠিছিল চিৰ-যৌৱন, তেজ-দৃপ্ত আৰু কামদেৱৰ দৰে মোহন মূৰ্ত্তি শ্ৰী। কমনীয় শৰীৰৰ এই শ্ৰী-ৰাগৰ কৰ্ণ যুগলত

কোমল পল্লৱ ভূষণ। ধীৰ-স্থিৰ বীৰ ৰস ভৰা, কঠোৰ অথচ উদাৰ শ্ৰীৰ পূজাত যেন একান্ত ভাৱে ব্যস্ত ষড়জাদি৲ সপ্তম সুৰ। এই শান্ত আৰু উদাৰ ৰাগ লাহে লাহে সুন্দৰ পথলৈ আগুৱাই গৈ আছে। সেই পথৰ ওপৰত বীৰত্ব আৰু কোমলতাৰ চৰণৰ পৰশ।

........অৱশেষত সেই ৰাগ সুন্দৰৰ দিগন্তত লাহে লাহে মিলি গ'ল।

সপোনৰ আবেশ কাটি যোৱাৰ লগে লগে আলোকে চেতাৰ খন থৈ আৰাধনালৈ চাই এটা মৃদু হাঁহিৰে কলে—"ক্ষমা কৰিব...."

আৰাধনাই ক্ষীণ হাঁহিৰে সুধিলে—"এইটো কি ৰাগিনী?"

"ৰাগিনী নহয়; ৰাগ হে। শ্ৰী।"

"চেতাৰখন হাতত ললে আপোনাক বেলেগ মানুহ যেন লাগে...."

আলোকৰ মুখত আকৌ বিদ্ৰূপৰ হাঁহি বিৰিঙি উঠিল—"মোৰ হাতত চেতাৰখন দেখিলে আপোনাৰ নিশ্চয় হাতত চেঙেল পাত তুলি লবৰ মন নেযায়........"

আৰাধনাৰ মুখখনত যেন তৎক্ষণাত কোনোবাই ক'লা চিয়াহী ছটিয়াই দিলে। মুখেৰে নেমাতিলে; কোনো প্ৰত্যুত্তৰ নিদিলে।

আকৌ আলোকে কলে—"ক্ষমা কৰিব। হঠাৎ কৈ পেলালো কথাষাৰ। ........পিচে, আজি বহুত দিনৰ মূৰত ৰাতিপুৱা মোৰ কি ভাগ্য ঘটিল, কওঁকচোন। আপোনাৰ দেউতাৰ ভাল নে?"

লাহে লাহে মুৰ দাঙি আৰাধনাই কলে—"আজি কেইদিনমানৰ পৰা দেউতাৰ গা বৰ ভাল নহয়। ........আপোনাৰ কাৰণে এই-কেদিন বৰ চিন্তা কৰি আছে। আপোনাৰ খবৰ লবলৈকে দেউতাই আজি মোক........"

"মই জানো, আপুনি নিজৰ গৰজত কেতিয়াও অহা নাই। ........পিচে ৰাতিপুৱা এই দুখীয়াৰ ঘৰলৈ আহিছে। কিবা এটা খাওঁক। চাহ একাপকে—"

"একো নেথাও। মই যাওঁৰেই। আপোনাক আজি দেউতাই মাতিছে। খুব চিন্তা কৰি আছে।"

"বোৱা কেইদিনমান মই এটা অসুবিধাত পৰিছিলো। তাবোপৰি—"

"কি?"

কওঁনে নকওঁকৈ আকৌ আলোকে কৈ পেলালে—"তাবোপৰি আপোনালোকৰ ঘৰলৈ যাবলৈ সাহস হোৱা নাছিল। জানোচা মোক দেখিলেই আকৌ হাতত চেণ্ডেল তুলি লবলৈ আপোনাৰ ইচ্ছা হয়।"

স্বাভাৱিক অৱস্থালৈ লাহে লাহে ঘূৰি আহিব খোজা আৰাধনা আকৌ দপ্‌কৈ জ্বলি উঠিল—

"বাৰে বাৰে একেটা কথাকে কৈ নেথাকিব। সিদিনা মই কেলেই তেনেকৈ কৈছিলো আপুনি নুবুজিব। তাৰ বাবে মই ক্ষমা খুজিছো। ........মই আজি মোৰ নিজৰ গৰজৰ কাৰণে আপোনাৰ ওচৰলৈ অহা নাই। আহিছিল দেউতাৰ কাৰণেই। দেউতাই আপোনাক মাতিছে, ইচ্ছা হলে যাব পাৰে—" আৰাধনা বাবলৈ থিয় হ'ল।

গৰ্ব্বিতা নাৰীৰ চকুত আকৌ ঘৃণাৰ দৃষ্টি। অহমিকাত যেন আৰাধনাই পৃথিৱীত ভৰি নিদিব। অকল আলোককেই নহয়, সকলো পুৰুষকেই চূড়ান্ত ভাৱে অৱজ্ঞা কৰি নিজৰ ব্যক্তিত্বক জয়ী কৰিব। অলপ আগলৈকে বেচ স্বাভাৱিক যেন লাগিছিল। বিনম্ৰতাৰ, লাজ আৰু পুলকতা এই সকলোবোৰ নাৰী-সুলভ গুণ আৰাধনাৰ শৰীৰত বিৰাজ কৰিছিল। এতিয়া এই আৰাধনা কাকতি আকৌ উদ্ধতা সৰ্পিনীৰ দৰে মূৰ দাঙি উঠিছে। চকু দুটাত থুপ খাই পৰিছে পৃথিৱীৰ সকলোবোৰ বিদ্ৰূপ আৰু কৰ্কশতা।

আলোকৰ অসহ্য লাগিল। হঠাৎ থিয় হৈ বিদ্ৰূপৰ সুৰত চিঞৰি উঠিল—"ৰব। এটা কথাৰ উত্তৰ দি যাওঁক—"

গর্ব্বোদ্ধতা আৰাধনা হ'ল।

"কিহৰ কাৰণে আপোনাৰ ইমান বেছি অহঙ্কাৰ, আপুনি কৈ যাওঁক। কিয় ইমান বেছি অৱজ্ঞা আৰু বিদ্ৰূপ?"

আৰাধনাই আলোকৰ চকুলৈ চালে। সেই চকুত এটা তীব্ৰ-ব্যঙ্গৰ ছবি জিলিকি উঠিছে। মুখখনৰ পৰা হাঁহি অন্তৰ্হিত হৈছে।

"গীতাত এটা শ্লোক আছে জানেনে? অব্যক্তাদীনি ভূতানি...."

"আপোনাৰ ইয়াত মই সংস্কৃতৰ শ্লোক শুনিবলৈ অহা নাই। মনে মনে থাকক।"

"আপোনাৰ দেহাটো লৈয়েই আপোনাৰ ইমান বেছি অহঙ্কাৰ— গৰ্ব্ব, নহয়নে? তাৰ বাহিৰে আপোনাৰ কি আছে? ........কি আছে কওঁক?"

এই কথাখিনিয়ে আৰাধনাৰ অন্তৰখনত তোলপাৰ লগাই দিলে। যাৰ খুজিও তেওঁৰ খোজ স্তব্ধ হৈ গ'ল। আজি যেন আলোকে আৰাধনাৰ অহঙ্কাৰ আৰু গৰ্ব্বৰ শোধ ভাঙি চুৰমাৰ কৰি পেলাবৰ উপক্ৰম কৰিছে। কি তীক্ষ্ণ ভাষা—তীব্ৰ পৰিহাস! উত্তৰ দিয়াৰ কোনো উপায় নাই।

খিৰিকীখনৰ কাষলৈ আঁহি বাহিৰলৈ চাই পঠিয়ালে আৰাধনাই। এই পৃথিৱীত তেনেহলে আৰাধনাতকৈয়ো বেছি অহঙ্কাৰী মানুহ আছে—যি তেওঁৰ অভিমানক খৰ্ব্ব কৰি দিব পাৰে। ........হাতত মিঠা সুৰ অথচ মুখত তীক্ষ্ণ বাণ। কাকো কেৰেপ নকৰা এটা জলন্ত দৃষ্টি-নাৰীক সমীহ নকৰা প্ৰচণ্ড ব্যঙ্গভাব। ......অৱশেষত আৰাধনা এই মানুহটোৰ ওচৰত পৰাজয় বৰণ কৰিবলগীয়া হ'ল?

প্ৰতিশোধ চৰিতাৰ্থ কৰাৰ হাঁহি এটাৰে আলোকে আৰাধনাৰ মুখলৈ চাওঁতে তেওঁ এইবাৰ নিজেই খুব আচৰিত হৈ গ'ল। যাওঁ বুলিও নোযোৱা গৰ্ব্বিতা আৰাধনাই খিৰিকীৰে বাহিৰলৈ চাই আছে। তেওঁৰ ওঁঠ দুটা যেন কঁপি উঠিছে ঘনে ঘনে। ........তাৰপিছত? তাৰপিছত সেই উদ্ধতা মদগৰ্ব্বী নাৰীৰ চকুৰ

পৰা চুখাৰি পানী সৰ্‌সৰ্‌কৈ গালেদি বৈ আছিল। বৰ অভিভূত হৈ পৰিল আলোক। নিজকে বৰ অপৰাধী যেন লাগিল।

ওচৰলৈ আহি কোমল আৰু গাঢ় স্বৰত আলোকে কলে—"ক্ষমা কৰিব। মোৰ ভুল হৈছে। অজ্ঞাতে বোধকৰো আপোনাক অন্তৰত আঘাত দিলো।"

নিজক সংযত কৰিবলৈ আৰাধনাই আপ্ৰাণ চেষ্টা কৰিলে। কিন্তু চকুৰ পানী ধৰি ৰাখিব নোৱাৰিলে। ওলাই অহা চকুৰ পানীক ধৰি ৰখাৰ সাধ্য কাৰ আছে?

ৰাগ-ভৈৰৱ স্বামীৰ দ্বাৰা অপমানিতা হৈ কুপিতা সিন্দুৰাই যেন আজি গুণকেলীৰ দৰে অধোমুখী আৰু বেদনা-ধূসৰিতা হৈ পৰিছে আৰু অশ্ৰু টুকিছে ভূপালীৰ দৰে।

অন্তহীন এই অশ্ৰুৰ আগত আলোকে বৰ অস্বস্তি অনুভৱ কৰিলে। ........শান্ত আৰু অশ্ৰুসিক্ত আৰাধনাৰ মুখখনলৈ চাই থাকি আলোকে উপলব্ধি কৰিলে আৰাধনাৰ ৰূপ এয়েই হোৱা উচিত—এয়াহে স্বাভাৱিক।

মুগ্ধ নয়নেৰে আৰাধনাৰ ওচৰলৈ কাষ চাপি আহি তেওঁৰ হাতখন আলোকে নিজৰ হাতত তুলি ললে। সেই হাতখন নিজৰ বুলি যেন সেই সময়ত আৰাধনাৰ জ্ঞান নাছিল। তেওঁ প্ৰতিবাদ নকৰিলে।

থৰ্‌থৰ্‌কৈ কঁপা হাতখনত ধৰি আলোকে কোমল কণ্ঠেৰে কব খুজিলে—"এয়ে তোমাৰ প্ৰকৃত ৰূপ আৰাধনা—এয়ে তোমাৰ প্ৰকৃত সৌন্দৰ্য্য........।" কিন্তু কব নোৱাৰিলে।

দুকুল ভাঙি শাওণৰ ঢল বাধাহীন ভাৱে বাগৰি আহিল আৰাধনাৰ চকুৰ পৰা।

সেইদিনাই গধূলি থাবাসাবে বৰষুণ আহিল আৰু বৰষুণ চলিল গোটেই ৰাতি অবিৰাম ভাৱে।

আৰাধনা যোৱাৰ পিচত আলোকে গোটেই দিনটো এটা আনন্দৰ আমেজত শুই বহি কটালে। আবেলি পৰশু কাকতিৰ ওচৰলৈ যাব বুলি ভাবিছিল। কিন্তু যাবৰ মন নগল। অকলশৰে থ কিবৰহে বেচি মন গল। ……চেতাৰ বজাব আৰু নিজৰ মনৰ লগত কথা পাতিব। আজি মনটো বৰ ভাল।

আবেলি আকাশত ডাৱৰ গোট খাইছিল যদিও তেওঁৰ মনটো বেছ কবকাল লাগি আছিল। মনত পুঞ্জীভূত হৈ থকা মেঘবোৰ যেন উৰা মাৰি গৈ আকাশত গোট খাইছেগৈ। আৰাধনাও যে আনৰ দৰে এজনী নাৰী, আজি আলোকৰ ওচৰত ধৰি পৰি গ'ল।

শৃঙ্গাৰ ৰস আৰু উত্তৰায়তা মূৰ্চ্ছনাৰে আলোকে চেতাৰত আঙুলি বুলালে।

……তৃষ্ণাৰ্ত ব্যাকুল হোৱা বনৰ চাতকৰ কামনা মেঘ। অথনি অশ্রু সিক্তা আৰাধনাৰ মুখখন দেখি আলোকৰ মনত পৰিছিল মেঘ-ৰাগিনী ভূপালীলৈ। তুঙ্গস্তনা চন্দ্ৰমুখী মনোজ্ঞা। এতিয়া আকাশত মেঘৰ গৰ্জ্জন আৰু পৃথিবীৰ নিৰ্জ্জনতাৰ মাজত আৰাধনাক দেশকাৰ ৰূপে কল্পনা কৰিবলৈ তেওঁৰ মনে কামনা কৰিলে।

……মেঘলোকৰ পৰা নীলকমল অঙ্গৰ তৰুণ আৰু বীৰ ৰাগ মেঘে অমৃত-মধুৰ হাঁহিৰে সেইদিনা শৃঙ্গাৰ দৃষ্টিৰে চাইছিল তেওঁৰ প্ৰিয়তমা মল্লাৰ, ভূপালী, গুৰ্জ্জৰী, তিলং আৰু দেশকাৰলৈ। ……মল্লাৰ। কৃশাঙ্গী, যৌৱন-ত্ৰস্তা আৰু মলিন-কান্তি মল্লাৰৰ পৰা চকুকিটা আঁতৰাই আনি স্বামী মেঘে চালে ভূপালীলৈ। ……গৌৰ-বৰ্ণা ভূপালীৰ শৰীৰত কুমকুমৰ প্ৰলেপ; উচ্চস্তনা আৰু ৰমণীয়। ভাল লাগিল মেঘৰ। কিন্তু বিৰহ-ত্ৰস্তা আৰু ভূপালীৰ শৰীৰৰ শান্তৰস সেই সময়ত অসহ্য লাগিল। ……হাতত বীণা লৈ

স্বামীৰ বাবে অপেক্ষা কৰি থকা শ্যামবৰ্ণা আৰু সুকেশী গুৰ্জ্জৰী। এটি মিচিকিয়া হাঁহিৰে তেওঁ স্বামীক সম্ভাষণ জনালে। ওঁহো, ভাল নেলাগিল। এই সময়ত স্বামীয়ে কি বিচাৰিছে এওঁলোকে সঁচাকৈয়ে নেজানে নেকি? ........পদুম পাতত শুই শুই সপোন দেখা তিলকৰ ওচৰলৈ যাওঁতে সম্মুখত স্বামীক দেখি তেওঁৰ অন্তৰ বিৰহ-কাতৰা হৈ পৰিল। অৰ্দ্ধ-নিদ্ৰাত কেৱল প্ৰিয়তমাৰ কথা চিন্তা কৰি সপোন দেখি থকা এই নাৰীক বীৰ-ৰাগ মেঘৰ ভাল নেলাগিল। ........তেওঁ আছিল দেশকাৰৰ ওচৰলৈ। এটি বিল্লোল কটাক্ষৰে স্বামীক আহ্বান জনালে পদ্ম-নয়নী দেশকাৰে। 'ভৰ্ত্তা স্তুমং কেলি কলা-ৰসজ্ঞা' এই জনী নাৰীকেই ইমান সময় মেঘে বিচাৰিছিল। পৰিপূৰ্ণ স্তনযুগলৰ সৈতে অঙ্গে অঙ্গে যাৰ ইমান শোভা, সেই পূৰ্ণ-চন্দ্ৰ সম ভাৰ্য্যাৰ ওচৰত স্বামী বন্দী নহৈ হ'ব ক'ত? আজি স্বামীয়ে বিচাৰিছিল বল-দৃপ্তা নাৰী। দেশকাৰীও সেয়ে। তেজস্বিনী ৰাগিনী।

দেশকাৰীৰ গমক আৰু মীড়ৰ কোমলতাৰ মাজতো আলোকে হাঁহি দিলে। এই বৰ্ষামুখৰ ৰাতি তেওঁ কি ভাবিছে এইবোৰ? আৰাধনাৰ কথা ভাবোতে একেবাৰে দেশকাৰী পালেগৈ। নিজকে মেঘ বুলি ভাবি ভাল লাগিছিল যদিও লাজো লাগিল।

নিস্কালে আৰাধনা চাগৈ ইমান সময় শুইছে টোপনি গৈছে। কাইলৈ তেওঁলোকৰ ঘৰলৈ যাবই লাগিব। নহলে বুঢ়াই কি ভাবিব ঠিকানা নাই। সঁচাকৈয়ে পৰশু কাকতিয়ে আলোকক আন্তৰিকতাৰে মৰম কৰে। নহলে আজি আ'ৰাধনাক তেওঁৰ খবৰ লবলৈ পঠিয়াই নিদিলেহেঁতেন আৰু আজি আৰাধনা নহা হলে .......

কিন্তু পিচদিনাও আলোক যাব নোৱাৰিলে।

........পুঁৱতি নিশা হঠাৎ আলোক সাৰ পাই গল। বাহিৰত তেতিয়াও বৰষুণ। ........গাটো বৰ ঠাণ্ডা লাগিছে। টেবুলৰ পৰা

টৰ্চ্চটো আৰিৰ খোজোতে তেওঁ অনুভৱ কৰিলে গোটেই বিচনা খনেই তিতি আছে। টৰ্চ্চটো জ্বলাই দেখে বিচনা, আঠুৱা সকলোবোৰ তিতি গৈছে। আনকি মাটিৰ মজিয়া খনো ৰবৰুণৰ পানীৰে ভৰি গৈছে। -

নিত্যা ফুকনৰ চাৰি বছৰীয়া খেৰে এইবাৰৰ ৰবৰুণ ভেটিব নোৱাৰিলে। লেম্প্‌টো জ্বলাই ৰবৰুণৰ পানীত খুপি খুপি সিখন খাটত শোৱাই থোৱা চেতাৰখন চালেগৈ। ভাগ্যে, চেতাৰখনৰ ওপৰত পানী পৰা নাই।

নিজৰ তিতা বিচনাখনলৈ আহি সেমেকা চিগাৰেট এটা জ্বলাই আলোকে ভাবিলে এইবাৰ এই ঘৰ এৰিব লাগিব। ৰটা সন্তানৰ জনক অৱস্থাহীন নিত্যা ফুকনে যে তৎক্ষণাত ঘৰটো ভাল কৰি দিব পাৰিব তাৰ কোনো আশা নাই। ....... মানুহটোলৈ বেয়াও লাগে। কোনোবা এখন প্ৰাইভেট্ কাৰ্য্যত কৰা সামান্য চাকৰি আৰু এই খেৰী ঘৰটো। ইয়াৰে ওপৰত এঘাৰটা মানুহৰ সংসাৰ। বেচেৰা মানুহটোৰ কোনো কালেই চম্ভালিব নোৱাৰা অৱস্থা। আলোকে এই ঘৰটো এৰি দিলে আন মানুহেও সহজতে এই ভগা আৰু উৰুখা ঘৰ নলয়।

....... নিত্যা ফুকনৰ ঘৰলৈ দেখোন গধূলি সময়ত এটা দুটাকৈ মাহীদেউ, বাইদেউ বুলি ঢেৰ ডেকা লৰা আহে। সিঁহতবে কোনোবা এটাই ভাল ভাৰাটীয়া মানুহ ঠিক কৰি দিব নোৱাৰিব নে? গাভৰু ছোৱালী থাকিলেই কিবা এটা ছল কৰি ডেকালৰা গোট খায়েই।

আলোকৰ হঠাৎ নিকলৈ মনত পৰি গল। তাইৰ বা কি খবৰ! আগতে বি কৰিলে, এতিয়া ভালেৰে সিঁহতৰ জীৱনটো গলেই হয়। তাই আলোকলৈ চিঠি নিদিয়ে। বোধকৰো ঠিকনা নেজানে। আলোকে বি অলপ খবৰ পায়, থানেশ্বৰ কায়ে লোকৰ হতুৱাই লিখোৱা চিঠিৰ পৰাই পায়। থানেশ্বৰৰ চিঠিও আজি বহুত দিন

"পোৱা নাই। .......নিকলৈ চিঠি এখন দিব লাগিব, হেজাৰ হওঁক ভনীয়েক। খা-খবৰ লোৱা উচিত আৰু বিপদ-আপদ হলে ফি পাবে সহায় কৰা উচিত। নিজৰতো জীৱনত একোৱেই নহল— সিঁহতবেই কিবা এটা হওঁক। নিজৰ জীৱনটো তো উটি ভাহি গলেই! আজি আৰু' সঁচাকৈয়ে ৰবযুণৰ পানীতেই উটি ভাহি যাবলগীয়া অৱস্থা হৈছে।

.......চিগাৰেটটোত দীঘলিয়াকৈ হোপা এটা মাৰি তাৰ শেষ অংশটো মজিয়াৰ পানীত পেলাই দিলে; ছক্কৈ শব্দ এটা হ'ল।

........পিচদিনা ৰবযুণ অলপ শাম কাটিলে। উকথা আৰু ভঙা ঘৰটোলৈ এটা ঘোলা দৃষ্টিৰে চোৱাৰ বাহিৰে ঘৰৰ মালিক নিত্যানন্দ ফুকনে একো কৰিব নোৱাৰিলে।

ঘৰটো এৰিম বুলি কোৱাত ফুকনে এটা অসহায় দৃষ্টিৰে আলোকলৈ চালে। আলোকক জোৰকৈ কথাবো কোনো উপায় নাই। যাৰিবা বতৰত উকথা, কেঁচা আৰু ভঙা ঘৰ এটাত আলোকৰ নিচিনা মানুহ একজনক জোৰকৈ ধৰি ৰখাৰ কোনো ভাল যুক্তি নিত্যা ফুকনে বিচাৰি নেপালে। মানুহজনৰ মুখখনলৈ চাই আলোকৰ বেয়াও লাগিল।

তেওঁ কলে—"আপুনি এটা কাম কৰক ফুকন। কিমান খেৰ আৰু বাঁহ লাগে যোগাৰ কৰক। পইচা যাক যি লাগে মই দিম। কিন্তু ঘৰটো ভাল কৰাৰ পিচত আকৌ মোকেই দিব লাগিব। তেতিয়া মাহে মাহে ভাড়াৰ পৰা কাটি ল'ম। এতিয়া আন এটা ঘৰলৈ নগলে উপায় নাই।"

অকুলত কুল পাই নিত্যা ফুকনে কৃতজ্ঞতাৰে কলে—"সেইটো আপুনি চিন্তাই কৰিব নেলাগে। এই ঘৰ আপোনাৰেই। দুদিনমান কৰবাত থাককগৈ বাৰু। তাৰপিচত আকৌ আপোনাক মই ইয়ালৈকে আনিম। ........পিচে আপোনাৰ আগৰ পইচাকে মই এতিয়ালৈকে ঘুৰাই দিব পৰা নাই। এতিয়া আকৌ নতুনকৈ পইচা লবলৈ.. ...."

বিদ্যা ফুকনৰ কথাত আলোকে বিশেষ গুৰুত্ব নিদি মনে মনে থাকিল। লগুৱাটোকহে কলে—"সোনকালে ভাত কিটা বাঢ়ি যেনে তেনে আজি ঘৰ এটা বিচাৰ। নহলে কালিৰ নিচিনা বৰষুণ আহিলে আজি থকা টান হ'ব।"

ঘপহকৈ যো ক'ত সহজতে ঘৰ এটা পোৱা যাব!

কিন্তু পিচদিনা অভাবনীয় ভাৱে হঠাৎ ঘৰ এটাৰ সন্ধান পোৱা গ'ল আৰু ঘৰৰ সন্ধান দিলে পৰশু কাকতিয়ে নিজেই। অৱশ্যে সেইদিনা বাতিপুৱা কাকতিয়ে ঘৰৰ খবৰ দিবলৈ আলোকৰ ওচৰলৈ অহা নাছিল। আহিছিল আৰাধনাই মাতি যোৱাৰ পিচতো নোযোৱা দেখি আলোকৰ খবৰ লবলৈহে।

আৰাধনাই মাতি যোৱাৰ দুদিনৰ পিচতো আলোক নোযোৱা দেখি বুঢ়া অতিষ্ঠ হৈ সন্দেহৰ চকুৰে জীয়েকৰ মুখলৈ চাই কলে—"আজিও দেখোন অনল নাহিল। তোৰ লগত কিবা এটা লাগিছে বুলি মোৰ সন্দেহ হৈছে। কি হৈছে মণি ক চোন........।"

থত্‌মত্‌ খাই জীয়েকে কৈছিল—"মোৰ লগত আক' কি লাগিব? আহিব। তুমি মাতিছা বুলি কৈ আহিছো নহয়। ........কিবা আন অসুবিধাও তো ওলাব পাৰে।"

আৰাধনাই নিজেও অকলে ভাবিছে আলোক নহা কথাষাৰ। সেইদিনা হঠাতে ওলাই অহা চকুপানী দেখি আৰাধনাৰ হাতখন ধৰি আলোকে আবেগেৰে কোৱা কথাখিনি এটা কল্পনা কৰিব নোৱাৰো মধুৰ সপোনৰ দৰে তেওঁৰ অন্তৰত এতিয়াও লাগি আছে। সেইদিনাৰ আলোকৰ গভীৰ দৃষ্টিৰ চাৱনিৰ কথা ভাবিলে তেওঁৰ শৰীৰত এটা শিহৰণ জাগি যায়। ......সেইদিনাই আলোক আহিম বুলি কৈছিল; কিন্তু নাহিল। কাৰণ কি? বৰষুণ? দিনতভো মাজে মাজে বৰষুণ এৰিছে। কিবা অসুখ-বিসুখ হল নেকি আক'। মিত্যা ফুকনৰ বৈনীয়েকৰ বাবে তেজ দি মানুহজন এনেও দুৰ্ব্বল হৈ আছে।

পিচদিনা বাতিপুৱা পৰশু কাকতি আলোকৰ ওচৰলৈ যাবলৈ ওলোৱাত আৰাধনাই বাধা নিদিলে। বৰং ভালহে পালে। তেওঁকো লগ ধৰিছিল।

........উকথা ঘৰটোৰ বোকা আৰু পানীৰ মজিয়াৰ ওপৰত নিৰ্ব্বিকাৰ হৈ বহি থকা আলোকক দেখি পৰশু কাকতি প্ৰথমতে

আচৰিত হৈ গৈছিল। হঠাৎ কাকাভক দেখি ব্যস্ত হৈ নিজে বহা চকিখনকে তেওঁলৈ আগবঢ়াই দিবিবলৈ দিলে আলোকে।

বিৰক্ত আৰু আচৰিত হৈ বুঢ়াই সুধিলে—"কি হৈছে এইবোৰ? এই বৰষুণত তুমি এইটোত সোমাই আছো? তুমি মৰিব খুজিছা নেকি? ......এনেই তুমি উইক্ হৈ আছা বুলি শুনিছো। তুমিতো এইবোৰ কথা একেবাৰেই আমাৰ আগত কোৱা নাই। ইউ ডিড্নট্ কেয়াৰ টু ইন্ফৰ্ম্ আচ্......."

লজ্জিত হৈ আলোকে কলে—"পৰশি ৰাতি বৰষুণ আকে কৰিলে। ঘৰ বিচাৰি আছো, পোৱা নাই......."

চিন্তাগ্ৰস্ত হৈ পৰা আৰু অস্বস্তি অনুভৱ কৰা পৰশু কাকতিয়ে ওপৰলৈ মুৰ কৰি উকখা ছালখনৰ মাজত যেন এই সমস্যাৰ আশু সমাধানৰ উপায় বিচাৰিবলৈ ধৰিলে। বুঢ়াৰ হঠাৎ উপায় এটা মনত পৰিল।

"ভেৰী বেল, তোমাক মই বোধকৰো এটা ঘৰ দিব পাৰিম। কিন্তু টেম্পৰেৰিলি........"

"ক'ত? কেইদিনমানৰ কাৰণে পালেও হয়—"

"আমাৰ ঘৰৰ কাষত যে লাইব্ৰেৰীটো আছে, তাৰ পিচফালে সৰু ঘৰ এটা আছে। ঘৰটোৰ দুটা কোঠা—কিন্তু পকী। আজি বহুত মাহ এনেয়ে পৰি আছে। মহেন্দ্ৰ ডাক্তৰৰ জোঁৱায়েক আছিল। ঘৰটোত তেওঁৰ কিবা কিবি দুই এটা বস্তু আছে হবলা। ছমাহ মানৰ পিচত জোঁৱায়েক আকৌ আহিব কাৰণে ঘৰটো কাকো দিয়া নাই। ........মই কলে ডাক্তৰে তোমাক দিব। কিন্তু কেইমাহ মানৰ কাৰণেহে।"

সাগৰত পৰা মানুহে কুটা এডাল পোৱাৰ দৰে আলোকে এটা ডাঙৰ চিন্তাৰ পৰা হাত সাৰিল।

........সেই নতুন ঘৰটোলৈ পিচদিনাই আহিল আলোক। সৰু যদিও টিনৰ পকী ঘৰ।

যুচাই কলে—"তোমাক মোৰ ওচৰলৈ আনি লৈছো ইয়ংমেন্। মোৰ স্বাৰ্থ আছে। তুমি এতিয়া মোৰ ওচৰলৈ তেইলী আহিব লাগিব। তোমাৰ ওচৰলৈও আহিম তোমাৰ চেতাৰ শুনিবলৈ। তুমি কিন্তু আপত্তি কৰিব নোৱাৰিবা।"

"আপুনি যে কি কথাবোৰ কয়? আপুনি মোৰ ওচৰলৈ অহাটো মোৰ ভাগ্যৰ কথা। বৰং মইহে দৈনিক আপোনাৰ ওচৰলৈ গলে আপুনি ভাল পালেও মিচ্ কাকতিয়ে নিশ্চয় আমনি পাব—"

মুৰটো জোকাৰি পৰশু কাকতিয়ে কলে—"ন' ন'!! মণি কেতিয়াও তেনেকুৱা ছোৱালী নহয়। ........তেনেহলে আজিৰ পৰাই তোমাৰ আগত মই লিখা ফিলচফিকেল পেপাৰখন পঢ়ি শুনাম। নহয়নে? প্ৰয়োজন অনুভৱ কৰিলে তুমি পৰামৰ্শ দিবা।........"

"আপুনি মোক লাজহে দিছে। আপোনাৰ নিচিনা মানুহ এজনক মই কি পৰামৰ্শ দিম?"

"ডোণ্ট্ টক্ ননচেন্স্! এটা কথা সদায় মনত ৰাখিবা ইয়ংমেন, তোমাতকৈ কমবয়সীয়া মানুহৰ পৰাও তুমি যদি ভাল চাজেচন্ পোৱা, তাক লবলৈ হেজিটেট্ নকৰিবা........।"

........ইয়াৰ পিচত নিয়মিতভাৱে আবেলি পৰশু কাকতিৰ ঘৰত কাকতিৰ দৰ্শনৰ ৰচনা পাঠ- আলোচনা আৰু কেতিয়াবা গধূলি আলোকৰ ঘৰত চেতাৰৰ বাদন চলিবলৈ ধৰিলে। সকলোতে পৰশু কাকতি থাকে কাৰণে আৰাধনাক অকলে লগ পাব নোৱাৰি। ........কিয় জানো, সেই দিনাৰ পৰা আৰাধনা আকৌ অস্বাভাৱিক ভাৱে গহীন হৈ পৰিছে। দেউতাকৰ লগত দৰ্শনৰ আলোচনা চলি থাকোতে আলোকে মাজে মাজে আৰাধনাৰ মুখলৈ চায়। কিন্তু আৰাধনাই মুৰ নেদাঙে—তললৈ মুৰ কৰি তেওঁলোকৰ আলোচনা শুনি থাকে।

আলোকৰ ঘৰতো প্ৰায় নিৰ্ব্বিকাৰ হৈ বহি থাকে আৰাধনা।

আলোকে যে সদায় চেতাৰ বজায়, এনে নহয়। কোনোৰা দিনা কথা পাতিয়ে সময় কটাই দিয়ে। কেতিয়াবা কবিতা পঢ়ি শুনায়। চকুকিটা ভাগৰ কৰি নিৰিষ্টমনে আৰাধনাই মাত্ৰ শুনে। প্ৰয়োজন হলে এবাৰ দুবাৰ কয়। তাতকৈ বেচি আৰু একো নকয়।

........কিন্তু আৰাধনাৰ মনত কোনো প্ৰতিক্ৰিয়া হোৱা নাই নে? সঁচাকৈয়ে তেওঁ উদাসীন হৈ পৰিছেনে? ........ৰাতি বিচনাত পৰাৰ লগে লগে কাণত পৰে সিটো ঘৰৰ পৰা ভাহি অহা চেতাৰৰ মিঠা মাত। কাণখন ঢাকি শুবলৈ আপ্ৰাণ চেষ্টা কৰে তেওঁ। কিন্তু চেতাৰৰ সেই আহ্বানৰ সুৰে তেওঁক ঘনে ঘনে চঞ্চল কৰি তোলে। ·· ·· মানুহটোৰ পৰা যিমানেই দূৰলৈ আঁতৰি যাব খুজিছে, সিমানেই অদৃশ্য অক্টোপাচৰ দৰে বাহুমেলি আৰাধনাৰ গোটেই শৰীৰটো বান্ধি পেলাব খুজিছে। আৰাধনাই যিমানেই চেষ্টা কৰিছে ব্যৱধানৰ সৃষ্টি কৰিবলৈ, সিমানেই আলোকে ইয়াক ভাঙিছিঙি চুৰ্ণ কৰি দিছে। ........দেউতাকে ভুলত সদায় আলোকক অনল বুলি মাতে। সেই অনলেই আজি শিখা মেলি আৰাধনাক গ্ৰাস কৰিব খুজিছে বুলি দেউতাকে জানো জানিব পাৰিছে!

আৰাধনাই সাগৰ দেখা নাই; অক্টোপাচ দেখাতো দূৰৰ কথা। ·· ....কিন্তু আজি কেইবছৰ মানৰ আগতে এদিন ৰাতি তেওঁ এটা সপোন দেখিছিল সাগৰ আৰু অক্টোপাচৰ। দেখিছিল সাগৰৰ উত্তাল তৰঙ্গত আৰাধনাৰ যুৱতী দেহাটো উটি ভাহি গৈছে। সাগৰত তেওঁ চকুৰে দেখালৈকে দেখিছিল কেৱল ঢৌ আৰু ঢউ। তাৰপিচত অনুভৱ কৰিছিল সাগৰৰ বুকৰ পৰা ওলাই অহা বিৰাট অক্টোপাচৰ এটা বলিষ্ঠ বাহু। সেই বাহুয়ে আৰাধনাক টানি নিছিল অক্টোপাচৰ বুকৰ মাজলৈ। সেই বাহুৰ দৃঢ়-নিষ্পেষণত আৰাধনাৰ শৰীৰ, বুকৰ মাংস আৰু তাৰ তলৰ হাড়বোৰ ভাঙি

চেপেতা হৈ যোৱাৰ উপক্ৰম হৈছিল। কিন্তু কি আচৰিত! আৰাধনাই কোনো দুখ—কোনো বেদনা অনুভৱ কৰা নাছিল। বৰং তেতিয়া তেওঁৰ গোটেই শৰীৰটোত এটা বিমল আনন্দ বিৰাজ কৰিছিল। শৰীৰ-বিয়পি পৰা সুখৰ অনুভূতি।

এই ভয়লগা বীভৎস সপোনটো দেখি সেইদিনা ৰাতি আৰাধনাই চিঞৰি উঠিছিল যদিও পিচত অকলশৰে উপলব্ধি কৰিবলৈ চেষ্টা কৰিছিল সেই সুখৰ নামেই বোধকৰো তৃপ্তি। ........ইয়াৰ পিচত এনেকুৱা সপোনৰ বাবে আৰাধনাই বহুবাৰ মনে মনে কামনা কৰিছিল। কিন্তু তেনে সপোন আৰু তেওঁ নেদেখিলে।

---

এদিন পৰশু কাকতিয়ে কলে—"সদায়মো কিমান ঘৰত সোমাই এইবোৰ ডিচ্‌কাচ্‌ কৰি থাকিবা। আজি ব'লা অলপ ঘূৰিকে আহোগৈ........"

বুঢ়াৰ এই প্ৰস্তাৱত আলোক আনন্দেৰে সন্মত হ'ল। আৰাধনায়ো ভাল পালে।

ক্ৰম-বৰ্দ্ধমান উদ্যোগিক নগৰখনৰ বাজ আলিটো পাৰ হৈ তিনিও নগৰৰ উপকণ্ঠ অঞ্চলত উপস্থিত হ'লগৈ।

তাৰপিচত তিনিও চৰ্ট-কাট্‌ কৰি লুংলুঙিয়া বাটটোৰেদি নৈৰ পিনে যাবলৈ ধৰিলে। আলিৰ দুয়ো কাষে থকা ঝাউবন, কছুৱা আৰু দূৰৈৰ আকাশৰ বগা বগা ডাৱৰৰ চপৰাবে নীলা আকাশ খনলৈ চাই আলোকে কলে—"এনেকুৱা বিলল ঠাইলৈ আহিলে কবিতা লিখিবৰ মন যায়। কিন্তু কবিতা লিখিব নোৱাৰো কাৰণে বৰ দুখ লাগে........।" আৰাধনাই ইয়াৰ উত্তৰ দিব বুলি আলোকে বৰ আশা কৰিছিল। কিন্তু কাকতিয়েহে কলে—"ইয়ংমেন, তোমালোকৰ নিচিনা ডেকা মানুহৰ অন্তৰত কবিতা জাগিবই। দিচ্‌ ইজ্‌ দি এজ্‌। আমাৰ মণিয়ে তো ইচ্ছা কৰিলে......"

দেউতাকক বাধা দি আৰাধনাই অস্ফুট স্বৰত চিঞৰি উঠিল—"দেউতা মনে মনে থাকিব নোৱাৰা নেকি ?"

নৈৰ পাৰত প্ৰটেক্‌চন বৰ্কত কৰ্ম্ম-ব্যস্ত ঠাইখিনিত আলোকৰ বেচ ভাল লাগি গ'ল। নৈক ভেটা দিয়া কাম প্ৰায় শেষ হৈছে। তাৰ পাৰত থিয় হৈ পৰশু কাকতিয়ে এটা আনন্দৰ হাঁহিৰে বৃহৎ বান্ধটো আৰু নৈৰ ইপাৰ-সিপাৰলৈ চাই কলে—"এইবাৰ ভেটাটো বৰ যেন অনুমান হয়।"

আলোকে সুধিলে—"ইয়াৰ আগতেও এবাৰ বান্ধ দিছিল নেকি ?"

"দিছিলতোন। আজি পাঁচ বছৰৰ আগতেও দিছিল। ইয়াতকৈ অৱশ্যে সৰু আছিল। এবছৰ ব'ল। কিন্তু তাৰ পিচৰ

বছৰ নৈৰ কোবাল সোঁতত ই তিষ্ঠি থাকিব নোৱাৰিলে। ভাগি গ'ল। সেই বছৰেই বহুত মাটি নিলে। গতিকে বহুত পৰীক্ষা কৰাৰ পিচত এই বছৰ এইটো বান্ধ্ দিছে।"

"কিন্তু একে ঠাইতে বান্ধটো দিছে কেলেই? অন্য ঠাইতো দি চাব পাৰে দেখোন—"

"ন' ইয়ংমেন, এই নদীখনৰ দিচ্ ইজ্ দি ভালনাৰেব্‌ল পইণ্ট্। বান্ধ্ ইয়াতেই দিব লাগিব। এইবাৰ কিন্তু এই বান্ধে টাউনখন ৰাখিব বুলি আশা হৈছে। বেচ ভাল বান্ধ হৈছে। ........এট্ লিষ্ট্ লেট্ আচ্ হোপ ফৰ্ দি বেষ্ট্, মহয় জানো? আশা লৈয়েইতো মানুহ জীয়াই থাকে। তুমি মানুহৰ জীৱন-লৈকে চোৱা। কোনো এটা পাৰ্টিকুলাৰ কামত এবাৰ ফেইল্ কৰিলা বুলি সদায়েই ফেইল কৰিবা তাৰ কোনো অৰ্থ নাই।" —নিজৰ ফিলচফিৰ ৰসিকতাত দৰ্শনৰ প্ৰাক্তন অধ্যাপক কাকতিয়ে হাঁহিলে। কথাবোৰ আলোকৰো বৰ ভাল লাগি গ'ল। পাঁচ বছৰৰ আগতে যি ঠাইত বান্ধটো নৈৰ খুন্দাত তিষ্ঠিব নোৱাৰি পানীৰ সোঁতত উটি ভাহি গৈছিল, এই বছৰ কিন্তু ঠিক একে ঠাইতে বান্ধটো বৈ গ'ল। ........ঠিকেই, মানুহেই যদি আশা নকৰে, কৰিব কোনে?

"কি ভাবিছা ইয়ংমেন্?"

'আপুনি কোৱা কথাবোৰ বৰ ভাল লাগিছে। বান্ধটোলৈ চাই তাকেই ভাবিছো।"

বুঢ়াই হাঁহিলে।

"ভেৰিৱেল, তোমালোকে এটা কাম কৰা। তোমালোক নৈৰ পাৰে পাৰে ফুৰা। মই ইয়াত ৰহিছো। ........মা মণি, অলপমান খোজ কাঢ়।"

পৰন্তু কাকতিক আলোকৰ বৰ ভাল লাগি গ'ল। মানুহজন অন্তৰ্যামী নেকি? তেওঁ আৰাধনালৈ চাই কলে—"ৰলক, সৌখিনিৰ পৰা আহোগৈ।"

........নিজৰ ভাৰত আত্ম-মগন হৈ গম্ভীৰ আৰু উদাসীন ভাৱেৰে শুকান যাইঁনি ভৰাৰ ওপৰত আৰাধনাও ৰহিল। দীঘল কুমলীয়া বন এজাল বগা আগদাঁত কিটাৰে চোৰাই চোৰাই আৰাধনাই শান্তভাৱে বৈ যোৱা নৈ খনলৈ চাবলৈ ধৰিলে।

আলোকে সুধিলে—"কি ভাবিছে ?"

"একো ভৰা নাই। নৈ খনলৈ একেলেথাবিয়ে চাই থাকি ভাল লাগে।"

আৰাধনাৰ আঙুলিকিটা নিবিড়ভাৱে ধৰি আলোকে কলে—"কন্যাকুমাৰীৰ সাগৰখন দেখা হলে আপুনি কিজানি আত্মহাৰা হৈ গলহেঁতেন। বিশাল সমুদ্ৰৰ বিৰাট ঢৌৰ খলকনি অথচ শান্ত আৰু সৌম্য পৰিবেশ। সাগৰৰ সৌন্দৰ্য্যৰ বিশালতাত নিজৰ সত্বাটোও এক হৈ যাব খোজে। তেতিয়া নিজক পাহৰি যাবৰ মন যায়; নিজকেই সুধিবৰ মন যায়—মই কোন !"

নৈৰ বুকৰ পৰা দৃষ্টি ঘুৰাই আনি আৰাধনাই আলোকৰ মুখখনলৈ চাই হাঁহি দিলে। হাঁহিটোত স্নেহ আৰু মমতা।

"আপোনাৰ আকৌ কবিতা আৰম্ভ হ'ল ?"

"আৰম্ভ হোৱা নাই। কিন্তু এই পৰিবেশতেই যদি কবিতা ভাল নেলাগে, কেতিয়া লাগিব ?"

ইয়াৰ উত্তৰ নিদি আৰাধনাই কলে—"ইয়াত এনেকৈ বহি থাকিলে সিফালে দেউতাই চিন্তা কৰিব।"

"চিন্তা নকৰে, ভয় নকৰিব। তেখেতে নিশ্চয় পাঁচ বছৰৰ আগতে ভাগি যোৱা বান্ধটো আকৌ এই বছৰ কেনেকৈ একে ঠাইতে ৰ'ল, সেই বিষয়ে এটা দাৰ্শনিক চিন্তা কৰিছে।"

"দেউতাই কোৱা সেই কথাখিনি আপোনাৰ ভাল লাগিল নেকি ?"

"স'চাকৈয়ে ভাল লাগিল। এই কথা বিলাকে মোক বাৰে বাৰে ভৰাই তুলিছে। পাঁচ বছৰৰ আগতে কোনো এটা বাটত

বান্ধি থোৱা নাওঁখন যদি খহি যোৱা গৰাৰ প্ৰচণ্ডতাত স্থানচ্যুত হৈ যায়—আৰু সেই নাওঁখন যদি আকৌ নাৱৰীয়াই উদ্ধাৰ কৰি একেটা ঘাটতে বান্ধিব খোজে, পাৰিব নে নোৱাৰিব? বান্ধিবলৈ আকৌ সাহস হ্ব নে নহয়?"

আৰাধনাই গভীৰ ভাৱে আলোকলৈ চালে।

"যেই কোনো ঘাটত নাৱৰীয়াই নাওঁ বান্ধিবই। অতীতৰ দুৰ্য্যোগৰ কথা মনত ৰাখিলে কোনো নাৱৰীয়াই কোনো ঘাটতেই নাওঁ বান্ধিব নোৱাৰিব—বাৰিষাৰ কেনে-কোটোকাৰে ভৰা নৈৰ মাজত কেতিয়াও নাওঁ মেলিব নোৱাৰিব।"

অসীম আগ্ৰহেৰে আৰাধনাৰ হাতখন ধৰি আলোকে সুধিলে—"সঁচা?"

"কি সঁচা? আপুনি যি সুধিছে মই তাৰ উত্তৰহে দিছো। আপোনাৰ গোটেই কথাখিনিৰ মাজত কিবা এটা ৰহস্য লুকাই আছে বুলিহে মোৰ সন্দেহ হৈছে।"

কথাটো তৎক্ষণাত ঘুৰাই দি আলোকে কলে—"সেইবোৰ বাদ দিয়ক বাৰু। এটা কথা সোধো। অথনি আপোনাৰ দেউতাকে কবিতা লিখাৰ বিষয়ে উলিয়াৰ খোজোতে আপুনি কেলেই ভেকাহি মাৰি উঠিছিল? সঁচাকৈয়ে আপুনি কবিতা নিলিখে জানো? অৱশ্যে আজিলৈকে মোৰ দেখা বা শুনাৰ সৌভাগ্য ঘটা নাই—"

"প্ৰত্যেক বাপেকে বোধকৰো নিজৰ লৰাছোৱালীৰ প্ৰশংসা কৰি ভাল পায়। .......এসময়ত অৱশ্যে কবিতা লিখিবলৈ চেষ্টা কৰি চাইছিলো। কিন্তু নহল কাৰণে এৰি দিলো। কবিতা শুনি অৱশ্যে কেতিয়াবা ভাল লাগে।"

এই অকপট স্বীকাৰোক্তি আলোকৰ বৰ ভাল লাগিল।

"আজি আৰু এটা কথা সুধিবৰ খুব মন গৈছে। ........প্ৰত্যেক মানুহৰ জীৱনত যেনেকৈ সপোন থাকে, তেনেকৈ আপোনাৰো জীৱনত কোনো সপোন নাই বা নাছিল নেকি? ভৱিষ্যতৰ কোনো স্বপ্ন? সীমা চেৰাই গৈছো যদি ক্ষমা কৰিব।"

অদ্ভুত প্ৰশ্ন। আৰাধনা ভিতৰি চক খাই উঠিল। ........মানুহ-টোৰ আচৰিত শক্তি। খুব লাহে লাহে আৰু সন্তৰ্পণে আৰাধনাৰ মনৰ কাষলৈ আহি আছে।

মৃদুভাৱে হাঁহি আৰাধনাই কলে—"মোৰ ভবিষ্যত স্বপ্নেৰে কি কৰিব আপুনি? ধৰি লওক, মোৰো মধুৰ স্বপ্ন আছিল। হয়তো বাস্তৱৰ ৰুঢ় আঘাতত সি নাইকিয়া হৈ গল।"

প্ৰবল কৌতুহলেৰে আলোকে সুধিলে—"সেই মধুৰ স্বপ্ন কি আছিল আৰু কিয় নাইকিয়া হৈ গল কোৱাত নিশ্চয় আজি আপোনাৰ আপত্তি নাই। জানিবৰ বৰ ইচ্ছা গৈছে........"

নৈৰ পাৰৰ কোমল ঘাঁহনিৰ ওপৰত বহি আৰাধনাই আজি প্ৰথম বাৰৰ বাবে কিশোৰী-সুলভ চঞ্চলতাৰে হাঁহিলে। মুগ্ধ নয়নে আলোকে তেওঁলৈ চালে। হাঁহি হাঁহি আৰাধনাই কলে—"আপুনি বৰ আচৰিত মানুহ। মোৰ অতীতটোৰ কথা জানি আপোনাৰ কি লাভ হব কওঁকচোন। এটা সকসুৰা কলঙ্ক বুলি ধৰি লব পাৰে। আৰু মোৰ স্বপ্ন? কৰবাত পঢ়া মনত আছে 'স্বপ্ন মোৰ শৰবিদ্ধ এজাক জোনাক'। হল তো? আৰু সুধি নেথাকিব।"

এই চপলা আৰাধনা ইমান দিনে ক'ত লুকাই আছিল?

"অপূৰ্ব্ব! আজি আপোনাক বৰ নতুন যেন লাগিছে—বৰ ভাল লাগিছে।"

আলোকৰ মুগ্ধ-নয়ন বাণত শৰবিদ্ধা হৈ নিজৰ সজাগতা ঘূৰাই আনিবলৈ চেষ্টা কৰি আৰাধনাই আলোকৰ চকুৰ মোহ ৰূঢ়ভাৱে ভাঙি দিব খুজিলে—"আপুনি খুব বেচি কল্পনা-বিলাসী। কবিতা আৰু সঙ্গীতক লৈয়েই জীৱনটো সহজভাৱে কটাই দিব খোজে। কবিতা আৰু চেতাৰৰ মাজত কল্পনাৰ কুঁৱলী সৃষ্টি কৰি কিমান দিন আপুনি চলিব? আপুনি ভাবে নেকি কল্পনাৰেই বাস্তৱৰ কঠিন সমস্যা সমাধান কৰিব পাৰি?"

আৰাধনাই আঘাত দিব খুজিছে বুলি আলোকে বুজিলে।

তেওঁৰ চকুয়ে মুখে আকৌ অৱজ্ঞা আৰু বিদ্ৰূপৰ চিন লাহে লাহে ফুটি উঠিছে। মনটো শঙ্কিত হৈ পৰিল। ইমান সময় মধু-মাধৱীত পৰিণত হোৱা আৰাধনা আকৌ সিন্দুৰাত ৰূপান্তৰিত হব খুজিছে।

সংযত আৰু সাৱধান হৈ আলোকে কলে—"আপুনি ঠিকেই কৈছে। আজিৰ সংসাৰত কল্পনা-বিলাসী মানুহৰ কোনো স্থান নেই। কবি আৰু সঙ্গীত প্ৰেমীয়ে বাস্তৱৰ কঠোৰ আক্ৰমণত মৰিমূৰ হৈ পৰে—পদে পদে আঘাত পায়। ........কিন্তু মই কি জানে? 'পাহৰিব খোজা নাই বাস্তৱৰ সমস্যা নিষ্ঠুৰ, পাহৰিব খোজা নাই জীৱনৰ কৰ্ত্তব্য-কঠোৰ। পৃথিৱীৰ মাটি পানী ধুলি বালি এৰি থৈ, হব খোজা নাই মাথো কল্পনাৰ সপোনৰ ৰাগিৰে বিভোৰ।"

ৰাতি বিচনাত পৰি আৰাধনাই ভাবিলে আজি আলোকৰ আগত ইমান বেচি চঞ্চলতা প্ৰকাশ কৰা তেওঁৰ উচিত নাছিল। ওচৰ চাপি অহা আলোকক বেচি সুযোগ দিয়া নহলনে? ........কিন্তু এতিয়াতো উপায় নাই। এতিয়া আৰাধনা আলোকৰ মেলি থকা হাতখনৰ নিচেই কাষত।

আৰাধনাই লগতে কিন্তু আজি নতুন কথা এটা আবিস্কাৰ কৰিলে। .... ..বাহিৰত হাঁহি আৰু প্ৰাণ-উচ্ছলতা। কিন্তু আলোকৰ ভিতৰত যে অহৰহ কিবা এটা বেদনাৰ জুই জ্বলি আছে—ধুমুহা বতাহৰ প্ৰলয় চলি আছে, গভীৰ ভাৱে মেচালে বুজা নেযায়। ইমান দিনে গভীৰ আন্তৰিকভাৱে কথা পতা নাছিল কাৰণেই মানুহজনৰ ভিতৰৰ সামঞ্জস্যহীন চঞ্চলতাৰ কথা বুজা নাছিল। কিহৰ দুখত বাৰু মানুহটো দেই পুৰি মৰিছে, অথচ মুখ ফুটাই কবনোৱাৰে। খহি যোৱা ঘাটত নাওঁ বন্ধাৰ কথা কি কৈছিল আলোকে?

........ভাহি আহিল চেতাৰৰ মিঠা মধুৰ গুঞ্জন। কাণখন চাকি আৰাধনাই শুবলৈ চেষ্টা কৰিলে। কিন্তু কোন মুহূৰ্ত্তত বিচনাৰ পৰা নামি খিৰিকীখনৰ কাষত থিয় হৈ শ্ৰৱন ইন্দ্ৰিয় সজাগ কৰি চেতাৰৰ প্ৰতিটো গমক, মীড আৰু মূৰ্চ্ছনা একান্তমনে শুনিছিল— নিজেও নেজানিলে। ........কিন্তু এই সুৰৰ মায়াজালে বাস্তৱৰ নিষ্ঠুৰ সমস্যাৰ লগত কেৰ মাৰিব পাৰিবনে? ৰাতিৰ নীৰৱতাৰ মাজত যেন সুৰৰ আত্ম-সমাধি। এই আত্ম-মগ্নতাৰ মাজত আলোকে জীৱনৰ কঠোৰ কৰ্ত্তব্য সমাধা কৰিব পাৰিবনে? পাৰিবনে পৃথিবীৰ ধুলি, মাটি আৰু পানীৰ লগত নিজকে মিহলি কৰি দিবলৈ? শিল্পী আলোকৰ এই সাহস আছেনে?

........হাতত চেতাৰখন লৈও বহুত সময় লৈকে আলোকেও একো বজাব পৰা নাছিল। আন্ধাৰ কোঠাটোত ঘনে ঘনে তেওঁৰ শৰীৰ আৰু স্নায়ুত একুৰা জুইহে জ্বলি উঠিছিল। কামনাৰ জুই।

.........কি সুখিছিল আৰাধনাই ? আপুনি সঙ্গীত আৰু কবিতা লৈয়ে জীৱনটো সহজভাৱে কটাই দিব খোজে নেকি ? আজি যদি আৰাধনাৰ চকুত বিদ্রূপ আৰু অৱজ্ঞা ফুটি নুঠিলহেঁতেন আৰু সেই অস্বাভাৱিক বাঘিনী দৃষ্টিৰে আলোকলৈ নেচালেহেঁতেন, তেতিয়া হাঁহি হাঁহি আলোকে মাত্র এটাই উত্তৰ দিলেহেঁতেন—'ৰাণী ! অকল সঙ্গীত আৰু কবিতাই নহয়—তাৰ লগতে কামনাও। চেতাৰ, কবিতা আৰু কামনা—এই তিনিটা লৈয়ে মই জীয়াই থাকিব খোজো আৰু থাকিম।' .........আজি হঠাতে চঞ্চলা-চপলা হোৱা আৰাধনাৰ দেহাত আলোকে বৰ বেচিকৈ অনুভৱ কৰিলে কামনাৰ স্ফুলিঙ্গ।

চেতাৰত নবীন আৰু তেজবৰ্ণ দীপকক আহ্বান কৰাৰ লগে লগে আলোকৰ মুখখনো কামনাৰ শিখাৰে ৰঙা হৈ পৰিছিল। শুদ্ধ-মধ্যা মূৰ্চ্ছনাৰ দীপক। ললিতাৰ ওচৰলৈ আগবাঢ়ি যাওঁতে পঞ্চমো আছিল শুদ্ধ-মধ্যা। ভুল হৈছিল তেতিয়া পঞ্চমৰ। কাৰণ ললিত আছিল পৰস্ত্ৰী। হিন্দোলৰ ভাৰ্য্যা। .......আজি ৰাগিনী দেশৰ আগত থিয় হৈ আছে দীপক। সুৰৰ মত্ততাত আজি যেন বন-উপবন সকলোতে দপ্‌দপ্‌কৈ জুই জ্বলি উঠিব। ইপিনে ৰতি-আসক্তা হৈ কপট নিদ্ৰাৰ ভাও ধৰি স্বামীৰ বাহু বন্ধনত ধৰা দিবলৈ উদ্‌গ্ৰীৱ হৈ ৰৈ আছে দেশে। সম্পূৰ্ণ শৃঙ্গাৰ ৰসত মদমত্ত দীপক তেওঁৰ প্ৰিয়তমাৰ ওচৰলৈ আহি তেওঁৰ আলসুৱা দেহা বুকৰ মাজত বন্ধন কৰি পিছি শেষ কৰি দিব খুজিলে। কিন্তু তেতিয়াওতো গৃহান্তৰত জ্বলি আছে প্ৰদীপ ! বালিকা স্ত্ৰীৰ লজ্জাময়ী চকুযোৰে বাৰে বাৰে প্ৰদীপ নুমুৱাই দিবলৈ ইঙ্গিত দিছে। এই অব্যক্ত ইঙ্গিতে দীপকৰ মত্ততা দুগুণে বঢ়াই দিলে। তৎক্ষণাত তেওঁ বস্তি নুমুৱাই দিলে। কেইটামান মুহূৰ্ত্তৰ বাবে গৃহান্তৰ অন্ধকাৰ হৈ পৰিল। ........কিন্তু আকৌ পোহৰ—আকৌ জ্যোতি ? বিৰক্ত হ'ল দীপক। আকৌ কিহৰ দীপ্তি ? ........ছিঃ

ছিঃ কি লাজৰ কথা! নিজৰ শৰীৰ পৰা বিকীৰণ হোৱা জ্যোতি এটা দীপ্তিমান বস্তু। নিজৰ শৰীৰৰ পোহৰ নিজে সুমুৰাব কেনেকৈ? এই দীপ্তিমান জ্যোতিৰ পোহৰত স্ত্ৰী বেচি লজ্জাৱতি হৈ পৰিল। বাগৰাজ দীপক ম্ৰিয়মান হৈ পৰিল।

আলোকৰো মনটো লাজ লাজ লাগিল। আৰাধনাৰ বিষয়ে ইমান ব্যাকুল কামনা মনত জীপ্ দিয়া তেওঁৰ বোধকৰো অন্যায় হৈছে—উচিত হোৱা নাই। কামনাৰ শলিতা ডাল জ্বলি উঠিছে এতিয়া নিভৃত অন্ধকাৰতহে। কিন্তু দিনৰ পোহৰত বলিষ্ঠা-ব্যক্তিত্বৰ আৰাধনাৰ আগত তেওঁৰ কামনা কৰবালৈ উৰি যায়। তেতিয়া অনুভৱ হয় আৰাধনাৰ ব্যক্তিত্বহে উপভোগ আৰু সমীহৰ বস্তু। ........বাহিৰৰ পৰা জোনাকৰ চেঙানি এটা চেতাৰখনৰ ওপৰত পৰিল। যিজনী মানুহে হাঁহি হাঁহি কয় তেওঁৰ স্বপ্ন শৰবিদ্ধ এজাক জোনাকৰ নিচিনা আছিল, সেই জনী মানুহৰ দেহাটো কামনা কৰা উচিত নে তেওঁৰ অজ্ঞাত-অতীতৰ ওপৰত নিৰ্ম্মিত আজিৰ ব্যক্তিত্বক সমীহ কৰা উচিত? আৰু কি কৈছিল তেওঁ? মোৰ অতীতৰ কাহিনীৰ কথা জানি আপোনাৰ একো লাভ নহব। অৱশ্যে সি এটা সৰুসুৰা কলঙ্ক বুলি ধৰি লওঁক। ........তেন্তে আলোকৰ দৰে আৰাধনাৰো এটা অতীত আছিল? তেন্তে এই আৰাধনাইও এদিন কোনোবা এজন পুৰুষক ভাল পাইছিল আৰু এই ভাল পোৱাতেই জন্ম হৈছিল কলঙ্ক? কোনে জানে সেই প্ৰেম অন্ধ-আবেগ জনিত নে অন্তৰৰ নাৰী সত্বাৰ? কি সেই অতীত? কোনে কব আজি আলোকক আৰাধনাৰ সেই অজ্ঞাত অতীতৰ কথা??

---

ইয়াৰ কেইদিনমানৰ পিচত এদিন ৰাতি আবাধনাইতৰ ঘৰলৈ আলোকক ভাত খাবলৈ মাতিছিল। ভাত খোৱাটো মুখ্য কথা নাছিল; আলহীক চেতাৰ শুনাবলৈহে আচলতে মাতিছিল।

রুদ্র মাষ্টৰৰ ঘৰলৈ তেওঁৰ খুলশালিয়েক আহিছে। তেওঁবো হেনো সঙ্গীতত ভাল ৰাপ আছে আৰু নিজেও ভাল গান গায়। রুদ্র মাষ্টৰৰ খুলশালিয়েক আৰু আলোক দুয়োৰে গান আৰু চেতাৰ শুনিবৰ বাবে সেইদিনা ৰাতি পৰশু কাকতিয়ে তেওঁৰ ঘৰত এটা সৰুসুৰা জলচাৰ আয়োজন কৰিছিল।

আগদিনা সন্ধিয়া কাকতি আলোকৰ ওচৰলৈ আহোতে কৈছিল—"ইয়ংমেন্, কাইলৈ আমাৰ ঘৰত এটা সামান্য গান-বাজনাৰ আয়োজন কৰিছো। রুদ্র মাষ্টাৰৰ ব্রাদাৰ-ইন্-ল টো আহিছে। ভাল গায় বোলে। তোমালোকৰ নিচিনা শাস্ত্রীয় সঙ্গীত। লৰাটোৱে বোলে কৰবাৰ মিউজিক স্কুল এখনত কাম কৰে। ভাল লৰা—বেচ বিনয়ী। কাইলৈ আহিবলৈ কৈ আহিছো। সকলোৱে লগ লাগি এটা ৰং-ধেমালি কৰো বুলিছো, কেনে দেখা?"

"বৰ ভাল কথা। মাজে মাজে এনেকুৱা বিলাক হলে ভাল লাগে। ........নাম কি তেওঁৰ?"

"গৌতম"

"গৌতম?" আলোক উচপ খাই উঠিল। তাহানিৰ সেই মিউজিক স্কুলৰ গৌতম নহয় তো?

"কি হ'ল, চিনি পোৱা নেকি? পাৰও পাৰা। একে মিউজিকৰ মানুহ বেতিয়া—"

"ওঁহো, চিনি নেপাওঁ। তেওঁ কত থাকে বুলি কলে?"

"সিমানবোৰ কথা সুধিবলৈ মই সময়েই পোৱা নাই। মিউজিক স্কুলৰ মাষ্টৰ বুলি জানো। .......কাইলৈ আহিব নহয়, তেতিয়াই তুমি গম ~ ~ কথা পাতিও ভাল পাবা। মই তোমাৰ কথাও কৈছো—"

তেওঁৰ কথা কি কৈছে আৰু তাৰ উত্তৰত গৌতম বোলে মানুহজনে কি কলে জানিবলৈ খুব ইচ্ছা হ'ল যদিও তেওঁ সোধাৰ পৰা বিৰত হ'ল। বুঢ়াই আলোকৰ নামটো শুদ্ধকৈ কব পৰা নাই বুলি আন্দাজ কৰি তেওঁ কিছু নিশ্চিন্ত হ'ল।

ৰাতি বিচনাত পৰি অকলশৰে আলোকে ভাবিবলৈ ধৰিলে— এই গৌতম কোন হব পাৰে। যদি সেই গৌতমেই হয়, তেন্তে আচৰিত যোগাযোগ বুলি কব লাগিব। হঠাৎ আলোকৰ বলিষ্ঠ বুকুখন ছাটিকৈ এবাৰ কঁপি উঠিল। সেই গৌতমৰ লগত দেখা-দেখি হোৱাৰ পিচত পূৰ্ব্বৰ সকলোবোৰ কথা ওলাই পৰিব। আলোক আৰু ললিতাৰ সেই কথাবোৰ শুনাৰ পিচত আপোন-ভোলা পৰশু কাকতিয়ে কি ভাবিব বাৰু? আৰু আৰাধনা কাকতি? তেওঁ কি ভাবিব? ..... জানক। জানিলে কি হ'ল! আলোকে তো একো অপৰাধ কৰা নাছিল। তথাপিও তাৰ আগতেই আৰাধনাক সকলোবোৰ কথা কৈ দিয়া উচিত হ'ব। এতিয়া চিন্তা কৰি লাভ নাই।

........কিন্তু পিচদিনা বহুত চেষ্টা কৰিও আৰাধনাক লগ পাব নোৱাৰিলে। আবেলি খিৰীকিৰে আৰাধনাইতৰ বাৰাণ্ডালৈ কেবাবাৰো চালে। কিন্তু এবাৰো বাহিৰলৈ ওলাই অহা নেদেখিলে। আহিছে যদিও বাৰাণ্ডাৰ পৰা আলোকৰ ঘৰৰ পিনে চোৱা নাই। কাৰণ কি?

সন্ধ্যা লগাৰ লগে লগে এবাৰ এটা ছেগত বাহাদুৰক মাতি আনি পৰশু কাকতি আৰু আৰাধনাৰ কথা সুধিলে। সি কলে, আজি তাৰ মণি দিদি স্কুলৰ পৰা আহিয়ে ৰান্ধনী ঘৰত ব্যস্ত হৈ আছে। বুঢ়া বাবুৰো গাটো বৰ ভাল নহয় হেনো।

কাকতিৰ খবৰ লবলৈকে এবাৰ যাব বুলি ভাবিছিল যদিও আলোক নগল। ইতিমধ্যে আলোকে মনে মনে ভালে ভাত

খাবলৈ নোযোৱাটোকে ঠিক কৰিছে। বাহাদুৰক আভাস এটা দি তেওঁ কলে—"মোৰো গাটো আজি জ্বৰ জ্বৰ লাগি আছে বাহাদুৰ।" আলোক নোযোৱাৰ কাৰণটো ওলালে সি অন্ততঃ আৰাধনাক কথাটো কব পাৰিব।

........পৰ্দ্দা কিখন পেলাই কোঠাটোৰ লাইট নুমুৱাই গোটেই সন্ধিয়াটো আলোকে কানখন সজাগ কৰি বিচনাত বাগৰ দি থাকিল। সেই গৌতমেই যদি হয় মাতটো শুনিলেই চিনি পাব। কালি আলোকে ডাঙৰ ভুল এটা কৰি পেলালে। গৌতম বুলিহে নামটো শুনিলে। গৌতমৰ উপাধি কি কাকতিক সোধা হলে ভাল আছিল। অৱশ্যে কাকতিয়েও গৌতমৰ উপাধি নেজানিবও পাৰে।

........কাকতিৰ ঘৰলৈ কোনোবা এজন অহা বুলি আলোকে শুই শুইয়ে উমান পালে। কিবা কিবি কথা কোৱা যেনো পালে; কিন্তু মাতটো ধৰিব নোৱাৰিলে। তাৰ অলপ পিচত মানুহজন আকৌ ওলাই গ'ল। বোধকৰো গৌতম বোলা মানুহজন অহা নাই। অহা হলে ইমান সময় ঘৰ গম্‌গমাই থাকিলহেঁতেন। মনটো ভাল লাগি গ'ল।

চেতাৰখন হাতত তুলি লোৱাৰ কথা এবাৰ তেওঁ ভাবিছিল। কিন্তু আজি চতাৰ নবজায় বুলি মনটো জোৰকৈ সংযত কৰিলে। তাৰ পৰিবৰ্ত্তে লাইটটো জ্বলাই হাতত কিতাপ এখন লৈ বিচনাত বাগৰ দি পঢ়িবলৈ চেষ্টা কৰিলে। প্ৰথমতে মন বহা নাছিল যদিও লাহে লাহে কিতাপখন পঢ়ি বেয়া লগা নাছিল।

........তেতিয়া বোধকৰো বাতি চাৰে দহমান বাজিছে। হঠাতে এবাৰ আলোকৰ পঢ়াত ব্যাঘাট জন্মিল। দুৱাৰত কোনোবাই ভকৰিয়াইছে। গোটেই দিনটো বহুত ধৰণৰ আশঙ্কাৰে ভৰি থকা আলোকৰ মনটো আকৌ চিৰিংকৈ গ'ল। ........তেওঁ ভয়ে ভয়ে

বাহিৰৰ কোঠালৈ আহিল। কাকতিৰ কিজানি অসুখ বেছি হৈছে। সেইকাৰণে আলোকক মাতিবলৈ সন্তুৰ বাহাদুৰকে পঠিয়াই দিছে।

কিন্তু দুৱাৰখন খুলি দিয়াৰ লগে লগে আলোক আচৰিত হৈ গ'ল।

---

"আপুনি ?"

"অ—আচৰিত হৈ গল দেখোন........" এটা ক্ষীণ হাঁহিৰে আৰাধনাই কলে। তেওঁ ভিতৰলৈ সোমাই আহি আকৌ কলে— "আজি দিনটো আপুনি আমাৰ ঘৰলৈ যোৱা নাই। আলহী আহিব বুলি ময়ো ব্যস্ত হৈ থাকিলো। ইপিনে দেউতাৰো অলপ অসুখ। ......আপোনাৰো হেনো অসুখ—বাহাদুৰে কৈছিল। আজি এতিয়া চেহাৰৰ মাত শুনি ভাবিলো আপোনাৰ কিজানি অসুখ বেছিয়েই হৈছে।

ইমান সহজ আৰু সৰলভাৱে কোৱা আৰাধনাৰ কথাখিনি আলোকৰ বৰ ভাল লাগি গ'ল। মনৰ ভিতৰত খুন্দিয়াই থকা দুশ্চিন্তা যেন বহুখিনি আঁতৰি গ'ল।

"আহক, ভিতৰলৈ আহক। দেউতাৰ পিচে এতিয়া অসুখ কেনে ?"

"এতিয়া ভাল। ......পিল্ এটা খোৱাৰ পিচত ভাল হ'ল। এতিয়া শুইছে ... ... ।"

প্ৰফুল্ল অন্তৰেৰে আলোকে সুধিলে—"তেখেত শোৱা কাৰণেই মোৰ খবৰ লবলৈ আহিল হবলা ।. ......"

আৰাধনাই উত্তৰ নিদি হাঁহিলে।

"আপোনাক দেখিলে তো অসুখ হোৱা যেন নেলাগে। ......আপুনি আজি আমাৰ ঘৰলৈ এবাৰো নগল; কাৰণটো কি? আলহী অহা হলেও বোধ কৰো নগলহেঁতেন। মুৰ কামুৰিছে নেকি ? কি হৈছে ? আপুনি আজি এবাৰো চেহাৰ বজোৱা নাই.... ... ।"

আৰাধনাক এজনী সৰুছোৱালীৰ দিচিনা লাগি গ'ল। সৰু-ছোৱালীয়েহে ইমানবোৰ প্ৰশ্ন একেলগে কৰে।

কোনো এটা প্ৰশ্নৰে উত্তৰ নিদি আলোকে কলে—"থিয় হৈ

আছে কেলেই ? বহক। আজি আপোনালোকৰ আলহী নাহিল নেকি ?"

নাহিল। কিবা বোলে জৰুৰী খবৰ পাই তেওঁ আজি ৰাতিৰ গাড়ীতে গুচি যাব লগা হ'ল। ৰুদ্ৰ মাষ্টৰে গধূলিতে মানুহ এজন পঠিয়াই দিছিল খবৰটো দিবলৈ। মোৰহে এনেই কষ্ট হ'ল। ভাগ্যে ভাত ৰন্ধা নাছিলো। নহলে ভাতবোৰ পেলনি গলহেঁতেন। তাতে আপুনিও নগল .. ...."

গৃহিনী-সুলভ সুৰেৰে কোৱা আৰাধনাৰ কথাবোৰ আলোকে মুগ্ধ হৈ শুনিলে।

কিছু সময় আৰাধনাৰ মুখলৈ চাই থাকি আলোকে ভাবি থিৰাং কৰিলে যে কৈ দিয়াই ভাল হ'ব। ললিতাৰ লগত তেওঁৰ সম্পৰ্কৰ কথা এতিয়াই কৈ দিয়া উচিত হ'ব। পিচত আৰু সময় নহব। নহলে আৰাধনাই ভুল বুজিব পাৰে। ........এই ৰাতি উপযাচি অহা আৰাধনা কাকতিৰ আগত তেওঁৰ অতীতৰ সকলোবোৰ কথা কবলৈ আলোক প্ৰস্তুত হ'ল।

"কি ভাবিছে আপুনি ?"

"ভাবিছো কওঁ নে নকওঁ........"

"কি ?"

"আজি গোটেই দিনটো আপোনালোকৰ ঘৰলৈ কেলেই নগলো বা কেলেই চেতাৰ নবজালো, কিয় জানে ?"

"কিয় ?" আৰাধনাৰ চকুত উৎকণ্ঠা।

"কাৰণ আজি আপোনালোকৰ ঘৰলৈ বিজন আলহী অহাৰ কথা আছিল, সেইজন বোধকৰো মোৰ চিনাকি আছিল—"

'চিনাকি যদি ভালহে আছিল। কিবা ভয়ৰ কাৰণ আছিল নেকি ?"

"ঠিকেই কৈছে। ভয়েই। ভয় হ'ল জানোচা তেওঁ আপোনা-লোকৰ আগত কিবা অবাঞ্চনীয় কথা কৈ পেলায়........"

"কাৰ ?" আৰাধনাৰ মুখখন চিন্তাৰে ভৰি পৰিল।

"মোৰেই—"

"আপোনাৰ ?" আৰাধনাৰ মুখ আকৌ গম্ভীৰ হৈ আহিবলৈ ধৰিলে। ভিতৰৰ বিদ্ৰূপ আৰু আক্ৰোসৰ জুই কুৰা লাহে লাহে চকু আৰু মুখত জিলিকি উঠিল। বিলাৰবাৰ সৌন্দৰ্য্য আৰু মন লৈ অহা আৰাধনা আকৌ সিন্দুৰালৈ ৰূপান্তৰিত হব খুজিছে।

আৰাধনাক কেনেকৈ কথাবোৰ কলে ভাল হব আলোকে ঠিৰাং কৰিব নোৱাৰিলে। শেষত তেওঁ কলে—

"আজি কেইবছৰমানৰ আগতে সঙ্গীত স্কুলত কাম কৰোঁতে মোৰ জীৱনলৈ এজনী ছোৱালী আহিছিল।'

"ওঁ........"

' ভাল পাইছিলো ছোৱালী জনীক........"

"ওঁ........"

"ভাবিছিলো তেৱোঁ মোক ভাল পায়। কিন্তু তেওঁৰ প্ৰেম আছিল মুখৰহে ; অন্তৰৰ নাছিল।"

"তাৰপিচত ?"

"তাৰপিচত মই গম পালো তেওঁৰ গোপন প্ৰেমৰ অভিসাৰ। সমান্তৰাল ভাৱে তেওঁ আন এজনৰ লগতো........। এদিন মোৰ চকুত ধৰা পৰি গল।"

"ছোৱালীজনীৰ নাম কি আছিল ?"

"ছোৱালীজনীৰ নাম ? ললিতা........"

"এতিয়া কত থাকে ? বিয়া হৈ গ'ল নেকি ?"

আলোক অস্থিৰ হৈ পৰিল। অধৰ দংশনেৰে মনৰ উত্তেজনা দমন কৰিবলৈ চেষ্টা কৰিলে।

"কি হল ? নেমাতে কেলেই ?"

"ললিতা নাই—মৰিল।........"

"মৰিল ? কেনেকৈ ?"

"কিন্তু কেনেকৈ মৰিল মই নেজানো। ........তেওঁ বোলে বিহ খালে।........"

"বিহ ?"

"কিন্তু মই কি কৰিম ? মোৰ গাত কি দোষ ? মোক বিশ্বাস কৰক, মোৰ গাত অকনো দোষ নাছিল। ....মই........মই অপৰাধী নাছিলো।" আলোকৰ চকুত যেন আকুলতা আৰু মিনতিৰ ভাষা।

"আপুনি ইমান উত্তে'জিত হৈ পৰিছে কেলেই ?"

"কাৰণ বহুতে কৈছিল, মোৰ কাৰণেই বোলে ছোৱালীজনী মৰিল। কিন্তু মই সঁচাকৈয়ে ললিতাৰ মৃত্যুৰ কাৰণে অকনো দায়ী নাছিলো।"

"আপুনি দায়ী আছিল নে নাছিল মই কেনেকৈ কওঁ ? আপুনিহে কৈছে আপুনি দায়ী নাছিল। কিন্তু........"

"মিচ কাকতি! মই যে অকনো দায়ী নাছিলো কেনেকৈ আপোনাক বুজাম ? ........মোৰ অৱজ্ঞাৰ কাৰণেই হয়তো ছোৱালী-জনীয়ে বিহ খাব পাৰে—আত্মহত্যা কৰিব পাৰে। কিন্তু তাৰ বাবে মই কেনেকৈ দায়ী হ'ম কওঁক........"

"হয়তো আপুনি দায়ী নাছিল—হয়তো আপুনি সঁচা কথা কৈছে। কিন্তু আপোনাৰ মনটোত সদায়ে বোধকৰো এটা অপৰাধ-প্ৰৱন ভাব আছে, যিহৰ কাৰণে আপুনি আজি অনাহকতে ইমান বেচি বিচলিত হৈ পৰিছে। আপোনাৰ অৱজ্ঞাই ছোৱালীজনীৰ মৃত্যুৰ কাৰণ, এই অপৰাধবোধেই আপোনাক ইমান অধৈৰ্য্য কৰি পেলাইছে, নহয় জানো কওঁক ?"

আলোকে তলমূৰ কৰি একো নেমাতিলে। কি মাতিব আলোকে! ঠিকেই, এই অপৰাধ বোধেই আলোকৰ জীৱন মৰিমূৰ আৰু জৰ্জ্জৰিত কৰি পেলাইছে।

আৰাধনাই থিয় হৈ এটা গভীৰ মমতাৰ দৃষ্টিৰে আলোকলৈ চালে। আলোকৰ শৰীৰ তেতিয়াও কঁপি আছে। মুখত যেন

এটা স্বস্তি মিহলি দুশ্চিন্তাৰ ভাব। চকুত তেতিয়াও অপৰাধ স্খলনৰ প্ৰচেষ্টাৰ মিনতি। ........আজি আৰাধনাই প্ৰথম বুজিলে আলোকৰ অন্তৰত ইমান দিনে কিহৰ ধুমুহা বৈ আছিল। সিদিনা কিয় খহি যোৱা ঘাটত নাওঁ বন্ধাৰ কথা কৈছিল? ........বেয়া লাগিল আৰাধনাৰ; মনটো মুকলিও লাগিল।

"সেই কাৰণেই আপুনি নিজৰ ঠাই এৰি পলাই গুচি আহিল নহয়?"

"ঠিকেই ধৰিছে আপুনি। তাৰোপৰি মোৰ আৰু কোনো বন্ধন নাই। মাহীমাৰ ছোৱালী এজনী আছিল, তাইৰো বিয়া হৈ গ'ল। মাহীমাও ঢুকাল।"

"আপোনাৰ ঘৰ-দুৱাৰ?"

"আমাৰ ঘৰত সৰুৰে পৰা থকা পুৰণি মানুহ এটা আছে, সিয়েই ঘৰ দুৱাৰ চায়—"

যাযাবৰী মনৰ এই নিঠৰুৱা আৰু অসহায় মানুহটোৰ ভিতৰ-খনৰ কাহিনী গম পাই আৰাধনাৰ অন্তৰ গভীৰ স্নেহ আৰু মমতাৰে ভৰি গ'ল। বাহিৰখন চাই এটা মানুহৰ ভিতৰখন বিচাৰ কৰিবলৈ যোৱা কিমান ডাঙৰ ভুল!

আলোকক জুখি চাবৰ কাৰণে আৰাধনাই সুধিলে—"আপোনাৰ কোনো বন্ধন নাই বুলি কলে নহয়? কিন্তু এই ঠাইখনত আপুনি ইমান দিনে কেনেকৈ বন্দী হৈ গ'ল?"

ইতিমধ্যে আলোকৰ চকুৰ পৰা উত্তেজনাৰ চিন লাহে লাহে নাইকিয়া হৈ আহিছে। তাৰ ঠাইত ফুটি উঠিছে শিল্পীৰ সুন্দৰ-প্ৰয়াসী দৃষ্টি।

তেওঁ এটা স্বস্তিৰ হাঁহিৰে কলে—"কিয় বন্দী হৈ গলো জানে?" কপট গাম্ভীৰ্য্যৰে আৰাধনাই আলোকলৈ চালে। এটা দুষ্টালিৰ হাঁহিৰে আলোকে কলে—'যদি জানিলোহেঁতেন, এইখন ঠাইত সকলোবোৰেই ললিতা, সকলোবোৰেই ভূপালী, গুৰ্জ্জৰী, দেশকাৰ, ধনাশ্ৰী, বিলাৱল—তেন্তে এই ঠাই এৰি কোনোবা দিনাই

গুচি গলোহেঁতেন। .......কিন্তু যিদিনাই লগ পালো এগৰাকী সিন্দুৰাক যি কঠোৰ বাহ্যিক আৱৰণেৰে সকলো পুৰুষক আঁতৰাই পঠিয়াই দিয়ে, কিন্তু তেওঁৰ অন্তৰখন পূৰ্ণ কৰি থয় তোড়ী-মমতা, গৌৰী-স্নেহ আৰু বিলাৱলী-প্ৰেমেৰে—সেইদিনাই এই ঘাটতেই নাও বন্ধাৰ কথা ভাবিলো আৰু বোধকৰো বন্দী হৈ গলো.......”

লাজত ম্ৰিয়মান হৈ আৰাধনাই ডলৈ চকু নমাই দিলে। আলোকৰ দৃষ্টিত আশ্চৰ্য্য আবেগ—অন্তৰৰ গভীৰতা আচৰিত ধৰণৰ। আৰাধনাৰ নাৰী সত্বা কঁপি উঠিল। সপোনত দেখা সেই অক্টোপাচ আজি নিচেই ওচৰত। আজি এই অক্টোপাচ মাতি আনিছে আৰাধনাই নিজেই। সেই বাহু বন্ধনত ধৰা দিবলৈ নিজেই আগবাঢ়ি আহিছে। আলোকৰ গাত আজি দোষ নাই।

ভৱিৰ বুঢ়া আঙুলিৰ ওচৰৰ মজিয়াত চকুযোৰ থৈ আৰাধনা মনে মনে থাকিল।

আৰাধনাৰ নিচেই গাৰ কাষলৈ চাপি আহি তেওঁৰ কোমল হাতখন স্পৰ্শ কৰি অস্ফুট স্বৰত আলোকে কলে—“মই যদি কওঁ আজি আপুনি .... তুমি মোৰ বিলাৱল।”

আৰাধনা কঁপি উঠিল।

“বিলাৱল মানে কি?”

“হিন্দোল ৰাগৰ ভাৰ্য্যা বিলাৱল।”

“কিন্তু আপোনাৰ সেই ললিতা—”

“ললিতো হিন্দোলৰ স্ত্ৰী। কিন্তু মই তেতিয়া ভাবিছিলো নিজকে ৰাগ পঞ্চম। সেই কাৰণে তেতিয়া ললিতা আছিল পঞ্চমৰ কাৰণে পৰস্ত্ৰী। ........তোমাক আজি বিলাৱল যেন কিয় লাগিছে জানা? বিলাৱলৰ ৰূপ-বৰ্ণনা দিলে বুজি পাবা। ........নীলকমল কান্তি' শৰীৰত বিচিত্ৰ আভৰণ আৰু ইষ্ট দেৱতাক বাৰে বাৰে স্মৰণ কৰি সঙ্কেত-স্থলত প্ৰিয়তমৰ সৈতে যাৰ মিলন ঘটে—সেয়ে বিলাৱল।........”

নৱ-নাৰীৰ জীৱনত কেতিয়াবা হঠাৎ এটা অসতৰ্ক মুহূৰ্ত্ত আহি

পৰে। তেনেকুৱা এটা ক্ষণতেই আৰাধনা আলোকৰ বুকৰ মাজত সোমাই পৰিছিল আৰু তেতিয়া সেই নাৰীয়ে অনুভৱ কৰিছিল সেই সপোনত দেখা অক্টোপাচৰ দৃঢ় নিষ্পেষণৰ বেদনা আৰু তৃপ্তি।

আৰাধনাৰ সুবাস ভৰা চুলিৰ ওপৰত মাটকো আলফুলকৈ ঘঁহাই আলোকে কলে—

"তুমি মোৰ বিলাৱল........"

. আলোকৰ বুকৰ উমৰ পৰা ওলাই আহি আৰাধনাই বিনম্ৰ লাজেৰে তেওঁৰ চকুলৈ চালে—

"যাওঁ........"

"এৰি দিবৰ মন যোৱা নাই। ........আজি আনন্দত চিঞৰি দিবৰ মন গৈছে........।"

"চিঞৰিব নেলাগে, চেতাৰকে বজাওঁক—"

"ঠিক কৈছা। এতিয়া মই হিন্দোল বজাম"

"এতিয়া মই যাওঁ ?"

"কাইলৈ আকৌ আহিবা। আজি আহিছিলা বিলাৱল ৰূপে। কাইলৈ আহিবা মালৱী হৈ।"

"মালৱী ? সেইটো কেনেকুৱা ?"

"কাইলৈ ক'ম। ........অ' শুনা। মোৰ অতীতৰ কাহিনী শুনি তোমাৰ মনত কোনো বিৰূপ ধাৰণাৰ সৃষ্টি হোৱা নাইনে ? মোৰ প্ৰতি তোমাৰ কি ধাৰণা হৈছে কৈ যোৱা—"

"সেয়া মোৰ নিজা ধাৰণা। নকওঁ।"

"তেনেকৈ নকবা। ললিতাৰ মৃত্যুৰ বাবে ময়েই দায়ী আছিলো বুলি যদি তুমিও ভাবিছা, তাকো কোৱা—"

কেইটামান মুহূৰ্ত্ত স্তব্ধ হ'ল আৰাধনা। তাৰ পিচত তললৈ মূৰ কৰি লাহে লাহে কলে –

"বোধকৰো মোৰ দৃষ্টি ভুল হোৱা নাই—বোধকৰো আপোনাক মই চিনি পাইছো।........"

———

পিচদিনা বাতি চাবে দহ বজালৈও দেউতাক টোপনি নোযোৱা কাৰণে আৰাধনা অতিষ্ঠ হৈ পৰিল। চাবে ন বজাত ভাত-পানী খোৱাৰ পিচত দৈনিক ৰুটিন অনুসৰি দেউতাকৰ বিচনাৰ কাষৰ টেবুলত হৰলিক্স্ একাপ থৈ আৰাধনা নিজৰ কোঠালৈ আহিল। আঠুৰাখন পেলাই বিচনাত দীঘল দিলে। বিচনাত পৰিল শুবৰ কাৰণে নহয়, গোটেই ঘৰখনত নিদ্ৰাৰ পৰিবেশ এটা সৃষ্টি কৰিবৰ কাৰণে।

........সিপিনে আৰম্ভ হল সুৰৰ আহ্বান। আজিও যাব বুলি কৈ আহিছিল যদিও নোযোৱাটোকে মনে মনে ঠিক কৰি আৰাধনাই হাতেৰে কাণখন ঢাকিলে। কিন্তু ৰাতিৰ নিস্তব্ধতাৰ মুকলি বতাহত চেতাৰৰ সুৰে কোনো বিঘিনি নেমানি বাবে বাবে আৰাধনাৰ কাণৰ কাষত গুঞ্জৰ তুলিবলৈ ধৰিলে। অমৃতৰ ধাৰাৰ নিচিনাকৈ সেই সুৰ আৰাধনাৰ দুই কাণেদি বৈ গৈ কলিজাৰ ওপৰত পৰি থৌকি-বাথৌ লগালে। আৰাধনা উঠি বহিল। বিচনাৰ পৰা নামি সন্তৰ্পণে গৈ পৰ্দাখন দাঙি দেউতাকৰ কোঠাটো চালেগৈ।

পৰশু কাকতিয়ে টেবুল লেম্পটো জ্বলাই ভেতিয়াও কিবা লিখি আছে। আৰাধনাৰ খং উঠিল। আজি কেইদিনমানৰ আগতেহে অসুখ হৈ গৈছে দেউতাকৰ এতিয়া আকৌ ৰাতিলৈকে এইবোৰ পঢ়া-শুনা।

দেউতাকৰ ওচৰলৈ আহি কৰ্তৃত্বৰ সুৰত তেওঁ কলে—"দেউতা, তুমি ইমান ৰাতিলৈকে নোশোৱাটো ভাল কথা হোৱা নাই।"

চচ্‌মা যোৰ টেবুলত থৈ জীয়েকলৈ চাই কাকতিয়ে কলে—"অ' মণি! শোওঁ আৰু—"

"নেলাগে আৰু লিখিব। লাইট্‌টো চকুৰ আগত লৈ ইমান লিখা পঢ়া কৰা ভাল নহয়। আকৌ অসুখ হ'ব।.......কাইলৈ লিখিবা।"

"তোৰপৰা আৰু উপায় নেই। ·····ভয়ো শো গৈ যা। মুই শুম—"

টেবুল-লেম্পটো সুমুৱাই দিলে আৰাধনাই। দেউতাক বিচনাত উঠাৰ পিচত আঠুৱাখন খুচি দি আৰাধনা যেতিয়া বাৰাণ্ডালৈ ওলাই আহিল, তেতিয়া আকৌ কাণত পৰশিল চেতাৰৰ সেই আহ্বানৰ সুৰ।

……আলোকে তেতিয়া বজাইছিল বেহাগ। যেতিয়ালৈকে আৰাধনা নেথায় তেতিয়ালৈকে বেহাগৰ আলাপে যেন কান্দোনৰ ৰূপেৰে কোনোবা বিক্ষুব্ধ আত্মাৰ বেদনা আকুলি-বিকুলিকৈ প্ৰকাশ কৰি থাকিব। ঘনে ঘনে ভাহি অহা মীড়ৰ কোমলতা বিলাকে আৰাধনাৰ অন্তৰখন ভাঙি মুচৰি দিব খুজিলে। আৰাধনাই নিজকে নিজৰ ঘৰত বান্ধি ৰাখিব নোৱাৰিলে।

……তুৱাৰ মুখত থিয় হোৱাৰ লগে লগে চেতাৰ স্তব্ধ হ'ল আৰু আলোকৰ মুখখন উল্লাসিত হৈ উঠিল।

"ভাবিছিলো আজি নাহিবা। কালি কিজানি বেয়াই পালা।"

"আপোনাৰ এই মন উতলা কৰা বাদ্যযন্ত্ৰটোৱে শুবলৈ দিব জানো? উস্, এই সামান্য তাঁৰ কিডালতেই কি কান্দোন!"

আত্ম-প্ৰসাদৰ হাঁহি এটাৰে আলোকে চেতাৰখন শুৱাই থৈ আৰাধনাৰ কাষলৈ আহিল।

"কিন্তু দেৱী কৰিলা কেলেই?"

"দেউতা সুগুলে কেনেকৈ আহো?

"বাতি যদি দেউতাৰে সাৰ পাই তোমাক বিচাৰে?"

"বাতি মোক নিবিচাৰে—"

বগা পাৰি দিয়া শুধ্ বগা শাৰী পিন্ধা আৰাধনাক বৰ ধুনীয়া লাগিছিল। আৰাধনাৰ কাপোৰ কানিবোৰ সদায় নিকা; যেন পবিত্ৰতাৰ প্ৰতীক।

"আজি কি বজাইছিল? ইমান কন্দা কন্দা সুৰ!"

"বেহাগ"—স্বপ্নৰ আবেশত আলোকে আৰাধনালৈ চালে।

"মই ভাবিছিলো মালৱী। কালি যে আপুনি কৈছিল। আজি

আপুনি মালৱীৰ ৰূপ-বৰ্ণনা কৰিম বুলি কৈছিল নহয়? প্ৰত্যেকটো ৰাগ-ৰাগিণীৰ ৰূপ-বৰ্ণনা আপোনাৰ খুব ভাল লাগে নহয়?"

"সঁচাকৈয়ে খুব ভাল লাগে। তেতিয়াৰ দিনৰ কবিৰ বৰ্ণনাৰ কথা ভাবিলে আচৰিত যেন লাগে। মালৱী কোন জানা? প্ৰতি অঙ্গতে সৌন্দৰ্য্য বিৰাজ কৰা এগৰাকী যৌৱনা-নাৰী। পীনস্তনী শুভ্ৰ বিলাস নেত্ৰা, নিতম্বিনী চুম্বিত বক্ৰ পদ্ম........"

বুজিপাই আৰাধনাই তললৈ মূৰ কৰি দিলে। আলোকৰ অকনো লাজ নাই। ভাগ্যে সংস্কৃতত গাইছে। নহলে যে কি হলহেঁতেন!"

আলোকে কিন্তু তেতিয়াও গাই আছে—"শুকদ্যুতি কুণ্ডলিনী প্ৰমত্তা, সংকেত শালং প্ৰবিশন্ প্ৰদোষে।"

তললৈ মূৰ কৰি থকা আৰাধনাৰ ঠুতৰিটো ওপৰলৈ দাঙি আলোকে সুধিলে—"কেনেকুৱা পালা মালৱীৰ বৰ্ণনা?"

"ভাল।"

"যদি কওঁ তুমিয়েই মোৰ মালৱী।"

"মোৰ শৰীৰত কিন্তু মালৱীৰ ৰূপ নাই দেই। মই দেখাত বেয়া—গঢ নাই বুলি সকলোৱে কয়।" লজ্জাৱনতা আৰাধনাই কলে।

"সকলো পুৰুষৰ চকুত নাৰীৰ ৰূপ একে নহয়। মোৰ চকুত তুমি অপৰূপা।"

"হৈছে, হৈছে। ঠাট্টা নকৰিব। মই মালৱী নহওঁ—"

কিন্তু আজি তোমাক যে মই মালৱী ৰূপেই পাবলৈ কামনা কৰো।"

"তাৰ মানে?"

"থাক, তাৰ আগতে মোৰ এটা প্ৰশ্নৰ উত্তৰ দিবানে?"

"কি?"

"আগতে তুমি মোক কেলেই থাক কঠোৰ ব্যৱহাৰ কৰিছিলা?

মোৰ পৰা কিয় আঁতৰি ফুৰিছিলা ? মোক দেখিলেই যেন নাকটো কোচাই পেলাইছিলা। এদিন আৰুকি চেণ্ডেলেৰে........"

"হৈছে হৈছে, আৰু নকব........"

তেতিয়া বোধকৰো ৰাতিৰ প্ৰথম প্ৰহৰ অতীত হৈ গৈছিল। পৃথিৱীখন নিস্তব্ধ।

"আপোনাক তেতিয়া কেনেই তেনে ব্যৱহাৰ কৰিছিলো কলে জানো আপুনি বিশ্বাস কৰিব ?"

আলোকৰ চকুয়ে মুখে গভীৰ আগ্ৰহ ফুটি উঠিল।

"নিশ্চয় কৰিম, কোৱা।"

"তেতিয়া আপোনাৰ শৰীৰত দেখিছিলো এটা উগ্ৰ চঞ্চলতা আৰু উদ্‌ভ্ৰান্ত দৃষ্টি। সেই দৃষ্টিত মই সদায়ে দেখিছিলো এটা কামনাৰ ভাৱ। ভিতঁৰি ভিতঁৰি মই ভয়ত কঁপি উঠিছিলো। সেই কাৰণে মই সদায় এটা ঘৃণা আৰু অৱজ্ঞাৰ ভাৱ ফুটাই তুলিবলৈ চেষ্টা কৰিছিলো। ........আৰু হাতত চেণ্ডেল তুলি লম বুলি কৈছিলো যদিও সঁচাকৈয়ে পাৰিলোহেঁতেন জানো ? তাৰ বাবে আপুনি মোক নিশ্চয় ক্ষমা কৰিছে—"

"ক্ষমা খোজাৰ প্ৰশ্ন নুঠে আৰাধনা। তোমাৰ নিচিনা সবলা নাৰীৰ পক্ষে তেতিয়া সেয়ে তোমাৰ বোধকৰো উপযুক্ত ব্যৱহাৰ আছিল। তুমি মুখেৰে কলেও হাতেৰে বেয়া কাম কৰিব নোৱাৰা বুলি জানো।........"

"মোৰ ওপৰত কেনেকৈ ইমান বিশ্বাস হ'ল ?"

"কেনেকৈ বিশ্বাস হ'ল কোৱাটান। কিন্তু হ'ল আৰু এনেকৈয়ে হয়........। ........আৰু কোৱাচোন, তোমাৰ আজিৰ কথাবোৰ শুনি বৰ ভাল লাগিছে।"

"আৰু কি কম ? আপোনাৰ মনৰ কদৰ্য্যতাৰ উৎস বিচাৰি-বলৈ যাওঁতে আপোনাৰ হাতৰ মিঠা সুৰে মোৰ মনটো ওলট-পালট কৰি দিবৰ উপক্ৰম কৰিলে। কদৰ্য্যতা আৰু সুন্দৰতাৰ

মাজত থমকি বৈ আপোনাৰ কথা ভাবিবলৈ চেষ্টা কৰিলো। তথাপিও আপোনাৰ চকুত বেচিকৈ দেখিলো উগ্ৰ কামনাৰ ইঙ্গিত। সেই কাৰণেই মই আঁতৰি ফুৰিছিলো—"

"কথাও যে তুমি ইমান ধুনীয়াকৈ কব জানা, আজি প্ৰথম জানিলো। তাৰপিচত কি দেখিলা?"

"মই কব নোৱাৰো। আৰু সুস্থিৰ—"লাজত আকৌ তললৈ মূৰ কৰি দিলে আৰাধনাই।

নিমজ গাল দুখন মোহাৰি মোহাৰি আলোকে আৰাধনাৰ মুখখন তুলি ধৰি আকৌ সুধিলে—"আজি বাৰু মোৰ চকু আৰু শৰীৰত কি দেখিছা? সেই একে কামনাৰ কদৰ্য্য ইঙ্গিত নে? যদি দেখিছা, মোলৈ তোমাৰ ভয় লগা নাই কিয়? ........আৰাধনা, কোৱা।"

"অস্ফুট সুৰত আৰাধনাই কলে—"নাই দেখা........"

"তেন্তে কি দেখিছা? মোৰ চকুলৈ চোৱা।" —মুখখন আৰাধনাৰ মুখৰ ওচৰলৈ চপাই আনিলে। কিন্তু আৰাধনাই একো উত্তৰ দিব নোৱাৰিলে।

"কোৱা না—"

"সকলো প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি........"

........ইয়াৰ পিচত? ইয়াৰ পিচত অজ্ঞাতে আলোকৰ ওঁঠ দুটা নামি আহিছিল থৰ্থৰকৈ কঁপি থকা আৰাধনাৰ ওঁঠ দুটাৰ ওপৰত। আৰাধনাৰ গোটেই শৰীৰটো কঁপি উঠিল; বাধা দিবৰ কোনো উপায় নাই—কোনো শক্তি নাই। আলোকৰ দুই ওঁঠৰ অমৃত-মন্থনৰ মাজত যেন আৰাধনা এতিয়া হেৰাই যাব।. ......

"বেয়া পালা?"

"পাইছো তোৰ।"

"কিন্তু মালবীয়ে তো বেয়া নেপায়। চুম্বন পাবলৈকে মালবীয়ে পতিৰ লগত মিলনৰ বাবে সঙ্কেতস্থলত প্ৰতীক্ষা কৰি থাকে........"

"আপুনি কিন্তু বৰ দুষ্ট মানুহে দেই। ........বাৰু, মালৱী কাৰ স্ত্রী?"

"শ্ৰী ৰাগৰ। বসন্ত, মালৱশ্ৰী, ধনাশ্ৰী, আসাৱৰী আৰু মালৱী— এই আটাই কিগবাকীৰ ভিতৰত এনেবুৱা মধুৰ ক্ষণ আৰু প্ৰহৰত শ্ৰীয়ে ভাল পায় এই মালৱীকহে।"

আলোকৰ কথা কোৱাৰ ধৰণত আৰাধনাই হাঁহি দিলে।

"ইস্ বহুত ৰাতি হ'ল। কোনোবাই দেখিলে বাৰু কি ভাবিব? ........যাওঁ।"

আৰাধনাক এৰি নিদি আলোকে কলে—"ৰবাচোন, অলপ সময় বুৰা। এটা কথা সোধো ......"

"কি?"

"সেইদিনা নৈৰ পাৰত মনত আছেনে? তুমি যে কৈছিলা, তোমাৰো অভাতত এটা স্বপ্ন আছিল। শুনিবলৈ খুব মন গৈ আছে। কবানে? মোৰ অতীতৰ নিচিনাই নেকি?"

"আপুনি সঁচাকৈয়ে আচৰিত। ····· আজি নকওঁ। আন এদিন কম বাৰু।"

"কেতিয়া?"

"যেতিয়া তাৰ দিন আহিব। যেতিয়া আপোনাৰ দৰে নিৰ্ভিকতা বিচাৰি পাম—"

"আৰু এটা কথা—"

"কওঁক সোণকালে—"

"দেউতাক কেতিয়াকৈ কবা?"

"ইস্ মোৰ লাজ নেলাগে নেকি?"

"কিহৰ লাজ? তোমাৰ দেউতাৰ আপোন-ভোলা মানুহ; তোমাৰ লগত ইমান মুকলিকৈ কথা পাতে........"

"চেষ্টা কৰি চাম বাৰু—

"সেইদৰে কলে নহব। মই কিন্তু বেচিদিন ধৈৰ্য্য ধৰি থাকিব নোৱাৰিম। নহলে........"

"নহলে কি কৰিব?"

"যাওঁক, নকওঁ আজি। এই সপ্তাহৰ ভিতৰতে তুমি সুধি মোক কৰহি লাগিব।"

"বাৰু বাৰু। মোক এতিয়া এৰি দিয়ক। মই যাওঁ।"

যাব খুজিও আৰাধনা আকৌ বৈ কলে—"অ' এটা কথা। কাইলৈ আৰু পৰশিলৈ মই নাহো দেই। মোৰ কাম আছে। ........আৰু আপুনিও কিন্তু এই দুদিন ৰাতি চেতাৰ নবজাব।"

"কিয় চেতাৰ নবজাম?"

"আপোনাৰ ওচৰলৈ লৰমাৰি আহিব লাগিব আৰু তেতিয়া মোৰ কামৰ ক্ষতি হ'ব। মোক কথা দিয়ক, এই দুদিন আপুনি চেতাৰ নবজায়।"

"নবজাওঁ বাৰু, কথা দিছো। কিন্তু এই দুদিন নো তুমি কি কাম কৰিবা মোক কৈ যোৱা—"

"আপোনাৰ ওচৰলৈ আহি থাকিলেই তো নহব। মোৰ চাকৰি নাই জানো?"

"ৰাতি কিহৰ চাকৰি? আৰু তাকো দুৰাতিৰ কাৰণে?"

"পৰীক্ষাৰ বহি চাবলগীয়া হৈছে। ছ' মহীয়া পৰীক্ষা। মই স্কুলৰ মাষ্টৰনী বুলি পাহৰি যায় নেকি?"

আলোকে হাঁহি হাঁহি কলে—"ঠিকেই কৈছা। তুমি যে স্কুলত কাম কৰা, মই পাহৰিয়ে যাওঁ। ........তুমিও কিন্তু মোৰ এটা কথা ৰাখিব লাগিব। এই দুদিন ৰাতি চেতাৰ বজাই তোমাক আমনি নিদিওঁ। কিন্তু চ'থা দিনা ৰাতি মই চেতাৰ তুলি ল'ম। সেইদিনা তুমি আহিবা আৰু অঁাহোতে লৈ আনিব লাগিব তোমাৰ দেউতাৰ মত। আনিবা নহয়?"

"চেষ্টা কৰিম—"

"সেইদৰে ক'লে মহৰ। আহিবই লাগিব।"

"চাওঁ বাৰু, চেষ্টা কৰিম—"

"বাৰু সেইদিনাই মই মালকোষ ৰূপে তৌডী-গৌৰীক বৰণ কৰিম—"

হাঁহি হাঁহি আৰাধনা ৰাতিৰ দ্বিতীয় প্ৰহৰত উৎফুল্ল অন্তৰ এখন লৈ ওলাই গ'ল।

দুদিন চেষ্টা কৰিও আৰাধনাই দেউতাকৰ আগত কথাটো উলিয়াব নোৱাৰিলে। কেইদিনমান দেউতাক বৰ ব্যস্ত। ডেওঁৰ ফিলচফিকেল ট্ৰিটিজ্‌খন এই কিদিনতে শেষ কৰাৰ মানসেৰে পৰশু কাকতিয়ে লিখা কামত ব্যস্ত হৈ পৰিছে। যোৱা তিনিদিন এইখন ঘৰলৈ আলোকো অহা নাই।

আলোকে কৈছিল—"এইখন লিখি এই কিদিনতে শেষ কৰি পেলাওঁক। তাৰপিচত আপুনি পঢ়িব আৰু আমি শুনিম। লিখা কিদিন আপোনাৰ ওচৰলৈ মই নাহো আৰু আপুনিও মোৰ ওচৰলৈ নেযাব।"

বুঢ়া কাকতিয়ে তেতিয়া হাঁহি হাঁহি উত্তৰ দিছিল—"দেটচ্‌ এ গুড্‌ আইডিয়া ইয়ংমেন্‌। তুমি নাহিবা। ময়ো ডেফিনিট্‌লি নেযাওঁ তোমাৰ ওচৰলৈ।"

এইকিদিনতে দেউতাকক আৰাধনাৰ ভালেখিনি গহীন গহীন লাগিছে। অকলশৰে গোটেই বাৰাণ্ডাখন টহল দি ঘুৰি ফুৰা দেখিছে। আবেলি সময়ত অৰণ্যে ৰুদ্ৰ মাষ্টৰৰ ঘৰৰ পৰা এপাক মাৰি অহাও দেখিছে।

দেউতাকৰ তেনেকুৱা ব্যস্ত-মগ্ন ৰূপ দেখি আৰাধনাই নিজৰ কথাষাৰ উলিয়াব নোৱাৰিলে। জীয়েকৰ উচ্‌পিচনি দেখি এবাৰ দেউতাকে সুধিছিল—"কিবা কবি নেকি মণি?........"

"নাই দেউতা, একো নাই........" বুলি আঁতৰি গৈছিল।

নিজৰ কোঠালৈ আহি টেবুলত থকা ছাত্ৰীৰ পৰীক্ষাৰ বহি এখন টানি আনি তাত মনোনিবেশ কৰিবলৈ চেষ্টা কৰিছিল।

........আলোকৰ ঘৰ অন্ধকাৰ। অন্ধকাৰ ঘৰটোত যেন আকুল প্ৰতীক্ষা আৰু গভীৰ উৎকণ্ঠা বিৰাজ কৰিছে। আলোকৰ ঘৰৰ পৰা চেতাৰৰ শব্দ নহাটো বৰ অস্বাভাৱিক যেন লাগিল। কিন্তু আলোকে কথা দিছে এই কিদিন ধৈৰ্য্য আৰু উৎকণ্ঠাৰে বাট চাব—চেতাৰ বজাই আৰাধনাক আমনি নিদিয়ে।

আলোকৰ নিষ্ঠাৰ কথা অন্তৰৰ প্ৰেমেৰে আৰাধনাই বিশ্লেষণ কৰি চাবলৈ চেষ্টা কৰিলে। ........বেচেৰা বঞ্চিত, মৰম বঞ্চীয়া, নিঠৰুৱা আৰু অসহায় আলোক। এই মৰম-কাঙাল মানুহটোক আৰাধনাই বাৰু তেওঁৰ অকৃপণ হাতেৰে কিমান দিব পাৰিব! আৰাধনাৰ আছে কিমান!

কিন্তু আজিয়ে দেউতাকক কথাটো কব লাগিছিল।

আজি ৰাতি চেতাৰ খন লৈ বৈ থাকিব আলোক। আৰাধনা ঘোৰাৰ লগে লগে উৎকণ্ঠাৰে সুধিব—'কি কলে দেউতাই?' ........লাজ লাজ ভাৱেৰে আৰাধনাই কব লাগিব—'দেউতাই আশীৰ্ব্বাদ দিছে।' ........আৰু যদি আৰাধনাই দেউতাকক একো সুধিব নোৱাৰে আৰু তেওঁ আলোকৰ ওচৰলৈ নেযায়? তেতিয়া? তেতিয়া চেতাৰৰ কোমল সুৰেৰে কান্দি কান্দি আলোকে মাতিব। যেতিয়ালৈকে আৰাধনা নেযায়, তেতিয়ালৈকে চেতাৰে কান্দিয়ে থাকিব গোটেই ৰাতি।

........আজি দেউতাকক কবই লাগিব তেওঁৰ মণিৰ ভবিষ্যত স্বপ্নৰ কথা আৰু বিচাৰিব লাগিব তেওঁৰ অকুণ্ঠ আশীৰ্ব্বাদ। আজি মা থকা হলে হয়তো ইমান দ্বিধা-বোধ আৰু লজ্জাভাৱ নাহিলহেঁতেন।

.......কিন্তু রুদ্র মাষ্টৰৰ ঘৰৰ পৰা ঘূৰি অহাৰ পিচত দেউতাকৰ রুক্ষ চেহেৰা দেখি আৰাধনা বৰ আচৰিত হ'ল। দেউতাকৰ এনেকুৱা চেহেৰা তেওঁ কেতিয়াও দেখা নাই। অস্বাভাৱিকভাৱে চিগাৰেট হুপি হুপি কাকতিয়ে বাৰাণ্ডাত অস্থিৰ ভাৱে ঘূৰি ফুৰিছে। কি হল দেউতাকৰ? কিবা এটা চিন্তাত যেন তেওঁ দেই পুৰি মৰিছে। এই কিদিনৰ গহীনতাতকৈ আজি যেন বেচি। শঙ্কিতা আৰাধনাই দেউতাকৰ ওচৰলৈ আহি মাতিলে—"দেউতা!"

"অ' মণি—"

"কি হৈছে তোমাৰ দেউতা? অসুখ কৰিছে নেকি?"

"ন ন মণি, মই ঠিকেই আছো। ........এটা কথাতহে—"

"কি হৈছে দেউতা? কিবা বিপদ-আপদ......" দেউতাকৰ অজানা বিপদৰ আশঙ্কাত আৰাধনা চিঞৰি উঠিল।

"বিপদ? এৰা, ঠিকেই, এটা বিপদৰ পৰা আমি ৰক্ষা পৰিলো। তাওঁৰ বিপদ হব খুজিছিল। .......কিন্তু মণি, আই কুড্ নট্ বিলিভ্ ইট্।

কথাটো শুনি মই অলপ বেষ্ট্ লেচ্ হৈছো। আই ডিড্ নট্ ড্ৰিম্ দেট্........"

"কি হৈছে দেউতা? কেলেই তেনেকুৱা কৰিছা? কাৰ কথা কৈছা?"

"কাৰ কথা! ইঅ'ৰ অমল বৰুৱা। ........আই লাইকড্ এণ্ড লাভড্ হিম্ লাইক্ মাই চান্ মণি!" বুঢ়া পৰশু কাকতিৰ মাতটো যেন থোকাথুকি হ'ল। "তাক লৈ মানে মানে বহুত কথাই কল্পনা কৰিছিলো। ভাবিছিলো তোৰ মাৰৰ ঋণ শোধ কৰিব পাৰিম। .......কিন্তু সি এটা........হি ইজ্ এ........কি কম মই? হুৱাট্ চুড্ আই চে'........"

দেউতাকক ইমান বেচি উত্তেজিত হৈ পৰা দেখি আৰাধনা ভয় খাই গল। কি হল? কি শুনিলে দেউতাকে আলোকৰ বিষয়ে?

"দেউতা তুমি ইমান বেচি উত্তেজিত হৈ নপৰিবাচোন। বলা তোমাৰ কোঠালৈ যাওঁ। তাতেই ধীৰে-সুস্থিৰে কবা—"

ভিতৰলৈ আহি গভীৰ আগ্ৰহেৰে শুনিব খোজা জীয়েকৰ মুখলৈ চাই পৰশু কাকতিয়ে এবাৰ ভাবিলে কেনেকৈ কথাখিনি কব। ........তাৰ পিচত লাহে লাহে ৰুদ্ৰ মাষ্টৰৰ মুখত শুনি অহা গোটেইখিনি কথা একালৰ পৰা কৈ যাবলৈ ধৰিলে।

আৰাধনাৰ কাৰণেও এই বাতৰি অতি হৃদয়-বিদাৰক আৰু মৰ্ম্মান্তিক। আলোক ইমান নীচ আৰু জঘন্য নে?

গৌতমে সকলোবোৰ কথা ভিনীহিয়েক ৰুদ্ৰ মাষ্টৰৰ আগত কৈ গৈছিল।

ছিঃ ছিঃ কি লজ্জাজনক কলঙ্ক! ইমান নীচ, হীন আৰু জঘন্য মানুহ আলোক! এই কিটা কথা আলোকে ইমান কৌশলেৰে এৰি থৈ গ'ল। এতিয়া সকলোবোৰ কথা আৰাধনাৰ চকুত মুকলি হৈ পৰিছে। সেই কাৰণেই আলোকৰ অপৰাধ প্ৰৱনতা ইমান বেচি! অপৰাধ-স্খালনৰ প্ৰচেষ্টা ইমান প্ৰৱল! ....... আৰু আলোকে একে কৌশলেৰে—একে ছল আৰু চাতুৰীৰে বশ কৰিলে আৰাধনাক! বুকত সাৰটি ধৰি....... ছিঃ ছিঃ।

কিছু সময় আৰাধনা স্তব্ধ হৈ থাকিল। তাৰ পিচত নিজক সংযত কৰি নাৰী-সুলভ সহিষ্ণুতাৰে তেওঁ লাহে লাহে ক'লে—"দেউতা, মোক এটা অনুমতি দিয়া......"

"কি?"

"মই তেওঁক সুধিব খোজো আৰু আজিয়ে সুধিব খোজো। তুমি মোক অনুমতি দিয়া দেউতা!"

স্বাভাৱিক অৱস্থালৈ লাহে লাহে ঘূৰি অহা পৰশু কাকতিয়ে জীয়েকৰ চকুলৈ একেথৰে চাই থাকি কলে—"কিন্তু মণি, তই যদি তাৰ ওচৰলৈ গৈ এইবোৰ কথা সোধ, সি তোক অপমান কৰিব—ইন্‌চাল্ট্ কৰিব। তাক বিশ্বাস নকৰিবি। ....ডোণ্ট্!"

আৰাধনাৰ ওঁঠ দুটা উত্তেজনাত কঁপিবলৈ ধৰিলে।

"দেউতা, তোমাৰ মণিক কোনো পুৰুষেই অপমান কৰিব নোৱাৰে, তুমি নিশ্চিন্ত থাকা। ....... আৰু বিশ্বাস। এই পৃথিৱীত তোমাৰ বাহিৰে মই কোনো পুৰুষকেই বিশ্বাস কৰা নাছিলো দেউতা, কিন্তু...." কথাখিনি সমাপ্ত কৰিব নোৱাৰি পৰশু কাকতিৰ একমাত্ৰ মৰমৰ জীয়েক মণিয়ে হুকহুককৈ কান্দি দিলে।

কান্দিব নজনা কঠোৰ ব্যক্তিত্বৰ জীয়েক মণিৰ কান্দোনত পৰশু কাকতিও হতভম্ব হৈ পৰিল। স্তব্ধ হৈ তেওঁ জীয়েকলৈ চালে।

......তাৰ পিচত মুৰত হাতখন থৈ বৃদ্ধ কাকতিয়ে কৰলৈ ধৰিলে—
'মই জানো মণি, মই জানিছিলো। .........মোৰ মনতো তেনেকুৱা এটা আশা আছিল। আই হেড্ দেট্ হোপ্ অল্চ'। আই অল্চ' বিলিভড্ হিম্........"

কঁপা কঁপা হাতেৰে জুইশলাটো মাৰি তেওঁ এটা চিগাৰেট জ্বলালে। চকুত সোমাব খোজা ধোঁৱাবোৰ আঁতৰাই তেওঁ আকৌ কলে—"অল্‌ৰাইট্, তই যা বাক। বাহাদুৰকো লৈ যা। কিন্তু সাৱধান হৈ থাকিবি। তাৰ নিচিনা মানুহ এটাই যেই কোনো কাম কৰিব পাৰে। ........ডোণ্ট্ বিলিভ্ হিম্ মণি—"

সেইদিনা ৰাতি ন মান বজাত আলোকে হাতত চেতাৰখন তুলি লৈছিল। প্ৰতীক্ষা আৰু উৎকণ্ঠাভৰা অন্তৰ এখনেৰে আৰু উদ্‌গ্ৰীব দৃষ্টিৰে প্ৰথমতে অন্যমনস্ক হৈ চেতাৰখনত আঙুলি বুলাইছিল। ........তাৰ পিচত, ধীৰে ধীৰে তেওঁ বীৰ, শান্ত, গম্ভীৰ আৰু বিশ্বজয়ী মালকোষৰ ধ্যানত মগ্ন হৈ পৰিছিল।

গোটেই কোঠাটোত ধূপৰ সুবাস বিয়পি পৰিছে। মালকোষৰ বীৰ আৰু ধীৰ খোজৰ লগে লগে আলোকে আত্মহাৰা হৈ সুৰৰ পিচে পিচে ঘূৰি ফুৰিছিল। তেতিয়া আকাশত তিৰ্‌বিৰাই থকা তৰাবোৰে কিহবাৰ বেদনাত যেন উচুপি উচুপি কান্দিব খুজিছিল।

মাজে মাজে এই ৰাগ যেন সুৰৰ মূৰ্চ্ছনাত এবাৰ স্তব্ধ হৈ ৰৈছিল তোড়ীৰ ওচৰত আৰু এবাৰ ৰৈছিল গৌৰীৰ ওচৰত। এই তোড়ী আৰু গৌৰীক একেলগ কৰি আলোকে কল্পনা কৰিছিল আৰাধনাৰূপী এটা দেহ আৰু মনক। তোড়ীৰ মমতা আৰু গৌৰীৰ স্নেহ—তাৰ মাজত মালকোষ........

... ....“বন্ধ কৰক আপোনাৰ চেতাৰ!!” —জন্‌জনাই চেতাৰৰ তাঁৰ এডাল যেন ছিগি গ'ল।

আৰাধনা! কিন্তু আৰাধনাৰ এই চেহেৰা কিয়? মুখৰ বৰণ ক'লা, বিবৰ্ণ, অসংযত আৰু অবিন্যস্ত বেশ-বাস! কি হৈছে আৰাধনাৰ? প্ৰচণ্ডভাৱে আলোকৰ অন্তৰখন জোকাৰ খাই গল।

“কি হৈছে তোমাৰ আৰাধনা?”

“কি হৈছে! সুধিবলৈ লাজ লগা নাই? আপুনি মিছলীয়া— আপুনি ঠগ্‌!!”

“কি কৰিলো মই? কি হৈছে তোমাৰ??”

“এজনী সৰল ছোৱালীক সৰ্ব্বস্বান্ত কৰি, বিহ খুৱাই এতিয়া মোক সুধিছে কি হৈছে? ইমান নীচ, হীন আৰু ইমান জঘন্য আপুনি—”

“আৰাধনা!!” আলোকৰ চিঞৰত কোঠাটো গম্‌গমাই উঠিল।

"আপোনাৰ ধমকিলৈ যে মই ভয় নকৰো আপুনি খুব ভালকৈ জানো। ......এজনী নিষ্ঠুৰ ছোৱালীৰ সৰ্ব্বনাশ কৰি হেপাহ নপলালে। এতিয়া আহিছে মোৰ লগত খেলিবলৈ? মোৰ সৰ্ব্বনাশ কৰিবলৈ?? ........কিয়? কিয় আপুনি মোৰ লগত এনেদৰে.... কওঁক........" সবলা আৰু দৃঢ়চেতা নাৰী আৰাধনা কান্দোনত ভাঙি পৰিল।

হতভম্ব আলোকে ভয়ে ভয়ে আৰাধনাৰ ওচৰলৈ আহি সুধিলে—"তুমি এইবোৰ কি কৈছা আৰাধনা? মই একো বুজা নাই। কোনে কলে তোমাক এইবোৰ? মোক তুমি বিশ্বাস নকৰা??"

কান্দোন সম্বৰণ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰি আৰাধনাই কলে—"কৰিছিলো। ......মনৰ লগত বহুত বুজাপৰা কৰি শেষত আপোনাকেই বিশ্বাস কৰিছিলো। কিন্তু আজি—"

"কি আজি? তোমাৰ বিশ্বাসৰ মূল্য হেৰাই গ'ল বুলি ক'ত প্ৰমাণ পালা তুমি? ........তোমাৰ বিশ্বাসৰ মূল্য মই দিব জানো আৰাধনা। তোমাৰ ভালপোৱাৰ মৰ্য্যাদা কেনেকৈ দিব লাগে মই জানো—"

'মনে মনে থাকক আপুনি। বিশ্বাসৰ মৰ্য্যাদা দিব জানে কাৰণেই মোৰ আগত আপুনি মিছা কথা কৈছিল, বহুত কথা লুকুৱাইছিল আৰু এজনী অন্তঃসত্ত্বা ছোৱালীক দৰৱৰ নামত বিহ খাবলৈ উচটনি দিয়াৰ কথা লুকুৱাই পেলাইছিল নহয়? কওঁক।"

এজনী বাঘিনীৰ জ্বলন্ত দৃষ্টিৰে আৰাধনাই আলোকলৈ চালে।

"তুমি মোৰ কথা শুনা আৰাধনা। ........তোমাৰ আগত মই কেতিয়াও মিছা কথা কোৱা নাছিলো। ........ললিতাৰ মই সৰ্ব্বনাশ কৰিছিলো, তেওঁক মই বিহ খুৱাইছিলো, এই সকলোবোৰ কথা মিছা-মিছা-মিছা!!!" উত্তেজনাত আলোকৰ গোটেই শৰীৰটো কঁপিবলৈ ধৰিলে।

"কিন্তু আপোনাৰ ভনীয়েক নিকয়ে গৌতমইতৰ আগত কোৱা কথাবোৰ ভেন্তে কি? সেইবোৰো মিছানে? নিজৰ ভনীয়েকে কেতিয়াও ককায়েকৰ বিষয়ে মিছা কথা নকয়। কওঁক সেইবোৰ কথা সঁচা নে মিছা??"

'আৰাধনা। তুমি যদি মোৰ কথা নুশুনি নিজেই চিঞৰি থাকা তেতিয়া মোৰ কোনো উপায় নাই। শুনা যদি মই আজি তোমাৰ আগত মোৰ জীৱনৰ সকলো খিনি কথাই কম। ........মোৰ অনুৰোধ, তুমি শুনা আৰাধনা। মোৰ নিচিনা হতভগীয়া জীৱনটোৰ কথা শুনাৰ পিচতো যদি তুমি মোৰপৰা আঁতৰি যাব খোজা, মোৰ কোনো আপত্তি নেথাকিব। হাঁহি মুখে তোমাক মই বিদায় দিম। শুনিবানে?" আলোকৰ কণ্ঠৰ পৰা কান্দোনৰ সুৰ এটা লাগৰি পৰিল।

কান্দোন সংযত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰি উচুপি উচুপি আৰাধনাই কলে—

"শুনিবলৈ আৰু কি বাকী আছে?........"

"শুনিবলৈ বহুত বাকী আছে। তুমি শুনিব লাগিব......."

"কওঁক—"

তাৰপিচত আলোকে কবলৈ আৰম্ভ কৰিলে।

আলোকে কোৱা প্ৰতিটো কথা এখন উৎকণ্ঠা আৰু উদ্‌গ্ৰীৱ নাৰী-মনেৰে আৰাধনাই শুনি যাবলৈ ধৰিলে।

তেওঁৰ জীৱনৰ সকলো খিনি কথা আলোকে কৈ যাবলৈ ধৰিলে। মাতৃহাৰা আলোকৰ বেদনা, পিতৃৰ উদাসীনতা, মাহীমাকৰ অত্যাচাৰ, মিকুৰ গোপন প্ৰেম, চেতাৰ শিক্ষা, গুৰুজীৰ সান্নিধ্য, শান্তাৰ প্ৰতি প্ৰথম অনুভূতি, ললিতাৰ আবিৰ্ভাৱ, মাহীমাকৰ ষড়যন্ত্ৰ, ললিতাৰ অতীত জীৱনৰ গোপন প্ৰণয়, প্ৰেম-পত্ৰৰ পঙ্কিল ভাষা, ললিতাৰ লগত আলোকৰ প্ৰেম, বিয়াৰ আয়োজন আৰু ললিতাৰ মৃত্যু সকলোবোৰ কলে। একালৰ পৰা কৈ যাবলৈ

ধৰিলে কলিকতা, লক্ষ্ণৌ, দিল্লী, হৰিদ্বাৰ, কাশ্মীৰ, ৰাজস্থান, বেনাৰস, কিশোৰী মোহন, শীলা, মাদ্ৰাজ আৰু কন্যাকুমাৰীৰ কথা। প্ৰতিটো ঘটনাৰ এটাও শব্দ বাদ নিদিলে।

তেতিয়া ৰাতিৰ কিমান সময় অতিবাহিত হৈ গৈছে, কোনেও নেজানে। বোধকৰো তেতিয়া ৰাতিৰ তৃতীয় প্ৰহৰ।

অন্তৰ উজাৰি শেষ কৰি দিয়াৰ অৱসাদত আলোকে তললৈ মূৰ কৰি থকা আৰাধনালৈ চাই ক্ষীণ কণ্ঠেৰে ক'লে—"এতিয়া কোৱা আৰাধনা।"

আৰাধনা নিমাত।

"নেমাতা কিয় ? কোৱা........"

শান্ত হবলৈ চেষ্টা কৰি আৰাধনাই সুধিলে—

"কি ক'ম ?"

"তোমাৰ যি ইচ্ছা তাকেই কোৱা। মোৰ গোটেইবোৰ কথা শুনাৰ পিচত তোমাৰ মনলৈ যি ভাব আহিছে, তাকেই কোৱা। মই শুনিবলৈ প্ৰস্তুত হৈ আছো। ........মোৰ ক্ষমা কৰাৰ প্ৰশ্ন নুঠে মই জানো। সকলোবোৰ কথা শুনাৰ পিচত চিৰদিনৰ কাৰণে যদি তুমি মোৰ পৰা আঁতৰি যাব খোজা, তোমাৰ পথ খোলা আছে আৰাধনা। তোমাক মই হাঁহি মুখে বিদায় দিব পাৰিম। .......মাত্ৰ যাবৰ সময়ত এটা ভুল ধাৰণা লৈ নেযাবা মই তোমাক প্ৰতাৰণা কৰিব খুজিছিলো—তোমাৰ লগত মই খেলিব খুজিছিলো বুলি........কোৱা।"

তথাপিও আৰাধনাই মুখখন ওপৰলৈ নেদাঙিলে। নিমাত হৈ থাকিল। তৃতীয় প্ৰহৰৰ প্ৰতিটো মুহূৰ্ত্ত নিঃশব্দে, নিৰলে আৰু সন্তৰ্পণে পাৰ হৈ গ'ল।

"মুখখন তোলা আৰাধনা। তোমাৰ মনৰ ভাষা আজি অন্ততঃ মোৰ আগত মুখ ফুটাই কোৱা। আৰাধনা ! !"

লাহে লাহে মূৰটো দাঙি আৰাধনাই আলোকলৈ চালে।

দুগালে দুধাৰি চকুলো উজ্জ্বল হৈ পৰিছে। আকৌ তললৈ মুৰ কৰি তেওঁ লাহে লাহে কম্পিত স্বৰত কলে—"মোক—মোক ক্ষমা কৰা। মই ভুল বুজিছিলো........"

ৰাতিৰ তৃতীয় প্ৰহৰ তেতিয়া পাৰ হৈ গৈছে। জোনটো হেলনীয়া হৈ তাৰ শেষ পোহৰ আলোকৰ বিচনাখনত পেলাইছিল। এটা অজান চৰাইয়ে বোধকৰো কৰবাত মাত দিছিল।

আৰাধনাৰ মূৰত হাতখন থৈ আলোকে কলে—

"এইখন হাতেৰেই মই চেতাৰ বজাওঁ আৰাধনা। এই হাত-খনৰ ওপৰত তুমি ভৰষা ৰাখিব পাৰিবা। ........আৰু এই হাতখন মই কাৰপৰা পাইছো জানো? সৌৱা মোৰ মা আৰু গুৰুজীৰ পৰা। মোক ভুল বুজিলেও তেওঁলোকক যেন ভুল নুবুজা।........"

আৰাধনাই একো মাতিব নোৱাৰিলে।

"ৰাতি শেষ হবৰ হ'ল। তুমি যোৱাগৈ। তোমাৰ দেউতাৰক সকলোবোৰ কথা কবা। ...... এতিয়া অলপ শুবলৈ চেষ্টা কৰাগৈ যোৱা—"

"আৰু তুমি?"

এটা মধুৰ হাঁহিৰে আলোকে কলে—

'মই? এতিয়া আৰু মোৰ টোপনি নাহিব। কিয় জানো? ......অগ্নি-স্নান কৰি ওলাই অহা উজ্জ্বল সোনৰ পবিত্ৰতা আৰু সততাৰ অনুভূতি আজি মই অনুভৱ কৰিছো। .....আজি মই জীৱনৰ শাশ্বত সত্য উপলব্ধি কৰিলো; আৰু উপলব্ধি কৰিলো তুমি মোৰ শাশ্বতী......'

"ইমান ওপৰত থকাৰ যোগ্যতা মোৰ নাই। যদি কোনোবা দিনা খহি পৰো......"

'যদি কোনোবা দিনা তুমি মোৰ আদৰ্শৰ চূড়াৰ পৰা খহি

পৰা, সেইদিনা জানিম মোৰ দৃষ্টিত তোমাৰ মৃত্যু হৈছে। ....কিন্তু আজি, এই মুহূৰ্ত্তত মই চেতাৰত বিজয় ডঙ্কাৰ সুৰ তুলিম.........”

লজ্জাৱনতা আৰাধনাই কলে—“বজোৱা।”

কিন্তু তুমি? তুমি কি কৰিবা? ........তুমি যৰলৈ যোৱা আৰাধনা, দেউতাৰে চিন্তা কৰিব—”

“বেচি কথা নকবা। বজাবলৈ আৰম্ভ কৰা।” এটা যেন আদেশ। তেওঁ চেতাৰখন আলোকৰ হাতত তুলি দিলে।

“কি বজাবা?”

“কি বজাম জানা? ........বৈজয়ন্তী।”

“বৈজয়ন্তী?”

“ওঁ, সেই যে—‘স্বপ্ন দেখিছো আমি, দিনান্তৰ গৰ্ভকোষত সঞ্জীৱিত হোৱা এক আদিম পুৰাৰ। ........নতুন দিগন্ত, নতুন স্বপ্ন—বৈজয়ন্তীৰ স্পষ্ট জাগৰণ’।”

আৰাধনাৰ মুখত এটা মিঠা হাঁহি বিৰিঙি উঠিল।

........তাৰ পিচত আৰম্ভ হ ল তীব্ৰ মধ্যমৰ বৈজয়ন্তী। বৈজয়ন্তীৰ আলাপে শেষ প্ৰহৰৰ শান্ত নীৰৱতাক সবাক আৰু মুখৰ কৰি তুলিলে। কোমল মূৰ্চ্ছনাৰ তীব্ৰ কম্পনেৰে আহ্বান জনালে আলোকে বৈজয়ন্তীক। লাহে লাহে........ধীৰে ধীৰে........দশোদিশে বিস্তৃতি লাভ কৰিলে বৈজয়ন্তীয়ে।.......

“মণি।!”

পৰশু কাকতিৰ অতৰ্কিত হুঙ্কাৰত দুয়ো উচপ্ খাই উঠিল। কিন্তু চেতাৰ শুদ্ধ নহল। বৈজয়ন্তী তীব্ৰ গতিত আগবাঢ়িল।

“এতিয়াও কি কৰিছ তই? এই মানুহটোৰ লগত কি কৰিছ? ........উঠি আহ মণি!” আত্মভোলা আৰু শান্ত কাকতিৰ চকুত যেন জুইৰ শিখা।

“দেউতা!!”

“তই উঠি আহ মণি, ঘৰলৈ বল। ডোণ্ট বিলিভ্ হিম্........ মণি।!”

"তুমি মোৰা দেউতা, মই গৈছো। ........তুমি শুই থাকাগৈ মোৰা। ........এতিয়া আমনি নকৰিবা।........"

এই সামান্য অথচ গম্ভীৰ কথা কিটাই পৰশু কাকতিক নিমাত কৰি দিলে। কিবা এষাৰ কব খুজিও তেওঁ কব নোৱাৰিলে। ........আলোকলৈ চালে। আলোক তেতিয়া বৈজয়ন্তীৰ ধ্যানত গভীৰ ভাৱে আত্মবিভোৰ হৈ আছে। বৃদ্ধ কাকতি লাহে লাহে ওলাই আহিল। এই ইয়ংগাৰ জেনেৰেচন্‌টোৰ মহিমা বুজা টান।

তাৰ পিচত, বৈজয়ন্তীৰ সুৰে সুৰে বিভোৰা আৰু আত্মহাৰা হৈ পৰিল আৰাধনা, অন্তৰৰ পদ্ম-বিকশিত মধুৰ স্বপ্নেৰে। 'অন্তৰৰ ভিতৰুত অনুৰণিত হোৱা বৈজয়ন্তী-মনেৰে আলোকৰ গভীৰ চকু-যুৰিলৈ চালে।

তেতিয়া শেষ-প্ৰহৰৰ অম্লান জোনৰ পোহৰটোৱে এটা নতুন আৰু উজ্জ্বল দিনৰ আগমনৰ ইঙ্গিত দিছিল। জোনটোৰ তলত থকা ৰোহিণী নক্ষত্ৰটো বোধকৰো কঁপিছিল থৰ্‌থৰ্‌কৈ। গছ, লতা আৰু পলাশ পাতত তেতিয়া লাগিছিল জুইৰ পৰশ। দূৰৈৰ পৰা ভাহি অহা চৰাইটোৰ মাতভো আছিল অগ্নি-পৰশা শুভ-বাৰ্ত্তা।

..... বৈজয়ন্তীৰ স্পষ্ট জাগৰণৰ লগে লগে আলোকৰ সম্মোহিত চকুত উদ্ভাসিত হৈ পৰিছিল কন্যা-কুমাৰীৰ সূৰ্য্যোদয়ৰ মহিমামণ্ডিত সেই শাশ্বত সত্য।

আৰু বৈজয়ন্তীৰ সুৰে সুৰে আৰাধনাৰ অন্তৰতো তেতিয়া বাজিছিল ৰাধাৰ নুপুৰৰ মধুৰ ধ্বনি—ঝুন্‌........ঝুন্‌........ঝুন্‌........ ঝুন্‌........।

সমাপ্ত